GSK S3 01

মহাকাব্য

তৃতীয় ষাণ্মাসিক

সংস্কৃত

পাঠ্যবিষয় ০৩

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৱক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১	অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
২ — ৭	ড° গায়ত্রী শর্মা সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, সন্দিকৈ মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাৰতী গোস্বামী, সহযোগী তথা মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ
গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুন, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্য্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অধ্যায় ১ ঃ ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ** **৭ - ১৮**

সংস্কৃত ভাষাৰ পৰিচয়; ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত; বৈদিক সংস্কৃত ভাষা; লৌকিক সংস্কৃত ভাষা; সংস্কৃত ভাষাৰ বৰ্তমান অৱস্থা

অধ্যায় ২ ঃ **অধ্যায় ২ ঃ ৰঘুবংশম্ (সাধাৰণ আলোচনা)** **১৯ - ৩০**

'ৰঘুবংশম্' মহাকাব্যৰ চমু পৰিচয় ঃ মহাকাব্যৰ লক্ষণ, মহাকাব্যখনিৰ উৎস, 'ৰঘুবংশম্' মহাকাব্যখনৰ টীকা; শিৰোনামৰ তাৎপর্য্য; সর্গসমূহৰ চমু পৰিচয়; ৰঘুবংশীয় ৰজাসকল; মহাকাব্যখনৰ ৰচক

অধ্যায় ৩ ঃ **ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১-১০)** **৩১ - ৪৫**

প্রথমসর্গৰ সাৰাংশ; প্রথমসর্গৰ নামকৰণৰ তাৎপর্য্য; প্রথমসর্গৰ শ্লোক (১-১০)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অনুবাদ, ব্যাকৰণগত টোকা, কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা; সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ৪ ঃ **ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১১-৩০)** **৪৬ - ৬৮**

প্রথমসর্গৰ শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা; সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ৫ ঃ **ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৩১-৪৮)** **৬৯ - ৮৮**

চতুর্থসর্গৰ শ্লোক (৩১-৪৮)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা; সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ৬ ঃ **ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৪৯-৭৪)** **৮৯ - ১১৬**

প্রথমসর্গৰ শ্লোক (৪৯-৭৪)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; প্রথমসর্গৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা; সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ৭ ঃ **ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৭৫-৯৫)** **১১৭ - ১৩৮**

প্রথমসর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; প্রথমসর্গৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা; সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

পাঠ্যবিষয়ৰ পৰিচয় ঃ মহাকাব্য

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ তৃতীয় ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এতিয়া এই পাঠ্যবিষয়টিত ৰঘুবংশম্ মহাকাব্যৰ বিষয়ে কিছু সবিশেষ অধ্যয়ন কৰিব পাৰিব। ইয়াৰ উপৰি কিৰাতার্জুনীয়ম্ মহাকাব্যৰ বিষয়ে জানিব পাৰিব। কালিদাস ৰচিত ৰঘুবংশম্ মহাকাব্যৰ প্রথম আৰু চতুর্থসর্গৰ কিছু নির্বাচিত পাঠ্যাংশৰ লগত পৰিচিত হ'ব। এই পাঠ্যবিষয়টিত সর্বমুঠ পোন্ধৰটা অধ্যায় আছে। ইয়াক দুটা খণ্ডত ভাগ কৰা হৈছে। প্রথম খণ্ডত সাতটা অধ্যায় আৰু দ্বিতীয় খণ্ডত আঠটা অধ্যায় সন্নিৰিষ্ট কৰা হৈছে।

প্রথম খণ্ডৰ অধ্যায়সমূহ হ'ল—

১) ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ
২) ৰঘুবংশম্ (সাধাৰণ আলোচনা)
৩) ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১-১০)
৪) ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১১-৩০)
৫) ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৩১-৪৮)
৬) ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৪৯-৭৪)
৭) ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৭৫-৯৫)

দ্বিতীয় খণ্ডৰ অধ্যায়সমূহ হ'ল—

৮) ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ১-২৫)
৯) ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ২৬-৫২)
১০) ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৫৩-৮০)
১১) ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৮১-৮৮)
১২) কিৰাতার্জুনীয়ম্— সাধাৰণ আলোচনা
১৩) কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ১-২৫)
১৪) কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ২৬-৪৬)
১৫) কিৰাতার্জুনীয়ম্— কাব্যগত আলোচনা

খণ্ড পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ তৃতীয় ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়ৰ প্রথম খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। ইয়াত সংস্কৃত ভাষাৰ ক্রমবিকাশৰ লগতে ৰঘুবংশম্ মহাকাব্যৰ প্রথমসর্গৰ কিছু গুৰুত্বপূর্ণ শ্লোকৰ সৈতে পৰিচিত হ'ব পাৰিব। এই খণ্ডটিত সাতটা অধ্যায় সন্নিৰিষ্ট কৰা হৈছে। সেইসমূহ হ'ল—

অধ্যায় ১ ঃ ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ

অধ্যায় ২ ঃ ৰঘুবংশম্ (সাধাৰণ আলোচনা)

অধ্যায় ৩ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১-১০)

অধ্যায় ৪ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১১-৩০)

অধ্যায় ৫ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৩১-৪৮)

অধ্যায় ৬ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৪৯-৭৪)

অধ্যায় ৭ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৭৫-৯৫)

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান **'আৰ্হি প্রশ্ন'** তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সংস্কৃত ভাষাৰ পৰিচয়
১.৪ ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত
১.৫ বৈদিক সংস্কৃত ভাষা
১.৬ লৌকিক সংস্কৃত ভাষা
১.৭ সংস্কৃত ভাষাৰ বর্তমান অৱস্থা
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্রগতিৰ খতিয়ান
১.১১ আর্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ জানিব পাৰিব
- সংস্কৃত ভাষা আৰু ইন্দো-ইউৰোপীয় ভাষাৰ সম্বন্ধৰ বিষয়ে অৱগত হ'ব
- বৈদিক সংস্কৃত ভাষাৰ বিষয়ে জানিব পাৰিব
- লৌকিক সংস্কৃত ভাষাৰ বিষয়েও জানিব পাৰিব
- আধুনিক যুগত সংস্কৃত ভাষাৰ অৱস্থাৰ বিষয়ে অৱগত হ'ব।

১.২ পৰিচয়

শব্দগঠনৰ ভিত্তিত 'সংস্কৃত' পদটোৱে 'পৰিস্কৃত' বা 'পৰিশীলিত' অর্থ বুজালেও আর্য্যাবর্তত প্রচলিত প্রাচীনতম ভাষাটোকেই পণ্ডিতসকলে সংস্কৃত বুলি অভিহিত কৰিছে। পৃথিৱীত মানুহৰ মাজত প্রচলিত প্রাচীনভাষাসমূহৰ ভিতৰত অন্যতম হ'ল সংস্কৃত ভাষা। প্রাচীন যুগতেই বিস্তাৰ লাভ কৰা এই ভাষাটিতেই আর্য্যসকলৰ প্রাচীনতম গ্রন্থ 'ঋগ্বেদ' ৰচনা কৰা হৈছিল। ঋগ্বেদেৰে যাত্রা আৰম্ভ কৰা সংস্কৃত ভাষাই বহু স্তৰ পাৰ কৰি আহি বর্তমানৰ অৱস্থা পাইছেহি। সংস্কৃত ভাষাৰ বিষয়ে জানিবলৈ হ'লে এই ভাষাটোৰ লগত যুক্ত ঐতিহাসিক পটভূমিৰ বিষয়ে অধ্যয়ন কৰাটো অতি প্রয়োজনীয়। তদুপৰি ভাৰতীয় আর্য্যভাষাৰ বিশাল ক্ষেত্রখনৰ এটি গুৰুত্বপূর্ণ অংশ অধিকাৰ কৰি আছে এই সংস্কৃত ভাষাই। সংস্কৃত ভাষাৰ উৎপত্তি ক'ত কিদৰে হৈছিল সেই

বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ থাকিলেও বিভিন্ন সময়ত বিভিন্ন বিবর্তনৰ মাজেদি গৈ, বহু ধৰণৰ বাধা বিপত্তিৰ সন্মুখীন হৈও সংস্কৃত ভাষাটোৱে যে বর্তমান যুগতো স্বমহিমাৰে উজলি আছে সেই বিষয়ে দ্বিমত নাই। গতিকে বর্তমান সময়ত ব্যৱহাৰ হোৱা সংস্কৃত ভাষাৰ বিষয়ে জানিবলৈ হ'লে ইয়াৰ প্রাচীন ইতিহাসৰ বিষয়ে জ্ঞান থকাটো প্রয়োজনীয়। এই অধ্যায়টিত আপুনি ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশৰ বিষয়ে জানিব। লগতে আপুনি বিভিন্ন স্তৰত প্রচলিত সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্যৰ বিষয়েও অৱগত হ'ব।

১.৩ সংস্কৃত ভাষাৰ পৰিচয়

ভাৰতবর্ষৰ প্রাচীনতম ভাষা হ'ল সংস্কৃত। এই ভাষাৰ পৰিধি সুবিশাল। হিন্দু ধর্মৰ প্রাচীনতম গ্রন্থ ঋগ্বেদ এই ভাষাতেই ৰচিত হোৱা বাবে সংস্কৃতক আর্য্যসকলৰ প্রাচীনতম ভাষা হিচাপে গ্রহণ কৰিব পাৰি। দণ্ডীয়ে তেওঁৰ **কাব্যাদর্শ** নামৰ গ্রন্থখনত সংস্কৃতৰ বিষয়ে কৈছে— 'সংস্কৃতং নাম দৈৱী ৱাক্'। অর্থাৎ সংস্কৃত হ'ল দেৱতাসকলৰ ভাষা। তেওঁৰ মতে ব্রহ্মা আদি দেৱতাসকলে এই ভাষাতেই কথা পাতিছিল আৰু পৰৱর্তী সময়ত **পাণিনি** আদি পণ্ডিতে তেওঁলোকে ৰচনা কৰা গ্রন্থৰ সহায়ত এই ভাষাটোক পৰিশীলিত কৰি তুলিছিল।

আচার্য্য দণ্ডীৰ এই অভিমতে সংস্কৃত ভাষাৰ প্রাচীনত্বৰ বিষয়ে প্রমাণ দিয়ে। তদুপৰি ৰামায়ণৰ সুন্দৰকাণ্ডত হনুমানেসীতাৰ লগত কথা পাতোতে কি ভাষাৰ প্রয়োগ কৰিব এই প্রসঙ্গত সংস্কৃত ভাষাৰ উল্লেখ পোৱা যায়—'ৱাচং চোদাহৰিষ্যামি মানুষীমিৱ সংস্কৃতাম্'। এইখিনিতে হনুমানে সংস্কৃত ভাষাৰ দুটা ৰূপৰ বিষয়ে ইঙ্গিত দিছে। মহাকবি কালিদাসেও তেওঁৰ কাব্যত বিভিন্ন প্রসঙ্গত সংস্কৃত ভাষাৰ বিষয়ে উল্লেখ কৰিছে। **কুমাৰসম্ভৱম্** কাব্যত তেওঁ সংস্কৃতক 'সংস্কাৰপূত' ভাষা বুলি আখ্যা দিছে। ইয়াত 'সংস্কাৰপূত' শব্দটোৱে কালিদাসে পৰিমার্জিত বা অলঙ্কৰণসমৃদ্ধ অর্থ বুজাইছে বুলি অনুমান কৰা যায়।

তদুপৰি মহাকবি কালিদাসে তেওঁৰ ৰঘুবংশ মহাকাব্যত সংস্কৃত ভাষাক 'ভাৰতী' বুলি অভিহিত কৰি ইয়াক 'কৃত সংস্কাৰা' অর্থাৎ সংস্কাৰসমৃদ্ধ ভাষা হিচাপে ব্যক্ত কৰিছে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যেএটা সময়ত সংস্কৃত ভাষাক 'ভাৰতী' নামেৰেও কোৱা হৈছিল। এই সকলো কথাৰ পৰা জনা যায় যে সংস্কৃত বা প্রাচীন আর্য্যভাষা বহুকালৰ পৰা ভাৰতবর্ষত চলি আছিল।

ভাষাতাত্ত্বিক গঠনৰ দিশৰ পৰা ক'ব পাৰি যে সংস্কৃত বা প্রাচীন আর্য্যভাষাৰ উৎপত্তি হৈছে ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰাণীয় ভাষাৰ পৰা। কিন্তু ভাৰতবর্ষতেই এই ভাষাটিয়ে বহুতো পৰিৱর্তনৰ সোঁতৰ মাজেদি প্রবাহিত হৈছে। ভাৰতবর্ষত এই ভাষাৰ আৰম্ভণি হয় বৈদিক যুগৰ পৰা।

গতিকে বৈদিক যুগৰ পৰা আৰম্ভ কৰি বর্তমান সময়লৈকে এই ইতিহাস সমৃদ্ধ ভাষাটিয়ে প্রায় ৩৫০০ শব্দ গছকি আহিছে। এই ৩৫০০ বছৰৰ ইতিহাসেই হ'ল সংস্কৃত ভাষাৰ ঐতিহাসিক প্রেক্ষাপট। ভাষাতাত্ত্বিক সত্য�ৰঞ্জন বন্দোপাধ্যায়ৰ মতে সংস্কৃত ভাষাৰ ইতিহাস জানিবলৈ হ'লে তলত দিয়া ধৰণে ভাষাৰ স্তৰবোৰ অধ্যয়ন কৰিব লাগিব ঃ ইন্দো-ইউৰোপীয় ভাষা— ইন্দো-

কাব্যাদর্শ ঃ এইখন অলঙ্কাৰশাস্ত্রৰ গ্রন্থ। আচার্য্য দণ্ডীয়ে এই গ্রন্থখন ৰচনা কৰে। এই গ্রন্থখনত তিনিটা পৰিচ্ছেদ আছে। এইখন গ্রন্থত ৰীতি, শব্দালঙ্কাৰ আৰু অর্থালঙ্কাৰৰ বিষয়ে বিশেষ আলোচনা কৰা হৈছে।

পাণিনি ঃ মহান ব্যাকৰণবিদ। তেওঁ অষ্টাধ্যায়ী গ্রন্থখন ৰচনা কৰে। এইখন গ্রন্থত বৈদিক আৰু লৌকিক সংস্কৃতৰ ব্যাকৰণ সম্বন্ধীয় প্রায় চাৰি হাজাৰ সূত্র আছে। সংস্কৃত ব্যাকৰণৰ এইখন এখন অমূল্য সম্পদ।

কুমাৰসম্ভৱম্ ঃ কালিদাস বিৰচিত এখন মহাকাব্য। শিৱ আৰু পার্বতীৰ বিবাহৰ পিছত মহাদেৱৰ ঔৰসত পার্বতীৰ গর্ভত কুমাৰ অর্থাৎ কার্ত্তিকেয়ৰ জন্ম— এয়াই মহাকাব্যখনৰ মূল বিষয়বস্তু। মুঠ সোতৰটি সর্গত ৰচিত এইখন কাব্যত মহাকবি কালিদাসৰ ৰচনাৰীতিৰ সৌন্দর্য্য সম্পূর্ণভাৱে প্রকাশ পাইছে।

ইৰাণীয় ভাষা— প্রত্ন আর্য্যভাষা— কথ্য সংস্কৃত ভাষা— বৈদিক সংস্কৃত— লৌকিক সংস্কৃত— আধুনিক সংস্কৃত।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ভাৰতীয় আর্য্যভাষা বুলিলে যি সংস্কৃতৰ ধাৰণা হয় তাৰ আৰম্ভণি বৈদিক সংস্কৃতৰ পৰাই ধৰা হয়। এই সংস্কৃত ভাষাৰ মাধুর্য অপৰিসীম। সম্পূর্ণ পৃথিৱীৰ প্রাচীন ভাষাসমূহৰ ভিতৰত সংস্কৃত ভাষাৰ সুকীয়া বৈশিষ্ট্যটো হ'ল যে অতি প্রাচীন কালৰ পৰা প্রচলিত হৈ থকা এই ভাষাটোৱে আজিও নিজৰ মর্য্যাদা লৈ জীয়াই আছে। অৱশ্যে এটা কথা আমি সকলোৱে স্বীকাৰ কৰিবই লাগিব যে প্রাচীন ভাৰতত সংস্কৃতৰ যি মর্য্যাদা বা সন্মান আছিল বর্তমান সময়ত সেইটো বহু পৰিমাণে হ্রাস পাইছে। কিন্তু এই কথাটো অনস্বীকার্য্য যে বহুবিধ ইতিহাস সম্বলিত এই সংস্কৃত ভাষাটো নিজৰ মহিমাৰে আজিও জীৱিত। যিসকলে সংস্কৃতক মৃত ভাষা বুলি জ্ঞান কৰে তেওঁলোকে প্রকৃততে এই ভাষাৰ স্বৰূপৰ বিষয়ে নাজানে।

প্রকৃততে ভাৰতবর্ষৰ ইতিহাস জানিবলৈ হ'লে সংস্কৃতৰ ইতিহাস জনাটো আৱশ্যক। কাৰণ সুপ্রাচীন কালতে ৰচনা কৰা বৈদিক বাঙ্ময়ত যি ইতিহাস বাজ্ঞান সিঁচৰতি হৈ আছে সেইটো জনাৰ বাবে সংস্কৃত ভাষাৰ জ্ঞান অতি আৱশ্যক। তদুপৰি এই ভাষাটোৰ **ধ্বনিতত্ত্ব, ৰূপতত্ত্ব** আদিয়ে বহুতো ঐতিহাসিক ঘটনাৰো সাক্ষ্য দিয়ে। সংস্কৃত ভাষাত নিহিত প্রাণশক্তিয়েই আজিলৈকে এই ভাষাক জীয়াই ৰাখিছে। সেই কাৰণে হিব্রু, গ্রীক্, লেটিন আদি প্রাচীন ভাষাবোৰ যেতিয়া পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছে তেতিয়াও সংস্কৃত ভাষাৰ চর্চা গোটেই বিশ্বত চলি আছে। পণ্ডিত জৱাহৰলাল নেহেৰুৱে তেওঁৰ ৰচনাত সংস্কৃত ভাষাক ভাৰতৰ শ্রেষ্ঠ সম্পদ ৰূপে অভিহিত কৰিছে। চাৰ উইলিয়াম জোনছে সংস্কৃত ভাষাক গ্রীক আৰু লেটিন ভাষাতকৈ অধিক পৰিমার্জিত বুলি ব্যক্ত কৰিছে।

গতিকে আমি জানিব পাৰিলোঁ যে আজিৰ যুগত প্রচলিত যি সংস্কৃত ভাষা— তাৰ এটা ইতিহাস সম্বলিত প্রেক্ষাপট আছে। সেই কাৰণে সংস্কৃত ভাষাৰ ক্রমবিকাশৰ বিষয়ে জানিবলৈ হ'লে এই প্রেক্ষাপটৰ স্তৰসমূহৰ বিষয়ে জানিব লাগিব।



ধ্বনিতত্ত্ব ঃ এটি ভাষাত কিছুমান নির্দিষ্ট ধ্বনি থাকে। এই ধ্বনিসমূহৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। এই ধ্বনি আৰু ইয়াৰ বৈশিষ্ট্যসমূহক একেলগে ধ্বনিতত্ত্ব বোলে।

ৰূপতত্ত্ব ঃ এটি ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ ৰূপ আৰু ৰূপৰ বৈচিত্র্যসমূহক একেলগে ৰূপতত্ত্ব বুলি কোৱা হয়।

১.৪ ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত

ইন্দো-ইউৰোপীয় ভাষাটো সম্পূর্ণ ৰূপে এটি কাল্পনিক ভাষা। ইয়াত 'ইন্দো' পদটোৱে ইণ্ডিয়া (India) বা ভাৰতবর্ষক সূচায় আৰু ইউৰোপ মহাদেশৰ দেশবিলাকক সামৰি লয়। প্রকৃততে এনেকুৱা নামৰ ভাষাটো আছিল নে নাই সেই বিষয়ে কোনোধৰণৰ প্রামাণিক তথ্য দিয়া সম্ভৱ নহয়। কিন্তু গ্রীক, লেটিন, সংস্কৃত, ফার্চী আদি কিছুমান প্রাচীন ভাষাৰ মাজত ধ্বনিগত আৰু ৰূপগত সাদৃশ্য লক্ষ্য কৰি এই ভাষাসমূহৰ মূল হিচাপে ইন্দো-ইউৰোপীয় ভাষাৰ অস্তিত্ব কল্পনা কৰি লোৱা হৈছে। আজিলৈকে কোনেও এই কাল্পনিক ভাষাটোৰ বিপৰীতে কোনোধৰণৰ সাক্ষ্য প্রমাণ আনিব পৰা নাই। সমগ্র বিশ্বৰ ভাষাতত্ত্ববিদসকলে এই কল্পিত ভাষাটোৰ অস্তিত্ব স্বীকাৰ কৰিহে নিজৰ নিজৰ গৱেষণাসমৃদ্ধ আলোচনা আগবঢ়াই আহিছে। কিছুমান পণ্ডিতে এই ইন্দো-ইউৰোপীয় ভাষাৰো এটি প্রাচীন স্তৰ থকা বুলি কল্পনা কৰিলেও সেইটো সকলোৱে স্বীকাৰ কৰি


লোৱা নাই। সংস্কৃত, লেটিন, গ্রীক আদি প্রাচীন ভাষাসমূহৰ মূল হিচাপে সকলোৱে ইন্দো-ইউৰোপীয় ভাষাটোকেই স্বীকাৰ কৰি লৈছে।

ইন্দো-ইউৰোপীয় ভাষাটো বিভিন্ন স্তৰত বিভিন্ন নামেৰে জনাজাত হৈছিল। যেনে— আর্য্যভাষা, ইন্দো-জার্মানিক ভাষা আৰু ইন্দো-বেলতিক্ ভাষা। কিন্তু এই নামবোৰত থকা কিছুমান জটিলতাৰ বাবে এইবোৰ সময়ৰ সোঁতত হেৰাই যায় আৰু ইন্দো-ইউৰোপীয় নামটোৱেই সর্বজনগ্রাহ্য হৈ ৰয়। এই ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা— সতম্ (Satam) আৰু কেন্তুম্ (Centum)। প্রকৃততে ইন্দো-ইউৰোপীয় ভাষাৰ এই ভাগটো সম্পূর্ণভাৱে ভাষাতত্ত্বৰ আধাৰত নির্ধাৰিত হৈছে। ইন্দো-ইউৰোপীয় ভাষাৰ তালব্যধ্বনিৰ পৰিৱর্তনৰ আধাৰতহে এই ভাগ দুটা স্থিৰ কৰা হৈছে। 'শত' শব্দৰ ইন্দো-ইউৰোপীয় ৰূপৰ ধ্বনি পৰিৱর্তনৰ ফালে লক্ষ্য ৰাখি ইন্দো-ইউৰোপীয় ভাষাটোক সতম্ আৰু কেন্তুম্ —এই দুটা ভাগত ভগোৱা হৈছে। যি ভাষাত এই ধ্বনিটো শিস্ ধ্বনিত (Sibilant) পৰিবর্তিত হয় সেইবোৰ সতম্ বিভাগটোৰ অন্তর্ভুক্ত হয় আৰু যি ভাষাত এই ধ্বনিটো তালব্য ক-ধ্বনিলৈ পৰিৱর্তিত হয় সেইবোৰ কেন্তুম্ বিভাগটোৰ অন্তর্ভুক্ত হয়। ভৌগোলিক দিশৰ পৰাও ইন্দো-ইউৰোপীয় ভাষাক দুটা শ্রেণীত ভগোৱা হয় —এটা পূর্বীয়, আনটো পশ্চিমীয়। কিন্তু এই বিভাগ দুটাক সকলো পণ্ডিতে স্বীকাৰ নকৰে। ইন্দো-ইউৰোপীয় ভাষাৰ সতম্ শাখাৰ প্রধান ভাষাবোৰ হ'ল— ইন্দো-ইৰাণীয়, আলবানীয়, আর্মেনীয় আদি। আনফালে কেন্তুম্ শাখাৰ প্রধান ভাষাবোৰ হ'ল— গ্রীক্, লেটিন, জার্মানিক্, বেলতিক্ আদি।

সংস্কৃত ভাষা ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰানীয় ভাগৰ অন্তর্ভুক্ত। ইন্দো-ইৰাণীয় ভাষাৰ অধ্যয়নৰ পৰা জনা যায় যে এই ভাষাটো এটা সময়ত দুটা দিশত গতি কৰে। ইয়াৰ এটা হ'ল প্রত্ন ইৰাণীয়, য'ৰ পৰা প্রাচীন ফার্চী ভাষাৰ উৎপত্তি হয় আৰু আনটো হ'ল প্রত্ন-ভাৰতীয় আর্য্য, য'ৰ পৰা উৎপত্তি হয় প্রাচীন ভাৰতীয় আর্য্যভাষা বা সংস্কৃতৰ। সেইকাৰণে ইন্দো-ইৰাণীয় ভাগৰ অন্তর্ভুক্ত ইন্দো-এৰিয়ান ভাষাৰ প্রাচীন ভাগটোকেই সংস্কৃত বুলি কোৱা হয়। এই অনুমানৰ ভিত্তিতেই সংস্কৃত ভাষাক অ'ল্ড ইন্দো-এৰিয়ান (Old Indo-Aryan) বা সংক্ষেপে OIA বুলি কোৱা হয়। গতিকে সংস্কৃত ভাষাৰ ঐতিহাসিক প্রেক্ষাপট জানিবলৈ হ'লে ইন্দো-ইউৰোপীয় তথা ইন্দো-ইৰাণীয় ভাষাৰ লগত থকা ইয়াৰ সম্বন্ধৰ কথা জানিব লাগিব। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল ইন্দো-ইউৰোপীয় ভাষাটো কাল্পনিক হ'লেও ইয়াত যে প্রকৃতি-প্রত্যয়ৰ ভিত্তিত বাক্য গঠন কৰা হৈছিল সেইবিষয়ে সহজেই অনুমান কৰা যায়। ইন্দো-ইউৰোপীয় ভাষাৰ অন্তর্গত সংস্কৃত, গ্রীক্, লেটিন আদি ভাষাৰ মাজতো এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ভাষাসমূহত প্রকৃতি-প্রত্যয়গত অর্থ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ভাষাসমূহত প্রকৃতি-প্রত্যয়গত অর্থ আৰু বাক্যৰ অর্থৰ মাজত পূর্ণ সামঞ্জস্য থকা দেখা যায়। যিসমূহ ভাষাত প্রকৃতি প্রত্যয়গত অর্থৰ সহায়ত শব্দবোৰে বাক্যৰ অর্থ গঠন কৰে অর্থাৎ বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ প্রকৃতি-প্রত্যয়গত অর্থৰ লগত বাক্যৰ সম্পূর্ণ অর্থৰ পূর্ণ সামঞ্জস্য থাকে সেইবোৰক সমন্বয়ী (Synthetic) ভাষা বোলে। সংস্কৃত ভাষা হ'ল সমন্বয়ী ভাষাৰ অন্যতম উদাহৰণ। উদাহৰণ স্বৰূপে, কোৱা যায়— বালকঃ বিদ্যালয়ং গচ্ছতি —এই বাক্যটোত 'বালকঃ' পদটো কর্তা আৰু ইয়াত

প্রথমা বিভক্তিৰ একবচন প্রযুক্ত হৈছে। তদুপৰি বাল পদটোত 'ক' প্রত্যয় যুক্ত হৈছে আৰু সম্পূর্ণ 'বালকঃ' পদটো সৰু ল'ৰাক বুজাইছে। দ্বিতীয়তে, বিদ্যাৰ আলয় বা স্থান অর্থত বিদ্যালয় পদটো প্রযুক্ত হৈছে আৰু ইয়াত দ্বিতীয়া বিভক্তিৰ একবচন দিয়া আছে। 'গচ্ছতি' এই তৃতীয় পদটোত 'গমন' বা 'যোৱা' অর্থত 'গম' ধাতুৰ প্রথম পুৰুষৰ একবচনৰ ৰূপ প্রযুক্ত হৈছে। এতিয়া 'বালকঃ বিদ্যালয়ং গচ্ছতি' —এই বাক্যটোত 'ল'ৰাজনে পঢ়াশালিলৈ যায়' —এনেকুৱা যি অর্থ প্রকাশ পায় সেইটো পদবিলাকৰ প্রকৃতি প্রত্যয়যুক্ত অর্থৰ লগত সম্পূর্ণ সামঞ্জস্যযুক্ত। এনেদৰে সংস্কৃত ভাষাত প্রতিটো বাক্যৰ ক্ষেত্রতেই এই নিয়ম প্রযোজ্য হয়। এইফালৰ পৰা দেখা গ'ল যে সংস্কৃত ভাষাটো সম্পূর্ণভাৱেএটি সমন্বয়ী ভাষা। ইয়াৰ বিপৰীতে যি ভাষাত বিভক্তি নথকা বাবে বিশ্লেষণৰ সহায়ত পদবিলাকক কর্তা, কর্মৰূপে নির্দ্ধাৰণ কৰি বাক্যৰ অর্থ নিৰূপণ কৰিবলগীয়া হয় সেইবোৰক বিশ্লেষণাত্মক ভাষা বোলে। ইন্দো-ইউৰোপীয় ভাষাৰ পৰা উৎপত্তি হোৱা আধুনিক ভাৰতীয় ভাষাসমূহ, যেনে— অসমীয়া, বাংলা আদি বিশ্লেষণাত্মক ভাষাৰ অন্তর্গত।

গতিকে এই আলোচনাৰ পৰা আমি জানিব পাৰিলোঁ যে সংস্কৃত ভাষাটো ইন্দো-ইৰাণীয় ভাষাৰ লগত প্রত্যক্ষভাৱে জড়িত আৰু ইন্দো-ইৰাণীয় ভাষাৰ জৰিয়তে এইটো ইন্দো-ইউৰোপীয় ভাষাৰ সন্তানতুল্য ভাষা। কিন্তু ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰাণীয় ভাষাৰ পৰা সংস্কৃত ভাষা উৎপন্ন হলেও পৰৱর্তী সময়ত এই ভাষাত বিভিন্ন ধৰণৰ স্তৰৰ সন্ধান পোৱা যায়। এই সকলো স্তৰৰ মাজেদি গৈ হে সংস্কৃত ভাষা বর্তমানৰ ৰূপ ধাৰণ কৰিছে। সংস্কৃত ভাষাক ভাষাতাত্ত্বিক দিশৰ পৰা ওল্ড-ইন্দো-এৰিয়ান (OIA) বুলি কোৱাৰ কাৰণ হিচাপে তলৰ চিত্রটো দেখুৱাব পাৰি।





অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইন্দো-ইউৰোপীয় ভাষা বুলিলে কি বুজায়?

.....

.....

প্রশ্ন নং ২ ঃ ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা কি কি?

.....

প্রশ্ন নং ৩ ঃ সংস্কৃত ভাষাটো ইন্দো-ইউৰোপীয় ভাষাৰ কোনটো বিভাগৰ অন্তর্ভুক্ত?

.....

প্রশ্ন নং ৪ ঃ ভাৰতীয় আর্য্যভাষা বুলিলে কোনটো ভাষাক বুজায়?

.....

প্রশ্ন নং ৫ ঃ সমন্বয়ী ভাষা কি?

.....

.....

প্রশ্ন নং ৬ ঃ কেইটামান বিশ্লেষণাত্মক ভাষাৰ উদাহৰণ দিয়ক।

.....

প্রশ্ন নং ৭ ঃ সংস্কৃত ভাষাৰ ভাষাতাত্ত্বিক নামটো কি?

.....

১.৫ বৈদিক সংস্কৃত ভাষা

সমগ্র বৈদিক সাহিত্যত যি সংস্কৃত ভাষা ব্যৱহাৰ কৰা হৈছে সেইটোৱে বৈদিক সংস্কৃত ভাষা। সংহিতা, ব্রাহ্মণ, উপনিষদ, আৰণ্যক, বেদাঙ্গ আদিত বৈদিক সংস্কৃত ভাষাৰ প্রয়োগ দেখিবলৈ পোৱা যায়। এই সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ বাবে সমগ্র সংস্কৃত ভাষাৰ জগতত বৈদিক সংস্কৃত ভাষাৰ এটি সুকীয়া স্থান আছে। বৈদিক সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্যৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ক) বৈদিক সংস্কৃতত স্বৰ প্রক্রিয়া এটি গুৰুত্বপূর্ণ বৈশিষ্ট্য। বৈদিক সংস্কৃতত তিনিটা মূল স্বৰ ব্যৱহাৰ কৰা হৈছিল। সেইবোৰ হ'ল— উদাত্ত, অনুদাত্ত আৰু স্বৰিত। বাগমন্ত্রত থকা তালু, মূর্দ্ধা আদি বর্ণ-উচ্চাৰণ স্থানৰ ঊর্দ্ধভাগত যি স্বৰবর্ণৰ উচ্চাৰণ হয় সেইটোৱে উদাত্ত। সেইদৰে তালু, মূর্দ্ধা আদি উচ্চাৰণ স্থানৰ নিম্নভাগত উচ্চাৰণ হোৱা স্বৰবর্ণক অনুদাত্ত বোলে। উদাত্ত আৰু অনুদাত্তৰ বর্ণধর্ম য'ত সংমিশ্রিত হয় সেই স্বৰক স্বৰিত বোলে। পাণিনিয়ে তেওঁৰ ব্যাকৰণত কৈছে—**'উচ্চৈঃ উদাত্তঃ', 'নীচৈঃ অনুদাত্তঃ'** আৰু **'সমাহাৰঃ স্বৰিতঃ'**। এই তিনিটা মূল স্বৰৰ বাহিৰেও বৈদিক সংস্কৃতত আৰু বহু ধ ৰণৰ স্বৰ দেখিবলৈ পোৱা যায়।

খ) বৈদিক সংস্কৃতত পদপাঠৰ ব্যৱহাৰ এটি বৈশিষ্ট্য। সংহিতা-পাঠ অর্থাৎ সন্ধিযুক্ত পাঠসমূহৰ সন্ধি ভাঙি এটা নির্দিষ্ট পদক ব্যৱহাৰ কৰাটোৱেই হ'ল পদপাঠ।

গ) বৈদিক ছন্দৰ ক্ষেত্রতো এটি বিশেষ নিয়ম থকা দেখা যায়। লৌকিক সংস্কৃতৰ ছন্দসমূহ গণভিত্তিক। কিন্তু বৈদিক ছন্দসমূহ অক্ষৰভিত্তিক। সেইকাৰণে গায়ত্রী, উষ্ণিক, অনুষ্টুপ, বৃহতী, পঙক্তি, ত্রিষ্টুপ আৰু জগতী নামৰ যি সাতটা বৈদিক ছন্দ আছে সেইবোৰ লৌকিক সংস্কৃতত পোৱা নাযায়।

ঘ) বৈদিক সংস্কৃতত বহুতো ক্ষেত্রত অন্ত্য ব্যঞ্জনবর্ণৰ লোপ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে, ক'ব পৰা যায় কর্মন্ শব্দটোৰ কথা। কর্মন শব্দৰ অন্ত্যব্যঞ্জনবর্ণ 'ন্' লুপ্ত হৈ কর্ম হয় আৰু ইয়াৰ তৃতীয়া বিভক্তিৰ বহুবচনত 'কর্মেভিঃ' পদৰ প্রয়োগ পোৱা যায়।

ঙ) লৃঙ্-লকাৰৰ প্রয়োগ বৈদিক সংস্কৃতত খুবেই কম কিন্তু এই ভাষাত লেট্-লকাৰৰ প্রচুৰ প্রয়োগ দেখিবলৈ পোৱা যায়।

চ) বৈদিক সংস্কৃতত তুমুন্-প্রত্যয়ৰ অর্থত সে, অসে আদি বহুতো প্রত্যয়ৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়।

ছ) উপসর্গৰ ব্যৱহাৰৰ ক্ষেত্রত বৈদিক সংস্কৃতত বহুতো বৈচিত্র্য দেখিবলৈ পোৱা যায়। লৌকিক সংস্কৃতত উপসর্গ সদায় ধাতুৰ আগত বহে। কিন্তু বৈদিক সংস্কৃতত উপসর্গ কেতিয়াবা ধাতুৰ পিছতো বহা দেখা যায়। তদুপৰি কেতিয়াবা এই উপসর্গসমূহ পদৰ ব্যৱধানতো বহা দেখা যায়। কেতিয়াবা বৈদিক সংস্কৃতত একেটা উপসর্গৰ একাধিকবাৰ ব্যৱহাৰ পোৱা যায়।

জ) বৈদিক সংস্কৃতত কাৰক আৰু ক্রিয়াৰ সময়ৰ বিষয়ে কেতিয়াবা বেলেগ বেলেগ প্রয়োগ দেখিবলৈ পোৱা যায়। কেতিয়াবা বর্তমান কালৰ অর্থত লিট্-লকাৰৰ প্রয়োগ পোৱা যায়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ উদাত্ত, অনুদাত্ত আৰু স্বৰিত বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৯ ঃ পদপাঠ কি?

.....

প্রশ্ন নং ১০ ঃ বৈদিক সংস্কৃতত ব্যৱহাৰ হোৱা ছন্দসমূহ কি কি?

.....

.....

প্রশ্ন নং ১১ ঃ বৈদিক সংস্কৃতত উপসর্গৰ ব্যৱহাৰ কেনেদৰে হোৱা দেখা যায়?

.....

.....

প্রশ্ন নং ১২ ঃ বৈদিক সংস্কৃতত কোনটো লৃ-কাৰৰ প্রয়োগ নাই আৰু কোনটো ল-কাৰৰ প্রয়োগ বেছিকৈ দেখা যায়?

.....

.....

১.৬ লৌকিক সংস্কৃত ভাষা

আপুনি ইতিমধ্যে জানিব পাৰিছে যে ঋগ্বেদৰ পৰা আৰম্ভ কৰি বেদাঙ্গ সাহিত্যলৈকে গ্ৰন্থসমূহত বৈদিক সংস্কৃত ভাষাৰ ব্যৱহাৰ হৈ আহিছে। বৈদিক সংস্কৃত ভাষা ব্যৱহাৰৰ সময়ছোৱাক বৈদিক কাল বুলি কোৱা হয়। কিন্তু ৰামায়ণ-মহাভাৰত আদি গ্ৰন্থৰ ভাষাটো যদিও সংস্কৃত, ই বৈদিক সংস্কৃতৰ দৰে নহয়। প্ৰকৃততে ৰামায়ণক আদিকাব্য বুলি কোৱাৰ কাৰণটোৱেই হ'ল যে লৌকিক সংস্কৃত ভাষাত লিখা এইখন গ্ৰন্থকেই পণ্ডিতসকলে প্ৰথম ৰচনা বুলি গ্ৰহণ কৰিছে। গতিকে বৈদিক সংস্কৃত ভাষাৰ কালৰ পিছতহে লৌকিক সংস্কৃত ভাষাৰ কাল আৰম্ভ হোৱা বুলি ধৰা হয়। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ৰামায়ণ-মহাভাৰতৰ কালৰ পৰা লৌকিক সংস্কৃত ভাষাৰ কাল গণনা কৰিলেও বেদাঙ্গ সাহিত্যৰ বহু পিছলৈকে বৈদিক ভাষাত গ্ৰন্থ ৰচনা অব্যাহত থাকে। ৰামায়ণ-মহাভাৰত-পুৰাণৰ পিছত কালিদাস আদিৰ লৌকিক সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থৰাজিৰে যি সাম্ৰাজ্যৰ বিস্তাৰ ঘটিছিল সময়ৰ নিৰিখত তাক তিনিটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ হ'ল— প্ৰাক্-কালিদাসৰ যুগ, কালিদাসীয় যুগ আৰু কালিদাসোত্তৰ যুগ। ৰামায়ণ-মহাভাৰতকে আদি কৰি কালিদাসোত্তৰ যুগৰ কাব্যলৈকে গ্ৰন্থসমূহত ব্যৱহাৰ হোৱা সংস্কৃত ভাষাটোতেই বহু ধৰণৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। তদুপৰি ভাষাগত দিশৰ পৰা পাণিনিৰ অষ্টাধ্যায়ী গ্ৰন্থখনেও সংস্কৃতৰ পৰিৱৰ্তনৰ সূচকাঙ্ক হিচাপে বহু ক্ষেত্ৰত কাম কৰে। লৌকিক সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে। ইবিলাকে ইয়াক বৈদিক সংস্কৃত ভাষাৰ পৰা সম্পূৰ্ণ পৃথক কৰি ৰাখিছে। এই বৈশিষ্ট্যসমূহৰ কিছুমানৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ক) লৌকিক সংস্কৃতত স্বৰ প্ৰক্ৰিয়া নাই।

খ) লৌকিক সংস্কৃতত পদপাঠৰ প্ৰয়োগ পোৱা নাযায়।

গ) লৌকিক সংস্কৃতত ছন্দবোৰ গণভিত্তিক। ম, ভ, ন, ত, স আদি গণৰ ওপৰত ভিত্তি কৰিহে লৌকিক সংস্কৃতত ছন্দসমূহ নিৰূপিত হয়। মালিনী, বংশস্থবিল, মন্দাক্ৰান্তা, উপজাতি আদি লৌকিক ছন্দ।

ঘ) লৌকিক সংস্কৃতত উপসৰ্গসমূহ ধাতুৰ আগত বহে। এই ক্ষেত্ৰত পাণিনিৰ অষ্টাধ্যায়ীত সূত্ৰ এটি পোৱা যায় 'তে প্ৰাগ্ ধাতোঃ'।

ঙ) লৌকিক সংস্কৃতত অ-কাৰান্ত পুংলিঙ্গ শব্দৰ তৃতীয়াৰ বহুবচনত ঐস্ বিভক্তি যুক্ত হয় কিন্তু বৈদিক সংস্কৃতৰ নিচিনা 'এভিঃ' যুক্ত নহয়।

চ) লৌকিক সংস্কৃতত ক্ৰিয়াৰ কাল অনুসৰিহে ল-কাৰৰ প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়।

ছ) লৌকিক সংস্কৃতত লেট্-লকাৰৰ প্ৰয়োগ নাই।

জ) লৌকিক সংস্কৃতত সৰ্বনাম পদ মহ্য, অস্মে, আবদ্ আদিৰ প্ৰয়োগ নাই।

ঝ) লৌকিক সংস্কৃতত তিঙ্-বিভক্তি 'মসি' আৰু 'ধ্ব'-ৰ ব্যৱহাৰ দেখা নাযায়।

ঞ) লৌকিক সংস্কৃত ভাষাত পাণিনি প্রমুখ্যে বৈয়াকৰণসকলে ৰচনা কৰা নিয়মবোৰৰ প্রয়োগ দেখা যায়। অর্থাৎ ক'ব পৰা যায় যে লৌকিক সংস্কৃত ভাষা পাণিনি ব্যাকৰণৰ আধাৰত প্রতিষ্ঠিত।

ট) লৌকিক সংস্কৃতত দীর্ঘসমাসবদ্ধ পদৰ ব্যৱহাৰ খুব বেছিকৈ দেখা যায়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১৩ঃ লৌকিক সংস্কৃত ভাষাৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল?

.....

প্রশ্ন নং ১৪ ঃ লৌকিক সংস্কৃত ভাষাৰ প্রথম কাব্য কোনখন?

.....

প্রশ্ন নং ১৫ ঃ লৌকিক সংস্কৃতত উপসর্গৰ প্রয়োগ ক'ত হয়?

.....

প্রশ্ন নং ১৬ ঃ কিছুমান লৌকিক ছন্দৰ নাম কওক।

.....

প্রশ্ন নং ১৭ ঃ লৌকিক সংস্কৃতত কাৰ ব্যাকৰণ অনুসৃত হোৱা দেখা যায়?

.....

১.৭ সংস্কৃত ভাষাৰ বর্তমান অৱস্থা

আপুনি ইতিমধ্যে জানিব পাৰিছে যে সংস্কৃত ভাষা অতি প্রাচীন হৈও বর্তমান কালতো প্রচলিত হৈ আছে। কেৱল ভাৰতবর্ষতেই নহয় সমগ্র বিশ্বৰ বিভিন্ন ঠাইত সংস্কৃত ভাষা অধ্যয়নৰ বিভিন্ন প্রতিষ্ঠান আছে আৰু সেইবোৰ ঠাইত সংস্কৃত ভাষাক লৈ বিভিন্ন ধৰণৰ গৱেষণা আদিও কৰা হৈ আছে। ভাৰতবর্ষত বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত সংস্কৃত পঢ়িবলৈ আগ্রহী ছাত্র-ছাত্রীয়ে তেওঁলোকৰ মনৰ ইচ্ছা পূৰণ কৰিব পাৰে। তদুপৰি কর্ণাটক ৰাজ্যৰ এখন ভিতৰুৱা গাঁৱত সংস্কৃতক মানুহে মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে। 'সুধর্মা' নামৰ সংস্কৃত দৈনিক বাতৰি কাকতখনে আজিৰ যুগতো সংস্কৃতৰ চর্চাৰ বিষয়ে আমাক জনাই দিয়ে।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ইন্দো-এৰিয়ান ভাষাৰ মধ্যস্তৰৰ ভাষাবিলাক যেনে পালি, প্রাকৃত আদিৰ লগত এটা সময়ত লৌকিক সংস্কৃত ভাষাৰ এটি অঘোষিত প্রতিযোগিতা হোৱা যেন অনুভৱ কৰা যায়। বৌদ্ধ ধর্ম আৰু জৈন ধর্মৰ প্রসাৰৰ লগে লগে সমাজত পালি আৰু প্রাকৃত ভাষাৰ সমাদৰ বাঢ়ি যায়। ফলত এটা সময়ত লৌকিক সংস্কৃত ভাষাটোৱে যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। কিন্তু লাহে লাহে সংস্কৃত ভাষা পুনৰুজ্জীৱিত হয় আৰু গোটেই বিশ্বৰ বহু ঠাইতেই এই ভাষাৰ প্রচাৰ আৰু প্রসাৰৰ বাবে প্রচেষ্টা চলোৱা হয়। আজিৰ

যুগত সংস্কৃত ভাষাত বহুধৰণৰ সৰলীকৰণ প্রক্রিয়াৰ ব্যৱহাৰ কৰা হয়। দীর্ঘসমাসবদ্ধ পদৰ ব্যৱহাৰ কমি অহা দেখা যায়। সংযুক্ত ব্যঞ্জনবর্ণবোৰক ভাঙি দেখুৱাবৰ বাবে প্রচেষ্টা চলোৱা হয়। দ্বিত্ব বর্ণৰ ক্ষেত্রত এটা বর্ণৰ ব্যৱহাৰৰ প্রৱণতা বেছিকৈ দেখা যায়। যেনে প্রাচীন সংস্কৃতত ব্যৱহাৰ হোৱা ধর্ম, কর্ত্ত্ব আদি পদবোৰ ধর্ম, কর্তৃ আদি ৰূপতহে ব্যৱহাৰ হোৱা দেখা যায়। তদুপৰি আজিৰ সংস্কৃতত বহুতো স্থানীয় শব্দৰ অন্তর্ভুক্তি হোৱা দেখা যায়।

এই সময়ত সংস্কৃত ভাষাৰ যি গৰিমা সমগ্র ভাৰতবর্ষ তথা বিশ্বতেই আছিল সেইটো আপাতদৃষ্টিত বহু পৰিমাণে হ্রাস পোৱা যেন অনুভৱ হয়। এটা সময়ত ভাৰতবর্ষত সংস্কৃত ভাষা বিদ্যালয়ত বাধ্যতামূলক পাঠ্য বিষয় আছিল। কিন্তু বর্তমান যুগত ভাৰতবর্ষত সকলো ঠাইত সংস্কৃতক বিদ্যালয়ত বাধ্যতামূলক বিষয় হিচাপে গ্রহণ কৰা হোৱা নাই। তদুপৰি বিজ্ঞানভিত্তিক অধ্যয়নৰ প্রতি আকর্ষণ বৃদ্ধি পোৱাত গোটেই ভাৰতবর্ষতে আন আন ভাষাৰ লগতে সংস্কৃত ভাষাৰ প্রতি থকা আকর্ষণ মানুহৰ মাজত কমি আহিছে। এতিয়াও কিছুমান মানুহে সংস্কৃত বুলি ক'লে পূজা-পাতলৰ ভাষা বুলি ভাবে। কিন্তু সমগ্র বিশ্বৰ বিভিন্ন ঠাইতে সংস্কৃত ভাষাৰ বিভিন্ন বিষয়ক লৈ যথেষ্ট গৱেষণা চলি আছে। উদাহৰণ স্বৰূপে, ক'ব পাৰি কানাডাৰ ইউনিবার্চিটি অব ব্রিটিছ কলাম্বিয়াত সংস্কৃত ভাষাৰ বিভিন্ন দিশত গুৰুত্বপূর্ণ অধ্যয়ন চলি আছে। জার্মানীত আজিৰ দিনতো বিভিন্ন ধৰণৰ সংস্কৃত চর্চা গোটেই বিশ্বৰ বাবেই আদর্শ হিচাপে নির্ণীত হৈছে। এনেদৰে নেপাল, ইটালী, ইন্দোনেছিয়া, পোলেণ্ড আদি ঠাইতো সংস্কৃতৰ অধ্যয়ন অধ্যাপনা, গৱেষণা আদি কার্য্য চলি আছে। বেলেগ বেলেগ ভাষাৰ দৰে সংস্কৃত ভাষাও গতিশীল আৰু সেইকাৰণে আন আন ভাষাৰ দৰে এই ভাষাতো সময়ে সময়ে বিভিন্ন পৰিৱর্তন ঘটিছে আৰু অদূৰ ভৱিষ্যত কালতো এই ভাষাৰ আৰু পৰিৱর্তন হ'ব বুলি অনুমান কৰিব পাৰোঁ।



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰি—

- সংস্কৃত ভাষাৰ এটি সাধাৰণ পৰিচয় পালে। সংস্কৃত ভাষাৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিলোঁ।
- ইন্দো-ইউৰোপীয় ভাষাৰ লগত থকা সংস্কৃতৰ সম্বন্ধৰ বিষয়ে জানিব পাৰিলোঁ।
- তদুপৰি বৈদিক সংস্কৃত ভাষা বুলিলে কি বুজায় আৰু এই ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'লোঁ।
- লৌকিক সংস্কৃত ভাষাৰ আৰম্ভণি কেতিয়া হৈছিল সেই বিষয়েও জানিলোঁ। ইয়াৰ উপৰি লৌকিক সংস্কৃত ভাষাত থকা বৈশিষ্ট্যসমূহৰ বিষয়েও জানিব পাৰিলোঁ।
- বর্তমান যুগত সংস্কৃতৰ কি অৱস্থা সেই বিষয়েও জানিলোঁ। তদুপৰি বর্তমান যুগত কেৱল ভাৰতবর্ষতেই নহয় বিশ্বৰ বিভিন্ন ঠাইতে যে সংস্কৃত ভাষাৰ চর্চা চলি আছে সেই বিষয়েও অবগত হ'ব পাৰিলোঁ।



১.৯ অধিক জানিবলৈ

১) উপাধ্যায়, প্রঃ বাচস্পতি (২০০১) (সম্পা.) ঃ *সংস্কৃত ষ্টাডিজ ইন্ ইণ্ডিয়া*; নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

২) উপাধ্যায়, প্রঃ বাচস্পতি (২০০১) (সম্পা.) ঃ *সংস্কৃত ষ্টাডিজ এব্রড*; নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

৩) বেনার্জী, প্রঃ সত্যৰঞ্জন (২০০০) ঃ *এ হেণ্ডবুক অব্ সংস্কৃত ফিলোলজি*; কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৪) ভাগৰতী, কামাখ্যাচৰণ ঃ *সংস্কৃত সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ গ্রন্থপীঠ।



১.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত, গ্রীক, লেটিন আদি প্রাচীন ভাষাসমূহৰ মূল ভাষা হিচাপে ইন্দো-ইউৰোপীয় ভাষাক কল্পনা কৰা হৈছে।

২নং প্রশ্নৰ উত্তৰ ঃ ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা হ'ল— সতম্ আৰু কেন্তুম্।

৩নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাটো ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰাণীয় ভাষাৰ অন্তর্ভুক্ত।

৪নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাক বুজায়।

৫নং প্রশ্নৰ উত্তৰ ঃ যি ভাষাত বাক্যত ব্যৱহাৰ হোৱা পদবিলাকৰ প্রকৃতি-প্রত্যয়গত অর্থই বাক্যটোৰ অর্থ সূচায় তাকেই সমন্বয়ী ভাষা বোল। যেনে—সংস্কৃত ভাষা।

৬নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা, হিন্দী আদি।

৭নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাৰ ভাষাতাত্ত্বিক নামটো হ'ল— প্রাচীন ইন্দো-এৰিয়ান (OIA)

৮নং প্রশ্নৰ উত্তৰ ঃ উচ্চাৰণস্থানৰ ওপৰৰ অংশত উচ্চাৰিত হোৱা স্বৰবর্ণক উদাত্ত, উচ্চাৰণস্থানৰ তলৰ অংশত উচ্চাৰিত হোৱা স্বৰবর্ণক অনুদাত্ত আৰু উদাত্ত-অনুদাত্ত বর্ণধর্মৰ সংমিশ্রণ থকা স্বৰবর্ণক স্বৰিত বুলি কোৱা হয়।

৯নং প্রশ্নৰ উত্তৰ ঃ সংহিতা বা সন্ধিযুক্ত পাঠক ভাঙি পদবিলাকৰ সুকীয়া অবস্থিতিৰে যি পাঠ দর্শোৱা হয় সেইটোকে পদপাঠ বোলে।

১০নং প্রশ্নৰ উত্তৰ ঃ গায়ত্রী, উষ্ণিক, অনুষ্টুপ, ত্রিষ্টুপ্, বৃহতী, পঙ্‌ক্তি আৰু জগতী।

১১নং প্রশ্নৰ উত্তৰ ঃ বৈদিক সংস্কৃতত উপসর্গবোৰ ধাতুৰ পিছত বা কেইবাটাও শব্দৰ পিছত বহা দেখা যায়। তদুপৰি কেতিয়াবা একেটা উপসর্গৰে একাধিকবাৰ ব্যৱহাৰ হোৱা দেখা যায়।

১২নং প্রশ্নৰ উত্তৰ ঃ বৈদিক সংস্কৃতত লিঙ্-লকাৰৰ প্রয়োগ নাই কিন্তু লেট্-লকাৰৰ প্রয়োগ বেচিকৈ দেখা যায়।

১৩নং প্রশ্নৰ উত্তৰ ঃ ৰামায়ণ-মহাভাৰতৰ ৰচনাকালৰ পৰাই লৌকিক সংস্কৃতৰ আৰম্ভণি বুলি কোৱা হয়।

১৪নং প্রশ্নৰ উত্তৰ ঃ ৰামায়ণকেই লৌকিক সংস্কৃত ভাষাৰ প্রথম কাব্য বুলি ধৰা হয়।

১৫নং প্রশ্নৰ উত্তৰ ঃ লৌকিক সংস্কৃত ভাষাত উপসর্গৰ ব্যৱহাৰ সদায় ধাতুৰ আগত হয়।

১৬নং প্রশ্নৰ উত্তৰ ঃ মন্দাক্রান্তা, বসন্ততিলক, স্রগ্ধৰা, উপজাতি আদি।

১৭নং প্রশ্নৰ উত্তৰ ঃ পাণিনিৰ ব্যাকৰণ (অষ্টাধ্যায়ী)।



১.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ইন্দো-ইউৰোপীয় ভাষাৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ২ ঃ বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত থকা পার্থক্যবোৰ কি কি?

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বৈদিক সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ লিখক।

প্রশ্ন ২ ঃ লৌকিক সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ সংস্কৃত ভাষাৰ বর্তমান অৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ সংস্কৃত ভাষাৰ ঐতিহাসিক পটভূমিকাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ৰঘুবংশম্ (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ 'ৰঘুবংশম্' মহাকাব্যৰ চমু পৰিচয়
২.৩.১ মহাকাব্যৰ লক্ষণ
২.৩.২ মহাকাব্যখনিৰ উৎস
২.৩.৩ 'ৰঘুবংশম্' মহাকাব্যখনৰ টীকা
২.৪ শিৰোনামৰ তাৎপর্য্য
২.৫ সর্গসমূহৰ চমু পৰিচয়
২.৬ ৰঘুবংশীয় ৰজাসকল
২.৭ মহাকাব্যখনৰ ৰচক
২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৯ অধিক জানিবলৈ
২.১০ অগ্রগতিৰ খতিয়ান
২.১১ আর্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'ৰঘুবংশম্' মহাকাব্যৰ বিষয়ে এটি চমু আভাস লাভ কৰিব
- কবি কালিদাসৰ বিষয়ে সাধাৰণ জ্ঞান লাভ কৰিব
- 'ৰঘুবংশম্' মহাকাব্যৰ প্রতিটো সর্গৰ বিষয়বস্তুৰ সাৰাংশ আয়ত্ত কৰিব পাৰিব
- 'ৰঘুবংশম্'ত উল্লেখ থকা প্রখ্যাত ৰজাসকলৰ বিষয়ে অৱগত হ'ব।

২.২ পৰিচয়

ইতিমধ্যে আপুনি সংস্কৃত সাহিত্যত থকা দুই ধৰণৰ কাব্যৰ ভিতৰত দৃশ্যকাব্যৰ ধাৰণা লাভ কৰিছে। সংস্কৃত সাহিত্যৰ আন প্রকাৰ কাব্য হৈছে শ্রব্যকাব্য। শ্রব্যকাব্য শুনা যায় বা পাঠ কৰা হয়। শ্রব্যকাব্যসমূহক দুই ভাগত ভাগ কৰা হৈছে। সেয়া হৈছে মহাকাব্য আৰু খণ্ডকাব্য। মহাকাব্যসমূহ আকাৰত ডাঙৰ। যেনে— ৰঘুবংশম্, শিশুপালবধম্ আদি। খণ্ডকাব্যসমূহ আকাৰত সৰু। গীতিকাব্যসমূহ ঘাইকৈ এই শ্রেণীৰ কাব্যৰ অন্তর্গত। এনে কাব্যৰ উদাহৰণ মেঘদূত, ঋতুসংহাৰ ইত্যাদি।

সংস্কৃত সাহিত্যত পাঁচখন মহাকাব্য দেখিবলৈ পোৱা যায়। 'ৰঘুবংশম্' এই মহাকাব্যসমূহৰ ভিতৰত অন্যতম।

এই অধ্যায়ত মহাকাব্যখনিৰ এটি সাধাৰণ সমালোচনা আগবঢ়োৱা হৈছে। অধ্যায়টিৰ জৰিয়তে আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ চমু পৰিচয়, ইয়াৰ লিখক, মহাকাব্যসমূহৰ লক্ষণ, ৰঘুবংশম্ৰ উৎস, টীকা আদিৰ বিষয়ে জ্ঞান লাভ কৰিব। ইয়াৰ উপৰিও প্ৰতিটো সৰ্গত থকা বিষয়বস্তু, ৰঘুবংশীয় নৃপতিসকলৰ বিষয়েও ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

২.৩ 'ৰঘুবংশম্' মহাকাব্যৰ চমু পৰিচয়

এই অংশত আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ চমু পৰিচয়, মহাকাব্যৰ লক্ষণ আৰু টীকাসমূহৰ বিষয়ে জানিব।

'ৰঘুবংশম্' মহাকাব্যখন কবিকুলগুৰু কালিদাসৰ সৃষ্টি। এই মহাকাব্যখনক কালিদাসৰ অন্তিম আৰু শ্ৰেষ্ঠ ৰচনা বুলি গণ্য কৰা হয়। মহাকাব্যখনিত ১৯টা সৰ্গ আছে। ১৯টা সৰ্গত ২৯জন ৰজাৰ বৰ্ণনা কৰা হৈছে। কিম্বদন্তি অনুসৰি কাব্যখনিত পঁচিশ বা ছাব্বিশটা সৰ্গ আছিল। সেয়েহে বহুতে মহাকাব্যখনক সম্পূৰ্ণ নহয় বুলি কয়।

২.৩.১ মহাকাব্যৰ লক্ষণ



সাহিত্যদৰ্পণ ঃ বিশ্বনাথ কবিৰাজ বিৰচিত অলঙ্কাৰ শাস্ত্ৰবিষয়ক গ্ৰন্থ।

আপুনি নিশ্চয় জানে যে মহাকাব্যসমূহ পদ্যময় বা ছন্দত ৰচিত। তথাপিও ছন্দত ৰচিত আন ৰচনাতকৈ মহাকাব্যসমূহৰ বৈশিষ্ট্য কিছু পৃথক। বিশ্বনাথ কবিৰাজে **সাহিত্যদৰ্পণ**ৰ ষষ্ঠ পৰিচ্ছেদত মহাকাব্যৰ লক্ষণসমূহ সুন্দৰকৈ বৰ্ণনা কৰিছে। মহাকাব্যৰ অধ্যায়সমূহক সৰ্গ হিচাপে অভিহিত কৰা হয়। মহাকাব্যৰ নায়কজন কোনো ক্ষত্ৰিয় বা সদ্বংশজাত বীৰ হ'ব লাগে আৰু এই নায়কজন ধীৰোদাত্ত গুণসম্পন্ন হোৱা উচিত। ৰসসমূহৰ ভিতৰত শৃঙ্গাৰ, বীৰ বা শান্ত-যিকোনো এটা মুখ্যৰস হোৱা উচিত। আন ৰসসমূহ অঙ্গী বা গৌণ হ'ব লাগে। মহাকাব্যৰ মূল কাহিনীভাগ ইতিহাস বা আন কোনো বিখ্যাত গ্ৰন্থৰ পৰা লোৱা হয়। মহাকাব্যখন আশীৰ্বাদসূচক বা বস্তু নিৰ্দেশাত্মক কথাৰে আৰম্ভ হ'ব লাগে আৰু তাত সন্তৰ প্ৰশংসা আৰু দুষ্টৰ নিন্দাসূচক উক্তি থকা উচিত।

সৰ্গবোৰ বেছি দীঘল বা চুটি হ'ব নালাগে। আঠটাতকৈ বেছি সৰ্গ মহাকাব্যত থকা উচিত নহয়। প্ৰত্যেক সৰ্গৰ শেষত পিছৰ সৰ্গৰ সূচনা থাকিব লাগে। বিভিন্ন ধৰণৰ বৰ্ণনাযুক্ত মহাকাব্যৰ নামকৰণ সদায় কবি, কাহিনী বা নায়কৰ নাম অনুসৰি হ'ব লাগে। সৰ্গসমূহৰ নামকৰণ বিষয়বস্তুৰ আধাৰত হোৱা উচিত।

মহাকাব্যৰ সকলো লক্ষণ 'ৰঘুবংশম্' মহাকাব্যত দেখিবলৈ পোৱা যায়। সৰ্গবন্ধ মহাকাব্যখনত বৰ্ণিত ৰজাসকল মনুৰ বংশসম্ভূত। মুখ্যৰস শঙ্গাৰ। প্ৰয়োজনসাপেক্ষে বীৰ আৰু কৰুণৰসো মহাকাব্যখনত দেখিবলৈ পোৱা যায়। 'ৰঘুবংশম্' মহাকাব্যখনৰ

মূল কাহিনীভাগ ৰামায়ণ আৰু বিভিন্ন পুৰাণৰ পৰা গ্ৰহণ কৰা হৈছে। প্ৰত্যেক সৰ্গত বৰ্ণিত বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি সৰ্গসমূহৰ নামকৰণ কৰা হৈছে আৰু সকলোতকৈ প্ৰখ্যাত ৰজাজনৰ নাম অনুসৰি মহাকাব্যখনৰ নামকৰণ কৰা হৈছে। সেইদৰে আন আন বৈশিষ্ট্যসমূহো 'ৰঘুবংশম্' মহাকাব্যখনত দেখিবলৈ পোৱা যায়।

২.৩.২ মহাকাব্যখনিৰ উৎস

আপুনি ইতিমধ্যে মহাকাব্যৰ লক্ষণৰ বিষয়ে চমু আভাস লাভ কৰিলে। এতিয়া মহাকাব্যখনৰ উৎস সম্পৰ্কে জানিব পাৰিব। সাধাৰণ দৃষ্টিত 'ৰঘুবংশম্'ৰ উৎস ৰামায়ণ যেন লাগে। কিন্তু কাব্যখন এটি কাহিনীক লৈ ৰচিত নহয়। মহাকবি কালিদাসে একাধিক উৎসৰ পৰা 'ৰঘুবংশম্'ৰ কথাবস্তু গ্ৰহণ কৰিছিল বুলি ধাৰণা হয়। কবিয়ে নিজেও 'মন্দঃ কবিযশঃ প্ৰাৰ্থী' বুলি বাল্মীকি প্ৰভৃতি পূৰ্বসূৰিসকলৰ কথা উল্লেখ কৰিছে। 'ৰঘুবংশম্'ৰ কাহিনীভাগ বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰথমসৰ্গৰ পৰা অষ্টমসৰ্গলৈকে বৰ্ণিত কাহিনীভাগ পদ্মপুৰাণৰ আধাৰত ৰচিত। নৱমসৰ্গৰ পৰা পঞ্চদশসৰ্গলৈ বৰ্ণনা কৰা ঘটনাৰ আধাৰ ৰামায়ণ। ষোড়শ সৰ্গৰ পৰা ঊনবিংশসৰ্গলৈ কাহিনীভাগত পুৰাণৰ প্ৰভাৱ আছে। মহাকবি কালিদাসে ৰঘুবংশীয় ৰজাসকলৰ নাম আৰু পৌৰ্ব্যাপৰ্বহে এই উৎসসমূহৰ পৰা গ্ৰহণ কৰিছে। ৰজাসকলৰ বৰ্ণনা কিন্তু কবি প্ৰতিভাসম্ভূত।

২.৩.৩ 'ৰঘুবংশম্' মহাকাব্যখনৰ টীকা

'ৰঘুবংশম্' মহাকাব্যৰ ওপৰত মুঠ ৩৩টা টীকাৰ নাম পোৱা যায়। তাৰ ভিতৰত ত্ৰিশজন টীকাকাৰৰ নাম পোৱা যায়। বাকী তিনিটা টীকাৰ নাম পোৱা গ'লেও লেখকসকলৰ নাম পোৱা নাযায়।

টীকাকাৰসকলৰ ভিতৰত সকলোতকৈ প্ৰখ্যাত আছিল মল্লিনাথ। তেখেতে লিখা টীকাৰ নাম হ'ল 'সঞ্জীৱনী'। ইয়াৰ উপৰিও অন্যান্য টীকাকাৰৰ নাম হ'ল— হেমাদ্ৰি, চৰিত্ৰবৰ্দ্ধন, বল্লভ, দিনকৰ, ভৰতসেন, অৰুণগিৰিনাথ, নাৰায়ণ, সুমতিবিজয়, বিজয়গনি, বিজয়ানন্দ, দক্ষিণাবৰ্ত, ধৰ্মমেৰু, নাথ, ভোজ, কৃষ্ণভট্ট, বিস্তৰকাৰ, গোপিনাথ কবিৰাজ, প্ৰভাকৰ জনাৰ্দন, ত্ৰিবিদাকৰ, উদয়াকৰ, ভগীৰথ, বৃহস্পতি মিশ্ৰ, কৃষ্ণপতি শৰ্মা, ভৱদেৱ মিশ্ৰ, গুণবিনয়গনি, ৰামচন্দ্ৰ, মহেশ্বৰ, সমুদ্ৰমূৰি। লিখকৰ নাম নথকা তিনিটা টীকাৰ নাম হ'ল অদ্বৈত সাৰস্বতসূত্ৰ, কথাস্তুতি আৰু পদাৰ্থদীপিকা।

২.৪ শিৰোনামৰ তাৎপৰ্য্য

এতিয়া আপুনি মহাকাব্যখনৰ শিৰোনামৰ তাৎপৰ্য্য বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসে 'ৰঘুবংশম্' ৰচনা কৰোঁতে প্ৰধানকৈ আদিকবি বাল্মীকিৰ দ্বাৰাই

প্ৰভাৱান্বিত হৈছিল। বাল্মীকিয়ে ৰামায়ণক প্ৰায়েই ৰঘুবংশচৰিত বুলি উল্লেখ কৰিছে। মহাকাব্যখনত বৰ্ণনা কৰা নৰপতিসকলৰ ভিতৰত ৰঘু বিশেষভাৱে উল্লেখযোগ্য। ৰজা হিচাপে ৰঘু সৰ্বগুণী আৰু প্ৰতাপী আছিল। ৰঘুকুলতিলক ৰঘুৰ নাম অনুসৰিয়েই কালিদাসে মহাকাব্যখনিৰ নাম 'ৰঘুবংশ' ৰাখিছে, ইক্ষ্বাকুবংশীয় ৰজাসকলক ৰঘুবংশীয় বুলিছে। ৰঘুৰ পৰাই বংশধৰসকলক ৰাঘৱ বোলা হৈছে। কবিয়ে ৰঘুৰ পৰাই পিছৰ ৰজাসকলৰ বিস্তৃত বিৱৰণ দিয়া বাবে মহাকাব্যখনৰ 'ৰঘুবংশম্' নাম যথোপযুক্ত হৈছে।



জানি থোৱা ভাল

পুৰাণ ঃ পুৰাণ শব্দৰ ব্যুৎপত্তিগত অৰ্থ প্ৰাচীন। পঞ্চলক্ষণযুক্ত ই একপ্ৰকাৰ শাস্ত্ৰ। পুৰাণসমূহক বেদব্যাসে ৰচনা কৰা বুলি ধাৰণা কৰা হয়।

টীকা ঃ কোনো গ্ৰন্থ বা বিষয়ৰ ওপৰত দিয়া ব্যাখ্যা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংস্কৃত সাহিত্যত কাব্য কেইপ্ৰকাৰৰ?

.....

.....

প্ৰশ্ন নং ২ ঃ সংস্কৃত সাহিত্যত মহাকাব্য কেইখন?

.....

প্ৰশ্ন নং ৩ ঃ 'ৰঘুবংশম্' মহাকাব্যখনত কেইটা সৰ্গ আছে?

.....

প্ৰশ্ন নং ৪ ঃ 'ৰঘুবংশম্' মহাকাব্যখনত কেইজন ৰজাৰ বৰ্ণনা দিয়া হৈছে?

.....

প্ৰশ্ন নং ৫ ঃ 'ৰঘুবংশম্' মহাকাব্যৰ ওপৰত মুঠ টীকা কিমান আছে?

.....

প্ৰশ্ন নং ৬ ঃ সকলোতকৈ প্ৰখ্যাত টীকাকাৰজনৰ নাম কি?

.....

.....

২.৫ সৰ্গসমূহৰ চমু পৰিচয়

প্ৰথম সৰ্গৰ আৰম্ভণিতে কবিয়ে ৰঘুবংশীয় ৰজাসকলৰ গুণৰ কথা কৈছে। সেই গুণসমূহেই কবিক ৰজাসকলৰ বিষয়ে লিখিবলৈ অনুপ্ৰেৰিত কৰিছিল। প্ৰথম সৰ্গত মহাকবি কালিদাসে ৰজা

দিলীপৰ বৰ্ণনা দিছে। দিলীপৰ পত্নী সুদক্ষিণা নিঃসন্তান হৈ থকা বাবে কুলগুৰু বশিষ্ঠৰ আশ্রমলৈ গৈছিল। বশিষ্ঠই সন্তান লাভৰ বাবে সুৰভিধেনুৰ কন্যা নন্দিনীক শুশ্রূষা কৰিবলৈ উপদেশ দিছিল।

দ্বিতীয়সর্গত কবিয়ে ৰজা দিলীপ আৰু সুদক্ষিণাৰ তিনি সপ্তাহ কাল গোসেৱা ব্রতৰ কথা উল্লেখ কৰিছে। নন্দিনীয়ে ৰজা দিলীপৰ ভক্তিৰ পৰীক্ষা ল'বলৈ ইচ্ছা কৰি এটা গুহাত প্রৱেশ কৰিলে। ৰজাই হিমালয়ৰ প্রাকৃতিক সৌন্দর্য্য উপভোগ কৰি অন্যমনষ্ক হৈ থাকোঁতে এটি সিংহৰ চিঞৰ শুনিলে। সেই মায়াবী সিংহই নন্দিনীক ভক্ষণ কৰিবলৈ উদ্যত হ'ল। ৰজাই উপায়হীন হৈ নিজৰ শৰীৰটো সিংহক অর্পণ কৰি নন্দিনীক ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে। ৰজাৰ দৃঢ়ভক্তিত নন্দিনী সন্তুষ্ট হ'ল আৰু পুত্রলাভৰ বৰ দিলে। ৰজাৰ মনোবাঞ্ছা পূর্ণ হ'ল। ঋষিৰ আজ্ঞা অনুসৰি ৰজা দিলীপ আৰু সুদক্ষিণা ৰাজধানীলৈ উভতি আহিল।

তৃতীয়সর্গত ৰঘুৰ জন্ম বর্ণনা কৰা হৈছে। ৰঘুৰ শিক্ষা-দীক্ষা, অভিষেক আদিৰ বর্ণনাৰ লগতে দিলীপৰ অশ্বমেধ যজ্ঞৰ বর্ণনাও কৰা হৈছে। ৰজা দিলীপে শততম অশ্বমেধ যজ্ঞ শেষ নকৰাকৈয়ে ইন্দ্রৰ অনুগ্রহত তাৰ ফল লাভ কৰিলে। ৰঘুৰ হাতত ৰাজ্যভাৰ গতাই ৰাজদম্পতীয়ে ৰানপ্রস্থ গ্রহণ কৰিলে।

চতুর্থসর্গত ৰঘুৰ দিগ্বিজয় আৰু শাসন ব্যৱস্থাৰ পৰিচয় পোৱা যায়। পূর্বদিশৰ পৰা দিগ্বিজয় আৰম্ভ কৰি ৰঘুৱে উৎকলদেশৰ মাজেৰে কলিঙ্গ দেশ পাৰ হৈ দক্ষিণ দিশলৈ যাত্রা কৰিলে। তাৰ পিছত তেওঁ দক্ষিণৰ পাণ্ড্যসকলক পৰাজিত কৰি সহ্যপর্বত অতিক্রম কৰিলে। পাৰসী, হুন, কাম্বোজসকলকো পৰাভূত কৰি প্রাগজ্যোতিষ আৰু কামৰূপ পর্য্যন্ত ৰঘুৱে অধিকাৰ কৰিলে। বহু ধন-সোণ আৰু যশস্যা লৈ ৰঘুই ৰাজধানীলৈ উভতি আহিল। দিগ্বিজয়ী ৰজাই ৰাজ্যত বিশ্বজিত যজ্ঞ অনুষ্ঠিত কৰি ব্রাহ্মণসকলক বহুতো ধন সোণ দান কৰিলে।

পঞ্চম সর্গত ৰঘুৰ অসাধাৰণ দানশীলতাৰ বর্ণনা পোৱা যায়। ৰঘুৱে বিশ্বজিত যজ্ঞ সম্পাদন কৰি ধনহীন হৈ পৰিছিল। তেনে অৱস্থাত কৌৎস নামৰ ব্রহ্মচাৰী এজনে চৌধ্য কৌটি সোণৰ মোহৰ ৰজাৰ ওচৰত গুৰুদক্ষিণা হিচাপে বিচাৰে। ৰঘুৱে ব্রহ্মচাৰীক ধন দিবলৈ অপাৰগ হ'ল। সেয়েহে তেওঁ কুবেৰৰ ভঁৰাল আক্রমণ কৰিবলৈ মনস্থ কৰিলে। কিন্তু তাৰ আগতেই কুবেৰে ধন ৰঘুক অর্পণ কৰে। ব্রহ্মচাৰী কৌৎসই ধন লৈ ৰঘুক সাহসী আৰু বীৰপুত্র লাভ কৰাৰ আশীর্বাদ দিয়ে। তাৰ পিছত ৰঘুৰ পুত্র অজৰ জন্ম হ'ল। অজই ইন্দুমতীৰ স্বয়ম্বৰলৈ যোৱাৰ পথত এটা বনৰীয়া হাতীক আঘাত কৰিবলগীয়া হয়। সেই হাতীটো আছিল এটি শাপগ্রস্থ গন্ধর্ব। সেই গন্ধর্বই অজক সম্মোহন অস্ত্র প্রদান কৰে। তাৰ পিছত অজ ইন্দুমতীৰ স্বয়ম্বৰ সভালৈ যায়।

ষষ্ঠ সর্গত ইন্দুমতীৰ স্বয়ম্বৰৰ বর্ণনা দিয়া হৈছে। মগধ, অঙ্গ, অৱন্তি, অনুপ, শূৰসেন, কলিঙ্গ, নাগপুৰ আদি সকলো দেশৰ ৰাজকুমাৰসকল স্বয়ম্বৰ সভাত উপস্থিত হৈছিল। ইন্দুমতীৰ পৰিচাৰিকা সুনন্দাই সকলোৰে পৰিচয় দিছিল। শেষত অজৰ সমুখত উপস্থিত হোৱাত ইন্দুমতীয়ে অজকেই বৰমাল্য অর্পণ কৰিছিল। উপস্থিত আন ৰাজকুমাৰসকলে অপমানিত বোধ কৰিলে।

সপ্তমসর্গত অজ আৰু ইন্দুমতীৰ বিবাহ অনুষ্ঠানৰ বর্ণনা পোৱা যায়। প্রত্যাখ্যাত ৰজাসকলে অজ আৰু ইন্দুমতী অযোধ্যালৈ উভতি যাওঁতে আক্রমণ কৰিলে। ইন্দুমতীৰ ৰক্ষাৰ

ভাৰ মন্ত্রীসকলক দি অজে সম্মোহন অস্ত্রৰ প্রয়োগ কৰি আক্রমণকাৰীসকলক প্রতিহত কৰিলে। তাৰ পিছত অজ আৰু ইন্দুমতী অযোধ্যাত উপস্থিত হ'ল। ৰজা ৰঘুৱে অজক ৰাজ্যৰ দায়িত্ব অর্পণ কৰিলে।

অষ্টম সর্গত ৰঘুৱে বানপ্রস্থ অৱলম্বন কৰিলে। কিছুদিন পাছত ৰঘুৰ মৃত্যু হৈছিল। অজই ৰঘুৰ শেষকৃত্য উপযুক্ত ধৰণে সম্পন্ন কৰিলে। যথাসময়ত অজ আৰু ইন্দুমতীৰ পুত্র দশৰথৰ জন্ম হ'ল। এদিন প্রমোদ উদ্যানত অজ আৰু ইন্দুমতীয়ে বিহাৰ কৰি থাকোতে এধাৰি ফুলৰ মালা ইন্দুমতীৰ শৰীৰত পৰিল। তাতেই ৰাণীৰ মৃত্যু ঘটিল। ৰজাই এই ঘটনাত অতি শোক পালে। ৰজাৰ শোক পাতলাবলৈ বশিষ্ঠ মুনিয়ে এজন শিষ্য পঠালে। সেই শিষ্যগৰাকীয়ে ৰজাক ক'লে যে ইন্দুমতী এগৰাকী শাপগ্রস্থা অপ্সৰা। সেই মালাধাৰীয়ে ইন্দুমতীক শাপমুক্তা কৰিছে। মৃত্যু সকলোৰে ঘটিবই। সেয়েহে জ্ঞানীলোকে এইদৰে শোক কৰা উচিত নহয়। অজই দেখাত শান্ত হ'লেও পত্নীৰ মৃত্যুত ভাঙি পৰিছিল। আঠ বছৰৰ পাছত অজৰো মৃত্যু ঘটিছিল।

নৱম সর্গত দশৰথৰ বর্ণনা পোৱা যায়। ইন্দ্র তেওঁৰ পৰম সখা আছিল। বসন্তোৎসৱ উপভোগ কৰি থাকোঁতে ৰজা দশৰথে এদিন তমসা নদীত শব্দ শুনিবলৈ পালে। সেয়া হাতীৰ শব্দ বুলি ভাবি শব্দভেদী বাণ নিক্ষেপ কৰিলে। সেই বানে এজন মুনিকুমাৰক বিন্ধিছিল। মুনিকুমাৰৰ মৃত্যু হোৱাত দশৰথে তেওঁৰ অন্ধ পিতৃ-মাতৃৰ ওচৰত অনিচ্ছাকৃতভাৱে কৰা অপৰাধৰ কথা নিবেদন কৰিলে। তেওঁলোকে ৰজাকো পুত্রশোকত প্রাণ হেৰুৱাব বুলি শাপ দিয়ে। তেতিয়ালৈ ৰজাৰ পুত্র নথকাত তেওঁ সেই শাপ বৰ হিচাপেই গ্রহণ কৰিলে।

দশম সর্গত ৰজা দশৰথৰ পুত্রেষ্টি যাগৰ কথা পোৱা যায়। ইফালে ৰাৱণৰ অত্যাচাৰত দেৱতাসকল অতিষ্ঠ হৈ বিষ্ণুৰ ওচৰ চাপিল। বিষ্ণুৱে দেৱতাসকলক কৈছিল যে ব্রহ্মাৰ বৰত দুঃসাহসী হোৱা ৰাৱণক তেওঁ ৰাম হিচাপে জন্ম লৈ বিনাশ কৰিব।

যজ্ঞৰ হোমাগ্নিৰ পৰা এগৰাকী দিব্য পুৰুষৰ আৱির্ভাব হ'ল আৰু এই পুৰুষজনে ৰজাৰ হাতত যজ্ঞৰ চৰু প্রদান কৰিলে। দশৰথে সেই দেৱতাৰ আশীর্বাদ গ্রহণ কৰি কৌশল্যা, কৈকেয়ী আৰু সুমিত্রাক তাৰ ভাগ দিয়ে। যথাসময়ত তিনিওগৰাকী ৰানীৰ গর্ভত ৰাম, ভৰত, লক্ষ্মণ আৰু শত্রুঘ্ন নামেৰে চাৰিজন পুত্রৰ জন্ম হ'ল।

একাদশ সর্গত ঋষি বিশ্বামিত্রই ৰাক্ষসবোৰৰ পৰা যজ্ঞৰক্ষা কৰিবলৈ ৰাম আৰু লক্ষ্মণক নিবলৈ অযোধ্যালৈ আহিছিল। বিশ্বামিত্রৰ লগত যাওঁতে পথত ৰামে তাড়কা ৰাক্ষসীক বধ কৰিছিল। আশ্রমত সুবাহু আৰু মাৰীচকো বধ কৰিছিল। যজ্ঞৰ অন্তত ৰজা জনকৰ আমন্ত্রণ ক্রমে বিশ্বামিত্রই ৰাম আৰু লক্ষ্মনক লৈ মিথিলালৈ গ'ল। পথত ৰামে অহল্যাৰ শাপমুক্তি ঘটালে। মিথিলালৈ আহি জনক ৰজাৰ হৰধনু ভঙ্গ কৰি সীতাক পত্নীৰূপে ৰামে লাভ কৰিলে। তাৰ পিছত দশৰথকো মিথিলালৈ আমন্ত্রণ কৰি অনা হ'ল। ৰাম আৰু সীতাৰ বিবাহৰ পাছত সীতাৰ ভনীয়েক ঊর্মিলা আৰু লক্ষ্মণ, মাণ্ডবী আৰু ভৰত, শ্রুতকীর্তি আৰু শত্রুঘ্নৰ বিবাহসম্পন্ন হ'ল। ইয়াৰ পিছত অযোধ্যালৈ উভতি যোৱাৰ পথত ৰামে পৰশুৰামক লগ পালে। পৰশুৰামে নিজৰ ধনুখন আগবঢ়াই তাত শৰ যোজনা কৰিবলৈ ক'লে। ৰামে অনায়াসে পৰশুৰামৰ দর্পচূর্ণ কৰি অযোধ্যাত প্রৱেশ কৰিলে।

দ্বাদশ সর্গত ৰজা দশৰথে ৰামচন্দ্ৰৰ অভিষেকৰ আয়োজন কৰিলে। কিন্তু বিমাতা কৈকেয়ীয়ে পূর্বতে প্রতিশ্রুত দুটা বৰ দিয়াৰ বাবে দশৰথক প্রার্থনা জনালে। এটি বৰৰ দ্বাৰা ৰামৰ বনবাস আৰু আনটো বৰৰ দ্বাৰা ভৰতৰ অভিষেক বিচাৰিলে। ৰাম, লক্ষ্মণ আৰু সীতা বনবাসলৈ গ'ল। পুত্রশোকত দশৰথৰো মৃত্যু ঘটিল। ভৰতে ৰজা হ'বলৈ অমান্তি হ'ল। ৰামৰ প্রতিনিধি হিচাপে তেওঁ নন্দিগ্রামৰ পৰা ৰাজ্য শাসন কৰিবলৈ ধৰিলে। ৰামে বনবাসৰ কালছোৱাত বিৰাধ, খৰ, দূষণ আদি ৰাক্ষকসকলক বধ কৰিলে। লক্ষ্মণে ৰাৱণৰ ভনীয়েক শূর্পনখাৰ অঙ্গক্ষত কৰিলে। ৰাৱণে মায়াবলেৰে সীতাক হৰণ কৰিলে। ৰামে সুগ্রীৱ আৰু হনুমানৰ সহায়ত সমুদ্রত সেতু বান্ধি ৰাৱণৰ লঙ্কাত প্রৱেশ কৰিলে আৰু যুদ্ধত ৰাৱণক বধ কৰি বিভীষণক লঙ্কাৰ ৰজা পাতিলে। তাৰ পিছত ৰামচন্দ্রই পুষ্পক বিমানেৰে সীতাৰে সৈতে অযোধ্যালৈ প্রত্যাৱর্তন কৰিলে।

ত্রয়োদশ সর্গত অযোধ্যা প্রত্যাৱর্তনৰ সময়ত পথত পোৱা স্থানসমূহৰ সুন্দৰ বিৱৰণ পোৱা যায়। সাগৰ, জনস্থান, মাল্যবান পর্বত, পম্পাসৰোবৰ, গোদাৱৰী নদী, পঞ্চৱতী, অগস্ত্য শাতকর্নি, শৰভঙ্গা আদি ঋষিসকলৰ আশ্রম। চিত্রকূট পর্বত, মন্দাকিনী নদী, গঙ্গা-যমুনাৰ সঙ্গম, সৰযূ নদী আদিৰ বর্ণনা এই সর্গত উপস্থাপন কৰা হৈছে। ভৰত, কুলগুৰু বশিষ্ঠ আদিয়ে ৰামক আদৰি নিব আহিছিল। ভ্রাতৃমিলনৰ দৃশ্য কবিয়ে বৰ সুন্দৰকৈ প্রকাশ কৰিছে। তাৰ পিছত তেওঁলোক অযোধ্যাৰ বাহিৰৰ এখন উদ্যানত উপস্থিত হৈছিল।

চতুর্দশ সর্গত ৰাম লক্ষ্মণৰ মাতৃদর্শণৰ বর্ণনা প্রথমতেই পোৱা যায়। তাৰ পিছত ৰাম অযোধ্যাৰ ৰজা হয়। সুগ্রীব আৰু বিভীষণক বিদায় দি পুষ্পকবিমান ৰামে কুবেৰলৈ উভতাই পঠালে। সময়ৰ লগে লগে সীতা সন্তানসম্ভৱা হ'ল। কিন্তু ৰামচন্দ্রই প্রজাৰ মুখত সীতাৰ নিন্দা শুনিলে। লোক অপবাদৰ ভয়ত ৰামে সীতাক গঙ্গাৰ পাৰত বাল্মীকি মুনিৰ আশ্রমত এৰি আহিবলৈ লক্ষ্মণক আদেশ দিলে। সীতাই সেই কথা গম পাই শোকাভিভূত হ'ল। বাল্মীকিয়ে সীতাক নিজৰ আশ্রমলৈ লৈ গ'ল।

পঞ্চদশ সর্গত শত্রুঘ্নই ৰামৰ আদেশমতে লৱন-ৰাক্ষসক দমন কৰিবলৈ মথুৰালৈ যায়। বাল্মীকিৰ আশ্রমত অৱস্থান কৰাৰ দিনাই সীতাৰ যমজ সন্তান লৱ আৰু কুশৰ জন্ম হয়। বাল্মীকিয়ে তেওঁলোকক সুশিক্ষিত কৰাৰ উপৰিও নিজে ৰচিত ৰামায়ণ গান কৰিবলৈ শিকাইছিল। শত্রুঘ্নই এই বিষয়ে ৰামক একোকে কোৱা নাছিল। তাৰ পিছত ৰামে শম্বুকক বধ কৰি অশ্বমেধ যজ্ঞৰ আয়োজন কৰে। বাল্মীকিও আমন্ত্রিত হৈ লব কুশৰে সৈতে এই যজ্ঞলৈ আহে। লৱ কুশৰ গীতত সকলো মুগ্ধ হয়। বাল্মীকিৰ পৰা ৰামে তেওঁলোক দুয়োজনৰ পৰিচয় পালে। ৰামচন্দ্রই সীতাকো আৰু এবাৰ অগ্নিপৰীক্ষাৰ পাছত গ্রহণ কৰিব বুলি ক'লে। কিন্তু সীতাই ধৰিত্রীৰ বুকুত আশ্রয় লৈ নিজৰ পৰিত্রতাৰ প্রমাণ দিলে। ইয়াৰ পাছত ৰামে ভাতৃ, পুত্র আৰু ভতিজাকসকলক ৰাজ্য অর্পণ কৰি স্বর্গাৰোহণ কৰিলে।

ষোড়শ সর্গত ৰামৰ পুত্র কুশৰ বর্ণনা পোৱা যায়। কুশই কুশাৱতী নগৰী শাসন কৰিছিল। অযোধ্যাৰ ৰাজলক্ষ্মীৰ অনুনয়ত পুনৰ অযোধ্যা নগৰী সমৃদ্ধ কৰি তুলিলে। এদিন সৰযূ নদীত তেওঁ ক্রীড়া কৰি থাকোঁতে হাতৰ কঙ্কন পানীত পৰিল। বহু অনুসন্ধান কৰা সত্ত্বেও পোৱা নগ'ল।

তেনে সময়তে পাতালৰ নাগৰাজ কুমুদে সেই আভৰণ আনি কুশৰ হাতত অর্পণ কৰিলে। কুমুদ্বতীয়ে সেই অলঙ্কাৰ কৌতূহলী হৈ লুকাই ৰাখিছিল। নাগৰাজে কুশক কুমুদ্বতীক বিবাহ কৰাবলৈ অনুৰোধ জানলে। কুশেও আনন্দমনে কুমুদ্বতীক বিবাহ কৰালে।

সপ্তদশ সর্গত কুশৰ পুত্র অতিথিৰ বর্ণনা সবিস্তাৰে কৰা হৈছে। কুশৰ মৃত্যুৰ পাছত অতিথি ৰজা হৈছিল। দুর্জয় নামৰ ৰাক্ষস এটাৰ হাতত অতিথিৰ মৃত্যু হৈছিল। অতিথি ৰাজনীতিবিদ্যাত অতিশয় নিপুণ আছিল। এই দক্ষতাৰ বাবে প্রজাসকলো সুখী আছিল। সর্গটোত ৰাজনীতি শাস্ত্র বিষয়ক বহু তথ্য পোৱা যায়।


অষ্টাদশ সর্গত অতিথিৰ পিছত একৈশজন ৰজাৰ তালিকা দিয়া হৈছে। তেওঁলোক সকলোৱেই সুশাসক আছিল। একৈশজন ৰজাৰ ভিতৰত সুদর্শন মাত্র ছবছৰ বয়সত ৰজা হৈছিল। তেওঁ যৌৱনপ্রাপ্ত হোৱাত বিবাহ কৰাইছিল।

ঊনবিংশ সর্গত সুদর্শনৰ পুত্র অগ্নিবর্ণৰ বর্ণনা পোৱা যায়। অগ্নিবর্ণৰ হাতত ৰাজ্যভাৰ অর্পণ কৰি সুদর্শনে সন্ন্যাস গ্রহণ কৰিলে। অগ্নিবর্ণ অত্যন্ত বিলাসী আৰু কামপৰায়ণ আছিল। ৰাজযক্ষ্মাত অগ্নিবর্ণৰ মৃত্যু ঘটিল। সেই সময়ত ৰানী গর্ভৰতী আছিল। ৰানীয়ে সন্তানৰ কথা ভাবি ৰাজ্যক সুশাসন কৰিছিল। এইখিনিতেই 'ৰঘুবংশম্' মহাকাব্যৰ সামৰণি পৰে।

২.৬ ৰঘুবংশীয় ৰজাসকল

'ৰঘুবংশম্' মহাকাব্যখনত মহাকবি কালিদাসে ২৯ গৰাকী ৰজাৰ বর্ণনা কৰিছে। ৰঘুবংশৰ প্রথম ৰজা দিলীপ আৰু শেষৰজন ৰজা অগ্নিবর্ণ। অন্যান্য পুৰাণসমূহত বর্ণনা কৰাৰ দৰে মহাকাব্যখনত দিলীপৰ পূর্বপুৰুষসকলৰ বর্ণনা কৰা হোৱা নাই। কেৱল ৰজা দিলীপক বৈৱস্বত মনুৰ উত্তৰ পুৰুষ হিচাপে স্বীকৃতি দিয়া হৈছে। ৰজা দিলীপৰ প্রতাপী পুত্র আছিল ৰঘু। ৰঘুৰ পুত্র অজৰ ঔৰসত ইন্দুমতীৰ গর্ভত দশৰথৰ জন্ম হৈছিল। ৰজা দশৰথৰ ক্রমে ৰাম, ভৰত, লক্ষ্মণ আৰু শত্রুঘ্ন নামেৰে চাৰিজন পুত্র আছিল। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ ৰামৰ সন্তান লৱ আৰু কুশ। কুশৰ ঔৰসত কুমুদ্বতীৰ গর্ভত অতিথিৰ জন্ম হৈছিল। অতিথিৰ পুত্র নিষধ আৰু নিষধৰ পুত্র নল। নলৰ পুত্র নভস আৰু নভসৰ পুত্র পুণ্ডৰীক। ক্ষেমধন্বা পুণ্ডৰীকৰ পুত্র। তেওঁৰ আকৌ দেৱানীক নামৰ এজন পুত্র আছিল। দেৱানীকৰ আহীনগু নামেৰে পুত্র আছিল। আহীনগুৰ পুত্র আছিল পৰিযাত্র। পৰিযাত্রৰ পুত্র শীল। শীলে উন্নাভ নামে পুত্র সন্তান লাভ কৰিছিল। উন্নাভে বজ্রনাভ আৰু বজ্রনাভে শঙ্খন নামৰ পুত্র লাভ কৰিছিল।

শঙ্খনৰ পাছত ক্রমে ব্যুষিতাশ্ব, বিশ্বসহ, হিৰণ্যনাভ কৌশল্য আৰু ব্রহ্মিষ্ঠ ৰজা হৈছিল। ব্রহ্মিষ্ঠৰ পুত্র নামেৰে সন্তান আছিল। পুত্রৰ পাছত পুষ্য আৰু ধ্রুৱসিদ্ধি ক্রমান্বয়ে ৰজা হৈছিল। ধ্রুৱসিদ্ধিৰ সুদর্শন নামেৰে পুত্র আছিল। সুদর্শনৰ পিছৰ ৰজা অগ্নিবর্ণ। ইয়াৰ পিছত ৰঘুবংশীয় ৰজাৰ নাম পোৱা নাযায়। কবি কালিদাসৰ মতে ৰঘুবংশীয় ৰজাসকল ক্রমে তলত দিয়া ধৰণৰ—


দিলীপ
ৰঘু
অজ
দশৰথ
ৰাম
ভৰত
লক্ষ্মণ
শত্রুঘ্ন
কুশ
লৱ
অতিথি
নিষধ
নল
নভস
পুণ্ডৰীক
ক্ষেমধন্বা
দেৱানীক
আহীনগু
পাৰিয়াত্র
শীল
উন্নাভ
বজ্রনাভ
শঙ্খন
ব্যুষিতাশ্ব
বিশ্বসহ
হিৰণ্যনাভ
কৌশল্য
ব্রহ্মিষ্ঠ
পুত্র

পুষ্য
|
ধ্রুৱসিদ্ধি
|
সুদর্শন
|
অগ্নিবর্ণ



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ৰঘুবংশত বর্ণনা কৰা প্রথমজন ৰজাৰ নাম কি?

.....

.....

প্রশ্ন নং ৮ ঃ ৰঘুবংশত বর্ণনা কৰা শেষৰজন ৰজাৰ নাম কি?

.....

প্রশ্ন নং ৯ ঃ ৰজা ৰঘুৰ পিতৃ-মাতৃৰ নাম কি আছিল?

.....

প্রশ্ন নং ১০ ঃ ৰঘুবংশত বর্ণনা কৰা মতে ৰঘুৰ পূর্বপুৰুষ কোন?

.....

২.৭ মহাকাব্যখনৰ ৰচকৰ পৰিচয়

এতিয়া আপুনি ৰঘুবংশম্ মহাকাব্যৰ ৰচকৰ বিষয়ে জানিব পাৰিব। ৰঘুবংশৰ ৰচয়িতা হ'ল কবি কালিদাস। মহাকবি কালিদাসৰ বিষয়ে সঠিক তথ্য পোৱা টান। কাৰণ তেওঁ নিজৰ বিষয়ে ক'তো একো উল্লেখ কৰা নাই। ফলত তেওঁৰ জীৱন সম্বন্ধে অনেক কিম্বদন্তীৰ সৃষ্টি হৈছে। এটি প্রচলিত শ্লোকত কবি কালিদাসক বিক্রমাদিত্যৰ সভাৰ নৱৰত্নৰ এটি ৰত্ন বুলি উল্লেখ কৰিছে। শ্লোকটো এনে ধৰণৰ—

ধন্বন্তৰি ক্ষপণকামৰসিংহ শংকুর্বেতালভট্টঘটকর্পৰকালিদাসাঃ।
খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি বৈ বৰৰুচির্ণব বিক্রমস্য।।

৬৩৪ খৃষ্টাব্দত ৰচিত দ্বিতীয় পুলকেশীৰ আইহোল লিপিত কালিদাসৰ নামৰ স্পষ্টভাৱে উল্লেখ আছে।৪৭২খৃষ্টাব্দত ৰচিত মান্দাসোৰ লিপিৰ কেইবাটাও শ্লোকৰ কালিদাস ৰচিত 'মেঘদূত' আৰু 'ঋতুসংহাৰ'ৰ শ্লোকৰ সৈতে মিল দেখিবলৈ পোৱা যায়। ইয়াৰ দ্বাৰা প্রমাণ হয় যে কালিদাস পঞ্চম শতিকাৰ পূর্বৰ।

মহাকবি কালিদাসৰ নামত বহুতো গ্রন্থৰ প্রচলন আছে। সেই সকলোবোৰৰ ভিতৰত সাতখন গ্রন্থহে কালিদাসৰ ৰচনা বুলি ধাৰণা কৰা হয়। কবি কালিদাসে 'ৰঘুবংশম্' মহাকাব্যৰ উপৰিও 'ঋতুসংহাৰ' আৰু 'মেঘদূত' নামেৰে খণ্ডকাব্য ৰচনা কৰিছিল। 'কুমাৰ সম্ভৰ' কালিদাসে

ৰচনা কৰা আন এখন মহাকাব্য। 'অভিজ্ঞানশকুন্তলম্', 'মালবিকাগ্নিমিত্রম্' আৰু 'বিক্রমোর্বশীয়ম্' নামেৰে তিনিখন নাটকো কালিদাসে ৰচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ কবি কালিদাস কাৰ ৰাজসভাৰ কবি আছিল?

.....

.....

প্রশ্ন নং ১২ ঃ কালিদাসে ৰচনা কৰা আন এখন মহাকাব্যৰ নাম লিখক।

.....

প্রশ্ন নং ১৩ ঃ কালিদাসে কেইখন নাটক ৰচনা কৰিছিল?

.....

.....



২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰি—

- পাঁচখন মহাকাব্যৰ ভিতৰত 'ৰঘুবংশম্' অন্যতম বুলি জানিলোঁ।
- মহাকাব্যৰ লক্ষণৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলোঁ।
- মহাকাব্যখনিৰ উৎস আৰু টীকাসমূহৰ বিষয়ে অৱগত হ'লোঁ।
- 'ৰঘুবংশম্' মহাকাব্যৰ প্রতিটো সর্গৰ বিষয়বস্তুৰো এটি আভাস লাভ কৰিলোঁ।
- ৰঘুবংশীয় ৰজাসকলৰ নামো জানিলোঁ।
- কবি কালিদাসৰ বিষয়েও ধাৰণা পালোঁ।



২.৯ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস*; দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

২) ভদ্র, সুধেন্দুমোহন ঃ *ৰঘুবংশম্*; গুৰাহাটী ঃ চন্দ্র প্রকাশ।

৩) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol X) প্রথম সংস্কৰণ (১৯৮১); কলকাতা।

৪) শর্মা, ড° থানেশ্বৰ (১৯৯৫) ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; গুৰাহাটী ঃ চন্দ্র প্রকাশ।



২.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত সাহিত্যত কাব্য দুই প্রকাৰ। যেনে— দৃশ্যকাব্য আৰু শ্রব্যকাব্য।

২নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত সাহিত্যত মহাকাব্য পাঁচখন।

৩নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশম্' মহাকাব্যখনত ১৯টা সর্গ আছে।

৪নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশম্' মহাকাব্যখনত ২৯জন ৰজাৰ বর্ণনা কৰা হৈছে।

৫নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশম্' মহাকাব্যৰ ওপৰত মুঠ টীকা ৩৩খন আছে।

৬নং প্রশ্নৰ উত্তৰ ঃ সকলোতকৈ প্রখ্যাত টীকাকাৰজনৰ নাম মল্লিনাথ। তেওঁ লিখা টীকাৰ নাম 'সঞ্জীৱনী'।

৭নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশ'ত বর্ণনা কৰা প্রথমজন ৰজাৰ নাম দিলীপ।

৮নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশ'ত বর্ণনা কৰা শেষৰজন ৰজাৰ নাম অগ্নিবর্ণ।

৯নং প্রশ্নৰ উত্তৰ ঃ ৰজা ৰঘুৰ পিতৃৰ নাম দিলীপ আৰু মাতৃৰ নাম সুদক্ষিণা।

১০নং প্রশ্নৰ উত্তৰ ঃ ৰঘুবংশত বর্ণনা কৰা মতে ৰঘুৰ পূর্বপুৰুষ বৈৱস্বত মনু।

১১নং প্রশ্নৰ উত্তৰ ঃ কবি কালিদাস বিক্রমাদিত্যৰ ৰাজসভাৰ কবি আছিল।

১২নং প্রশ্নৰ উত্তৰ ঃ কালিদাসে ৰচনা কৰা আন এখন মহাকাব্যৰ নাম 'কুমাৰসম্ভৱম্'।

১৩নং প্রশ্নৰ উত্তৰ ঃ কালিদাসে তিনিখন নাটক ৰচনা কৰিছিল। সেইকেইখন হ'ল— অভিজ্ঞানশকুন্তলম্, বিক্রমোর্ৱশীয়ম্ আৰু মালবিকাগ্নিমিত্রম্।



২.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ মহাকাব্যৰ প্রধান ৰস কি?

প্রশ্ন ২ ঃ 'ৰঘুবংশম্' মহাকাব্যত কিমানটা সর্গ আছে?

প্রশ্ন ৩ ঃ 'ৰঘুবংশম্' মহাকাব্যত এই লক্ষণসমূহ কিদৰে ফুটি উঠিছে লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ৰঘুবংশীয় ৰজাসকলৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন ২ ঃ 'ৰঘুবংশম্' মহাকাব্যৰ নামকৰণৰ তাৎপর্য লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ মহাকবি কালিদাসৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১-১০)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ প্রথমসর্গৰ সাৰাংশ

৩.৪ প্রথমসর্গৰ নামকৰণৰ তাৎপর্য্য

৩.৫ প্রথমসর্গৰ শ্লোক (১-১০)সমূহৰ সংস্কৃত পাঠ

৩.৫.১ শ্লোকসমূহৰ গদ্যপাঠ

৩.৫.২ শ্লোকসমূহৰ শব্দার্থ

৩.৫.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৩.৫.৪ ব্যাকৰণগত টোকা

৩.৫.৫ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

৩.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ বিষয়বস্তুৰ আভাস পাব
- মহাকাব্যখনৰ প্রথমসর্গৰ শিৰোনামৰ তাৎপর্য্যও জানিব পাৰিব
- প্রথমসর্গৰ শ্লোক (১-১০)সমূহৰ সংস্কৃতপাঠৰ লগতে শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত ব্যুৎপত্তিও লাভ কৰিব
- ৰঘুবংশীয় ৰজাসকলৰ গুণসমূহ জানিবলৈ পাৰিব।

৩.২ পৰিচয়

আপুনি ইতিমধ্যে মহাকবি কালিদাস ৰচিত ‘ৰঘুবংশম্’ মহাকাব্যত বর্ণিত ইক্ষ্বাকুবংশীয় ৰজাসকলৰ বর্ণনা পঢ়িছে। এই ৰজাসকলৰ ভিতৰত দিলীপ প্রথমগৰাকী ৰজা আছিল। মহাকাব্যখনিৰ প্রথমসর্গত ৰজা দিলীপৰ বর্ণনা কৰা হৈছে। এই অধ্যায়ত আপুনি ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ

(শ্লোক ১-১০) বিষয়বস্তুৰ লগত পৰিচিত হ'ব। ৰঘুবংশীয় ৰজাসকলৰ গুণাৱলীও এই অধ্যায়ত পঢ়িবলৈ পাব। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। লগতে শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব। ইয়াৰ উপৰিও কেইটামান গুৰুত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যাও পঢ়িবলৈ পাব।

৩.৩ প্রথমসর্গৰ সাৰাংশ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ সাৰাংশ জানিব পাৰিব। মহাকাব্যখনিৰ শুভাৰম্ভ আৰু নির্বিঘ্নে পৰিসমাপ্তি কামনা কৰি কবি কালিদাসে প্রথম শ্লোকত জগতৰ পিতামাতা স্বৰূপ শিৱ আৰু পার্বতীৰ বন্দনা কৰিছে। সূর্য্যৰ পৰা উৎপত্তি হোৱা এই বংশৰ বর্ণনা কৰিবলৈ নিজৰ যোগ্যতা সম্পর্কে সন্দেহ প্রকাশ কৰিছে। তথাপিও পূর্বৰ কবিসকলৰ কাব্যকৃতিৰ দ্বাৰা অনুপ্রাণিত হৈ কবিয়ে এই মহাকাব্য ৰচনা কৰিবলৈ ওলাইছে। কবি কালিদাসে সূর্য্যবংশীয় ৰজাসকলৰ মাহাত্ম্য বর্ণনাৰ সামর্থ্য নাথাকিলেও তেওঁলোকৰ গুণৰাজীৰ দ্বাৰা প্রভাৱান্বিত হৈ এই বংশৰ ৰজাসকলৰ চৰিত্রৰ মহিমা বর্ণনাত ব্রতী হৈছে। ৰঘুকুলসম্ভুত ৰজাসকল আজন্মশুদ্ধ, অধ্যবসায়ী, ফলসিদ্ধিপর্য্যন্ত কর্মৰত আৰু সমুদ্রপর্য্যন্ত ভূভাগৰ শাসক আছিল। তেওঁলোকৰ ৰথৰ গতি স্বর্গ পর্য্যন্ত অব্যাহত আছিল। তেওঁলোকে বিধিপূর্বক অগ্নিক আহুতি দিছিল। যাচকসকলক ইচ্ছা অনুসৰি দান কৰিছিল। অপৰাধৰ গুৰুত্ব অনুসাৰে অপৰাধীক দণ্ডবিধান কৰিছিল আৰু সময়ানুযায়ী জাগ্রত আছিল। দানৰ বাবে অর্থ সংগ্রহ কৰিছিল। সত্যৰক্ষাৰ বাবে মিতভাষী আছিল। যশলাভৰ বাবে বিজয় কামনা কৰিছিল আৰু সন্তান লাভৰ বাবে বিবাহ কৰাইছিল। শৈশৱত বিদ্যাভ্যাস, যৌৱনত বিষয়ভোগ আৰু বার্দ্ধক্যত বানপ্রস্থী জীৱন-যাপন কৰি শেষত পৰমাত্মাৰ ধ্যানেৰে শৰীৰ ত্যাগ কৰিছিল। এনে সর্বগুণসম্পন্ন ৰজাসকলৰ প্রথম পুৰুষ আছিল মনু। বৈৱস্বত মনুৰ এই বংশতেই ৰজা দিলীপৰ জন্ম হৈছিল। সকলো গুণৰ অধিকাৰী ৰজা দিলীপৰ পত্নী আছিল দয়া দাক্ষিণ্যাদি গুণযুক্তা মগধৰাজকন্যা সুদক্ষিণা। বিশাল সাম্রাজ্যৰ অধিকাৰী হ'লেও দিলীপৰ মানসিক শান্তি নাছিল কাৰণ তেওঁলোক নিঃসন্তান আছিল। সেয়েহে সন্তানপ্রাপ্তিৰ উপায় বিচাৰি তেওঁলোক কুলগুৰু বশিষ্ঠৰ আশ্রমলৈ যাত্রা কৰিলে। সন্ধ্যাকালৰ মনোৰম পৰিৱেশত সুদক্ষিণাৰে সৈতে দিলীপ বশিষ্ঠ মুনিৰ আশ্রমত উপস্থিত হ'ল। ৰজা আৰু ৰাণীয়ে মুনি বশিষ্ঠক ভক্তি সহকাৰে প্রণিপাত জনালে। মুনিয়ে ৰজা দিলীপক কুশল প্রশ্ন কৰাত ৰজাই অপুত্রকতাৰ বাবে পিতৃঋণ পৰিশোধ কৰিব নোৱৰাৰ দুখ প্রকট কৰিলে। ত্রিকালদর্শী বশিষ্ঠই যোগবলেৰে ৰজাৰ সন্তানহীনতাৰ কাৰণ জানিব পাৰিলে। এবাৰ ইন্দ্রক সহায় কৰি স্বর্গৰ পৰা প্রত্যাৱর্তনকালত পত্নী চিন্তাত মগ্ন হৈ দিলীপে স্বর্গৰ কামধেনু সুৰভিক অভিবাদন কৰিবলৈ পাহৰি গৈছিল। সেই সুৰভিৰ অভিশাপেই দিলীপৰ সন্তানহীনতাৰ কাৰণ। সুৰভিৰ অনুপস্থিতিত সুৰভিকন্যা নন্দিনীৰ সেৱাৰ দ্বাৰাও ৰজা দিলীপ শাপমুক্ত হ'ব পাৰে বুলি মুনিয়ে ৰজাক জনালে। সেইবাবে বশিষ্ঠমুনিৰ আশ্রমতেই থকা নন্দিনীক শুশ্রূষা কৰিবলৈ বশিষ্ঠই দিলীপক উপদেশ দিলে। বশিষ্ঠৰ আদেশমতেই ব্রহ্মচর্য্যব্রত অৱলম্বন কৰি দিলীপে পত্নী সুদক্ষিণাৰে সৈতে কামধেনু নন্দিনীৰ সেৱাত ৰত হ'ল।

৩.৪ প্রথমসর্গৰ নামকৰণৰ তাৎপর্য্য

প্রথমসর্গৰ সাৰাংশ অধ্যয়ন কৰাৰ পাছত আপুনি এতিয়া সর্গটিৰ নামকৰণৰ তাৎপর্য্য জানিব পাৰিব।

মহাকাব্যৰ লক্ষণ অনুসৰি প্রত্যেকসর্গৰ একো একোটা নামকৰণ হোৱা উচিত। সেয়েহে কবি কালিদাসে প্রত্যেকটি সর্গৰ নামকৰণ কৰিছে। 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গটোৰ নাম 'বশিষ্ঠাশ্রমাভিগমন'। ঋষি বশিষ্ঠ আছিল ৰঘুবংশীয় ৰজাসকলৰ কুলগুৰু। মন্ত্রদ্রষ্টা ঋষিৰ তপঃ প্রভাৱৰ ফলহৈ ৰজা দিলীপে নিৰঙ্কুশভাৱে ৰাজ্য শাসন কৰিছিল আৰু প্রজাসকলো সমগ্র বিপদৰ পৰা মুক্ত আছিল। অপুত্রকতাৰ বাবে পৃথিৱীয়েও ৰজা দিলীপক সুখ দিব পৰা নাছিল। পিতৃঋণ পৰিশোধ কৰিব নোৱৰাৰ আশঙ্কাত ভোগা ৰজাৰ বাবে কুলগুৰুৱেই আছিল একমাত্র ভৰসা। সেইবাবেই সপত্নীক ৰজা দিলীপে শুদ্ধান্তঃকৰণেৰে বশিষ্ঠমুনিৰ আশ্রমলৈ যাত্রা কৰিছিল। যাত্রাপথতো প্রকৃতিজগতত মনোবাঞ্ছা পূৰণৰ আগজাননী পাই দিলীপ আৰু সুদক্ষিণা আশ্রমত উপস্থিত হৈছিল। তপোবনৰ পৱিত্র পৰিৱেশত নন্দিনীৰ শুশ্রূষাৰ দ্বাৰা নিজৰ অভিলাষ পূৰণৰ ফালে আগবাঢ়িছিল। ৰজা আৰু ৰাণীৰ আশ্রমপ্রাপ্তি আৰু উদ্দেশ্যৰ সফলতাৰ প্রথম পদক্ষেপ হিচাপে প্রথমসর্গটিৰ নামাকৰণো যথোপযুক্ত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমশ্লোকটোত কাৰ বন্দনা কৰা হৈছে?

.....

প্রশ্ন নং ২ ঃ ৰঘুবংশ ক'ৰ পৰা উৎপত্তি হৈছিল।

.....

প্রশ্ন নং ৩ ঃ 'ৰঘুবংশম্' মহাকাব্যত বর্ণিত প্রথমজন ৰজাৰ নাম কি?

.....

প্রশ্ন নং ৪ ঃ ৰজা দিলীপৰ পত্নীৰ নাম কি?

.....

প্রশ্ন নং ৫ ঃ ৰঘুবংশীয় ৰজাসকলৰ কুলগুৰু কোন?

.....

৩.৫ প্রথমসর্গৰ শ্লোক (১-১০)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি ৰঘুবংশৰ প্রথমসর্গৰ প্রথম শ্লোকৰ পৰা দশম শ্লোকলৈ মূল সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

বাগর্থাবিব সম্পৃক্তৌ বাগর্থপ্রতিপত্তয়ে।
জগতঃ পিতৰৌ বন্দে পার্বতীপৰমেশ্বৰৌ।। ১।।
ক্ব সূর্য্যপ্রভবো বংশঃ ক্ব চাল্পবিষয়া মতিঃ।
তিতীর্ষুর্দুস্তৰং মোহাদুডুপেনাস্মি সাগৰম্।। ২।।
মন্দঃ কবিযশঃপ্রার্থী গমিষ্যাম্যুপহাস্যতাম্।
প্রাংশুলভ্যে ফলে লোভাদুদ্বাহুৰিব বামনঃ।। ৩।।
অথ বা কৃতবাগ্দ্বাৰে বংশে হস্মিন্ পূর্বসূৰিভিঃ।
মণৌ বজ্রসমুৎকীর্ণে সূত্রস্যেবাস্তি মে গতিঃ।। ৪।।
সোহহমাজন্মশুদ্ধানামাফলোদয়কর্মণাম্।
আসমুদ্রক্ষিতীশানামানাকৰথবর্ত্মনাম্।। ৫।।
যথাবিধিহুতাগ্নীনাং যথাকামার্চিতার্থিনাম্।
যথাপৰাধদণ্ডানাং যথাকালপ্রবোধিনাম্।। ৬।।
ত্যাগায় সম্ভৃতার্থানাং সত্যায় মিতভাষিণাম্।
যশসে বিজিগীষূণাং প্রজায়ৈ গৃহমেধিনাম্।। ৭।।
শৈশবেঽভ্যস্তবিদ্যানাং যৌবনে বিষয়ৈষিণাম্।
বার্দ্ধক্যে মুনিবৃত্তীনাং যোগেনান্তে তনুত্যজাম্।। ৮।।
ৰঘুনামন্বয়ং বক্ষ্যে তনুবাগ্বিভবোঽপি সন্।
তদগুনৈঃ কর্ণমাগত্য চাপলায় প্রচোদিতঃ ।। ৯।।
তং সন্তঃ শ্রোতুমর্হন্তি সদস্যদ্ব্যক্তিহেতবঃ।
হেম্নঃ সংলক্ষ্যতে হ্যাগ্নৌ বিশুদ্ধিঃ শ্যামিকাপিবা।। ১০।।

৩.৫.১ শ্লোকসমূহৰ গদ্য পাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ শ্লোক (১-১০)সমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

১) বাগর্থপ্রতিপত্তয়ে বাগর্থৌ ইব সম্পৃক্তৌ
জগতঃ পিতৰৌ পার্বতীপৰমেশ্বৰৌ (অহং) বন্দে।

২) সূর্য্যপ্রভবঃ বংশঃ ক্ব, অল্পবিষয়া মে মতিঃ চ ক্ব। মোহাদ্ (অহম্)
উডুপেন দুস্তৰং সাগৰং তিতীর্ষুঃ অস্মি।

৩) মন্দঃ (অহম্) কবিযশপ্রার্থী প্রাংশুলভ্যে ফলে লোভাৎ উদ্বাহুঃ
বামন ইব উপহাস্যতাং গমিষ্যামি।

৪) অথবা পূর্বসূৰিভিঃ কৃতবাগ্দ্বাৰে বংশেঽস্মিন্ বজ্রসমুৎকীর্ণে
মনৌ সূত্রস্য ইব মে গতিঃ অস্তি।

৫—৯) সোঽহং তনুবাগ্‌বিভবোঽপি তদ্‌গুনৈঃ কর্ণমাগত্য চাপলায় প্রণোদিতঃ সন্ আজন্মশুদ্ধানাম্, আফলোদয়কর্মণাম্ আসমুদ্রক্ষিতীশাণামানাকৰথবর্ত্মনাম্। যথাবিধিহুতাগ্নীনাম্, যথাকামার্চিতার্থিনাম্। যথাপৰাধদণ্ডানাং যথাকালপ্রবোধিনাম্ ত্যাগায় সম্ভৃতার্থানাম্ সত্যায় মিতভাষিণাম্ যশসে বিজিগীষূণাম্ প্রজায়ৈ গৃহমেধিনাম্ শৈশবে অভ্যস্তবিদ্যানাম্ যৌবনে বিষয়ৈষিণাম্ বার্দ্ধক্যে মুনিবৃত্তীনাম্ অন্তে যোগেন তনুত্যজাম্ ৰঘুনামন্বয়ং বক্ষ্যে।

কর্ণমাগত্য = কর্ণম্ + আগত্য

আসমুদ্রক্ষিতীশানামানাকৰথবর্ত্মনাম্ = আসমুদ্র-ক্ষিতীশাণাম্ + আনাকৰথবর্ত্মনাম্।

যথাকামার্চিতার্থিনাম্ = যথাকামার্চিতা + অর্থিনাম্।

১০) সদসদ্ব্যক্তিহেতবঃ সন্তঃ তং শ্রোতুং অইন্তি, হি হেম্নঃ বিশুদ্ধিঃ অপি বা শ্যামিকা অগ্নৌ সংলক্ষ্যতে।



জানি থোৱা ভাল

পঞ্চমৰ পৰা নৱম— এই পাঁচটি শ্লোক 'বক্ষ্যে' এই এটা মাত্র সমাপিকা ক্রিয়াৰ সৈতে অন্বিত বাবে এই শ্লোক পাঁচটাক আলঙ্কাৰিক পৰিভাষাত 'কুলক' বোলা হয়। এইদৰে দুটা শ্লোক মিলিত হ'লে 'যুখক', তিনিটা শ্লোক মিলিত হ'লে 'সন্দানিতক' আৰু চাৰিটা শ্লোক মিলিত হ'লে 'কলাপক' বোলা হয়। বিশ্বনাথ কবিৰাজৰ 'সাহিত্যদর্পণ' গ্রন্থত এনেদৰে পোৱা যায়—

দ্বাভ্যান্তু যুগ্মকং সন্দানিতকং ত্রিভিৰিষ্যতে।
কলাপকং চতুর্ভিশ্চ পঞ্চভিঃ কুলকং মতম্।।

সাহিত্যদর্পণ ৬/২৮৮

৩.৫.২ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ শ্লোক (১-১০)সমূহৰ শব্দৰ অর্থ পঢ়িবলৈ পাব।

১নং শ্লোক ঃ

(অহং = মই অর্থাৎ কবি কালিদাসে) বাগর্থপ্রতিপত্তয়ে = শব্দার্থস্য জ্ঞানায় (শব্দ আৰু অর্থ জ্ঞানৰ নিমিত্তে) বাগর্থাবিব = শব্দার্থৌ ইব (শব্দ আৰু অর্থৰ নিচিনা) সম্পৃক্তৌ = নিত্যসম্বন্ধযুক্তৌ (নিত্যসম্বন্ধযুক্ত) জগতঃ = সংসাৰস্য (জগতৰ) পিতৰৌ = মাতা চ পিতাচ (মাতাপিতা) পার্বতী-পৰমেশ্বৰৌ = উমামহেশ্বৰৌ (পার্বতী আৰু পৰশ্বেৰক) বন্দে = প্রণমামি (প্রনাম কৰোঁ)।

২নং শ্লোক ঃ

সূর্য্যপ্রভবঃ = সূর্য্যোৎপন্নঃ (সূর্য্যৰ পৰা উৎপন্ন) বংশঃ = অন্বয়ঃ (বংশ) ক্ব = কুত্র (ক'ত), অল্পবিষয়াঃ = স্বল্পজ্ঞাঃ (ক্ষুদ্র) মতিঃ চ = বুদ্ধিঃ (বুদ্ধিয়েই বা) ক্ব = কুত্র (ক'ত), (অহং = মই) মোহাত্ = অজ্ঞানাত্ (অজ্ঞানতাবশতঃ) উডুপেন = প্লবেন (ভেলৰ দ্বাৰা) দুস্তৰং = তৰিতু-মশক্যং (কষ্টেৰেপাৰ হ'ব পৰা) সাগৰম্ = সমুদ্রাং = (সাগৰ) তিতির্ষুঃ = তৰিতুমিচ্ছুঃ (পাৰ হ'বলৈ ইচ্ছা) অস্মি = ভবামি (কৰিছোঁ)।

৩নং শ্লোক ঃ

মন্দঃ মূঢ়ঃ (মূর্খ) কবিযশঃপ্রার্থী = কবীনাং যশং ইচ্ছন্ (কবিসকলৰ যশ বিচাৰি) অহং = মই) প্রাংশুলভ্যে = উন্নত পুৰুষেণ প্রাপ্যং (ওখ মানুহে লাভ কৰা) ফলে = ফলবিষয়ে (ফলত) লোভাৎ = ফললিপ্সয়া (লোভবশতঃ) উদ্বাহুঃ = ঔচ্ছ্রিতহস্তঃ (বাহুমেলি) বামন ইব = খর্ব ইব (বাওনাৰ নিচিনাকৈ) উপহাস্যতাম্ = উপহাসবিষয়তাম্ (উপহাসৰ পাত্র) গমিষ্যামি = প্রাপ্সামি (হ'ম)।

৪নং শ্লোক ঃ

অথবা = পক্ষান্তৰে (অথবা) পূর্বসূৰিভিঃ = পূর্বকবিভিঃ বাল্মীক্যাদিভিঃ (পূর্বসূৰীসকলে) কৃতবাগ্দ্বাৰে = বাগ্ৰূপ দ্বাৰনির্মিতে (বাক্যৰূপ দ্বাৰেৰে) অস্মিন বংশে = সূর্য্যপ্রভবে কুলে (সূর্য্যসম্ভূত বংশতঃ) বজ্রসমুৎকীর্ণে = মণিবেধকসূচীবিশেষেণ বিদ্ধে (মনিবেধক সূচীৰ দ্বাৰা কৰা ছিদ্রত) মণৌ = ৰত্নে (ৰত্নৰ মাজত) সূত্রস্য ইব = তন্তোঃ যথা (সূতাৰ নিচিনা) মে = মম (মোৰ) গতিঃ = সঞ্চাৰঃ (প্ররেশ) অস্তি = বর্ততে (হ'ব)।

৫—৯নং শ্লোক ঃ

সোৎহম্ = কালিদাস (সেই মই অর্থাৎ কবি কালিদাস) = তনুবাগ্বিভবোঽ পি সন্ = স্বল্পবাণীপ্রসৰোঽপি সন (কিঞ্চিদ্ বাগ্ ঐশ্বর্য্যযুক্তহৈয়ো) তদ্গুণৈঃ = তেষাং আজন্মশুদ্ধাদিভিঃ গুণৈঃ (তেওঁলোকৰ গুণৰাশি) কর্ণমাগত্য = শ্রোত্রমাগত্য (কর্ণগোচৰ হৈ) চাপলায় = চঞ্চলভাবায় (চঞ্চলতাবশতঃ) প্রণোদিতঃ = প্রেৰিতঃ (প্রবৃত্ত কৰাইছে) মন্ আজন্মশুদ্ধানাম্ = জন্মতঃ আৰভ্য শুদ্ধানাম্ (আজন্মশুদ্ধসকলৰ) আফলোদয়কর্মণাম্ = ফলপ্রাপ্তিপর্য্যন্তং কর্মৰতানাং (ফলপ্রাপ্তি নোহোৱা পর্য্যন্ত যিসকলে কর্ম কৰিছিল) আসমুদ্রক্ষিতীশানাম্ = সমুদ্রপর্য্যন্তং পৃথিবীং শাসনকর্তানাম্ (সমুদ্রলৈকে বিস্তৃত পৃথিৱীৰ যিসকল শাসক আছিল) আনাকৰথবর্ত্মনাম্ = স্বর্গপর্য্যন্তং ৰথমার্গম্ (যিসকলৰ ৰথৰ পথ স্বর্গপর্য্যন্তমুক্ত আছিল) যথাবিধিহুতাগ্নীনাং = যথবিধি অগ্নৌ আহুতিপ্রদানকাৰিণাম্ (যিসকলে যথাবিধি অগ্নিত আহুতি প্রদান কৰিছিল) যথাকামার্চিতার্থিনাম্ = যথা-ভিলাষমৎকৃতযাচকানাং (যিসকলে ইচ্ছানুযায়ী যাচকসকলক সৎকাৰ কৰিছিল) যথাপৰাধদণ্ডানাম্ =অপৰাধানুকুলদণ্ডানাম্(অপৰাধ অনুসৰি যিয়ে দণ্ডবিধান কৰিছিল) যথাকালপ্রবোধিনম্ = যথাসময়জাগৰ্দ্ধকানাং (উচিতসময়ত যিসকল সজাগ আছিল) ত্যাগায় = দানায় (দানৰ বাবে) সংভৃতার্থানাং = সঞ্চিতার্থানাং (অর্থসঞ্চয় কৰিছিল)

সত্যায় মিতভাষিণাম্ = সত্যায় মিতভাষণ-শীলানাম্ (সত্যৰ বাবে যিসকল মিতভাষী হৈছিল) যশসে বিজিগীষুণাম্ = কীৰ্তয়ে বিজেতুমিচ্ছুনাং (যশলাভৰ বাবে যিসকলে বিজয় কামনা কৰিছিল) প্ৰজায়ৈ গৃহমেধিনাম্ = সন্তানায় দাৰপৰিগ্ৰহানাম্ (সন্তানৰ বাবে যিসকলে পত্নী গ্ৰহণ কৰিছিল) শৈশৱে অভ্যস্তবিদ্যানাম্ = বাল্যে বিদ্যাভ্যাস কৃতানাং (যিসকলে শৈশৱত বিদ্যাভ্যাস) যৌবনে বিষয়ৈষিণাম্ = তাৰুণ্যে ভোগাভিলাষিণাং (যৌৱনত বিষয়ভোগ) বার্দ্ধক্যে মুনিবৃত্তীনাম্ = বৃদ্ধত্বে মুনিজনানামাচাৰং (বাৰ্দ্ধক্যত মুনিবৃত্তি গ্ৰহণ কৰি) অন্তে যোগেন তনুত্যজাম্ = অন্তিমে কালে যোগাভ্যাসেন শৰীৰত্যাঙ্গ (শেষত যোগবলেৰে দেহত্যাগ কৰা) ৰঘুনাং = ৰঘুবংশীয়ানাং (ৰঘুবংশীয় ৰজাসকলৰ) অন্বয়ং = বংশং (বংশ) বক্ষ্যে = কথয়িষ্যে (ক'ম)।

১০নং শ্লোক ঃ

সদসদ্ব্যক্তিহেতবঃ = গুণদোষবিচাৰনিপুণাঃ (গুনদোষবিবেচক) সন্তঃ = সজ্জনাঃ (সাধুপুৰুষসকলে) তং = 'ৰঘুবংশম্' মহাকাব্যম্ (সেই অর্থাৎ ৰঘুবংশ মহাকাব্য) শ্রোতুম্ = আকর্ণয়িতুম্ (শুনিবলৈ) অর্হন্তি = যোগ্যা ভবন্তি (যোগ্য), হেম্নঃ = সুবর্ণস্য (সোণৰ) বিশুদ্ধিঃ = নির্দোষস্বৰূপং (শুদ্ধতা) অপিবা = অথবা (বা) শ্যামিকা = সদোষতা (অশুদ্ধতা) অগ্নৌ হি = বহ্নৌ (অগ্নিতেই) সংলক্ষ্যতে = জ্ঞায়তে (পৰীক্ষিত হয়)।



জানি থোৱা ভাল

অলঙ্কাৰশাস্ত্ৰৰ বিধি অনুসৰি কবি কালিদাসে পার্বতী পৰমেশ্বৰক বন্দনা কৰি 'ৰঘুবংশ' মহাকাব্য প্ৰাৰম্ভ কৰিছে। শব্দ আৰু অর্থৰ সম্বন্ধ যিদৰে নিত্য, জগতৰ পিতামাতাস্বৰূপ পার্বতী আৰু পৰমেশ্বৰৰ মাজতো তেনে নিত্য আৰু শাশ্বত সম্বন্ধ। বিশিষ্ট শব্দার্থৰ জ্ঞান কাব্যৰচনাৰ মূল কাৰণ। পার্বতী আৰু পৰমেশ্বৰ হ'ল সমগ্ৰ বিশ্বৰ শব্দ আৰু অর্থৰ ধাত্ৰী আৰু ধাতা, দুয়ো দুয়োৰে পৰিপূৰক। কবিয়ে ইয়াত হৰগৌৰীৰ বন্দনাৰে অর্দ্ধনাৰীশ্বৰৰ ধাৰণাৰ উপস্থাপন কৰিছে।

৩.৫.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসর্গৰ শ্লোক (১-১০)সমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

১) শব্দ আৰু অর্থৰ সম্যগ্‌জ্ঞানৰ বাবে, শব্দ আৰু অর্থৰ দৰেই নিত্যসংযুক্ত জগতৰ মাতাপিতাস্বৰূপ পার্বতী আৰু পৰমেশ্বৰক মই বন্দনা কৰোঁ।

২) ক'ত সেই সূর্য্যসম্ভূতবংশ আৰু ক'ত মোৰ অল্পবোধযুক্ত বুদ্ধি। মোহবশতঃ মই যেন ভূৰেৰে সাৰ পাৰ হ'বলৈ ইচ্ছা কৰিছোঁ।

৩) ওখমানুহে ঢুকি পোৱা ফল লাভৰ বাবে বাওনাই লোভত হাত মেলিলে যিদৰে উপহাসৰ পাত্ৰ হয়, সেইদৰে কবিসকলৰ যশ পাবলৈ ইচ্ছা কৰা মূর্খ ময়ো হাঁহিয়াতৰ পাত্ৰ হ'ম।

৪) অথবা বজ্রসূচীৰ দ্বাৰা ছিদ্র কৰা মনিত যিদৰে সূতাডালৰ প্ৰৱেশ সহজ হয়। সেইদৰে পূৰ্বসূৰীসকলে ৰচনা কৰা কাব্যৰূপ দ্বাৰাৰে মোৰ এই বংশত প্ৰৱেশ সহজ হ'ব।

৫—৯) ৰঘুবংশৰ যিসকল আজন্ম শুদ্ধ আছিল, ফলপ্ৰাপ্তি পৰ্য্যন্ত যিসকলে কৰ্ম কৰিছিল, যিসকল সসাগৰা পৃথিৰীৰ অধীশ্বৰ আছিল, যিসকলৰ ৰথৰ পথ স্বৰ্গপৰ্য্যন্ত বিস্তৃত আছিল, যিসকলে যথাবিধি যজ্ঞত আহুতি প্ৰদান কৰিছিল। ইচ্ছানুযায়ী যাচকসকলক সৎকাৰ কৰিছিল। অপৰাধ অনুসৰি দণ্ডপ্ৰদান কৰিছিল। সময়ানুযায়ী সজাগ হৈছিল। যিসকলে দানৰ বাবেই অৰ্থসংগ্ৰহ কৰিছিল। সত্যৰ বাবেই মিতভাষী হৈছিল। যশস্যাৰ বাবে বিজয় কামনা কৰিছিল। সন্তানৰ বাবেই পাণিগ্ৰহণ কৰিছিল, যিসকলে শৈশৱত বিদ্যাভ্যাস, যৌৱনত বিষয়ভোগ আৰু বাৰ্দ্ধক্যত মুনিবৃত্তি গ্ৰহণ কৰি শেষত যোগবলেৰে দেহত্যাগ কৰিছিল। সেই পুৰুষসকলৰ গুণৰাশিৰ কথা শুনি শুনি মোৰ ক্ষুদ্রবাক্‌সম্পত্তি স্বত্বেও চাপল্যবশতঃ তেওঁলোকৰ কথা ক'বলৈ ওলাইছোঁ।

১০) গুণদোষবিবেচক জ্ঞানীসকলহে সেই কথা শুনাৰ যোগ্য। কিয়নো সোণৰ শুদ্ধতা আৰু অশুদ্ধতা অগ্নিয়েহে পৰীক্ষা কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ জগতৰ পিতামাতা কোন?

.....

প্রশ্ন নং ৭ ঃ 'উডুপ' শব্দটোৰ অৰ্থ কি?

.....

প্রশ্ন নং ৮ ঃ ৰঘুবংশীয় ৰজাসকলৰ এটা গুণ লিখক।

.....

প্রশ্ন নং ৯ ঃ সোণৰ বিশুদ্ধতা ক'ত পৰীক্ষা কৰা হয়?

.....

প্রশ্ন নং ১০ ঃ 'গৃহমেধ' শব্দৰ অৰ্থ কি?

.....

৩.৫.৪ ব্যাকৰণগত টোকা

১নং শ্লোক ঃ

বুৎপত্তি—

সম্পৃক্তৌ - সম্-পৃচ্ + ক্ত (কৰ্তৰি)

বন্দে - √বন্দ্ + লিট্ এ

বিভক্তি নির্ণয়—

জগতঃ - শেষে ষষ্ঠী

সমাস—

বাগর্থপ্রতিপত্তয়ে - বাক্ চ অর্থশ্চ (দ্বন্দ্ব), তয়োঃ প্রতিপত্তিঃ (ষষ্ঠী তৎপুৰুষ) তস্যৈ)

বাগর্থাবিব - বাক্ চ অর্থশ্চ (দ্বন্দ্ব), বাগর্থৌ ইব (নিত্য সমাস)

পিতৰৌ - মাতা চ পিতা চ (একশেষ দ্বন্দ্ব)

২নং শ্লোক ঃ

বুৎপত্তি—

তিতীর্ষুঃ - তৃ + সন্ + উ

অস্মি - অস্ + লট্ + মি

বিভক্তি নির্ণয়—

মোহাৎ - হেতৌ পঞ্চমী

উডুপেন - কৰণে তৃতীয়া।

সমাস—

সূর্য্যপ্রভবঃ - প্রভবতি অস্মাদিতি প্র-ভূ + অপ্ = প্রভবঃ।

সূর্য্যঃ - প্রভবো যস্য সঃ (বহুব্রীহি)

অল্পবিষয়া - অল্পো বিষয়ো যস্যাঃ সা (বহুব্রীহি)

৩নং শ্লোক ঃ

বুৎপত্তি—

উপহাস্যতাম্ - উপ হস্ + ণ্যৎ, তস্য ভাব ইতি উপহাস্য + তল্, তাম্

গমিষ্যামি - গম্ + লৃট্ স্যামি।

বিভক্তি নির্ণয়—

ফলে - বিষয়াধিকৰণে সপ্তমী

লোভাৎ - হেতৌ পঞ্চমী

সমাস—

কবিযশঃ প্রার্থী - কবীনাং যশঃ (ষষ্ঠী তৎপুৰুষ); তৎ প্রার্থয়তে যঃ সঃ (উপপদ তৎপুৰুষ)

প্রাংশুলভ্যে - প্রাংশুনা লভ্যম্ (তৃতীয়া তৎপুৰুষ) তস্মিন্

উদ্বাহুঃ - উত্ উত্তোলিতঃ বাহুর্যেন সঃ (বহুব্রীহি)

৪নং শ্লোক ঃ

বুৎপত্তি—

গতি - গম্ + ক্তিন্

বিভক্তি নির্ণয়—

বংশে - অধিকৰণে সপ্তমী

পূর্বসূৰিভিঃ - অনুক্তে কর্তৰি তৃতীয়া।

সমাস—

কৃতবাগ্দ্বাৰে - বাক্ এব দ্বাৰম্ (ৰূপক কর্মধাৰয়), কৃতং বাগ্দ্বাৰং যস্য (বহুব্রীহি), তস্মিন্

পূর্বসূৰিভিঃ - পূর্বে সূৰয়ঃ (কর্মধাৰয়) তৈঃ।

বজ্রসমুৎকীর্ণে - বজ্রেণ সমুৎকীর্ণঃ (তৃতীয়া তৎপুৰুষ) তস্মিন্

৫—৯নং শ্লোক ঃ

বুৎপত্তি—

ত্যাগায় = ত্যজ্ + মঞ্, চতুর্থী একবচন

বিজিগীষূণাম্ = বি - জি + সন্ + উ, তেষাম্

যোগেন - যুজ্ + ঘঞ্, তেন

বক্ষ্যে = √বচ্ + লৃট্ স্যে (আত্মনেপদ)

আগত্য = আ - √গম্ + ল্যপ্

প্রণোদিতঃ = প্র - √নুদ্ + ণিচ্ + ক্ত

বিভক্তি নির্ণয়—

ত্যাগায় - তাদর্থ্যে চতুর্থী

সত্যায় - তাদর্থ্যে চতুর্থী

যশসে - তাদর্থ্যে চতুর্থী

প্রজায়ৈ - তাদর্থ্যে চতুর্থী

শৈশৰে - অধিকৰণে সপ্তমী

যৌৱনে - অধিকৰণে সপ্তমী

বার্দ্ধক্যে - অধিকৰণে সপ্তমী

অন্তে - অধিকৰণে সপ্তমী

ৰঘুনাম্ - শেষে ষষ্ঠী

তদগুনৈঃ - অনুক্তে কর্তৰি তৃতীয়া

চাপলায় - 'ক্রিয়ার্থোপপদস্য চ কর্মনি স্থানিনঃ' সূত্র অনুসৰি চতুর্থী

অন্বয়ং - কর্মণি দ্বিতীয়া

সমাস—

আজন্মশুদ্ধানাম্ - আ জন্মনঃ (অব্যয়ীভাব), আজন্মশুদ্ধাঃ (সুপ্সুপা), তেষাম্

আফলোদয়কর্মনাম্ - ফলস্য উদয়ঃ (ষষ্ঠী তৎপুৰুষ), ফলোদয়ম্ অভিব্যাপ্য ইতি আফলোদয়ম্ (অব্যয়ীভাব), আফলোদয়ং কর্ম যেষাম্ (বহুব্রীহি), তেষাম্।

আসমুদ্রক্ষিতীশাণাম্ - আ সমুদ্রাৎ (অবয়ীভাব), ক্ষিতেঃ ঈশাঃ (ষষ্ঠী তৎপুৰুষ), আসমুদ্রং ক্ষিতীশাঃ (সুপ্সুপা), তেষাম্।

আনাকৰথৰ্ত্মনাম্ - আ নাকাৎ আনাকম্ (অব্যয়ীভাব), ৰথস্য বর্ত্ম (ষষ্ঠী তৎপুৰুষ), আনাকং ৰথবর্ত্ম যেষাম্ (বহুব্রীহি) তেষাম্।

যথাবিধিহুতাগ্নীনাম্ - বিধিমনতিক্রম্য ইতি যথাবিধি (অব্যয়ীভাব), যথাবিধি হুতাঃ (সুপসুপা), যথাবিধিহুতা অগ্নয়ঃ যৈস্তেষাম্ (বহুব্রীহি)

যথাকামর্চিতার্থানাম্ - কামমনতিক্রম্য ইতি যথাকামম্ (অব্যয়ীভাব), যথাকামম্ অর্চিতাঃ (সুপ্সুপা), যথাকামার্চিতাঃ অর্থিনঃ যৈস্তেষাম্ (বহুব্রীহি)

যথাপৰাধদণ্ডানাম্ - অপৰাধমনতিক্রম্য ইতি যথাপৰাধম্ (অব্যয়ীভাব)

যথাপৰাধংদণ্ডঃ যেষাম্ (বহুব্রীহি), তেষাম্

যথাকাল প্রবোধিনাম্ - কালমনতিক্রম্য ইতি যথাকালম্ (অব্যয়ীভাব), যথাকালং প্রবোধিনঃ (সুপ্সুপা) তেষাম্।

সম্ভৃতার্থানাম্ - সম্ভৃতঃ অর্থঃ যৈস্তেষাম্ (বহুব্রীহি)

মিতভাষিণাম্ - মিতং ভাষন্ত যে তে মিতভাষিণঃ (উপপদ তৎপুৰুষ), তেষাম্।

অভ্যস্তবিদ্যানাম্ - অভ্যস্তা বিদ্যা যৈঃ (বহুব্রীহি), তেষাম্

মুনিবৃত্তীনাম্ - মুনীনাং বৃত্তিৰিব বৃত্তির্যেষাম্ (বহুব্রীহি), তেষাম্।

তনুত্যজাম্ - তনুং ত্যজন্তি যে তেষাম্ (উপপদতৎপুৰুষ)

তনুবাগ্বিভবঃ - বাচঃ বিভবঃ (ষষ্ঠী তৎপুৰুষ), তনু (স্বল্পঃ) বাগ্বিভবঃ যস্য সঃ (বহুব্রীহি)

তদ্গুণৈঃ - তেষাং গুনাঃ (ষষ্ঠী তৎপুৰুষ) তৈঃ

১০নং শ্লোক ঃ

বুৎপত্তি—

সন্তঃ - সৎ প্রথমা বহুবচন

শ্রোতুম্ - শ্রু + তুমুন্

অর্হন্তি - অর্হ্ + লট্ অন্তি

সংলক্ষ্যতে - সম্ - √লক্ষ্ + লট্ তে

বিভক্তি নির্ণয়—

হেম্নঃ - শেষে ষষ্ঠী

বিশুদ্ধিঃ - উক্তে কর্মণি প্রথমা

শ্যামিকা - উক্তে কর্মণি প্রথমা

সমাস—

সদসদ্ব্যক্তিহেতবঃ - সচ্চ অসচ্চ (দ্বন্দ্ব)ঃ তয়োর্ব্যক্তিঃ (ষষ্ঠী তৎপুৰুষ) তস্যাঃ হেতবঃ (ষষ্ঠী তৎপুৰুষ)

৩.৫.৫ প্রথম মর্গৰ (১-১০) মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাবার্থ

এতিয়া আপুনি অধ্যায়টিত উল্লেখ কৰা কিছুমান শ্লোকাংশৰ আৰু শ্লোকৰ ব্যাখ্যা জানিব পাৰিব।

১) হেমঃ সংলক্ষ্যতে হ্যগ্নৌ বিশুদ্ধিঃ শ্যামিকাপি বা

সোণৰ বিশুদ্ধতা পৰীক্ষা কৰা হয় অগ্নিত। জুইত পুৰিলে সোণত অবিশুদ্ধ পদার্থৰ মিশ্রন ধৰা পৰে। কবিপ্রণীত কাব্যসমূহৰ গুণদোষো সহৃদয়পণ্ডিতসকলেই নিৰূপণ কৰিব পাৰে। বাল্মীকিৰচিত ৰামায়ণৰ আলমত কবি কালিদাসে ৰঘুবংশম্ মহাকাব্যৰ ৰচনা কৰিছে। ৰামায়ণ আদি মহাকাব্য সর্বজনসমাদৃত। 'ৰঘুবংশম' মহাকাব্যৰ গ্রহণযোগ্যতাও বিবেচনাৰ বিষয়। সেই মূল্যায়ণৰ দায়িত্ব কাব্যৰসিক সহৃদয়সকলৰ। সোণ যিদৰে বিশুদ্ধ নে মিশ্রিত জুইত পুৰিলে জনা যায়। সেইদৰে কালিদাসৰ এই ৰচনাও দোষশূন্য নে দোষদুষ্ট জনাৰ উপায় হ'ল সহৃদয়াসকলৰ সমালোচনা। সেয়েহে কবিয়ে সুধীজনসকলৰ ওচৰত নিজৰ কাব্যবিচাৰৰ বাবে প্রার্থনা কৰিছে। এই শ্লোকাংশৰ অনুৰূপভাব প্রকট হৈছে কবি কালিদাসৰেই আন এখন নাটক 'মালবিকাগ্নিমিত্রম্'ৰ দ্বিতীয় অঙ্কত—

উপদেশং বিদুঃ শুদ্ধং সন্তস্তমুপদেশিনঃ।
শ্যামায়তে ন যুষ্মাসু যঃ কাঞ্চনমিবাগ্নিষু।।

২) তিতীর্ষুর্দুস্তৰং মোহাদুডুপেনাস্মি সাগৰম্।

সূর্য্যসম্ভুত ৰঘুৰ বংশৰ মাহাত্ম্য জগত্বিখ্যাত। মহান ৰজাসকলে এই বংশত জন্ম গ্রহণ কৰিছিল। 'ৰঘুবংশম্' মহাকাব্য ৰচনা কৰিবলৈ গৈ এই বংশৰ মহিমাবর্ণনত কবি প্রবৃত্ত হ'বলৈ ওলাইছে। কবিয়ে পোনপ্রথমেই দ্বিধাহীনভাৱে এই কার্য্যত নিজৰ বুদ্ধিৰ দীনতা প্রকাশ কৰিছে। স্বল্পবুদ্ধিসম্পন্ন কবি হৈ মহান ৰাজবংশৰ বর্ণনা কৰিবলৈ যোৱাটো ক্ষুদ্র নাৱেৰে সাগৰ পাৰ হ'বলৈ যোৱাৰ দৰে দুষ্কৰ হ'ব বুলি কবিয়ে ভাবে। ক্ষুদ্র ভূৰেৰে যিদৰে বিশাল সাগৰ পাৰ হোৱা অসম্ভৱ সেইদৰে মন্দমতি কবিৰ পক্ষেও বিশাল পৱিত্র আৰু জগত বিখ্যাত সূর্য্যবংশৰ বর্ণনাও সাধ্যাতীত। কবিশিৰোমণি মহাকবি কালিদাসৰ বিনয়ভাবৰ পৰাকাষ্ঠা ইয়াত প্রকাশ পাইছে।

৩) মন্দঃ কবিমশপ্রার্থী গমিষ্যামুপহাস্যতাম্

প্রাংশুলভ্যে ফলে লোভাদুদ্বাহুৰিব বামনঃ। (৩নং শ্লোক)

কবিকুল শিৰোমণি কালিদাসৰ অমৰকৃষ্টি 'ৰঘুবংশম্' মহাকাব্যৰ পৰা শ্লোকটি উদ্ধৃত কৰা হৈছে।

মহাকাব্যখনি ৰচনাৰ নিজৰ প্রচেষ্টাক কবিয়ে অসাধ্য সাধন কৰিবলৈ যোৱা বুলি ক'বলৈ গৈ শ্লোকফাঁকিৰ অৱতাৰণা কৰিছে।

যশাকাঙ্ক্ষী হৈয়ে কবিয়ে কাব্যৰচনা কৰে। মন্দমতি হৈয়ো কবিয়ে মহান ৰঘুবংশীয় ৰজাসকলৰ মাহাত্ম্যকীৰ্ত্তনমূলক মহাকাব্য ৰচনাত প্রবৃত্ত হৈছে। কবিৰ মতে, কবিৰ নিচিনা মন্দবুদ্ধিৰ বাবে কাব্যৰচনাৰ দ্বাৰা অমৰ কবিসকলৰ অনুৰূপ যশ লাভৰ আকাংক্ষা হাস্যাস্পদ। কবিয়ে এটি উপমাৰ দ্বাৰা বিষয়টি স্পষ্ট কৰিছে। কবিয়ে নিজকে বাওনাৰ লগত তুলনা কৰিছে। গছৰ শীৰ্ষত থকা এটি ফল যিদৰে দীৰ্ঘকায় ব্যক্তিয়ে হস্ত প্রসাৰিত কৰিয়েই ঢুকি পাব পাৰে, বাওনা মানুহে তেনেদৰে কৰিবলৈ গ'লে হাস্যাস্পদ হয়। ব্যাস বাল্মীকিৰ দৰে চিৰস্থায়ীযশ কেৱল প্রতিভাধৰ কবিসকলেহে লাভ কৰিব পাৰে। কবিৰ নিচিনা মন্দবুদ্ধিৰ লোকে নহয়। কবিৰ মহাকাব্যৰচনাৰ প্রচেষ্টাও বাওনাৰ নিচিনাকৈ উপহাসৰ পাত্র হ'ব বুলি বর্ণনা কৰি কবিয়ে নিজৰ বিনয়কে প্রকাশ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ ১নং শ্লোকত থকা 'বাগর্থাবিব' শব্দটিৰ সমাস বিচাৰ কৰক।

.....

.....

প্রশ্ন নং ১২ ঃ ১০নং শ্লোকত উল্লেখ কৰা 'শ্রোতুম্' শব্দটিৰ বুৎপত্তি দেখুৱাওক।

.....

৩.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

ৰঘুবংশম্ মহাকাব্যৰ প্রথমসর্গৰ প্রথমশ্লোকৰ পৰা দশমশ্লোকলৈ (১-১০) কবিয়ে বিষয়বস্তুৰ বর্ণনা কিদৰে দিছে তাকেই সংক্ষিপ্তভাৱে এতিয়া আপোনাক জনোৱা হ'ব। কবি কালদাসে হৰগৌৰীৰ বন্দনাৰে মঙ্গলাচৰন কৰিছে (১নং শ্লোক)। সূর্য্যসম্ভূত মহান বংশটিৰ বর্ণনা কৰাটো তেওঁৰ নিচিনা অল্পবুদ্ধিৰ কবিৰ পক্ষে ভূৰেৰে সাগৰ পাৰ হোৱাৰ নিচিনা কাম হ'ব বুলি নিজৰ বিনম্রতা প্রকাশ কৰিছে (২নং শ্লোক)। মহান কবিসকলৰ লভ্য যশ কামনা কৰাটো হাস্যাস্পদ হ'ব বুলি কবিয়ে ভাব প্রকাশ কৰিছে (৩নং শ্লোক)। তথাপিও পূর্বসূৰীসকলৰ পথ অনুকৰণ কৰি কবিয়ে উদ্দেশ্যত সফল হ'ব বুলি এই কর্মত প্রবৃত্ত হৈছে (৪নং শ্লোক)। ৰঘুবংশীয়ৰজাসকল আজন্ম শুদ্ধ, ফলপ্রাপ্তিপর্য্যন্ত কার্যৰত। সমুদ্রপর্য্যন্ত পৃথিৰীৰ অধীশ্বৰ আছিল আৰু স্বর্গপর্য্যন্ত মুক্তভাৱে গমন কৰিছিল (৫নং শ্লোক)। তেওঁলোকে যথাবিধি যাগযজ্ঞ কৰিছিল। যাচকসকলক সৎকাৰ, অপৰাধীক যথাযোগ্য দণ্ড আৰু উপযুক্ত সময়ত জাগ্রত আছিল (৬নং শ্লোক)। সেই ৰজাসকলে ত্যাগৰ বাবে অর্থসংগ্রহ কৰিছিল। সত্যৰ বাবেই মিতভাষী, যশৰবাবে বিজয়ইচ্ছুক আৰু সন্তানৰ বাবেই পত্নীগ্রহণ কৰিছিল (৭নং শ্লোক) ৰঘুবংশীয় ৰজাসকলে শৈশৱত

বিদ্যাভ্যাস, যৌৱনত বিষয় অভিলাষ আৰু বার্দ্ধক্যত মুনিৰ নিচিনা জীৱন-যাপন কৰি শেষত যোগেৰে দেহত্যাগ কৰিছিল (৮নং শ্লোক)। ভাষা বৈদগ্ধ্য নথকা সত্বেও তেওঁলোকৰ গুণগৰিমাৰে প্ৰভাৱান্বিত হৈ এই লোকবন্দিত ৰঘুবংশৰ গুণকীৰ্ত্তন কৰিবলৈ ওলাইছে (৯নং শ্লোক) গুণদোষ বিচাৰ কৰিব পৰা জ্ঞানীজনেহে এই কাব্যপাঠৰ অধিকাৰী (১০নং শ্লোক)।



৩.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰি—

- 'ৰঘুবংশম্' মহাকাব্যৰ 'বশিষ্ঠাশ্রমাভিগমনঃ' শীৰ্ষক প্ৰথমসৰ্গৰ সাৰাংশ জানিব পাৰিলোঁ।
- মহাকাব্যখনিৰ প্ৰথমসৰ্গৰ 'বশিষ্ঠাশ্রমাভিগমন' শীৰ্ষক নামকৰণৰ তাৎপৰ্য্যও জানিব পাৰিলোঁ।
- ৰঘুবংশীয় ৰজাসকলৰ গুণসমূহৰ বিষয়েও অৱগত হ'লোঁ।
- প্ৰথম শ্লোকৰ পৰা দশম শ্লোকলৈ সংস্কৃত পাঠ, অনুবাদ আৰু শ্লোকসমূহত ব্যৱহৃত কঠিন শব্দসমূহৰ ব্যাকৰণগত টোকাও জানিব পাৰিলোঁ।
- ইয়াৰ উপৰিও শ্লোকসমূহত থকা কিছুমান বিশেষ শব্দৰো অর্থৰ জ্ঞান হ'লোঁ।
- কেইটামান গুৰুত্বপূৰ্ণ শ্লোকাংশৰ ভাবার্থও জানিব পাৰিলোঁ।



৩.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস*; দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

২) গোস্বামী, ড° মালিনী (২০০৯) ঃ *ৰঘুৰপিকাব্যম্*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) চাকী, জ্যোতিভূষণ আৰু বসু ঃ *ৰত্না, সংস্কৃত সাহিত্য সম্ভাৰ, খণ্ড-১০ (অনুবাদ)*।



৩.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম শ্লোকটোত শিৱ আৰু পার্বতীৰ বন্দনা কৰা হৈছে।

২নং প্রশ্নৰ উত্তৰ ঃ 'ৰঘুবংশ' সূর্য্যৰ পৰা উৎপত্তি হৈছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰঘূবংশত বর্ণিত প্রতমজন ৰজাৰ নাম দিলীপ।

৪নং প্রশ্নৰ উত্তৰ ঃ ৰজা দিলীপৰ পত্নীৰ নাম সুদক্ষিণা।

৫নং প্রশ্নৰ উত্তৰ ঃ ৰঘুবংশীয়ৰজাসকলৰ কুলগুৰু আছিল বশিষ্ঠ।

৬নং প্রশ্নৰ উত্তৰ ঃ জগতৰ পিতামাতা পার্বতী আৰু পৰমেশ্বৰ।

৭নং প্ৰশ্নৰ উত্তৰ ঃ 'উডুপঃ' শব্দটোৰ অৰ্থ ভূৰ।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ৰঘুবংশীয়ৰজাসকলৰ এটি গুণ হ'ল তেওঁলোক আজন্মশুদ্ধ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ সোণৰ বিশুদ্ধতা অগ্নিত পৰীক্ষা কৰা হয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ গৃহমেধ এবিধ যজ্ঞ।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ১নং শ্লোকত থকা 'বাগৰ্থাবিব' শব্দটিৰ সমাস— বাক্ চ অৰ্থশ্চ (দ্বন্দ্ব)
বাগৰ্থৌ ইব (নিত্য সমাস)

১২নং প্ৰশ্নৰ উত্তৰ ঃ ১০নং শ্লোকত থকা 'শ্ৰোতুম্' শব্দটোৰ বুৎপত্তি— √শ্ৰু + তুমুন্



৩.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰঘুবংশম্ মহাকাব্যৰ প্ৰথমসৰ্গৰ নামকৰণৰ তাৎপৰ্য্য চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ প্ৰথম শ্লোকটিৰ ভাবাৰ্থ চমুকৈ লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত দিয়াবিলাকৰ ব্যাকৰণগত টোকা লিখক।
পিতৰৌ, তিতীৰ্ষুঃ, বিজিগীষূণাম্, তনুবাগ্বিভবঃ, সদসদ্ব্যক্তিহেতবঃ, কৃতবাগ্দ্বাৰে, বাগৰ্থাবিব।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰঘুবংশীয় ৰজাসকলৰ গুণাৱলী বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ মহাকবি কালিদাসে 'ৰঘুবংশম্' মহাকাব্যৰ আৰম্ভণিতে নিজৰ বিনম্ৰতা কিদৰে প্ৰকাশ কৰিছে লিখক।

*** ***** ***

অধ্যায় ৪ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ১১-৩০)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ প্রথমসর্গৰ শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠ
৪.৩.১ শ্লোকসমূহৰ গদ্যপাঠ
৪.৩.২ শ্লোকসমূহৰ শব্দার্থ
৪.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ
৪.৪ ব্যাকৰণগত টোকা
৪.৫ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা
৪.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰঘুবংশম্ মহাকাব্যৰ প্রথমসর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- প্রথমসর্গৰ শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠৰ লগতে গদ্যপাঠ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত টোকাও পঢ়িবলৈ পাব
- ৰজা দিলীপৰ বিষয়েও অৱগত হ'ব।

৪.২ পৰিচয়

আপুনি ইতিমধ্যে 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ (১-১০)লৈকে শ্লোকসমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত কবি হিচাপে কালিদাসৰ বিনম্রতা আৰু ৰঘুবংশীয় ৰজাসকলৰ গুণাৱলীও পঢ়িবলৈ পালে। এই অধ্যায়ত আপুনি শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব। ইয়াৰ উপৰিও ৰজা হিচাপে দিলীপৰ বিষয়েও জানিব পাৰিব।

৪.৩ প্রথমসর্গৰ শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল।

বৈৱস্বতো মনুর্ণাম মাননীয়ো মনীষিণাম্।
আসীন্মহীক্ষিতামাদ্যঃ প্রণবশ্ছন্দসামিব।। ১১।।
তদন্বয়ে শুদ্ধিমতি প্রসূতঃ শুদ্ধিমত্তৰঃ।
দিলীপ ইতি ৰাজেন্দুৰিন্দু; ক্ষীৰনিধাবিব ।। ১২।।
ব্যূঢ়োৰস্কো বৃষন্ধন্ধঃ শালপ্রাংশুর্মহাভুজঃ।
আত্মকর্মক্ষমং দেহং ক্ষাত্রো ধর্ম ইবাশ্রিতঃ ।। ১৩।।
সর্বাতিৰিক্তসাৰেণ সর্বতেজোভিভাবিনা।
স্থিতঃ সর্বোন্নতেনোর্বী ক্রান্ত্বা মেৰুৰিবাত্মনা ।। ১৪।।
আকাৰসদৃশপ্রাজ্ঞঃ প্রজ্ঞয়া সদৃশাগমঃ।
আগমৈঃ সদৃশাৰম্ভ আৰম্ভসদৃশোদয়ঃ ।। ১৫।।
ভীমকান্তৈর্নৃপগুনৈঃ স বভূবোপজীবিনাম্।
অধৃষ্যশ্চাভিগমৎশ্চ যাদোৰত্নৈৰিবার্ণবঃ ।। ১৬।।
ৰেখামাত্রমপি ক্ষুণ্ণাদা মনোর্বর্ত্মনঃ পৰম্।
ন ব্যতীয়ুঃ প্রজাস্তস্য নিয়ন্তুর্নেমিবৃত্তয়ঃ ।। ১৭।।
প্রজানামেব ভূত্যর্থং স তাভ্যো বলিমগ্রহীৎ।
সহস্রগুনমুৎস্রষ্টুমাদত্তে হি ৰসং ৰবিঃ ।। ১৮।।
সেনা পৰিচ্ছদস্তস্য দ্বয়মেবার্থসাধনম্।
শাস্ত্রেষ্বকুণ্ঠিতা বুদ্ধিমৌর্বী ধনুষিঃ চাততা ।। ১৯।।
তস্য সংবৃতমন্ত্রস্য গূঢ়াকাৰেঙ্গিতস্য চ।
ফলানুমেয়াঃ প্রাৰম্ভাঃ সংস্কাৰাঃ প্রাক্তনা ইব ।। ২০।।
জুগোপাত্মানমত্রস্তো ভেজে ধর্মমনাতুৰঃ
অগৃধ্নুৰাদদে সোৎর্থমসক্তঃ সুখমন্বভূৎ।। ২১।।
জ্ঞানে মৌনং ক্ষমা শক্তৌ ত্যাগে শ্লাঘাবিপর্য্যয়ঃ।
গুনা গুণানুবন্ধিত্বাত্তস্য সপ্রসবা ইব ।। ২২।।
অনাকৃষ্টস্য বিষয়ৈর্বিদ্যানাং পাৰদৃশ্বনঃ।
তস্য ধর্মৰতেৰাসীদ্ বৃদ্ধত্বং জৰসা বিনা।। ২৩।।
প্রজানাং বিনয়াধানাদ্ ৰক্ষনাদ্ ভৰনাদপি।
স পিতা পিতৰস্তাসাং কেবলং জন্মহেতবঃ।। ২৪।।
স্থিত্যৈ দণ্ডয়তো দণ্ডান্ পৰিণেতুঃ প্রসূতয়ে।
অপর্থকামৌ তস্যাস্তাং ধর্ম এব মনীষিণঃ।। ২৫।।

দুদোহ গাং স যজ্ঞায় শস্যায় মঘবা দিবম্।
সম্পদবিনিময়েনোভৌ দধতুর্ভুবনদ্বয়ম্ ।। ২৬।।
ন কিলানুযযুস্তস্য ৰাজানো ৰক্ষিতুর্যশঃ।
ব্যাবৃত্তা যৎ পৰস্বেভ্যঃ শ্রুতৌ তস্কৰতা স্থিতা ।। ২৭।।
দ্বেষ্যোঽপি সম্মতঃ শিষ্টস্তস্যার্তস্য যথৌষধম্।
ত্যাজ্যো দুষ্টঃ প্রিয়োঽপ্যাসীদঙ্গুলীবোৰগক্ষতা ।। ২৮।।
তং বেধা বিদধে নূনং মহাভূতসমাধিনা।
তথাহি সর্বে তস্যাসন্ পৰার্থৈকফলা গুনাঃ ।। ২৯।।
স বেলাবপ্রবলয়াং পৰিখীকৃতসাগৰাম্।
অন্যশাসনামুর্বীং শশাসৈকপুৰীমিব ।। ৩০।।

৪.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথম সৰ্গৰ শ্লোক (১১-৩০)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব।

১১) ছন্দসাম্ প্রণবঃ ইব মনীষিণাম্ মাননীয়ঃ
বৈবস্বতঃ নাম মনুঃ মহীক্ষিতাম্ আদ্যঃ আসীৎ।

১২) ক্ষীৰনিধৌ ইন্দুঃ ইব, শুদ্ধিমতি তদন্বয়ে শুদ্ধিমত্তৰঃ
দিলীপঃ ইতি ৰাজেন্দুঃ প্রসূতঃ।

১৩) ব্যূঢ়োৰস্ক বৃষস্কন্ধঃ শালপ্রাংশুর্মহাভূজঃ আত্মকর্মক্ষমং
দেহং ক্ষাত্রো ধর্ম ইবাশ্রিতঃ।

শালপ্রাংশুর্মহাভূজঃ = শালভ্রাংশুঃ + মহাভূজঃ

১৪) সর্বাতিৰিক্তসাৰেণ সর্বতেজোঽভিভাবিনা সর্বোন্নতেন
আত্মনা মেৰুঃ ইব উর্বীং ক্রান্ত্বো স্থিতঃ।

সর্বতেজোঽভিভাবিনা = সর্বতেজঃ + অভিভাবিনা

১৫) (সঃ) আকাৰসদৃশপ্রজ্ঞঃ, প্রজ্ঞয়া সদৃশাগমঃ, আগমৈঃ
সদৃশাৰম্ভঃ, আৰম্ভ সদৃশোদয়ঃ (আসীৎ)

১৬) সঃ ভীমকান্তৈঃ নৃপগুনৈঃ যাদোৰত্নৈঃ অর্ণব ইব
উপজীবিনাম্ অধৃষ্যশ্চাভিগম্যশ্চ বভূব।

অধৃষ্যশ্চাভিগম্যশ্চ = অধৃষ্যঃ + চ + অভিগম্যঃ + চ

১৭) নিয়ন্তুঃ তস্য নেমিবৃত্তয়ঃ প্রজাঃ আ মনোঃ
ক্ষুণ্ণাৎ বর্ত্মনঃ পৰং ৰেখামাত্রমপি ন ব্যতীয়ুঃ।

ক্ষুণ্ণাদামনোধর্ত্মনঃ = ক্ষুণ্ণাদ্ + আ মনোঃ + বর্ত্মনঃ।

১৮) সঃ প্রজানাং ভূত্যর্থম্ এব তাভ্যঃ বলিমগ্রহীৎ। ৰবিঃ হি
সহস্রগুণমুৎস্রষ্টুম্ ৰসম্ আদত্তে।

বলিমগ্রহীৎ = বলিম্ + অগ্রহীৎ
সহস্রগুণমুৎস্রষ্টুমাদত্তে = সহস্রগুণম্ + উৎস্রষ্টুম্ + আদত্তে।

১৯) সেনা তস্য পৰিচ্ছদঃ (আসীৎ) শাস্ত্রেষ্বকুণ্ঠিতা বুদ্ধিঃ
ধনুষি চাততা মৌর্বী দ্বয়মেবার্থসাধনম্ (বভূব)

শাস্ত্রেষ্বকুণ্ঠিতা = শাস্ত্রেষু + অকুণ্ঠিতা
চাততা = চ + আততা
দ্বয়মেবার্থসাধনম্ = দ্বয়ম্ + এব + অর্থ-সাধনম্।

২০) সংবৃতমন্ত্রস্য গূঢ়াকাৰেঙ্গিতস্য চ তস্য প্রাৰম্ভাঃ প্রাক্তনাঃ
সংস্কাৰা ইব ফলানুমেয়াঃ (আসন্)

২১) সঃ অত্রস্ত (সন্) আত্মানং জুগোপ, অনাতুৰঃ (সন্)
ধর্মংভেজে, অগৃধ্নুঃ (সন্) অর্থম্ আদদে, অসক্তঃ (সন্) দুখম্ অন্বভূৎ।

২২) জ্ঞানে মৌনম্, শক্তৌ ক্ষমা, ত্যাগে শ্লাঘাবিপর্যয়ঃ
আসীৎ, তস্য গুণাঃ গুণানুবন্ধিত্বাৎ সপ্রসবাঃ (বভূবুঃ)

২৩) বিষয়ৈঃ অনাকৃষ্টস্য বিদ্যানাং পাৰদৃশ্বনঃ ধর্মৰতেঃ
তস্য জৰসা বিনা বৃদ্ধত্বম্ আসীৎ।

২৪) বিনয়াধানাৎ ৰক্ষণাৎ ভৰণা সঃ প্রজানাং
পিতা (আসীৎ), কেবলং জন্মহেতবঃ (আসন্)।

ভৰনাদপি = ভৰনাৎ + অপি
পিতৰস্তাসাম্ = পিতৰঃ + তামাম্

২৫) স্থিত্যৈ দণ্ড্যান্ দণ্ডয়তঃ প্রসূতয়ে পৰিণেতুঃ তস্য
মনীষিণঃ অপ্যর্থকামৌ ধর্ম এব আস্তাম্।

অপ্যর্থকামৌ = অপি + অর্থকামৌ

২৬) স যজ্ঞায় গাং, মঘবা শস্যায় দিবম্ দুদোহ।
সম্পদ্‌বিনিময়েনোভৌ দধতুর্ভুবনদ্বয়ম্।

সম্পদ্‌বিনিময়েনোভৌ = সম্পদ্‌বিনিময়েন + উভৌ
দধতুর্ভুবনদ্বয়ম্ = দধতুঃ + ভুবনদ্বয়ম্।

২৭) ৰাজানঃ ৰক্ষিতুঃ তস্য যশঃ ন অনুযয়ুঃ কিল
যৎ তস্কৰতা পৰস্বেভ্যঃ ব্যাবৃত্তা (সতী) শ্রুতৌ স্থিতা।

২৮) শিষ্টঃ দ্বেষ্যঃ অপি আর্তস্য ঔষধং যথা তস্য
সম্মতঃ (আসীৎ), দুষ্টঃ প্রিয়ঃ অপি উৰগক্ষতা অঙ্গুলী ইব ত্যাজ্যঃ আসীৎ।

২৯) বেধাঃ মহাভূতসমাধিনা তং বিদধে নূনম্, তথাহি
তস্য সর্বে গুণাঃ পৰার্থৈকফলাঃ আসন্।

৩০) সঃ বেলাবপ্রবলয়াং পৰিখীকৃতসাগৰাম্ অনন্যশাসনমুর্বীং শশাসৈক পুৰীমিব।

অনন্যশাসনমুর্বীম্ = অনন্যশাসনম্ + উর্বীম্
শশাসৈকপুৰীমিব = শশাস + একপুৰীমিব।

৪.৩.২ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (১১-৩০)সমূহৰ শব্দৰ অর্থ পঢ়িবলৈ পাব।

১১নং শ্লোক ঃ

ছন্দসাং = বেদানাং (বেদসমূহৰ ভিতৰত [আদিভূত])
প্রণবঃ ইব = ওঙ্কাৰঃ (প্রণবৰ নিচিনা), মনীষিনাং = বিদুষাং (মনীষিসকলৰ) মাননীয়ঃ = পূজ্যঃ (মাননীয়) মহীক্ষিতাং = ক্ষিতশ্বনাং (ৰজাসকলৰ ভিতৰত) আদ্য = প্রথমঃ, আদিভূতঃ (আদিভূত বা অগ্রণী) বৈৱস্বত নাম মনুঃ = বৈৱস্বতনামা প্রথমমনুঃ (বৈৱস্বতনামৰ প্রথম মনু) আসীত্ = বভূৱ (আছিল)।

১২নং শ্লোক ঃ

ক্ষীৰনিধৌ = ক্ষীৰসমুদ্রে (ক্ষীৰসাগৰত) ইন্দুঃ ইব = চন্দ্রঃ যথা (চন্দ্রৰ নিচিনা), শুদ্ধিমতি = দোষৰহিতে (বিশুদ্ধ) তদন্বয়ে = তস্য মনোৰন্বয়ে বংশে বা (সেই মনুৰ বংশত) শুদ্ধিমত্তৰঃ = অতিশয়েন শুদ্ধিমান্ (বিশুদ্ধতৰ) দিলীপ ইতি = দিলীপ-নাম্না প্রসিদ্ধঃ (দিলীপ নামেৰে) ৰাজেন্দুঃ = ৰাজশ্রেষ্ঠ (ৰাজচন্দ্র) প্রসূতঃ = জাতঃ (জন্ম হৈছিল)।

১৩নং শ্লোক ঃ

ব্যূঢ়োৰস্কঃ = বিশালবক্ষঃ স্থলসম্পন্নঃ (বিশালবক্ষসুলসম্পন্ন)
বৃষস্কন্ধঃ = বলীবর্দস্য স্কন্ধঃ ইব (বৃষৰ নিচিনা কান্ধযুক্ত)
সালভ্রাংশুঃ = শালবৃক্ষ ইব প্রাংশুঃ অর্থাৎ উন্নতঃ (শালগছৰ নিচিনা ওখ), মহাভূজং = আজানুলম্বিতবাহুযুক্তঃ (দীর্ঘবাহুযুক্ত) আত্মকর্মক্ষমং = স্বব্যাপাৰানুৰূপং (স্বকার্য্যসাধনৰ উপযোগী) দেহম্ = শৰীৰম্ (শৰীৰ) আশ্রিতঃ = প্রাপ্তং (পৰিগ্রহ কৰি) (সঃ = তেওঁ) ক্ষাত্রঃ = ক্ষত্রসম্বন্ধী (ক্ষত্রিয় ধর্মৰ) ধর্মঃ = স্বভাবঃ, পৰাক্রম ইত্যর্থঃ (ধর্ম) ইব = যথা স্থিতঃ (নিচিনা)।

১৪নং শ্লোক

সর্বাতিৰিক্তসাৰেণ = সমস্ততেভ্যঃ অতিৰিক্ত অধিকঃ সাৰেণ বলযুক্তেন (সকলোতকৈ অধিক বলৰান) সর্বতেজোহভিভাবিনা - সর্বাণ্ অখিলান জনান্ তেজসা স্বপ্রতাপেন অভিভৱতি তিৰস্কৰোতি, সর্বতেজোহভিভাবি, তেন (সকলো শক্তিক স্বপ্রভাৱেৰে পৰাভূত কৰি)।

সর্বোন্নতেন = সর্বেভ্যঃ উন্নতেন (সকলোতকৈ উচ্চ) আত্মনা = শৰীৰেণ (শৰীৰেৰে), তেজসা কনকময়ত্বাত কান্ত্যা তিৰস্কৰিনা (নিজৰ কান্তিৰদ্বাৰা সকলোকে পৰাভূত কৰা) মেৰুঃ ইব = সুমেৰুপর্বতঃ যথা (সুমেৰু পর্বতৰ নিচিনা) উর্বীং = পৃথিবীং (পৃথিৱীক) ক্রান্ত্বা = ব্যাপ্য (প্রভাৱ বিস্তাৰ কৰি) স্থিতঃ = বিৰাজিতঃ (বিৰাজমান আছিল)।
(ব ক্রান্ত্বা = আক্রম্য)

১৫নং শ্লোক ঃ

(সঃ তেওঁ) আকাৰসদৃশপ্রজ্ঞঃ = শৰীৰাকাৰেণাতুল্যা প্রজ্ঞা বুদ্ধির্বা (আকৃতিৰ অনুপাতে জ্ঞান) প্রজ্ঞয়া = বুদ্ধ্যা (জ্ঞান) সদৃশাগমঃ = (অনুৰূপঃ শাস্ত্রজ্ঞানঃ (অনুপাতে শাস্ত্রজ্ঞান) আগমৈঃ সদৃশাৰম্ভঃ = শাস্ত্রজ্ঞানানুৰূপেন কর্মানুষ্ঠানঃ (শাস্ত্রজ্ঞানানুযায়ী কার্য্যানুষ্ঠান)। আৰম্ভসদৃশোদয়ঃ = কর্মানুষ্ঠানেনসদৃশঃ উদয়ঃ অর্থাৎ ফলপ্রাপ্তিঃ (কর্ম অনুসৰি তেওঁৰ ফল লাভ হৈছিল) আসীৎ।

১৬নং শ্লোক ঃ

ভীমকান্তৈঃ = ভয়ঙ্কৰৈঃ মনোহৰৈঃ চ (ভয়ঙ্কৰ আৰু মৃদু) নৃপগুণৈঃ = তেজপ্রতাপদয়া-দাক্ষিণ্যাদিৰাজগুণৈঃ (শক্তিপ্রতাপদয়া দাক্ষিণ্য আদি ৰজাৰ গুণৰ দ্বাৰা) যাদোৰত্নৈঃ = যাদোভির্জলজীবৈঃ ৰত্নৈশ্চ (জলজন্তু আৰু ৰত্নাদিৰ দ্বাৰা) অর্ণব = সমুদ্রঃ (সাগৰৰ) ইব = যথা (দৰে) সঃ = দিলীপ (তেওঁ) উপজীবিনাম্ = আশ্রিতজনানাং (আশ্রিতসকলৰ) অধৃষ্যঃ = অনভিভবনীয়ঃ (দুষ্প্রবেশ্য) অভিগম্যঃ = আশ্রয়ণীয়ঃ চ (আৰু আশ্রয়ণীয়) বভূব = জাতঃ (হৈছিল)।

১৭নং শ্লোক ঃ

নিয়ন্তুঃ = নিয়ামাকস্য শিক্ষকস্য, সাৰথেঃ বা (সাৰথিৰ)
তস্য = দিলীপস্য (তেওঁৰ) নেমিবৃত্তয়ঃ = চক্রধাৰাণাং বৃত্তয়ঃ বর্তনং ব্যাপাৰো বা (চক্রধাৰা) প্রজাঃ = লোকাঃ (প্রজাগণে) আ মনোঃ = মনুমাৰভ্য (মনুৰপৰাই) ক্ষুণ্ণাৎ = অভ্যস্তাৎ, প্রহতাৎ (প্রচলিত) বর্ত্মনঃ = আচাৰপদ্ধতেঃ, মার্গাচ্চ (আচাৰপদ্ধতি, পথ) পৰং = অধিকং (অধিক) ৰেখামাত্রমপি = ৰেখাপ্রমানম্ ঈষদপি (ৰেখামাত্রও, বিন্দুমাত্রও) ন ব্যতীয়ুঃ = ন অতিক্রান্তবত্যঃ (অতিক্রম বা উলঙ্ঘন কৰা নাছিল)।

১৮নং শ্লোক ঃ

সঃ = ৰাজা দিলীপঃ (ৰজা দিলীপ) প্রজানাং = লোকানাং (প্রজাগনৰ) ভূত্যর্থং = কল্যাণার্থং (কল্যাণৰ বাবে) তাভ্যঃ = প্রজাভ্যঃ (তেওঁলোকৰ পৰা) বলিম্ = ষষ্ঠাংশৰূপং কৰম্ (কৰ) অগ্রহীত্ = জগ্রাহ (গ্রহণ কৰিছিল)। ৰবিঃ = সূর্য্যঃ (সূর্য্যং) হি = যতঃ, সহস্রগুণম্ = সহস্রধা (সহস্রগুনে) উৎস্রষ্টুম্ = দাতুং (দিবলৈ) ৰসম্ = জলম্ (পানী) আদত্তে = গৃহ্নাতি (গ্রহণ কৰে)।

১৯নং শ্লোক ঃ

তস্য = ৰাক্তঃ দিলীপস্য (ৰজা দিলীপৰ) সেনা = চতুৰঙ্গসৈন্য বলং (চতুৰঙ্গ সৈন্য) পৰিচ্ছদঃ ছত্রচামৰাদিতুল্যং উপকৰণম্ (শোভাকাৰক উপকৰণ) আসীৎ = (আছিল),

শাস্ত্রেষু = আগমেষু (শাস্ত্রসমূহত) অকুণ্ঠিতা = অব্যাহতা (অপ্রতিহত) বুদ্ধিঃ = মতিঃ (বুদ্ধি) ধনুষি চ = চাপেচ (আৰু ধনুত) আততা = আৰোপিতা (আৰোপিত) মৌর্বী = জ্যা (জ্যা) দ্বয়ম্ এব = উভয়মেৰ (দুয়োটায়ে) অর্থসাধনম্ = প্রয়োজনস্য নির্বর্তকম্ (প্রয়োজন সিদ্ধকাৰক) (বভূব = হৈছিল)।

২০নং শ্লোক ঃ

সংবৃতমন্ত্রস্য = গুপ্তবিচাৰস্য (মন্ত্রণাৰ গোপনীয়তা ৰক্ষা কৰা) গূঢ়াকাৰেঙ্গিতস্য চ = আকাৰেণ ইঙ্গিতেন বা গূঢ়স্য অপ্রকাশিতস্য বা (আকাৰ বা ইঙ্গিতেৰে অপ্রকাশিত) তস্য = দিলীপস্য (তেওঁৰ) প্রাৰম্ভাঃ = সামাদ্যুপায়প্রয়োগাঃ (সাম আদি চতুর্বিধ উপায়ৰ প্রয়োগ) প্রাক্তনাঃ = পূর্বজন্মভবাঃ (পূর্বজন্মৰ) সংস্কাৰাঃ = পূর্বকর্মবাসনাঃ (সংস্কাৰৰ) ইব = মথা (দৰে) ফলানুমেয়াঃ = কার্য্যেণঅনুমেয়াঃ (কার্য্যফলৰদ্বাৰা অনুমেয়) (আসন্) (আছিল)।

২১নং শ্লোক ঃ

সঃ দিলীপঃ (তেওঁ) অত্রস্তঃ (সন্) = অভীতঃ (নির্ভয় হৈয়ো) আত্মানং = বীৰং (নিজকে) জুগোপ = ৰৰক্ষ (ৰক্ষা কৰিছিল) অনাতুৰঃ = অৰুগ্নঃ (ৰোগাক্রান্ত নহৈও) সন্ ধর্মং = সুকৃতং (ধর্মক) ভেজে = অর্জিতবান্ (ধর্মার্জন কৰিছিল)। অগৃধ্নুঃ = অলুব্ধঃ (লোভহীন) সন্ (হৈয়ো) অর্থম্ = ধনম্ (ধন) আদদে = স্বীকৃতবান্ (গ্রহণ কৰিছিল)। অসক্তঃ = আসক্তিৰহিতঃ (অনাসক্ত) (সন্) মুখম্ = আনন্দং (সুখ) অন্বভূত্ = অনুভূতবান্ (অনুভৰ কৰিছিল)।

২২নং শ্লোক ঃ

জ্ঞানে = পৰবৃত্তান্তজ্ঞানেঽপি (জ্ঞান থকা সত্ত্বেও) মৌনম্ = বাঙনিয়মনং (মৌন) শক্তৌ = প্রতীকাৰ সামর্থ্যেঽপি = (শক্তি থকা সত্বেও) ত্যাগে = দানে, সত্যপি (দান থকা সত্বেও) শ্লাঘাবিপর্য্যয়ঃ = বিকত্থনস্য বিপর্য্যয় (আত্মপ্রশংসাৰ অভাৰ) তস্য = ৰাজ্ঞঃ দিলীপস্য (ৰজাৰ দিলীপৰ) গুণাঃ = জ্ঞানাদয়াঃ (জ্ঞান আদি গুণসমূহ) গুণানুবন্ধিত্বাৎ = বিৰুদ্ধৈঃ গুণৈঃ সহচাৰিত্বাত (বিৰুদ্ধগুণৰ সাহচর্য্যবশত)) সপ্রসবাঃ = সহোদৰাঃ (সহোদৰৰ) ইব = যথা (দৰে) অভূবন্।

২৩নং শ্লোক ঃ

বিষয়ৈঃ = শব্দাদিভিঃ (সাংসাৰিক বিষয়সমূহত)

অনাকৃষ্টস্য = অবশীকৃতস্য (অবশীভূত) বিদ্যানাং = বেদবেদাঙ্গ-দীনাং (সমস্ত বিদ্যাৰ) পাৰদৃশ্বনঃ = পাৰদর্শিনঃ (পাৰদর্শী) ধর্মৰতেঃ = ধর্মানুৰক্তঃ (ধর্মৰ প্রতি তসুৰক্ত) তস্য = ৰাজ্ঞ দিলীপস্য (তেওঁৰ) জৰসা = জৰয়া, বৃদ্ধাৰস্থয়া (বৃদ্ধাৰস্থা) বিনা = অন্তৰেণ (অবিহনে) বৃদ্ধত্বং = বার্দ্ধক্যম্ (বার্দ্ধক্য) আসীত্ = হৈছিল।

২৪নং শ্লোক ঃ

বিনয়াধানাত্ = সন্মার্গে প্রবর্তনাত্ (শিক্ষাদানৰ বাবে) ৰক্ষণাত্ = চৌৰাদিভয়ুহেতুভ্যস্ত্রানাত্, আপন্নিবাৰণাত্ (ৰক্ষণাৱেক্ষণ) ভৰণাদপি = অন্নপানাদিদানেন পোষণাদপি (ভৰণ-

পোষণ আদিৰ বাবে) সঃ = দিলীপঃ (তেওঁ) প্রজানাং = জনানাং (প্রজাগনৰ) পিতা = পিতৃস্বৰূপঃ, পালকঃ (পিতৃ) (অভূত্ = হৈছিল), তাসাং = প্রজানাং (তেওঁলোকৰ) পিতৰঃ = জনকাঃ (পিতৃসকল) কেবলং = (কেৱল) জন্মমাত্রকর্তাৰঃ (আসন্ = আছিল)।

২৫নং শ্লোক ঃ

স্থিত্যৈ = লোকপ্রতিষ্ঠায়ৈ (লোক প্রতিষ্ঠাৰ বাবে) দণ্ড্যান্ = দণ্ডযোগ্যান্ অপৰধিন্ (অপৰাধীসকলক) দণ্ডয়তঃ = শিক্ষয়তঃ (দণ্ড প্রদান কৰি) প্রসূতয়ে = সন্তানায় (সন্তান লাভৰ বাবে) পৰিণেতুঃ = দাৰান্ পৰিগৃহ্নতঃ (পত্নীগ্রহণ কৰি) তস্য = দিলীপস্য (তেওঁৰ) মনীষিণঃ = বিদুষঃ (মনীষীৰ) অর্থকামৌ = ধনং বিষয়েচ্ছা চেতি (অর্থ কাম আদি পুৰুষার্থও) অপি ধর্ম = সুকৃতমেব (ধর্মস্বৰূপ) আস্তাম্ = জাতৌ (হৈছিল)।

২৬নং শ্লোক ঃ

সঃ = ৰাজা দিলীপঃ (তেওঁ) যজ্ঞায় = যজ্ঞং কর্তুং (যজ্ঞ সম্পাদনৰ বাবে) গাং = পৃথিবীং (পৃথিৱীক) মঘবা = ইন্দ্রঃ (ইন্দ্রই) শস্যায় = ধান্যায়, শস্যংবর্দ্ধয়িতুং (শস্যবৃদ্ধিৰ বাবে) দিবম = স্বর্গং (স্বর্গক) দুদোহ=অদুহত্, ৰাজা দিলীপঃ কৰগ্রহণেন পৃথিবীং ৰিক্তং চকাৰ। ইন্দ্রঃ দ্যুলোকাৎমহীলোকে বৃষ্টিমুৎপাদয়ামাস ইত্যর্থঃ। উভৌ = ইন্দ্রদিলীপৌ (উভয়ে) সম্পদ্‌বিনিময়েন = সস্যবৃষ্টিৰূপস্য সম্পদঃ পৰস্পৰাদানপ্রদানেন, (সম্পদবিনিময় কৰি) ভূবনদ্বয়ম্ = স্বর্গভূলোকয়োঃ (স্বর্গ আৰু মর্ত্য উভয়ৰে) দধতুঃ = পুপুষতুঃ (পোষণ কৰিছিল)।

২৭নং শ্লোক ঃ

ৰাজানঃ = অন্যে ভূপালাঃ (অন্য ৰজাসকলে) ৰক্ষিতুঃ = পালয়িতুঃ (পৰিত্রাতা) তস্য = ৰাজা দিলীপস্য (তেওঁৰ) যশঃ = কীর্তিং ন অনুযয়ুঃ = ন অনুচক্রুঃ (অনুকৰণ কৰিব নোৱাৰিলে) কিল = খলু, যত্ = যস্মাত্ কাৰণাত্ (কিয়নো) তস্করতা = চৌর্য্যং (চৌর্য্যবৃত্তিয়ে) পৰস্বেভ্যঃ = পৰধনেভ্যঃ (পৰৰ ধনৰ পৰা) ব্যাবৃত্তা = নিবৃত্তা (আঁতৰি) (সতী) শ্রুতৌ = কর্ণে, বাচকশব্দে (শব্দত) স্থিতা = অস্থাত্ (স্থিতি লৈছিল)।

২৮নং শ্লোক ঃ

শিষ্টঃ = সজ্জনঃ (সৎলোক) দ্বেষ্যঃ অপি = শত্রুৰ পি (শত্রু হ'লেও) আর্তস্য = পীড়িতস্য ৰোগিনঃ ইত্যর্থঃ (ৰোগীৰ) ঔষধং = ভেষজং (ঔষধ) ইব = যথা (যিদৰে) তস্য = দিলীপস্য (তেওঁৰ) সম্মতঃ = অনুমতঃ, প্রিয়ঃ বা (প্রিয়) (আসীৎ = আছিল) দুষ্টঃ = দুর্জনঃ (দুষ্ট) প্রিয়ঃ অপি = প্রেমাস্পদীভূতোঽপি মিত্রমিতি বা (প্রিয়হ'লেও) উৰগক্ষতা = সর্পদষ্টা (সাপে খোঁটা) অঙ্গলী = কৰশাখা (আঙুলিৰ) ইব = যথা (দৰে) ত্যাজ্যঃ = ত্যক্তুং যোগ্যঃ (পৰিত্যাগযোগ্য) আসীত্ = আছিল।

২৯নং শ্লোক ঃ

বেধাঃ = স্রষ্টা (বিধাতাই) মহাভূতসমাধিনা = পঞ্চমহাভূতানাং উপাদানেন (পঞ্চমহাভূত নির্মাণৰ উপকৰণেৰে) তং = দিলীপং (দিলীপক) বিদধে = ससর্জ, বিৰচিতবান্ (সৃষ্টি কৰিছিল। নূনম্ = ধ্রুবম্ (নিশ্চয়) তথাহি = যতঃ (যিহেতু) তস্য = দিলীপস্য (তেওঁৰ)

সর্বে = সম্পূর্ণাঃ (সকলো) গুণাঃ = দয়াদাক্ষিণ্যাদিগুণাঃ ৰূপৰসাদিমহাভূতগুণবদ্ (গুণবিলাক), পৰস্য = অন্যস্য (অন্যৰ) অর্থঃ = প্রয়োজনম্ (প্রয়োজন) একং = মুখ্যং (মুখ্য) ফলং = পৰিণামঃ (পৰিণাম) যেষাং তে পৰপ্রয়োজনে এব নিযোজিতাঃ (পৰৰ উপকাৰৰ বাবেই উৎসর্গিত) আসন্ = অভবন্ (হৈছিল)।

৩০নং শ্লোক ঃ

সঃ = দিলীপঃ (তেওঁ) বেলাবপ্রবলয়াং = সমুদ্রকুলমেব প্রাকাৰবেষ্টনং (সমুদ্রতীৰেই যাৰ প্রাচীৰ) পৰিখীকৃতসাগৰাম্ = দুর্গবেষ্টনীকৃতাং সাগৰম্ (সাগৰেই যাৰ পৰিখা) অনন্যশাসনাম্ = অন্যস্য শাসনৰহিতং (অন্যকোনোৰজাৰ শাসনৰহিত) উর্বীং = পৃথিবীং (পৃথিৱীক) একপুৰীমিব = একনগৰীমিব (এখন নগৰীৰ দৰে) শশাস = শাসিতাবান্ (শাসন কৰিছিল)।



জানি থোৱা ভাল

ওপৰত উল্লেখ কৰা শ্লোকসমূহৰ কিছুমান বিশেষ সংস্কৃত শব্দৰ অর্থৰ বাবে শ্লোকসংখ্যা অনুযায়ী চমুটোকা দিয়া হ'ল—

১১নং শ্লোক ঃ

বৈৱস্বত = সূর্য্যপুত্র

মনু = এটা কল্পত চৈধ্যজন মনু থাকে। বৈৱস্বত হ'ল সপ্তম মনু।

প্রণবঃ = ওঙ্কাৰ। 'অ', 'উ' আৰু 'ম' এই তিনিবর্ণৰ সমাহাৰক ওঙ্কাৰ বা প্রণৱ বোলে। বেদ অধ্যয়নৰ আদিত বা অন্তত এই ওঙ্কাৰৰ উচ্চাৰণ কৰা হয়।

ছন্দ = বেদ

১৪নং শ্লোক ঃ

মেৰু = পৌৰাণিক ভূগোল অনুসৰি সপ্তদ্বীপা পৃথিৱীৰ মধ্যস্থলত অৱস্থিত এখন পর্বত। এই মেৰুপর্বতৰ চাৰিওদিশে চন্দ্রসূর্য্যনক্ষত্রাদি আৱর্তন কৰে। ই দেৱতাসকলৰ বাসস্থান।

১৮নং শ্লোক ঃ

বলি = ষষ্ঠাংশৰূপকৰ। ৰজাই পৃথিৱী ৰক্ষা কৰে বাবে পৃথিৱীৰ উৎপন্ন দ্রব্যৰ ষষ্ঠাংশ তেওঁৰ প্রাপ্য। ভূমিৰ উর্বৰতা অনুযায়ী অষ্টম বা দ্বাদশ ভাগো পাব পাৰে। আনকি ৰজাই প্রজাৰ ধর্মৰ ষষ্ঠভগো পায়। সেইকাৰণে ৰজাৰ অন্য নাম 'ষষ্ঠাংশবৃত্তিঃ।'

২০নং শ্লোক ঃ

আকাৰ-ইঙ্গিত = অভিপ্রায়ৰ অনুৰূপ প্রচেষ্টাক ইঙ্গিত বোলে আৰু বাহ্য আকৃতিক আকাৰ বোলে।

প্রাৰম্ভ = সাম, দান দণ্ড, ভেদ —এই চতুর্বিধ উপায়ৰ প্রয়োগক প্রাৰম্ভ বোলে।

২৩নং শ্লোক ঃ

বৃদ্ধত্ব = বৃদ্ধত্ব চাৰিপ্রকাৰৰ— বৈৰাগ্য,জ্ঞান, শীল আৰু বয়ঃ। ৰজা দিলীপত প্রথম তিনিওপ্রকাৰ বৃদ্ধত্বই বিৰাজমান আছিল।

বিদ্যা = বিদ্যা চতুর্দশ প্রকাৰ — 'অঙ্গানি বেদাশ্চত্বাৰো মীমাংসান্যায়বিস্তৰ। ধর্মশাস্ত্রং পুৰাণঞ্চ বিদ্যা হ্যেতাশ্চতুর্দশঃ (মনুস্মৃতি)।

২৯নং শ্লোক ঃ

মহাভূত = ক্ষিতি, অপ্ তেজ, মৰুৎ, ব্যোম্ এই পঞ্চমহাভূত জগত নির্মাণৰ উপাদান।

গুণ = পঞ্চমহাভূতৰ পাঁচটা গুণ ক্রমে গন্ধ, ৰস, ৰূপ, স্পর্শ, শব্দ আদি।

৪.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (১১-৩০)সমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

১১) বেদসমূহৰ ভিতৰত (আদিভূত) প্রণৱৰ নিচিনা মনীষিসকলৰ মাননীয় বৈবস্বত নামৰ মনু ৰজাসকলৰ ভিতৰত অগ্রণী আছিল।

১২) ক্ষীৰসমুদ্রত যিদৰে চন্দ্রৰ জন্ম হৈছিল, সেইদৰে তেওঁৰ (মনুৰ) পৱিত্র বংশত দিলীপ নামেৰে পৱিত্রতম ৰাজচন্দ্রৰ জন্ম হৈছিল।

১৩) তেওঁৰ বিশাল বক্ষস্থল। বৃষৰ দৰে স্কন্ধদেশ, শালগছৰ দৰে ওখ শৰীৰ, দীর্ঘবাহু আৰু স্বকার্য্যসাধনোপযোগী শৰীৰ যেন ক্ষত্রিয়ধর্মৰ আশ্রয়স্থলহে আছিল।

১৪) সকলোতকৈ বলবান, সকলো শক্তিৰ অভিভবকাৰী, উচ্চতাৰ সকলোকে পৰাজিত কৰি, মেৰু পর্বতৰ দৰে বিৰাজমান আছিল।

১৫) তেওঁৰ আকৃতিৰ অনুৰূপ আছিল প্রজ্ঞা। প্রজ্ঞাৰ অনুৰূপ আছিল শাস্ত্রজ্ঞান, শাস্ত্রজ্ঞানৰ অনুৰূপ আছিল তেওঁৰ কর্মানুষ্ঠান আৰু কার্য্যানুষ্ঠানৰ অনুৰূপ আছিল ফলপ্রাপ্তি।

১৬) শক্তি, প্রতাপ আদিৰে ভীষণ, দয়া দাক্ষিণ্য আদি কমনীয় ৰাজগুণসমূহৰ বাবে তেওঁ (ৰজা দিলীপ) আশ্রয়ত থকাসকলৰ বাবে জলজন্তু আৰু ৰত্নৰাজি থকা সাগৰৰ দৰে দুষ্প্রৰেশ্য আৰু অনভিভৱনীয় হৈছিল।

১৭) সাৰথিয়ে চালনা কৰা ৰথৰ চকা যিদৰে চকাৰ চিনৰ পৰা বিন্দুমাত্রও আঁতৰি নাযায়। সেইদৰে তেওঁৰ প্রজাসকলো মনুৰে প্রদর্শিত পথৰ পৰা ৰেখামাত্রও বিচলিত হোৱা নাছিল।

১৮) তেওঁ প্রজাৰ কল্যাণৰ বাবে তেওঁলোকৰ পৰা কৰ গ্রহণ কৰিছিল। কাৰণ সহস্রগুণে বৰষুণ দিবৰ বাবেই সূর্য্যই পৃথিৱীৰ পৰা জল গ্রহণ কৰে।

১৯) চতুৰঙ্গ সৈন্যবল তেওঁৰ পৰিচ্ছদ বা উপকৰণ স্বৰূপহে আছিল। কিয়নো শাস্ত্রত অপ্রতিহত বুদ্ধি আৰু ধনুত আৰোপিত জ্যা— এই দুয়োবিধৰ দ্বাৰাই তেওঁৰ প্রয়োজন সিদ্ধি হৈছিল।

২০) তেওঁ অত্যন্ত গোপনে মন্ত্ৰণা কৰিছিল। আকাৰ বা ইঙ্গিতেৰে হৃদয়ৰ ভাব প্ৰকাশ নাপাইছিল। জন্মান্তৰৰ সংস্কাৰৰ দৰে সেই ৰজাৰ কাৰ্য্যাৱলী ফলৰ দ্বাৰাহে অনুমান কৰিব পৰা হৈছিল।

২১) তেওঁ ভীত নহৈও নিজৰ ৰক্ষা কৰিছিল। নিৰোগী হৈয়ো ধৰ্মাচৰণ কৰিছিল। নিৰ্লোভ হৈয়ো অৰ্থগ্ৰহণ কৰিছিল। অনাসক্ত হৈয়ো বিষয়সুখ উপভোগ কৰিছিল।

২২) তেওঁ জ্ঞানী হৈয়ো মৌন। শক্তিশালী হৈয়ো ক্ষমাশীল দানী হৈও আত্মশ্লাঘা নকৰিছিল— তেওঁৰ মাজত এই পৰস্পৰবিৰোধী গুণসমূহ সহোদৰৰ দৰেই অৱস্থান কৰিছিল।

২৩) বিষয়ভোগৰ প্ৰতি অনাসক্ত, সমস্ত বিদ্যাত পাৰদৰ্শী, ধৰ্মানুৰক্ত তেওঁৰ জৰা অবিহনেই (যৌৱনকালতে বুদ্ধিত) বাৰ্দ্ধক্য অৰ্জন কৰিছিল।

২৪) শিক্ষাবিধান, ৰক্ষণাৱেক্ষণ আৰু ভৰণ-পোষণ আদিৰ বাবেই তেওঁ প্ৰজাসকলৰ পিতৃ আছিল। তেওঁলোকৰ প্ৰকৃত পিতৃসকল কেৱল জন্মদাতাহে আছিল।

২৫) তেওঁ লোকস্থিতিৰ বাবে দণ্ডৰ যোগ্যসকলক দণ্ডপ্ৰদান কৰিছিল। সন্তানলাভৰ বাবে পত্নীগ্ৰহণ কৰিছিল। সেয়েহে সেই মনীষীৰ অৰ্থ আৰু কামসাধনো ধৰ্মস্বৰূপ হৈছিল।

২৬) তেওঁ যজ্ঞৰ বাবে পৃথিৱীক দোহন কৰিছিল আৰু ইন্দ্ৰই শস্য-সম্পদৰ বাবে স্বৰ্গক দোহন কৰিছিল। এইদৰে উভয়ে সম্পদ বিনিময়ৰ দ্বাৰা দুয়োলোকৰ সমৃদ্ধি সাধন কৰিছিল।

২৭) আন ৰজাসকলে সেই পবিত্ৰাতা ৰজা দিলীপৰ যশৰ অনুকৰণ কৰিব নোৱাৰিলে। কাৰণ চৌৰ্য্যবৃত্তি পৰধনৰ পৰা আঁতৰি কেবল শুনিবলৈহে পোৱা গৈছিল।

২৮) ৰোগীৰ ওচৰত ঔষধ যিদৰে প্ৰিয়, শত্ৰু হ'লেও সজ্জন তেওঁৰ প্ৰিয়পাত্ৰ আছিল। কিন্তু দুষ্ট ব্যক্তি প্ৰিয় হ'লেও সাপে খোঁটা আঙুলিৰ দৰেই পৰিত্যাগ কৰিছিল।

২৯) বিধাতাই নিশ্চয় তেওঁক পঞ্চ মহাভূতনিৰ্মাণৰ উপাদানেৰ সৃষ্টি কৰিছে। কাৰণ তেওঁৰ সকলো গুণ পৰোপকাৰৰ বাবেই নিয়োজিত হয়।

৩০) সমুদ্ৰতীৰৰূপ প্ৰাচীৰ আৰু সাগৰৰূপ পৰিখাৰে আবৃত অন্যৰ শাসনৰহিত এই পৃথিৱীক তেওঁ এখন নগৰীৰ নিচিনাকৈ শাসন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বৈৱস্বত কোন?

.....

প্ৰশ্ন নং ২ ঃ ছন্দস্ শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ৩ ঃ 'বলি' শব্দটোৱে কি বুজাইছে?

.....

প্রশ্ন নং ৪ ঃ মঘবা শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৫ ঃ 'উর্বী' শব্দটিৰ এটি প্রতিশব্দ লিখক।

.....

৪.৪ ব্যাকৰণগত টোকা

১১নং শ্লোক ঃ

ব্যুৎপত্তি—

বৈবস্বতঃ - বিবস্বতঃ অপত্যং পুমানিতি বিবস্বৎ + অন্

মাননীয় - মন্ + ণিচ্ + অনীয়

মনীষিনাম্ - মনস্ + ইষা - মনীষা, মনীষা অস্য অস্তি ইতি

মনীষা + ইনি, ষষ্ঠী বহুবচন।

আসীৎ = অস্ + লঙ্ দ।

মহীক্ষিতাম্ + মহীক্ষি + ক্বিপ্, ষষ্ঠী বহুবচন

আদ্য = আদৌ ভবঃ ইতি আদি + যৎ।

প্রণবঃ = প্রনূয়তে ইতি প্র-নু + অপ্

বিভক্তি নির্ণয়—

মনুঃ = প্রাতিপদিকার্থে প্রথমা

মনীষিনাম্ = 'কৃত্যানাং কর্তৰিবা' সূত্রানুসাৰে কর্তাত ষষ্ঠী।

মহীক্ষিতাম্ = 'যতশ্চ নির্দ্ধাৰণম্' সূত্রানুসৰি নির্ধাৰণে ষষ্ঠী।

১২নং শ্লোক ঃ

ব্যুৎপত্তি—

শুদ্ধিমতি = শুদ্ধিৰস্যাস্তীতি শুদ্ধি + মতুপ্, তস্মিন্

প্রসূতঃ = প্র সূ + ক্ত (কর্তৰি)

শুদ্ধিমত্তৰঃ = অতিশয়েন শুদ্ধিমান্ ইতি শুদ্ধিমৎ + তৰপ্

বিভক্তি নির্ণয়—

তদন্বয়ে - অধিকৰণে সপ্তমী

সমাস—

তদন্বয়ে = তস্য অন্বয়ঃ (ষষ্ঠী তৎপুৰুষ) তস্মিন্

ৰাজেন্দুঃ = ৰাজা ইন্দুৰিব (উপমিত কর্মধাৰয়)

ক্ষীৰনিধৌ = ক্ষীৰস্য নিধিঃ (ষষ্ঠী তৎপুৰুষ) তস্মিন্।

১৩নং শ্লোক

ব্যুৎপত্তি—

আশ্রিতঃ = আ - শ্রি + ক্ত

সমাস—

ব্যূঢ়োৰস্কঃ = বিশেষেন উহ্যতে ইতি বি-বহ্ + ক্ত = ব্যূঢ়ম্।

বৃৎঢ়ম্ উৰো যস্য সঃ (বহুব্রীহি)

বৃষস্কন্ধ = বৃষস্য স্কন্ধঃ ইব স্কন্ধঃ যস্য সঃ (উপমানগর্ভ বহুব্রীহি)

শালপ্রাংশুঃ = শাল ইব প্রাংশুঃ (উপমান কর্মধাৰয়)

মহাভূজঃ = মহান্তৌ ভূজৌ যস্য সঃ (বহুব্রীহি)

আত্মকর্মক্ষমম্ - আত্মনঃ কর্ম (ষষ্ঠী তৎপুৰুষ), আত্মকর্মমি ক্ষমম্ (সপ্তমী তৎপুৰুষ)

১৪নং শ্লোক ঃ

ব্যুৎপত্তি—

সর্বতেজোঽভিভবকাৰিণা— সর্বতেজঃ + অভিভূ + ণিনি (তেন)

স্থিতঃ = স্থা +ক্ত (কর্তৰি)

ক্রান্ত্বা = ক্রম্ +ক্ত্বাচ

বিভক্তি নির্ণয়—

আত্মনা - কৰণে তৃতীয়া

সমাস—

সর্বাতিৰিক্তসাৰেণ - সর্বেভ্যঃ অতিৰিক্ত (পঞ্চমী তৎপুৰুষ) সর্বাতিৰিক্তঃ সাৰঃ যস্য সঃ (বহুব্রীহি) তেন।

সর্বতেজোঽভিভাবিনা - সর্বংতেজঃ (কর্মধাৰয়) সর্বতেজ অভিভৰতি যঃ সঃ সর্বতেজোঽভিভাবী (উপপদ তৎপুৰুষ) তেন।

সর্বোন্নতেন - সর্বেভ্যঃ উন্নতেন (পঞ্চমী তৎপুৰুষ) তেন।

১৫নং শ্লোক ঃ

ব্যুৎপত্তি—

আৰম্ভঃ = আ-ৰভ্ + ঘঞ্

উদয়ঃ - উৎ-ই + অচ্

বিভক্তি নির্ণয়—

প্রজ্ঞয়া - তুল্যার্থযোগে তৃতীয়া

আগমৈঃ - তুল্যার্থযোগে তৃতীয়া

সমাস—

আকাৰসদৃশপ্রজ্ঞঃ - আকাৰেণ সদৃশী (তৃতীয়া তৎপুৰুষ),

আকাৰসদৃশী প্রজ্ঞা যস্য সঃ (বহুব্রীহি)

সদৃশাগমঃ - সদৃশঃ আগমো যস্য সঃ (বহুব্রীহি)

সদৃশাৰম্ভ - সদৃশঃ আৰম্ভ যস্য সঃ (বহুব্রীহি)

আৰম্ভসদৃশোদয়ঃ - আৰম্ভেন সদৃশঃ (তৃতীয়া তৎপুৰুষ)

আৰম্ভসদৃশঃ উদয়ঃ যস্য সঃ (বহুব্রীহি)

১৬নং শ্লোক ঃ

ব্যুৎপত্তি—

বভূব - ভূ + লিট্ অ

উপজীবিনাম্ - উপ-জীব্ + ণিনি (কর্তৰি) তেষাম্

অভিগম্যঃ - অভি - গম্ + যত্

বিভক্তি নির্ণয়—

নৃপগুণৈঃ - হেতৌ তৃতীয়া

উপজীবিনাম্ - 'কৃত্যানাং কর্তৰিবা' সূত্রানুসৰি কৃত্যপ্রত্যয়যোগে ষষ্ঠী

যাদোৰত্নৈঃ - হেতৌ তৃতীয়া

সমাস—

ভীমকান্তৈঃ - ভীমাশ্চ তে কান্তাশ্চ (কর্মধাৰয়) তৈঃ

নৃপগুণৈঃ - নৃপানাং গুণাঃ (ষষ্ঠী তৎপুৰুষ) তৈঃ

অধৃষ্যঃ - ন ধৃষ্যঃ (নত্র্য তৎপুৰুষ)

যাদোৰত্নৈঃ - যাদাংসি চ ৰত্নানি চ (দ্বন্দ্ব), তৈঃ

১৭নং শ্লোক ঃ

ব্যুৎপত্তি—

ৰেখামাত্রম্ - ৰেখা প্রমাণমস্য ইতি ৰেখা + মাত্রচ্।

ক্ষুন্নাৎ - ক্ষুদ্ + ক্ত (কর্মণি), তস্মাৎ

ব্যতীয়ুঃ - বি - অতি - ইন্ + লিট্ উস্।

বর্ত্মন্ - বৃৎ + মনিন্

প্রজাঃ - প্র-জন্ + ড

নিয়ন্তুঃ - নি-যম্ + তৃচ্, ষষ্ঠীৰ একবচন

বিভক্তি নির্ণয়—

বর্ত্মনঃ - অপাদানে পঞ্চমী

প্রজাঃ - প্রাতিপদিকার্থে প্রথমা

নিয়ন্তুঃ - শেষে ষষ্ঠী

সমাস—

নেমিবৃত্তয়ঃ - নেমীনাং বৃত্তিঃ (ষষ্ঠী তৎপুৰুষ), নেমিবৃত্তিৰিব

বৃত্তিঃ যাসাং তাঃ (বহুব্রীহি)

১৮নং শ্লোক ঃ

ব্যুৎপত্তি—

অগ্রহীৎ - গ্রহ্ + লুঙ্দ

উৎস্রষ্টুম্ - উৎ - সৃজ + তুমুন্

আদত্তে - আ-দা লট্‌তে। 'আঙো দোহনাস্যবিহৰণে' সূত্রানুসৰি 'আ' পূর্বক দা ধাতু আত্মনেপদী হৈছে।

বিভক্তি নির্ণয়—

তাভ্যঃ - অপাদানে পঞ্চমী

বলিম্ - কর্মণি দ্বিতীয়া

সমাস—

ভূত্যর্থম্ - ভূত্যৈ ইদম্ (নিত্য সমাস)

১৯নং শ্লোক ঃ

ব্যুৎপত্তি—

মৌর্বী - মূর্বা + অন্ + ঙীপ্

আততা - আ - তন্ + ক্ত + আপ্ (স্ত্রিয়াম্)

বিভক্তি নির্ণয়—

সেনা - প্রতিপদিকার্থমাত্রে প্রথমা

শাস্ত্রেষু - অধিকৰণে সপ্তমী

মৌর্বী - প্রাতিপদিকার্থমাত্রে প্রথমা

ধনুষি - অধিকৰণে সপ্তমী

২০নং শ্লোক ঃ

ব্যুৎপত্তি—

সংবৃত - সম্ - বৃ + ক্ত

প্রাৰম্ভাঃ - প্র-আ-ৰভ্ + ঘঞ্ প্রথমা একবচন

সংস্কাৰাঃ - সম - কৃ + ঘঞ্ প্রথমা বহুবচন।

প্রাক্তনাঃ - প্রাগ্‌ভবাঃ ইতি প্রাক্ + ট্যুল, তুট্‌চ

বিভক্তি নির্ণয়—

তস্য - শেষে ষষ্ঠী

সমাস—

সংবৃতমন্ত্রস্য - সংবৃতঃ মন্ত্রঃ যস্য সঃ (বহুব্রীহি) তস্য

গূঢ়াকাৰেঙ্গিতস্য - আকাৰশ্চ ইঙ্গিতঞ্চ ইতি আকাৰেঙ্গিতে (দ্বন্দ্ব), গূঢ়ে আকাৰেঙ্গিতে যস্য সঃ (বহুব্রীহি), তস্য

ফলানুমেয়াঃ - ফলৈঃ অনুমেয়াঃ (তৃতীয়া তৎপুৰুষ)

২১নং শ্লোক ঃ

ব্যুৎপত্তি—

জুগোপ - গুপ্ + লিট্ ণল্ (অ)

ভেজে - ভজ্ +লিট্ এ

ধর্ম - ধৃ +মন্

আদদে - আ - দা +লিট্ এ

অন্বভূৎ - অনু - ভূ +লুঙ্দ

সমাস—

অত্রস্তঃ - ত্রস +ক্ত = ত্রস্ত। ন ত্রস্তঃ অত্রস্তঃ (নঞ্ তৎপুৰুষ)

অনাতুৰঃ - আ - তুৰ্ +ক = আতুৰ। ন আতুৰঃ (নঞ্ তৎপুৰুষ)

অগৃধ্নু - গৃধ্ +ক্নু (তাচ্ছিল্যে) গৃধ্নু। ন-গৃধ্নু (নঞ্ তৎপুৰুষ)

অসক্তঃ - সঙ্জ্ +ক্ত = সক্ত। ন সক্তঃ (নঞ্ তৎপুৰুষ)

২২নং শ্লোক ঃ

ব্যুৎপত্তি—

জ্ঞানম্ - জ্ঞা +ল্যুট্ কৰণে, তস্মিন্

মৌনম্ - মুনেঃ কর্ম ভাবো বা ইতি মুনি +অন্

শক্তৌ - শক্ +ক্তিন্, তস্মিন্

ত্যাগে - ত্যজ +ঘঞ্ তস্মিন্

গুণানুবন্ধিত্বাৎ - গুণ - অনু - বন্ধ +ণিনি (তাচ্ছিল্যে)। প্রথমা বহুবচন

বিভক্তি নির্ণয়—

জ্ঞানে - অনাদৰে সপ্তমী

শক্তৌ - অনাদৰে সপ্তমী

ত্যাগে = অনাদৰে সপ্তমী

গুণানুবন্ধিত্বাৎ - হেতৌ পঞ্চমী

সমাস—

শ্লাঘাবিপর্যয়ঃ - শ্লাঘায়াঃ বিপর্য্যয়ঃ (ষষ্ঠী তৎপুৰুষ)

গুণানুবন্ধিত্বাৎ - গুণান্ অনুবন্ধুং শীলং যেষাং তে ইতি গুণানুবন্ধিনঃ (বহুব্রীহি)

২৩নং শ্লোক ঃ

ব্যুৎপত্তি—

আকৃষ্টঃ - আ - কৃষ +ক্ত

পাৰদৃশ্বনঃ - পাৰং দৃষ্টবান্ পাৰ-দৃশ্ +ক্বনিপ, ষষ্ঠীৰ একবচন

আসীৎ - অস্ +লঙ্দ

বৃদ্ধত্বম - বৃদ্ধস্য ভাব ইতি বৃদ্ধ +ত্ব

জৰসা - জীর্য্যতে অনয়া ইতি জৃষ (বয়োহানৌ) +অঙ্, তৃতীয়া একবচন

বিভক্তি নির্ণয়—

বিষয়ৈঃ - কৰণে তৃতীয়া

বিদ্যানাম্ - শেষে ষষ্ঠী

জৰসা - বিনাযোগে তৃতীয়া

সমাস—

অনাকৃষ্টস্য - ন আকৃষ্টঃ (নঞ্ তৎপুৰুষ), তস্য

পাৰদৃশ্বনঃ - পাৰং দৃষ্টবান সঃ তস্য (উপপদ তৎপুৰুষ)

ধর্মৰতেঃ - ধর্মেঃ ৰতির্য্যস্য তস্য (বহুব্রীহি)

২৪নং শ্লোক ঃ

ব্যুৎপত্তি—

ৰক্ষণাৎ - ৰক্ষ্ + লুৎট, পঞ্চমী একবচন

ভৰণাৎ - ভৃ + ল্যুট্, পঞ্চমী একবচন

বিভক্তি নির্ণয়—

প্রজানাম্ - শেষে ষষ্ঠী

ৰক্ষণাৎ - হেতৌ পঞ্চমী

ভৰণাৎ - হেতৌ পঞ্চমী

সমাস—

বিনয়াধানাৎ - বিনয়স্য আধানম্ (ষষ্ঠী তৎপুৰুষ) তস্মাৎ

জন্মহেতবঃ - জন্মনঃ হেতবঃ (ষষ্ঠী তৎপুৰুষ)

২৫নং শ্লোক ঃ

ব্যুৎপত্তি—

স্থিত্যৈ - স্থা + ক্তিন্ (ভাবে), চতুর্থী একবচন

দণ্ডয়তঃ - দণ্ড + শতৃ, ষষ্ঠী একবচন

দণ্ডান্ - দণ্ডম্ অর্হন্তীতি দণ্ড্ + যৎ, দ্বিতীয়া বহুবচন

পৰিণেতুঃ - পৰি - নী + তৃচ্, ষষ্ঠী একবচন

প্রসূতয়ে - প্র - সূ + ক্তিন্, চতুর্থী একবচন

মনীষিণঃ - মনস্ + ঈষা + ণিনি, ষষ্ঠী একবচন

বিভক্তি নির্ণয়—

স্থিত্যৈ - তাদ্যর্থে চতুর্থী

দণ্ড্যান্ - কর্মনি দ্বিতীয়া

প্রসূতয়ে - তাদ্যর্থে চতুর্থী

মনীষিণঃ - শেষে ষষ্ঠী

সমাস—

অর্থকামৌ - অর্থশ্চ কামশ্চ ইতি অর্থকামৌ, বিকল্পে কামার্থৌ

('ধর্মাদিষ্বনিয়মঃ' সূত্রানুসৰি)

২৬নং শ্লোক ঃ

ব্যুৎপত্তি—

দুদোহ - √দুহ্ +লিট্ ণল্

যজ্ঞায় = √যজ্ + ন, চতুর্থ একবচন

দধতুঃ = √ধা + লিট্অতুস্

বিভক্তি নির্ণয়—

গাম্ - কর্মণি দ্বিতীয়া

যজ্ঞায় - 'ক্রিয়ার্থোপপদস্য চ কর্মণি স্থানিনঃ' সূত্রৰ দ্বাৰা তুমর্থে চতুর্থী।

শস্যায় - তুমর্থে চতুর্থী

দিবম্ - কর্মণি দ্বিতীয়া

সম্পদবিনিময়েন - কৰণে তৃতীয়া

সমাস—

সম্পদ্বিনিময়েন - সম্পদঃ বিনিময়ঃ (ষষ্ঠী তৎপুৰুষ), তেন

ভূবনদ্বয়ম্ - ভবনানাং দ্বয়ম্ (ষষ্ঠী তৎপুৰুষ)

২৭নং শ্লোক ঃ

ব্যুৎপত্তি—

অনুয়য়ুঃ - অনু - যা +লিট্ উস্

ব্যাবৃত্তা - বি - আ - বৃৎ +ক্ত

স্থিতা - স্থা +ক্ত স্ত্রীলিঙ্গ

বিভক্তি নির্ণয়—

ৰক্ষিতুঃ - শেষে ষষ্ঠী

পৰস্বেভ্যঃ - অপাদানে পঞ্চমী

শ্রুতৌ - অধিকৰণে সপ্তমী

সমাস—

পৰস্বেভ্যঃ - পৰেষাং স্বানি (ষষ্ঠী তৎপুৰুষ)

২৮নং শ্লোক ঃ

ব্যুৎপত্তি—

দ্বেস্য - দ্বিষ্ + ণ্যত্

সম্মতঃ - সম্ - মন্ + ক্ত

শিষ্টঃ - শিষ্ + ক্ত

আর্তস্য - ঋ +ক্ত, ষষ্ঠী একবচন

ত্যজ্যঃ - √ত্যজ্ +ণ্যত্

সমাস—

উৰগক্ষতা - উৰসা গচ্ছতি যঃ সঃ উৰগঃ (উপপদ তৎপুৰুষ) উৰগেন ক্ষতা (তৃতীয়া তৎপুৰুষ)

২৯নং শ্লোক ঃ

ব্যুৎপত্তি—

বেধাঃ - বিদধাতীতি বি - ধা + অসি

বিদধে - বি - ধা + লিট্ এ

আসন - √অস্ + লঙ্ অন্

বিভক্তি নির্ণয়—

বেধাঃ - প্রাতিপদিকার্থমাত্রে প্রথমা

মহাভূতসমাধিনা - কৰণে তৃতীয়া

সমাস—

মহাভূতসমাধিনা - সমাধীয়তে অনেনেতি সম্ — আ - √ধা + কি = সমাধিঃ।
মহাভূতানাং সমাধিঃ (ষষ্ঠী তৎপুৰুষ) তেন্

পৰার্থৈকফলাঃ - পৰস্য অর্থঃ (ষষ্ঠী তৎপুৰুষ)ঃ স এব একং ফলং যেষাং তে (বহুব্রীহি)

৩০নং শ্লোক ঃ

ব্যুৎপত্তি—

শশাস - √শাস্ + লিট্ ণল্

বিভক্তি নির্ণয়—

উর্বীম্ - কর্মণি দ্বিতীয়া

সমাস—

বেলাবপ্রবলয়ম্ - বপ্রান্যেব বলয়াঃ (ৰূপক - কর্মধাৰয়), বেলা এব বপ্রবলয়াঃ যস্যাস্তাম্ (বহুব্রীহি)

পৰিখীকৃতসাগৰাম্ - পৰিতঃ খন্যতে ইতি পৰি - √মন্ + ড।
ন পৰিখাঃ ইতি অপৰিখাঃ (নঞ্ তৎপুৰুষ), অপৰিখাঃ পৰিখাঃ কৃতা (গতিসমাস), পৰিখা + চ্বি (অভূততদ্ভাবে) কৃ + ক্ত (কর্তৰি) পৰিখীকৃতাঃ।
পৰিখীকৃতাঃ সাগৰাঃ যস্যাস্তাম্ (বহুব্রীহি)।

অনন্যশাসনম্ - অন্যস্য শাসনম্ (ষষ্ঠী তৎপুৰুষ), অবিদ্যমানম্ অন্যশাসনম্ যস্যাস্তাম্ (নঞ্ বহুব্রীহি)।

৪.৫ প্রথমসর্গৰ (১১-৩০) কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

প্রথমসর্গৰ (১১-৩০) মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাবার্থ এতিয়া আপুনি পঢ়িবলৈ পাব।

১) সহস্রগুণমুৎস্রষ্টুমাদত্তে হি ৰসং ৰবিঃ।

মনুৰ নীতি অনুসৰণ কৰিয়েই ৰজা দিলীপে ৰাজ্যশাসন কৰিছিল। প্রজাসকলৰ হিতৰ বাবেই তেওঁলোকৰ পৰা কৰ গ্রহণ কৰিছিল। কৰলব্ধ অর্থ প্রজাসকলৰ কল্যাণৰ বাবে ব্যয় কৰিছিল। প্রজাৰ ধন প্রজাৰ নিমিত্তেই সহস্রগুণে প্রদান কৰিছিল। কবিয়ে দিলীপৰ এই কৰ গ্রহণক সূর্য্যৰ প্রাত্যহিক কার্য্যৰ লগত তুলনা কৰিছে। সূর্য্যই গ্রীষ্মকালৰ প্রখৰ ৰ'দৰ দ্বাৰা পৃথিৱীৰ পৰা জলশোষণ কৰি পৰৱর্তী সময়ত গ্রীষ্মকালত দগ্ধা পৃথিৱীক অবিৰাম জলবর্ষণ কৰি সুজলা-সুফলা আৰু শস্যশ্যামলা কৰি তোলে। সূর্য্যকিৰণত জল বাষ্পীভূত হৈ মেঘত পৰিণত হয় আৰু মেঘৰ পৰাই বৃষ্টি হয় আৰু বৃষ্টিৰেই পৃথিৱী পৰিপূর্ণ হয়। সূর্য্যৰ নিচিনাকৈ দিলীপেও দানৰ বাবেই গ্রহণ কৰিছিল আৰু সেই দান কল্যাণকৰ আৰু সহস্রগুণে সমৃদ্ধ।

২) স পিতা পিতৰস্তাসাং কেবলং জন্মহেতবঃ

মহাৰাজ দিলীপেই প্রজাসকলৰ প্রকৃত পিতৃ আছিল। কাৰণ দিলীপে সকলো প্রজাৰ পিতৃৰ দায়িত্ব পালন কৰিছিল। শিক্ষাবিধান, ৰক্ষণাবেক্ষণ আৰু প্রতিপালন যিয়ে কৰে তেৱেঁই পিতা। সেয়েহে কোৱা হয় 'স পিতা যস্তু পোষকঃ'। ৰজা দিলীপেও ৰক্ষণ, প্রতিপালন প্রভৃতি পিতৃকর্তব্য নির্বাহ কৰি প্রজাসকলৰ মাজত পিতৃস্থান অধিকাৰ কৰিছিল। প্রজাসকলৰ পিতৃসকল কেৱল জন্মদাতাহে আছিল। দিলীপেহে জন্মৰ পিছৰ পিতৃকর্তব্যসমূহ পালন কৰিছিল।

৩) সেনা পৰিচ্ছদস্তস্য দ্বয়মেবার্থসাধনম্।
শাস্ত্রেষ্বকুণ্ঠিতা বুদ্ধিৰ্মৌর্বী ধনুষি চাততা।।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাসবিৰচিত 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ পৰা উদ্ধৃত। ৰজা দিলীপৰ বর্ণনা কৰিবলৈ যোৱাৰ প্রসঙ্গত উক্ত শ্লোকফাঁকিৰ অৱতাৰণা কৰা হৈছে। ৰজা দিলীপ হস্তী, অশ্ব, ৰথ, পদাতিকেৰে সুসংগঠিত এক বিশাল চতুৰঙ্গ সেনাবাহিনীৰ অধিকাৰী আছিল। কিন্তু এই সৈন্যবল ছত্রচামৰৰ নিচিনা উপকৰণমাত্রহে আছিল। প্রয়োজনসিদ্ধিৰ বাবে কেতিয়াও তেওঁ এইবিলাকৰ ব্যৱহাৰ কৰা নাছিল। তেওঁৰ অপ্রতিহত শাস্ত্রজ্ঞান আৰু জ্যাৰোপিত শৰেই প্রয়োজন সিদ্ধিৰ বাবে পর্য্যাপ্ত আছিল। আনকি ৰজা দিলীপৰ বান নিক্ষেপৰো প্রয়োজন হোৱা নাছিল। ধনুত জ্যা আৰোপ কৰিলে শত্রুপক্ষ ভয়ত ত্রস্তমান হৈ বশ্যতা স্বীকাৰ কৰিছিল। তাৰ পিছত শাস্ত্রক সঙ্গী কৰিয়েই শৌর্য্যৰ দ্বাৰা পৃথিৱী শাসন কৰিছিল।

৪.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

মহাকবি কালিদাস ৰচিত ৰঘুবংশম্ মহাকাব্যৰ প্ৰথমসৰ্গৰ আৰম্ভণিতে কবিয়ে শিৱ-পাৰ্বতীক প্ৰণিপাত জনাইছে। নিজৰ অহঙ্কাৰ ত্যাগ কৰি পূৰ্বসূৰিসকলৰ পথ অনুকৰণ কৰি ৰঘুবংশৰ বৰ্ণনা কৰিবলৈ ইচ্ছা প্ৰকট কৰিছে। ৰঘুবংশীয়ৰজাসকলৰ গুণ বৰ্ণনা কৰি কাব্যখনৰ গুণবত্তা বিচাৰৰ ভাৰ সুধীজনৰ হাতত অৰ্পণ কৰিছে। বিবস্বত্ মনুৰ পৰাই ৰঘুকুলৰ উৎপত্তি (১১নং শ্লোক)। ক্ষীৰসমুদ্ৰত চন্দ্ৰৰ আৱিৰ্ভাব হোৱাৰ দৰেই সেই বংশত দিলীপৰ জন্ম হৈছিল (১২নং শ্লোক)। বিভিন্ন দৈহিক সুষমাৰে মণ্ডিত দিলীপৰ শৰীৰ যেন ক্ষত্ৰিয়ধৰ্মৰ আশ্ৰয়স্থলহে আছিল (১৩নং শ্লোক)। সমস্ত শক্তিৰে, দীপ্তিৰে আৰু উচ্চতাৰে সকলোকে পৰাভূত কৰি মেৰুপৰ্বতৰ দৰে বিৰাজমান আছিল (১৪নং শ্লোক)।ৰজা দিলীপৰ, জ্ঞান, বিদ্যা কৰ্মানুষ্ঠান আৰু সিদ্ধি সকলো সমানুপাতিক আছিল (১৫নং শ্লোক)। ভীষণ আৰু কমনীয় গুণৰ দ্বাৰা ৰজা দিলীপ জলজন্তু আৰু ৰত্নেৰে পৰিপূৰ্ণ সাগৰৰ দৰেই অনুজীৱিসকলৰ বাবে দুষ্প্ৰবেশ্য আৰু আশ্ৰয়নীয় আছিল (১৬নং শ্লোক) সাৰথিচালিত ৰথৰ চকাৰ যিদৰে হেৰফেৰ নহয়, দিলীপৰ শাসনকালতো, প্ৰজাসকলে মনুপ্ৰদৰ্শিত পথৰ পৰা বিচলিত হোৱা নাছিল (১৭নং শ্লোক)। সূৰ্য্যই জলবৰ্ষণৰ বাবে জল আকৰ্ষণ কৰাৰ দৰেই দিলীপেও প্ৰজাৰপৰা কৰ গ্ৰহণ কৰিছিল (১৮নং শ্লোক)। সেন্যবল তেওঁৰ কাৰণে ভূষণ স্বৰূপহে আছিল; শাস্ত্ৰজ্ঞান আৰু ধনুশৰেই প্ৰয়োজনসিদ্ধিৰ বাবে যথেষ্ট আছিল (১৯নং শ্লোক)। ৰজা দিলীপে মন্ত্ৰণাৰ গোপনীয়তা ৰক্ষা কৰিছিল। তেওঁৰ কাৰ্য্যপদ্ধতি ফলৰ দ্বাৰাহে অনুমেয় আছিল (২০নং শ্লোক)। তেওঁ ভীত নহ'লেও আত্মৰক্ষা, নিৰোগী হৈয়ো ধৰ্মাচৰণ, লোভহীন হৈয়ো অৰ্থগ্ৰহণ আৰু অনাসক্তহৈয়ো সুখ ভোগ কৰিছিল (২১নং শ্লোক) তেওঁ জ্ঞানী হৈয়ো মৌন। শক্তিশালী হ'লেও ক্ষমাশীল, ত্যাগী হৈয়ো নিৰহংকাৰী আছিল (২২নং শ্লোক) বিষয়সুখত অৱশীভূত, সকলো বিদ্যাত পাৰদৰ্শী, ধৰ্মাণুৰক্ত হোৱা বাবে বৃদ্ধকাল নোপোৱাকৈয়ে (বুদ্ধিত) বৃদ্ধত্বপ্ৰাপ্ত হৈছিল (২৩নং শ্লোক)। প্ৰজাসকলৰ শিক্ষাবিধান, ৰক্ষণাৱেক্ষণ আৰু ভৰণ-পোষণৰ বাবে তেওঁৰ প্ৰজাসকলৰ পিতৃস্বৰূপ আছিল (২৪নং শ্লোক)। সামাজিক স্থিতিৰ বাবে দণ্ডবিধান কৰি, সন্তানপ্ৰাপ্তিৰ বাবে বিবাহকাৰ্য্য কৰা বাবে ৰজা দিলীপৰ অৰ্থ আৰু কামো ধৰ্মাচৰণ কৰাৰ দৰেই আছিল (২৫নং শ্লোক)। তেওঁ যজ্ঞৰ বাবে পৃথিৱীক আৰু ইন্দ্ৰই শস্যবৃদ্ধিৰ বাবে স্বৰ্গক দোহন কৰি উভয়ে উভয়ৰ সম্পদ বৃদ্ধি কৰিছিল (২৬নং শ্লোক)। আন ৰজাসকলে দিলীপৰ যশ অনুকৰণ কৰিব নোৱাৰিছিল। তেওঁৰ ৰাজত্বকালত চৌৰ্য্যাদিবৃত্তি কেৱল শুনিবলৈ পোৱা গৈছিল। প্ৰচলন নাছিল (২৭নং শ্লোক)। শিষ্ট ব্যক্তিক শত্ৰু হ'লেও গ্ৰহণ আৰু দুৰ্জনক প্ৰিয় হ'লেও সততে পৰিত্যাগ কৰিছিল (২৮নং শ্লোক)। জগৎ সৃষ্টিৰ উপকৰণ পঞ্চ মহাভূতৰ দৰে ৰজা দিলীপৰ গুণসমূহ পৰোপকাৰৰ বাবেই নিয়োজিত হৈছিল (২৯নং শ্লোক)। সমুদ্ৰ আৰু সমুদ্ৰতীৰৰূপ প্ৰাচীৰ আৰু পৰিখাৰে আবৃত এই পৃথিৱীক তেওঁ এখন নগৰীৰ দৰেই শাসন কৰিছিল (৩০নং শ্লোক)।



৪.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰি—

- 'ৰঘুবংশম' মহাকাব্যৰ প্ৰথমসৰ্গৰ বিষয়বস্তুৰ একাংশ জানিব পাৰিলোঁ।
- শ্লোকসমূহৰ মাজেৰে ৰঘুবংশৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিলোঁ।
- ৰজা দিলীপৰ গুণসমূহৰ লগতো পৰিচিত হ'লোঁ।
- নিৰ্দিষ্ট শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগত শব্দাৰ্থ আৰু অসমীয়া অনুবাদো জানিলোঁ।
- শ্লোকসমূহৰ সাধাৰণ আলোচনাও পঢ়িবলৈ পালোঁ।
- অধ্যায়টিত থকা পাঠাংশত ব্যৱহাৰ কিছুমান কঠিন সংস্কৃত পদৰ ব্যাকৰণগত টোকাও আপুনি জানিলোঁ।



৪.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস (১-৫)*; দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

২) নন্দৰ্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২) (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস;* দিল্লী ঃ মতিলাল বানাৰসীদাস।

৩) শাস্ত্রী, অশোকনাথ আৰু ভাঞ্জা সৰোজনাথ (১৯৫১) (সম্পা.) ঃ *কালিদাসস্য ৰঘুবংশম্;* মডার্ণ বুক এজেন্সি।



৪.৯ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বৈৱস্বত বিৱস্বত অর্থাৎ সূর্য্যৰ পুত্ৰ।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'ছন্দস্' শব্দটোৰ অর্থ বেদ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'বলি' শব্দটোৱে কৰ বুজাইছে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ 'মঘবা' শব্দই ইন্দ্ৰক বুজায়।

৫নং প্ৰশ্নৰ উত্তৰ ঃ 'উর্বী শব্দটোৰ প্ৰতিশব্দ 'পৃথিৱী'।



৪.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰজা দিলীপৰ দুটা শাৰীৰিক বৈশিষ্ট্য লিখক।

প্ৰশ্ন ২ ঃ 'সেনা পৰিচ্ছদস্তস্য দ্বয়মেবার্থসাধনম্' ইয়াত 'দ্বয়ম্' শব্দটোৱে কি কি বুজাইছে?

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত দিয়াসমূহৰ ব্যাকৰণগত টোকা লিখক।

ৰাজেন্দুঃ, সর্বাতিৰিক্তসাৱেণ, উপজীবিনাম্, ব্যতীয়ুঃ, আদত্তে, জুগোপ, পাৰদৃশ্বনঃ, অর্থকামৌ, ব্যাবৃত্তা, দ্বেষ্যঃ

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰজা দিলীপৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৫ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৩১-৪৮)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ চতুর্থসর্গৰ শ্লোক (৩১-৪৮)সমূহৰ সংস্কৃত পাঠ

৫.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

৫.৩.২ শ্লোকসমূহৰ শব্দার্থ

৫.৩.৩ সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ

৫.৪ ব্যাকৰণগত টোকা

৫.৫ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

৫.৬ সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ বিষয়বস্তুৰ একাংশৰ আভাস পাব
- প্রথমসর্গৰ শ্লোক (৩১-৪৮)সমূহৰ সংস্কৃত পাঠৰ লগত গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব
- ৰজা দিলীপৰ আশ্রমযাত্রাৰ অভিপ্রায় আৰু যাত্রাপথৰো বর্ণনা পঢ়িবলৈ পাব।

৫.২ পৰিচয়

আপুনি ইতিমধ্যে ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ শ্লোক(১-৩০)সমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত কবি কালিদাসৰ বিনম্রতা, ৰঘুবংশীয় ৰজাসকলৰ গুণ, ৰজা দিলীপৰ চৰিত্র আৰু সুশাসনৰ বিষয়ে পঢ়িবলৈ পালে। এই অধ্যায়ত আপুনি পৰৱর্তী শ্লোক (৩১-৪৮)সমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণৰ বিষয়েও অৱগত হ’ব। ইয়াৰ উপৰিও ৰজা দিলীপৰ পত্নীৰে সৈতে বশিষ্ঠ মুনিৰ আশ্রমযাত্রা সম্পর্কেও জানিব পাৰিব।

৫.৩ প্ৰথমসৰ্গৰ শ্লোক (৩১-৪৮)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথম সৰ্গৰ শ্লোক (৩১-৪৮)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল।

ৰূঢ় = প্ৰসিদ্ধ
অধ্বৰঃ = যজ্ঞ
কলত্ৰ = পত্নী
ধূঃ = ধুৰা, ভাৰ
স্যন্দন = ৰথ
প্ৰাৱৃট = বৰ্ষা
ঐৰাবত = মেঘ
পয়োবাহ = মেঘ
বাত = বায়ু
শিখণ্ডি = ময়ূৰ
কেকা = ময়ূৰৰ স্বৰ
অলক = চুলি
বেষ্টন = পাগুৰী
অৰবিন্দ = পদুম
সৃপ = যজ্ঞৰ পশুবন্ধা

তস্য দাক্ষিণ্যৰূঢ়েন নাম্না মগধবংশজা।
পত্নী সুদক্ষিণেত্যাসীদধ্বৰস্যেব দক্ষিণা।। ৩১।।
কলত্ৰবন্তমাত্মানমবৰোধে মহত্যপি।
তয়া মেনে মনস্বিন্যা লক্ষ্ম্যা চ বসুধাধিপঃ ।। ৩২।।
তস্যামাত্মানুৰূপায়ামাত্মজন্মসমুৎসুকঃ।
বিলম্বিতফলৈঃ কালং স নিনায় মনোৰথৈঃ।। ৩৩।।
সন্তানার্থায় বিধয়ে স্বভুজাদবতাৰিতা।
তেন ধূৰ্জগতো গুৰ্বী সচিবেষু নিচিক্ষিপে।। ৩৪।।
অথাভ্যৰ্চ্য বিধাতাৰং প্ৰযতৌ পুত্ৰকাম্যয়া।
তৌ দম্পতী বশিষ্ঠস্য গুৰোৰ্জগ্মতুৰাশ্ৰমম্।। ৩৫।।
স্নিগ্ধগম্ভীৰনিৰ্ঘোষমেকং স্যন্দনমাস্থিতৌ।
প্ৰাবৃষেন্যং পয়োবাহং বিদ্যুদৈৰাবতাবিব।। ৩৬।।
মা ভূদাশ্ৰামপীড়েতি পৰিমেয়পুৰঃ সৰৌ।
অনুভাববিশেষাত্তু সেনাপৰিবৃতাবিব।। ৩৭।।
সেব্যমানৌ সুখস্পৰ্শৈঃ শালনির্যাসগন্ধিভিঃ।
পুষ্পৰেণূৎকিৰৈর্বাতৈৰাধূতবনৰাজিভিঃ।। ৩৮।।
মনোঽভিৰামাঃ শৃন্বন্তৌ ৰথনেমিস্বনোন্মুখৈঃ।
ষড়্জসংবাদিনীঃ কেকা দ্বিধা ডিন্নাঃ শিখণ্ডিভিঃ।। ৩৯।।
পৰস্পৰাক্ষিসাদৃশ্যমদূৰোজ্ঝিতবর্ত্মনু।
মৃগদ্বন্দেষু পশ্যন্তৌ স্যন্দনাবদ্ধদৃষ্টিষু।। ৪০।।
শ্ৰেণীবন্ধাদ্ বিতন্বদ্ভিৰস্তম্ভাং তোৰণস্ৰজম্।
সাৰসৈঃ কলনিহ্ৰাদৈঃ ক্বচিদুন্নমিতাননৌ। ৪১।।
পবনস্যানুকূলত্বাৎ প্ৰার্থনাসিদ্ধিশংসিনঃ
ৰজোভিস্তুৰগোৎকীর্নৈৰস্পৃষ্টালকবেষ্টনৌ।। ৪২।।
সৰসীষ্বৰবিন্দানাং বীচিবিক্ষোভশীতলম্।
আমোদমুপজিঘ্রন্তৌ স্বনিশ্বাসানুকাৰিণম্।। ৪৩।।
গ্ৰামেষ্বাত্মবিসৃষ্টেষু যূপচিহ্নেষু যজ্বনাম্।

মন্ত্রপুতঃ কাষ্ঠবিশেষ অমোঘাঃ প্রতিগৃহ্নতাবর্ঘ্যানুপদমাশিষঃ।। ৪৪।।

হৈয়ঙ্গবীন = ঘিউ হৈয়ঙ্গাবীনমাদায় ঘোষবৃদ্ধানুপস্থিতান্।
নামধেয়ানি পৃচ্ছন্তৌ বন্যানাং মার্গশাখিনাম্।। ৪৫।।

চিত্রা = এটি নক্ষত্র কাপ্যভিখ্যা তয়োৰাসীদ্ ব্রজতোঃ শুদ্ধবেষয়োঃ।
হিমনির্মুক্তয়োর্যোগে চিত্রাচন্দ্রমসোৰিব।। ৪৬।।
তত্তদ্ ভূমিপতিঃ পত্নৈ দর্শয়ন্ প্রিয়দর্শনঃ।
অপি লঙ্ঘিতমধ্বানং বুবুধে ন বুধোপমঃ।। ৪৭।।

সায়ং = সন্ধাকাল স দুষ্প্রাপযশাঃ প্রাপদাশ্রমং শ্রান্তবাহনঃ।
সায়ং সংযমিনস্তস্য মহর্ষের্মহিষীসখঃ।। ৪৮।।

৫.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ শ্লোক (৩১-৪৮)সমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

৩১) তস্য মগধবংশজা দাক্ষিণ্যৰূঢ়েন নাম্না অধ্বস্য দক্ষিণা ইব সুদক্ষিণা ইতি পত্নী আসীৎ।

৩২) মহতি অবৰোধে অপি বসুধাধিপঃ মনস্বিন্যা তয়া লক্ষ্ম্যা চ আত্মানং কলত্রবন্তং মেনে।

৩৩) সঃ আত্মানুৰূপায়াং তস্যাম্ আত্মজন্মসমুৎসুকঃ (সন্) বিলম্বিত ফলৈঃ মনোৰথৈঃ কালং নিনায়।

৩৪) তেন সন্তানার্থায় বিধয়ে স্বভূজাদবতাৰিতা জগতঃ গুর্বী ধূঃ সচিবেষু নিচিক্ষিপে।
স্বভূজাদৰতাৰিতা = স্বভূজাৎ + অৰতাৰিতা।

৩৫) অথ প্রমতৌ তৌ দম্পতী পুত্রকাম্যয়া বিধাতাৰং অভ্যর্চ্য গুৰোঃ বশিষ্ঠস্য আশ্রমং জগ্মতুঃ।

৩৬) স্নিগ্ধগম্ভীৰ নির্ঘোষমেকং স্যন্দনমাস্থিতৌ প্রাবৃষেণ্যং পয়োবাহং (অস্থিতৌ) বিদ্যুদৈৰাবতৌ ইব (স্থিতৌ) (তৌ জগ্মতুঃ ইতি পূর্বেন সম্বন্ধঃ)
স্নিগ্ধগম্ভীৰনিঘোর্ষমেকম্ = স্নিগ্ধগম্ভীৰনির্ঘোষং + একম্
স্যন্দনমাস্থিতৌ = স্যন্দনম্ + আস্থিতৌ

৩৭) আশ্রমপীড়া মা ভূৎ ইতি পৰিমেয়পুৰঃসৰৌ (তৌ), তু অনুভাববিশেষাৎ সেনাপৰিবৃতৌ ইব (স্থিতৌ)।

৩৮) মুখস্পর্শৈঃ শালনির্য্যাসগন্ধিভিঃ পুষ্পৰেণূৎকিৰৈঃ আধূতবনৰাজিভিঃ বাতৈঃ (তৌ) সেব্যমানৌ (আস্তাম্)।

৩৯) ৰথনেমিস্বনোন্মুখৈঃ শিখণ্ডিভিঃ দ্বিধা ভিন্নাঃ ষড়্জসংবাদিনীঃ মনোহভিৰামাঃ কেকাঃ শৃন্বন্তৌ।

৪০) অদূৰোজ্ঝিতবর্ত্মসু স্যন্দনাবদ্ধদৃষ্টিষু মৃগদ্বন্দ্বেষু পৰস্পৰাক্ষিসাদৃশ্যং পশ্যন্তৌ।

৪১) শ্রেণীবন্ধাৎ অস্তম্ভাং তোৰণস্রজম্ বিতন্বদ্ভিঃ কলনিহ্রাদৈঃ সাৰসৈঃ ক্বচিৎ উন্নমিতাননৌ।

৪২) প্রার্থনাসিদ্ধিশংসিনঃ পবনস্যানুকূলত্বাৎ তুৰগোৎকীর্নৈঃ ৰজোভিঃ অস্পৃষ্টালকবেষ্টনৌ। পবনম্যানুস্কলত্বাৎ = পবনস্য + অনুকূলত্বাৎ

৪৩) বীচিবিক্ষোভশীতলং স্বনিশ্বাসানুকাৰিণং সৰসীযু অৰবিন্দানাম্ আমোদম্ উপজিঘ্রন্তৌ।

৪৪) আত্মবিসৃষ্টেষু যূপচিহ্নেসু গ্রামেযু যজ্বনাম্ আশিষঃ অর্ঘ্যানুপদম্ প্রতিগৃহ্নন্তৌ।

৪৫) হৈয়ঙ্গবীনমাদায় উপস্থিতান্ ঘোষবৃদ্ধান্ বন্যানাং মার্গ-শাখিনাং নামধেয়ানি পৃচ্ছন্তৌ।

৪৬) ব্রজতোঃ শুদ্ধবেষয়োঃ তয়োঃ হিমনির্মুক্তয়ো চিত্রাচন্দ্রমসোঃ ইব যোগে কা অপি অভিখ্যা আসীৎ।

৪৭) বুধোপমঃ প্রিয়দর্শনঃ ভূমিপতিঃ তত্তৎ পত্ন্যৈঃ দর্শয়ন্ লঙ্ঘিতম্ অপি অধ্বানম্ ন বুবুধে। তত্তৎ = তদ্ + তদ্

৪৮) দুষ্প্রাপযশাঃ শ্রান্তবাহনঃ মহিষীসখঃ সঃ মায়ং সংযমিনঃ তস্য মহর্ষে আশ্রমং প্রাপৎ।

৫.৩.২ শ্লোকসমূহৰ শব্দার্থ

এতিয়া 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ শ্লোক (৩১-৪৮)ৰ শব্দৰ অর্থ পঢ়িবলৈ পাব।

৩১নং শ্লোক ঃ

তস্য = ৰাজ্ঞা দিলীপস্য (ৰজা দিলীপৰ) মগধবংশজা = মগধবংশে জাতা (মগধবংশত ওপজা) দাক্ষিণ্যৰূঢ়েন নাম্না = দাক্ষিণ্যাদিগুণেন লব্ধপ্রতিষ্ঠা (দাক্ষিণ্য আদি গুণেৰে প্রসিদ্ধ) অধ্বৰস্য = যজ্ঞস্য (যজ্ঞৰ) দক্ষিণা ইব = দক্ষিণাখ্যা পত্নী ইব (পত্নী দক্ষিণাৰ নিচিনা) সুদক্ষিণা ইতি (সুদক্ষিণা নামে) পত্নী = ভার্য্যা (পত্নী) আসীৎ= অভূৎ (আছিল)।

৩২নং শ্লোক ঃ

মহতি = অধিকে (অনেক) অবৰোধে অপি = অন্তঃ পুৰবর্গে অপি (সহধর্মিণী থাকিলেও) বসুধাধিপঃ = নৃপঃ (ৰজাই) মনস্বিন্যা = দৃঢ়চিত্তয়া (মনস্বিনী) তয়া = সুদক্ষিণয়া (সুদক্ষিণাৰে) লক্ষ্ম্যা চ = ৰাজ্যশ্রিয়াচ (আৰু ৰাজলক্ষ্মীৰে) আত্মানং = স্বং (নিজকে) কলত্রবন্তং = ভার্যাবন্তং (ভার্য্যাৰান্) মেনে = মন্যতে স্ম (জ্ঞান কৰিছিল)।

৩৩নং শ্লোক ঃ

সঃ = ৰাজা দিলীপঃ (তেওঁ অর্থাৎ ৰজা দিলীপে) আত্মানুৰূপায়াং = স্বসাদৃশায়াং (নিজৰ অনুৰূপ) তস্যাম্ = সুদক্ষিণায়াম্ (সুদক্ষিণাত) আত্মজন্মসমুৎসুকঃ = পুত্রলাভে উৎকণ্ঠিতঃ (পুত্রজন্মৰ আশাত উৎসুক হৈ) (সন্) বিলম্বিতফলৈঃ = বিলম্বিতং পুত্রপ্রাপ্তিৰূপং ফলৈঃ (পুত্রসন্তানপ্রাপ্তি ৰূপফলত বিলম্ব হোৱা) মনোৰথৈঃ = আশাভিঃ (আশাৰে) কালং = সময়ং (সময়) নিনায় = যাপয়ামাস (কটাইছিল)।

৩৪নং শ্লোক ঃ

তেন = ৰাজ্ঞা দিলীপেন (ৰজা দিলীপে) সন্তানার্থায় = পুত্রপ্রাপ্ত্যর্থং (পুত্র প্রাপ্তিৰ বাবে) বিধয়ে = অনুষ্ঠানায় (অনুষ্ঠান আদি কৰাৰ বাবে) স্বভূজাৎ = নিজবাহোঃ (নিজৰ বাহুযুগলৰ পৰা) অবতাৰিতা = অবৰোপিতা (আঁতৰাই) জগতঃ = সংসাৰস্য (জগতৰ) গুর্বী = গুৰুঃ (গধুৰ) ধূঃ ভাৰঃ (ভাৰ) সচিবেষু = মন্ত্রিষু (মন্ত্রীসকলক) নিচিক্ষিপে = নিহিতা (সমর্পণ কৰিলে)।

৩৫নং শ্লোক ঃ

অর্থ = অনন্তৰং (ইয়াৰ পিছত) প্রযতৌ = পূতৌ (শুদ্ধ হৈ) তৌ = সুদক্ষিণাদিলীপৌ (তেওঁলোক দুয়ো) দম্পতী = জায়াপতী (ৰাজদম্পতী) পুত্রকাম্যয়া = পুত্রেচ্ছয়া (পুত্রকামনা কৰি) বিধাতাৰম্ = ব্রহ্মাণং (বিধাতাক) অভ্যর্চ্য = সম্পূজ্য (অর্চনা কৰি) গুৰোঃ = কুলগুৰোঃ (কুলগুৰু) বশিষ্ঠস্য = মহর্ষেঃ (বশিষ্ঠৰ) আশ্রমং = বাসস্থানং (আশ্রমলৈ) জগ্মতুঃ = যযতুঃ (যাত্রা কৰিছিল)।

৩৬নং শ্লোক ঃ

স্নিগ্ধগম্ভীৰনির্ঘোষং = মধুৰঃ গভীৰঃ ধ্বনিযুক্তং (মধুৰ আৰু গম্ভীৰ ধ্বনিযুক্ত) একং স্যন্দনং = একং ৰথং (এখন ৰথত) অস্থিতৌ = আৰূঢ়ৌ (আৰোহন কৰি) প্রাবৃষেণ্যম্ = বর্ষাকালিনং (বর্ষাকালিন) পয়োবাহম্ = মেঘং (মেঘত) (আস্থিতৌ) বিদ্যুদৈৰাবতৌ ইব = তড়িত্মেঘৌ যথা (বিদ্যুৎ আৰু ঐৰাবতৰ নিচিনা) (স্থিতৌ তৌ জগ্মতুঃ)।

৩৭নং শ্লোক ঃ

আশ্রমপীড়া = আশ্রমবাসিজনস্য কষ্টং (আশ্রমত বাধা) মা ভূৎ = ন ভবতু (নহওক) ইতি = হেতোঃ (এই বিবেচনা কৰি) পৰিমেয়পুৰঃমৰৌ = পৰিমিতপৰিচালকৌ (কেইজনমান পৰিচাৰক লগত ল'লে), (তৌ) তু = কিন্তু (কিন্তু) অনুভাববিশেষা = প্রভাববিশেষাৎ (প্রভাৱবিশেষৰ বাবে) সেনাপৰিবৃতৌ = সৈন্যবেষ্টিতৌ (সেনাৰে আ�ৱত) ইব = যথা (যেন) (স্থিতৌ)।

৩৮নং শ্লোক ঃ

সুখস্পর্শৈঃ = সুখপ্রদস্পর্শৈঃ (সুখস্পর্শী) শালনির্য্যাসগন্ধিভিঃ = সর্জতৰুনিস্যন্দগন্ধবদ্ভিঃ (শালবৃক্ষৰ ৰসৰদ্বাৰা সুবাসিতঃ) পুষ্পৰেণূৎ কিৰৈঃ = পুষ্পপৰাগবিক্ষিপ্তৈঃ (পুষ্পৰেণুবিক্ষিপ্ত কৰা) আধূতবনৰাজিভিঃ = ইষৎকম্পিতৈঃ বনৰাজিভিঃ (বনৰাজিক সামান্য কঁপাই বোৱা) বাতৈঃ = পবনৈঃ (বায়ুয়ে) (তৌ) সেব্যমানৌ = পৰিচর্য্যমানৌ (সেৱা কৰিব ধৰিলে)।

৩৯নং শ্লোক ঃ

ৰথনেমিস্বনোন্মুখৈঃ = ৰথস্য চক্রপ্রান্তস্য নিনাদেন ঔর্ধানৈঃ = দ্বিধা = শুদ্ধবিকৃতভেদেন দ্বিপ্রকাৰাঃ (দুই প্রকাৰ - শুদ্ধ আৰু বিকৃতভেদেঃ) ভিন্নাঃ = ভেদমাপন্নাঃ (বিভক্ত) ষড়জসংবাদিনীঃ = ষড়্ভ্যঃ স্থানেভ্যঃ জাতা স্বৰসদৃশীঃ (ষড়জস্বৰৰ দৰে) মনোঽভিৰামাঃ

= মনসঃ প্ৰিয়াঃ (মনোৰম) কেকাঃ = ময়ুৰবাণ্যঃ (কেকাৰব) শৃন্বন্তৌ = আকৰ্ণয়ন্তৌ (শুনি শুনি) (তৌ জগ্মতুঃ)।

৪০নং শ্লোক ঃ

অদূৰোজ্ঝিতবৰ্ত্মসু = মাৰ্গং ত্যক্ত্বা সমীপে স্থিতাসু (বাট এৰি কাষত থিয় হৈ) স্যন্দনাবদ্ধদৃষ্টিমু = কৌতুকবশাদ্ ৰথাবদ্ধদৃষ্টিষু (ৰথৰ প্ৰতি আবদ্ধদৃষ্টি) মৃগদ্বন্দ্বেষু = হৰিণযুগলেষু (হৰিণযুগলত) পৰস্পৰাক্ষিসাদৃশ্যং = পৰস্পৰস্য নেত্ৰসাদৃশ্যং (পৰস্পৰৰ চকুৰ সাদৃশ্য) পশ্যন্তৌ = অবলোকয়ন্তৌ (চাই) (তৌ জগ্মতুঃ)।

৪১নং শ্লোক ঃ

শ্ৰেণীবন্ধাদ্ = পংক্তিবন্ধনাদ্ (শ্ৰেণীবদ্ধ হৈ) অস্তম্ভাং = আধাৰস্তম্ভৰহিতাং (স্তম্ভহীন) তোৰণস্ৰজং = বৰ্হিদ্বাৰমালাম (তোৰণমালা) বিতন্বদ্ভিঃ = কুৰ্বদ্ভিঃ (ৰচনা কৰি) কলনিহ্ৰাদৈঃ = অব্যক্ত মধুৰ ধ্বনিভিঃ (অস্পষ্ট মধুৰ শব্দ) সাৰসৈঃ = পক্ষিবিশেষৈঃ (সাৰসপক্ষিৰদ্বাৰা) ক্বচিৎ = কুত্ৰচিত স্থানে (কোনো কোনো ঠাইত) উন্নমিতমাননৌ = ঊৰ্ধ্বকৃতমুখৌ (ওপৰলৈ মূৰ তুলি) (তৌ জগ্মতুঃ)।

৪২নং শ্লোক ঃ

প্ৰাৰ্থনাসিদ্ধিশংসিনঃ = মনোৰথসিদ্ধিসূচকঃ (অভীষ্টসিদ্ধিসূচক) পবনস্য = বায়োঃ (বায়ু, বতাহ) অনুকুলত্বাত = অভিমুখত্বাত্ (অনুকূল হোৱা বাবে) তুৰগোৎকীৰ্ণৈঃ = অশ্বৈঃ উৎক্ষিপ্তৈঃ (ঘোঁৰাৰ খুৰাই উৰোৱা) ৰজোভিঃ = ধূলিভিঃ (ধূলিয়ে) অস্পৃষ্টালকবেষ্টনৌ = অসংস্পৃষ্টা-কুন্তলোষ্ণীষৌ(কুন্তল আৰু শিৰস্ত্ৰান স্পৰ্শ কৰিব নোৱাৰা)(তৌ জগ্মতুঃ)।

৪৩নং শ্লোক ঃ

বীচিবিক্ষোভশীতলং = ঊমিসঙ্ঘটনেন শীতলম্ (ঢৌৰ সম্পৰ্কত শীতল হোৱা) স্বনিশ্বাসানুকাৰিণম্ = স্বকীয়শ্বাসানুকাৰিণম্ (নিজৰ নিশ্বাসৰ অনুৰূপ) সৰসীষু = সৰঃসু (সৰোবৰসমূহত) অৰবিন্দানাম্ = কমলানাম্ (পদুম ফুলৰ) আমোদম্ = সুগন্ধিম্ (সুগন্ধ) উপজিঘ্ৰন্তৌ = ঘ্ৰাণেন গৃহ্ণন্তৌ (আঘ্ৰান লৈ) (তৌ জগ্মতুঃ)।

৪৪নং শ্লোক ঃ

আত্মবিসৃষ্টেসু = স্বদত্তেষু (নিজেই দান দিয়া) যূপচিহ্নেষু = যজ্ঞাৰ্থংসংস্কৃতদাৰুবিশেষেষু (যজ্ঞস্তম্ভচিহ্নিত) গ্ৰামেষু = সংবসথেষু (গাঁওবোৰত) যজ্বনাম্ = যাজকানাং (যাজ্ঞিকসকলৰ) অমোঘাঃ = সফলাঃ (অব্যৰ্থ) আশিষঃ = আশীবাদান্ (আশীৰ্বাদ) অৰ্ঘানুপদম্ = পূজাবিধেঃ অনন্তৰম্ (অৰ্ঘ্যগ্ৰহণৰ পিছত) প্ৰতিগৃহ্ণন্তৌ = স্বীকুৰ্বন্তৌ (স্বীকাৰ কৰি) (তৌ জগ্মতুঃ)।

৪৫নং শ্লোক ঃ

হৈয়ঙ্গবীনমাদায় = সদ্যোঘৃতং গৃহীত্বা (সদ্যপ্ৰস্তুত ঘিউ লৈ) উপস্থিতান্ = সমাগতান্ (উপস্থিত হোৱা) ঘোষবৃদ্ধান্ = আভীৰপল্ল্যাঃ বৃদ্ধজনাম্ (গোপবৃদ্ধসকলক) বন্যানাং = বন্যোদ্ভবানাং (বনৰীয়া) মাৰ্গশাখিনাম্ = মাৰ্গস্থিতানাং বৃক্ষানাং (পথৰ কাষৰ গছবিলাকৰ) = নামধেয়ানি = নামানি (নামসমূহ) পৃচ্ছন্তৌ = জিজ্ঞাসমানৌ (সুধি) (তৌ জগ্মতুঃ)।

৪৬নং শ্লোক ঃ

ব্রজতোঃ = গচ্ছতোঃ (যোৱা) শুদ্ধবেষয়োঃ = উজ্জ্বলনেপথ্যয়োঃ (শুদ্ধবেশেৰে) তয়োঃ = সুদক্ষিণাদিলীপয়োঃ (দুয়োৰে) হিমনির্মুক্তয়োঃ = তুষাৰবির্নিমুক্তয়োঃ (হিমমুক্ত) চিত্রাচন্দ্রমসোঃ = চিত্রানক্ষত্রস্য পূর্ণচন্দ্রস্যচেতি (চিত্রানক্ষত্র আৰু চন্দ্রৰ) ইব = যথা (নিচিনা) যোগে = সঙ্গতৌ (সংযোগত) কা অপি = অনির্বচনীয়া (অনির্বচনীয়, অপূর্ব) অভিখ্যা = শোভা (শোভা) আসীৎ = অভবৎ (হৈছিল)।

৪৭নং শ্লোক ঃ

বুধোপমঃ = বুধসদৃশঃ (বুধৰ নিচিনা) প্রিয়দর্শনঃ = দর্শনীয় (প্রিয়দর্শন) ভূমিপতিঃ = ৰাজা দিলীপঃ (ৰজাই) তত্তৎ = অদ্ভুতং দর্শনীয়ং বস্তুং (ইটো সিটো দর্শনীয় বস্তু) পত্ন্যৈ = ভার্য্যায়ৈ (পত্নীক) দর্শয়ন্ = সন্দর্শয়ন্ (দেখু�ৰাই) লঙিঘতমপি = অতিক্রান্তমপি (অতিক্রম কৰিলেও) অধ্বানম্ = মার্গম্ (পথ) ন = নহি বুবুধে = জ্ঞাতবান্ (গম নাপালে)।

৪৮নং শ্লোক ঃ

দুষ্প্রাপযশাঃ = অন্যাদুর্লভকীর্তিঃ (দুর্লভ যশৰ অধিকাৰী) শ্রান্তবাহনঃ = দূৰোপ গমনাৎ ক্লান্তঃ অশ্বঃ যস্য সঃ (যাৰ বাহনসমূহ (অশ্ব) পৰিশ্রান্ত হৈছিল) মহিষীসখঃ = মহিষ্যাঃসখা (মহিষীৰ সৈতে) সঃ = ৰাজা দিলীপ (তেওঁ) সায়ং = সায়ঙ্কালে (সন্ধ্যা সময়ত) সংযমিনঃ = নিয়মতেঃ (সংযমী) তস্য = মহর্ষেঃ বশিষ্ঠস্য (তেওঁৰ) আশ্রমং = আবাসং (আশ্রম) প্রাপৎ = প্রাপ (পালে, উপস্থিত হ'লগৈ)।



জানি থোৱা ভাল

৩১নং শ্লোক ঃ

দক্ষিণা = যজ্ঞৰ শেষত ব্রাহ্মণক যি অর্থ প্রদান কৰা হয় তাকেই দক্ষিণা বোলে। বেদত দক্ষিণাক যজ্ঞৰ পত্নীৰূপে উল্লেখ কৰা হৈছে। বিভিন্ন পুৰাণত প্রজাপতিৰ কন্যাৰূপেও দক্ষিণাৰ উল্লেখ আছে।

৩৬নং শ্লোক ঃ

ঐৰাবত = মেঘৰ ওপৰৰ স্তৰৰ যি মেঘ তাকেই 'ঐৰাবত' বোলে। ইন্দ্রৰ হাতীৰূপে যি ঐৰাবতৰ প্রসিদ্ধি আছে সেয়া আচলতে মেঘত বাদে অন্য একো নহয়। ঋগ্বেদ আদিত ইন্দ্রক জলবর্ষণকাৰী হিচাপে বর্ণনা কৰা হৈছে। মেঘ সঞ্চালন কৰি পৃথিৰীত জলবর্ষণ কৰে। সেয়েহে ইন্দ্রৰ বাহন ঐৰাবত, অর্থাৎ মেঘ। বিদ্যুৎ মেঘৰ কান্তা বুলি প্রসিদ্ধি আছে। সেয়েহে বিদ্যুতৰ অন্য এটি নাম ঐৰাবতী।

৩৯নং শ্লোক ঃ

ষড়্জ = তন্ত্রী আৰু কণ্ঠৰ পৰা উত্থিত স্বৰবিশেষক 'ষড়্জ' বোলে। নাক, কণ্ঠ, বক্ষ, তালু, জিহ্বা আৰু দন্ত —এই ছয় স্থানক স্পর্শ কৰি নির্গত হয় বাবে ইয়াৰ নাম 'ষড়্জ'

(মল্লিনাথ)। সপ্তস্বৰৰ প্ৰথম স্বৰ হ'ল ষড়্জ। সপ্তস্বৰৰ নামকেইটি হ'ল— ষড়্জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত আৰু নিষাদ যাক চমুকৈ সা, ৰে, গা, মা, পা, ধা, নি বুলি জনা যায়। ভাৰতীয় সঙ্গীত শাস্ত্ৰকাৰসকলৰ মতে এই স্বৰসমূহত প্ৰকৃতিৰ পৰা আহৰণ কৰা হৈছে। ময়ূৰৰ ষড়্জ, স্বৰ, চাতকৰ ঋষভ, অজাৰ গান্ধাৰ, ক্ৰৌঞ্চৰ মধ্যম, কোকিলৰ পঞ্চম, ভেকুলী ধৈৱত, হস্তীৰ নিষাদ।

দ্বিধা = মল্লিনাথৰ মতে শুদ্ধ আৰু বিস্তৃত অথবা চ্যুত আৰু অচ্যুতভেদে ষড়্জস্বৰ দুই প্ৰকাৰৰ। অন্য এগৰাকী টীকাকাৰ নাৰায়ণৰ মতে স্নিগ্ধ আৰু দীপ্তভেদে দুই প্ৰকাৰ। কোনো কোনো ব্যাখ্যাকৰ্তাই স্ত্ৰী-পুৰুষভেদে দুই প্ৰকাৰ স্বৰৰ কথাও কৈছে।

৪৫নং শ্লোক ঃ

৩৮নং শ্লোকৰ পৰা ৪৫নং শ্লোকলৈকে একে ক্ৰিয়াৰ লগত অন্বিত হোৱা বাবে 'কুলক' হৈছে। এই সম্পৰ্কে দ্বিতীয় অধ্যায়ত বৰ্ণনা কৰা হৈছে।

৫.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ শ্লোকৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

৩১) যজ্ঞৰ পত্নী দক্ষিণাৰ নিচিনা, তেওঁৰ (দিলীপৰ) দাক্ষিণ্যাদি গুণৰ বাবে প্ৰসিদ্ধ মগধ্বংশোদ্ভূতা সুদক্ষিণা নামে পত্নী আছিল।

৩২) বহু পত্নী থকা সত্ত্বেও পৃথিৱীপতিয়ে (দিলীপে) সেই মনস্বিনী (সুদক্ষিণা) আৰু ৰাজলক্ষ্মীৰ দ্বাৰা নিজকে ভাৰ্য্যাৱান্ বুলি গণ্য কৰিছিল।

৩৩) নিজৰ অনুৰূপিনী পত্নীত পুত্ৰৰূপে আত্মজন্মৰ আশাত উৎসুক হৈ বিলম্বিতফল-মনোৰথেৰেই কাল কটাইছিল।

৩৪) তেওঁ সন্তানপ্ৰাপ্তিৰ বাবে বৈধ কৰ্মানুষ্ঠানৰ বাবে জগতৰ গুৰুভাৰ নিজৰ পৰা মন্ত্ৰীসকলত অৰ্পণ কৰিলে।

৩৫) তাৰ পিছত সেই দম্পতীয়ে পুত্ৰপ্ৰাপ্তিৰ কামনাৰে শুদ্ধ হৈ বিধাতাৰ পূজা অৰ্চনা কৰি গুৰু বশিষ্ঠৰ আশ্ৰমলৈ গ'ল।

৩৬) মধুৰ আৰু গম্ভীৰ শব্দ কৰা একেখন ৰথত উঠি তেওঁলোক দুয়োজনে বৰ্ষাকালীন (মধুৰ আৰু গভীৰ ধ্বনিযুক্ত) মেঘত অৱস্থান কৰা বিদ্যুৎ আৰু ঐৰাবতৰ দৰে শোভা পালে।

৩৭) আশ্ৰমৰ শান্তিভঙ্গ নহওক এই বিবেচনা কৰি কেইজনমান অনুচৰৰ সৈতে যোৱা সত্ত্বেও প্ৰতাপ আৰু তেজস্বিতাৰ বাবে তেওঁলোকক সৈন্যৰে আবৃত যেন দেখাইছিল।

৩৮) মুখস্পৰ্শী, শালগছৰ নিৰ্য্যাসৰ গোন্ধেৰে আমোদিত, পুষ্পৰেণু বিক্ষেপকাৰী আৰু বনৰাজিক সামান্য কঁপাই থৈ যোৱা বায়ুয়ে তেওঁলোক দুয়োৰে সেৱা কৰিলে।

৩৯) তেওঁলোক দুয়োয়ে ৰথৰ চকাৰ শব্দত উন্মুখ হৈ পৰা ময়ূৰবিলাকৰ দ্বিধাবিভক্ত ষড়জস্বৰৰ দৰে মনোৰম কেকাধ্বনি শুনিবলৈ ধৰিলে।

৪০) পথৰ অনতিদূৰত থিয় হৈ ৰথৰ ফালে চাই থকা হৰিণযুটিৰ চকুত তেওঁলোক দুয়োয়েই পৰস্পৰৰ চকুৰ সাদৃশ্য চাব ধৰিলে।

৪১) অস্পষ্ট মধুৰ শব্দ কৰি, স্তম্ভহীনতোৰণমালৰে দৰে শাৰী পাতি উৰি যোৱা সাৰসপক্ষীবোৰলৈ মূৰ তুলি চাবলৈ ধৰিলে।

৪২) অভীষ্টসিদ্ধিসূচক অনুকূল বায়ু প্ৰৱাহিত হোৱাত ঘোঁৰাৰ খুৰাৰ আঘাতত উঠা ধূলিয়ে তেওঁলোকৰ কুন্তল আৰু শিৰস্ত্ৰান স্পৰ্শ কৰিব নোৱাৰিলে।

৪৩) তেওঁলোকে সৰোবৰবিলাকৰ টোৰ স্পৰ্শত শীতল হোৱা আৰু নিজ নিজ নিঃশ্বাসৰ অনুকাৰিণী পদুমফুলৰ গোন্ধ আঘ্ৰাণ কৰিবলৈ ধৰিলে।

৪৪) নিজেই দান কৰা যজ্ঞস্তম্ভেৰে চিহ্নিত গাঁওবোৰত যাজ্ঞিকসকলে অৰ্ঘ্যগ্ৰহণ কৰাৰ পিছত তেওঁলোকৰ অব্যৰ্থ আশীৰ্বাদ গ্ৰহণ কৰিব ধৰিলে।

৪৫) সদ্যপ্ৰস্তুত ঘিউ লৈ উপস্থিত হোৱা গোপবৃদ্ধসকলক পথৰ কামত গজি উঠা বনৰীয়া গছসমূহৰ নাম সুধিবলৈ আৰম্ভ কৰিলে।

৪৬) হিমমুক্ত চিত্ৰা আৰু চন্দ্ৰৰ সংযোগত যি শোভা হয়, শুদ্ধ বেশত প্ৰস্থান কৰা তেওঁলোক দুয়োজনৰো একেলগে তেনে এক অনিৰ্বচনীয় শোভাই হৈছিল।

৪৭) স্বয়ং বুধৰ দৰে প্ৰিয়দৰ্শন সেই ৰজাই পত্নী সুদক্ষিণাক সেইসকলো ৰম্য বস্তু দেখুৱাই যাওঁতে কিমান দূৰ বাট অতিক্ৰম কৰিলে গমেই নাপালে।

৪৮) অসাধাৰণ যশস্বী মহাৰাজ দিলীপে ক্লান্ত হৈ পৰা বাহনসমূহ আৰু মহিষীৰে সৈতে সন্ধ্যাসময়ত সংযমী মহৰ্ষি বশিষ্ঠৰ আশ্ৰমত উপস্থিত হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সুদক্ষিণা কোন বংশত জন্মিছিল?

.....

প্ৰশ্ন নং ২ ঃ 'কলত্ৰম্' শব্দটিৰ প্ৰতিশব্দ লিখক।

.....

প্ৰশ্ন নং ৩ ঃ ঐৰাবত মানে কি?

.....

প্ৰশ্ন নং ৪ ঃ 'যূপ' কাক বোলে?

.....

প্ৰশ্ন নং ৫ ঃ ৰজা দিলীপৰ লগত আশ্ৰমলৈ কোন গৈছিল?

.....

৫.৪ ব্যাকৰণগত টোকা

৩১নং শ্লোক ঃ

ব্যুৎপত্তি—

দাক্ষিণ্যৰূঢ়েন = দক্ষিণস্য ভাব ইতি দক্ষিণ + ষ্যঞ = দাক্ষিণ্যম্। ৰুহ্ + ক্ত = ৰূঢ়ম্, তেন

বিভক্তি নির্ণয়—

নাম্না = উপলক্ষনৈ তৃতীয়া

অধ্ৱৰস্য = সম্বন্ধে ষষ্ঠী

সমাস—

দাক্ষিণ্যৰূঢ়েন = দাক্ষিণ্যেন ৰূঢ়ম্ (তৃতীয়া তৎপুৰুষ), তেন

৩২নং শ্লোক ঃ

ব্যুৎপত্তি—

কলত্রবন্তম্ = কলত্রমস্যাস্তীতি কলত্র + মতুপ্। দ্বিতীয়া একবচন

অবৰোধে = অব - ৰুধ্ + ঘঞ্, সপ্তমী একবচন

মেনে = মন্ + লিট্ এ

মনস্বিন্যা = প্রশস্তং মনঃ অস্যা অস্তীতি মনস্ + বিন্ + ঙীপ্ = মনস্বিনী, তৃতীয়াৰ একবচন

বিভক্তি নির্ণয়—

অবৰোধে = ভাবে সপ্তমী

তয়া = কৰণে তৃতীয়া

লক্ষ্ম্যা = কৰণে তৃতীয়া

সমাস—

বসুধাধিপঃ = বসুধায়াঃ অধিপঃ (ষষ্ঠী তৎপুৰুষ)

৩৩নং শ্লোক ঃ

ব্যুৎপত্তি—

নিনায় = √নী - লিট্ ণল্।

বিভক্তি নির্ণয়—

তস্যাম্ = অধিকৰনে সপ্তমী

মনোৰথৈঃ = সহযোগে তৃতীয়া, ইয়াত সহার্থক শব্দ উহ্য থাকিলেও তাৰ অর্থ প্রকাশিত হোৱাত 'বিনাপি তদ্‌যোগং তৃতীয়া বৃদ্ধো মূনা ইতি নির্দেশাৎ' এই নিয়ম অনুসৰি সহার্থে তৃতীয়া হৈছে।

সমাস—

আত্মানুৰূপায়াম্ = অনুগতংৰূপং যস্যাঃ সা অনুৰূপা (বহুব্রীহি), আত্মনঃ অনুৰূপা (ষষ্ঠী তৎপুৰুষ), তস্যাম্

আত্মজন্মসমুৎসুকঃ = আত্মনঃ জন্ম যস্য সঃ আত্মজন্মা (বহুব্রীহি), তস্মিন্ সমুৎসুকঃ (সপ্তমী তৎপুৰুষ)

বিলম্বিতফলৈঃ = বিলম্বিতং ফলং যেষাং তৈঃ (বহুব্রীহি)

৩৪নং শ্লোক ঃ

ব্যুৎপত্তি—

জগতঃ = গম্ + ক্বিপ্ = জগৎ, ষষ্ঠী একবচন

বিধয়ে = বি - ধা + কি, তস্মৈ

অবতাৰিতা = অব - তৃ + ণিচ্ + ক্ত (কর্মণি)

গুর্বী = গুৰু + ঙীপ্

নিচিক্ষিপে = নি - ক্ষিপ্ + লিট্ এ (কর্মণি)

বিভক্তি নির্ণয়—

সন্তানার্থায় = তাদ্যর্থে চতুর্থী

বিধয়ে = তাদ্যর্থে চতুর্থী

স্বভুজাৎ = অপাদানে পঞ্চমী

ধূঃ = উক্তে কর্মণি প্রথমা

সচিবেষু = অধিকৰণে সপ্তমী

সমাস—

সন্তানার্থায় = সন্তানঃ অর্থঃ যস্য (বহুব্রীহি), তস্মৈ

স্বভুজাৎ = স্বস্য ভুজঃ (পঞ্চমী তৎপুৰুষ) তস্মাৎ

৩৫নং শ্লোক ঃ

ব্যুৎপত্তি—

অভ্যর্চ্য = অভি - √অর্চ্চ + ল্যপ্

বিধাতাৰম্ = বি - √ধা + তৃচ্, দ্বিতীয়া একবচন

পুত্রকাম্যয়া = আত্মনঃ পুত্রং কাময়তীতি পুত্র + কাম্যচ্ + অ + টাপ্ (স্ত্রিয়াম্), তয়া

জগ্মতুঃ = √গম্ + লিট্ অতুস্

বিভক্তি নির্ণয়—

পুত্রকাম্যয়া = হেতৌ তৃতীয়া

বশিষ্ঠস্য = শেষে ষষ্ঠী

গুৰোঃ = শেষে ষষ্ঠী

আশ্রমম্ = অধিকৰণে দ্বিতীয়া

সমাস—

প্রযতৌ = প্রকর্ষেণ যতৌ (প্রাদি তৎপুৰুষ)

দম্পতী = জায়া চ পতিশ্চ (দ্বন্দ্ব)

৩৬নং শ্লোক ঃ

ব্যুৎপত্তি—

স্যন্দনম্ = স্যন্দতে ইতি স্যন্দ + যুচ্

আস্থিতৌ = আ - √স্থা + ক্ত (কর্তৰি)

প্রাবৃষেণ্যম্ = প্র - √বৃষ্ + ক্বিপ্ = প্রাবৃট, প্রাবৃষ + এন্যঃ = প্রাবৃষেণ্যঃ, তম্

পয়োবাহম্ = পয়স - বহ্ + 'অন্'

বিদ্যু = বি - √দ্যুৎ + ক্বিপ্

ঐৰাবত = ইৰা (উদকানি) অস্মিন সন্তীতি ইৰা + মতুপ্ = ইৰাবান্, তস্মিন ভব ইতি ইৰাবৎ + অন্ = ঐৰাবতঃ

বিভক্তি নির্ণয়—

স্যন্দনম্ = কর্মণি দ্বিতীয়া

সমাস—

স্নিগ্ধ গম্ভীৰ নির্ঘোষম্ = স্নিগ্ধশ্চাসৌ গম্ভীৰশ্চ (কর্মধাৰয়), স্নিগ্ধগম্ভীৰঃ নির্ঘোষ যস্য সঃ (বহুব্রীহি) তম্

পয়োবাহম্ = পয়াংসি বহতি যঃ তম্ (উপপদ তৎপুৰুষ)

বিদ্যুদৈৰাবতৌ = বিদ্যুচ্চ ঐৰাবতশ্চ (দ্বন্দ্ব)

৩৭নং শ্লোক ঃ

ব্যুৎপত্তি—

অভূৎ = √ভূ + লুঙ্দ 'ন মাঙিযোগে' সূত্রানুযায়ী 'অভূৎ'ৰ অকাৰ লোপ হৈছে।

বিভক্তি নির্ণয়—

অনুভাববিশেষাৎ = হেতৌ পঞ্চমী

সমাস—

আশ্রমপীড়া = আশ্রমস্য পীড়া (ষষ্ঠী তৎপুৰুষ)

পৰিমেয়পুৰঃ সৰৌ = পৰিমেয়াঃ পুৰঃ সৰাঃ যয়োঃ, তৌ (বহুব্রীহি)

পৰিমাতুং শক্যাঃ ইতি পৰি - মা + যৎ কর্মণি = পৰিমেয়াঃ। পুৰঃ সৰন্তি যে (উপপদ তৎপুৰুষ)

অনুভাববিশেষাৎ = অনুভাবাস্য বিশেষঃ (ষষ্ঠী তৎপুৰুষ) তস্মাৎ। অনুগতঃ ভাবঃ = অনুভাবঃ (প্রাদি তৎপুৰুষ)

সেনাপৰিবৃতৌ = সেনয়া পৰিবৃতৌ (তৃতীয়া তৎপুৰুষ)

৩৮নং শ্লোক ঃ

ব্যুৎপত্তি—

সেব্যমানৌ = সেব্ + শানচ্ কর্মণি

উৎকিৰন্তি = উৎ - √কৃ + ক - 'ইগুপধজ্ঞপ্রীকিৰঃ কঃ' — সূত্রানুসাৰে ক প্রত্যয়।

বিভক্তি নির্ণয়—

বাতৈঃ = অনুক্তে কর্তৰি তৃতীয়া

সমাস—

সুখস্পর্শৈঃ = সুখঃ স্পর্শঃ যেষাং তৈঃ (বহুব্রীহি)

শালনির্য্যাসগন্ধিভিঃ = শালানাং নির্য্যাসঃ (ষষ্ঠী তৎপুৰুষ), তস্য গন্ধঃ (ষষ্ঠী তৎপুৰুষ), শালনির্য্যাসগন্ধঃ বিদ্যতে যেষাং তৈঃ (বহুব্রীহি)

পুষ্পৰেণূৎকিৰৈঃ = পুষ্পানাং ৰেণবঃ (ষষ্ঠী তৎপুৰুষ), তেষাম্ উৎকিৰাঃ। (ষষ্ঠী তৎপুৰুষ), তৈঃ

আধূতবনৰাজিভিঃ = আ ধূতাঃ (সূপ্সুপা), বনানাং ৰাজয়ঃ (ষষ্ঠী তৎপুৰুষ), আধূতাঃ বনৰাজয়ঃ যৈস্তৈঃ (বহুব্রীহি)

৩৯নং শ্লোক ঃ

ব্যুৎপত্তি—

অভিৰামঃ = অভি - √ৰম্ + ঘঞ্, অধিকৰণে = অভিৰামঃ

শৃন্বন্তৌ = √শ্রু + শতৃ, প্রথমা দ্বিবচন

ভিন্নাঃ = √ভিদ্ + ক্ত, স্ত্রীলিঙ্গ প্রথমা বহুবচন

ষড়্জঃ = ষট্ + জন্ + ড

বিভক্তি নির্ণয়—

শিখণ্ডিভিঃ = অনুক্তে কর্তৰি তৃতীয়া

সমাস—

মনোঽভিৰামাঃ = মনসঃ অভিৰামাঃ (ষষ্ঠী তৎপুৰুষ)

ৰথনেমিস্বনোন্মুখৈঃ = ৰথস্য নেমী (ষষ্ঠী তৎপুৰুষ), তয়োঃ স্বনঃ (ষষ্ঠী তৎপুৰুষ), উৎ (উন্নমিতং) মুখং যেষাং তে উন্মুখাঃ (বহুব্রীহি), ৰথনেমিস্বনেন উন্মুখাঃ (তৃতীয়া তৎপুৰুষ)

ষড়্জসংবাদিনীঃ = ষড়্জং সংবদিতুং শীলং যাসাং তাঃ (বহুব্রীহি)

৪০নং শ্লোক ঃ

ব্যুৎপত্তি—

পশ্যন্তৌ = দৃশ্ + শতৃ, প্রথমাৰ দ্বিবচন

বিভক্তি নির্ণয়—

মৃগদ্বন্দ্বেষু = অধিকৰণে সপ্তমী

সমাস—

পৰস্পৰাক্ষিসাদৃশ্যম্ = অক্ষ্ণোঃ সাদৃশ্যম্ (ষষ্ঠী তৎপুৰুষ), পৰস্পৰম্ অক্ষিসাদৃশ্যম্ (কর্মধাৰয়)

অদূৰোজ্ঝিতবর্ত্মসু = ন দূৰম্ (নঞ্ তৎপুৰুষ), অদূৰং যথা তথা উজ্ঝিতং বর্ত্ম যৈস্তোষু (বহুব্রীহি) তেষু।

স্যন্দনাবদ্ধদৃষ্টিসু = স্যন্দনে আবদ্ধা দৃষ্টির্যেষাং (বহুব্রীহি) তেষু।

৪১নং শ্লোক ঃ

ব্যুৎপত্তি—

বিতন্বদ্ভিঃ = √তন্ (বিস্তাৰে) + শতৃ, তৃতীয়া বহুবচন

নিহ্লাদ্ঃ = নিৰ্ - √হ্লাদ্ +ঘঞ্

উন্নমিতঃ = উৎ - নম্ +ক্ত

বিভক্তি নির্ণয়—

শ্রেণীবন্ধ্যাৎ = হেতৌ পঞ্চমী

সাৰৈণেসঃ = কৰণে তৃতীয়া

সমাস—

শ্রেণীবন্ধ্যাৎ = শ্রেণ্যা বন্ধঃ (তৃতীয়া তৎপুৰুষ) তস্মাৎ

অস্তম্ভাম্ - ন বিদ্যতে স্তম্ভঃ যস্যাঃ সা (বহুব্রীহি), তাম্

কলনির্হ্লাদৈঃ = কলঃ নিহ্লাদঃ যেষাং তৈঃ (বহুব্রীহি)

উন্নমিতাননৌ = উন্নমিতে আননে যয়োঃ (বহুব্রীহি) তৌ

৪২নং শ্লোক ঃ

ব্যুৎপত্তি—

পবনঃ = পুনাতীতি পূ + যুচ্

বিভক্তি নির্ণয়—

পবনস্য = শেষে ষষ্ঠী

অনুকূলত্বাত্ = হেতৌ পঞ্চমী

ৰজোভিঃ = অনুক্তে কর্তৰি তৃতীয়া

সমাস—

প্রার্থনাসিদ্ধিশংসিনঃ = প্রার্থনায়াঃ সিদ্ধিঃ (ষষ্ঠী তৎপুৰুষ) তাং শংসিতুং শীলমস্য ইতি (উপপদ সমাস)। প্রার্থনাসিদ্ধি + শংস + ণিনি, ষষ্ঠী একবচন

তুৰগোৎকীর্নৈঃ = তুৰগৈঃ উৎকীর্ণাঃ (তৃতীয়া তৎপুৰুষ) তৈঃ।

অস্পৃষ্টালকবেষ্টনৌ = অলকাশ্চ বেষ্টনঞ্চ (দ্বন্দ্ব), ন স্পৃষ্টানি (নঞ্ তৎপুৰুষ) অস্পৃষ্টানি অলকবেষ্টনানি যয়োঃ তৌ (বহুব্রীহি)

৪৩নং শ্লোক ঃ

ব্যুৎপত্তি—

আমোদম্ = আ - √মুদ্ + ণিচ্ + অচ্

উপজিঘ্রন্তৌ = উপ - √ঘ্রা + শতৃ। প্রথমা দ্বিবচন।

বিভক্তি নির্ণয়—

সৰসীষু = অধিকৰণে সপ্তমী

আমোদম্ = কর্মণি দ্বিতীয়া

অৰবিন্দানাম্ = শেষে ষষ্ঠী

সমাস—

বীচিবিক্ষোভশীতলম্ = বীচীনাং বিক্ষোভঃ (ষষ্ঠী তৎপুৰুষ), তেন শীতলম্ (তৃতীয়া তৎপুৰুষ)

স্বনিশ্বাসানুকাৰিনম্ = স্বস্য নিশ্বাসঃ (ষষ্ঠী তৎপুৰুষ)। তম্ অনুকৰোতি সঃ তম্ (উপপদ তৎপুৰুষ)। স্বনিঃশ্বাস = অনু - √কৃ + ণিনি, দ্বিতীয়া একবচন।

৪৪নং শ্লোক ঃ

ব্যুৎপত্তি—

যজ্বনাম্ = √যজ্ + ঙ্বনিপ্ যজ্বা, কর্তৰি ষষ্ঠী

প্রতিগৃহ্ণন্তৌ = প্রতি - √গ্রহ্ + শতৃ + প্রথমা দ্বিবচন

আশিষঃ = আ - √শাস + ক্বিপ্।

বিভক্তি নির্ণয়—

গ্রামেষু = অধিকৰণে সপ্তমী

যজ্বনাম্ = কর্তৰি ষষ্ঠী

আশিষঃ = কর্মণি দ্বিতীয়া

সমাস—

আত্মবিসৃষ্টৈষু = আত্মনা বিসৃষ্টঃ (তৃতীয়া তৎপুৰুষ) তেষু।

যূপচিহ্নেষু = যূপা এব চিহ্নানি যেষাং তেষু (বহুব্রীহি)

অমোঘাঃ = ন মোঘাঃ (নঞ্ তৎপুৰুষ)

অর্ঘ্যানুপদম্ = পদস্য পশ্চাৎ ইতি অনুপদম্ (অব্যযী ভাব) অর্ঘস্য অনুপদম্ (ষষ্ঠী তৎপুৰুষ)

৪৫নং শ্লোক ঃ

ব্যুৎপত্তি—

আদায় = আ - √দা + ল্যপ্

উপস্থিতান্ = উপ - √স্থা + ক্ত (কর্তৰি)

পৃচ্ছন্তৌ = প্রচ্ছ্ + শতৃ প্রথমা দ্বিবচন

বন্যানাম্ = বনে ভব ইতি বন্ + যৎ, ষষ্ঠী বহুবচন

বিভক্তি নির্ণয়—

ঘোষবৃদ্ধান্ = গৌণে কর্মণি দ্বিতীয়া

নামধেয়ানি = মুখ্য কর্মণি দ্বিতীয়া

সমাস—

ঘোষবৃদ্ধান্ = ঘোষেসু বৃদ্ধাঃ (সপ্তমী তৎপুরুষ) তান্।

মার্গশাখিনাম্ = শাখাঃ সন্তি এষামিতি শাখা + ইনি = শাখিন্

মার্গস্থিতাঃ শাখিনঃ (শাকপার্থিবাদিবৎ কর্মধারয়) তেষাম্

৪৬নং শ্লোক ঃ

ব্যুৎপত্তি—

অভিখ্যা = অভি - √খ্যা + অঙ্

ব্রজতোঃ = √ব্রজ্ + শতৃ ষষ্ঠী দ্বিবচন

বিভক্তি নির্ণয়—

যোগে = ভাবে সপ্তমী

চিত্রাচন্দ্রমসোঃ = শেষে ষষ্ঠী

সমাস—

শুদ্ধবেষয়োঃ = শুদ্ধঃ বেষঃ যয়োঃ (বহুব্রীহি) তয়োঃ

হিমনির্মুক্তয়োঃ = হিমেন নির্মুক্তৌ (তৃতীয়া তৎপুরুষ) তয়োঃ

চিত্রাচন্দ্রমসোঃ = চিত্র চ চন্দ্রমাশ্চ ইতি চিত্রাচন্দ্রমসৌ (দ্বন্দ্ব) তয়োঃ

৪৭নং শ্লোক ঃ

ব্যুৎপত্তি—

দর্শয়ন্ = দৃশ্ + নিচ্ + শতৃ প্রথমা একবচন

লঙ্ঘিতম্ = লঙ্ঘ্ + ক্ত

বুবুধে = √বুধ + লিট্ এ

বিভক্তি নির্ণয়—

পত্ত্যৈ = 'ক্রিয়ার্থোপপদস্য চ কর্মণি স্থানিনঃ' সূত্রানুসারে চতুর্থী বিভক্তি

অধ্বানম্ = কর্মণি দ্বিতীয়া

সমাস—

ভূমিপতিঃ = ভূম্যাঃ পতিঃ (ষষ্ঠী তৎপুরুষ)

প্রিয়দর্শনঃ = প্রিয়ং দর্শনং যস্য সঃ (বহুব্রীহি)

বুধোপমঃ = বুধঃ উপমা যস্য সঃ (বহুব্রীহি)

৪৮নং শ্লোক ঃ

ব্যুৎপত্তি—

দুষ্প্রাপ = দুঃখেন প্রাপ্যতে ইতি দুস্ - প্র - আপ্ + খল

প্রাপত্ = প্র - আপ্ + লুঙ্ দ্

আশ্রমঃ = আ - শ্রম্ + ঘঞ্ (অধিকৰণে)

বিভক্তি নির্ণয়—

আশ্রমম্ = অধিকৰণে দ্বিতীয়া

মহর্ষেঃ = শেষে ষষ্ঠী

সমাস—

দুষ্প্রাপযশাঃ = দুষ্প্রাপং যশো যস্য সঃ (বহুব্রীহি)

আশ্রমম্ = আ (সমন্তাৎ) শ্রমঃ যত্র তৎ (বহুব্রীহি)

শ্রান্তবাহনঃ = শ্রান্তানি বাহনানি যস্য সঃ (বহুব্রীহি)

সংর্য্যমিনঃ = সম্ যম্ + অচ্ (কর্তৰি) = সংযম, সংযমাঃ

বিদ্যন্তে অস্য ইতি সংযম ইনি সংযমিন্, ষষ্ঠী একবচন

মহর্ষেঃ = মহাংশ্চসৌ ঋষিশ্চ (কর্মধাৰয়), তস্য

মহিষীসখঃ = মহিষ্যাঃ সখা (ষষ্ঠী তৎপুৰুষ)। ৰাজাহঃসখিভ্যষ্টচ্' সূত্রানুসাৰে সমাসান্ত চ্ প্রত্যয়ত শব্দটো অকাৰান্ত হৈছে। বহুব্রীহি সমাস হ'লে পদটো হ'লহেঁতেন - মহিষীসখা।

৫.৫ প্রথমসর্গৰ (৩১-৪৮) কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

এতিয়া আপুনি ৰঘুবংশম্ মহাকাব্যৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা পঢ়িবলৈ পাব।

১) হিমনির্মুক্তয়োর্যোগে চিত্রাচন্দ্রমসোৰিব।

ৰজা দিলীপ আৰু ৰাণী সুদক্ষিণা একেখন ৰথত আৰোহণ কৰি শুদ্ধচিত্ত আৰু পৰিত্র বেশেৰে বশিষ্ঠৰ আশ্রমলৈ গমন কৰিছিল। একেলগে ৰথত অৱস্থান কৰা ৰাজদম্পতীক চিত্রা আৰু চন্দ্রৰ লগত তুলনা কৰা হৈছে। চ'ত মাহৰ পূর্ণিমাত চিত্রা নক্ষত্র আৰু চন্দ্র একেলগে অৱস্থান কৰে। হিমমুক্ত চিত্রানক্ষত্রৰ সৈতে চন্দ্রৰ মিলন যিদৰে দৃষ্টিনন্দন হয়। আশ্রম অভিমুখী পৰিত্র বেশধাৰী সুদক্ষিণা আৰু দিলীপেও সেই একেই শোভা ধাৰণ কৰিছিল।

২) প্রাবৃষেণ্যং পয়োবাহং বিদ্যুদৈৰাবতাবিব।

দিলীপ আৰু সুদক্ষিণাই যিখন ৰথত উঠি বশিষ্ঠ মুনিৰ আশ্রমলৈ গৈছিল সেই ৰথৰ শব্দ মধুৰ আৰু গম্ভীৰ। সেই ৰথখনক কবিয়ে মেঘৰ লগত তুলনা কৰিছে। বর্ষাকালীন মেঘৰ গম্ভীৰ আৰু স্নিগ্ধশক্তি দিলীপ আৰু সুদক্ষিণাই আৰোহণ কৰা চলন্ত ৰথৰো অনুৰূপ ধ্বনি শুনিবলৈ পোৱা গৈছিল। ৰথত আৰোহণ কৰা দিলীপক ঐৰাবতৰ লগত আৰু বিদ্যুতৰ লগত সুদক্ষিণাৰ তুলনা কৰিছে। ঐৰাবত শব্দই সাধাৰণতে ইন্দ্রৰ হস্তীক

বুজায়। কিন্তু মেঘ অৰ্থও ইয়াৰ প্ৰসিদ্ধ। বৰ্ষাকালীন মেঘত বিদ্যুৎ যিদৰে শোভা পায়, সেইদৰে ৰথত আৰোহণ কৰা দিলীপ আৰু সুদক্ষিণাৰো শোভা প্ৰকাশ পাইছিল।

৩) তস্য দাক্ষিণ্যৰূঢ়েন নাম্না মগধবংশজা।
পত্নী সুদক্ষিনেত্যাসীদধ্বৰস্যেব দক্ষিণা।।
উক্ত শ্লোকফাঁকি মহাকবি কালিদাসবিৰচিত 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ পৰা উদ্ধৃত। শ্লোকফাঁকিত মহাৰাজ দিলীপৰ পত্নী সুদক্ষিণাৰ বৰ্ণনা কৰা হৈছে।
ৰজা হিচাপে দিলীপ মহৎ গুণৰ অধিকাৰী আছিল। ৰজা দিলীপৰেই সুযোগ্যা পত্নী আছিল সুদক্ষিণা। মগধবংশ প্ৰসূতা ৰানী সুদক্ষিণা দয়াদাক্ষিণ্যাদি গুণেৰে বিভূষিতা আছিল। এই গুণসমূহৰ অধিকাৰিণী সুদক্ষিণাৰ নামটোও সেইবাবে যথোপযুক্ত হৈছিল। সুদক্ষিণাক যজ্ঞৰ পত্নী দক্ষিণাৰ লগত তুলনা কৰা হৈছে। যজ্ঞৰ অন্তত ব্ৰাহ্মণসকলক যি অৰ্থ প্ৰদান কৰা হয়, তাকেই দক্ষিণা বোলে। বেদত দক্ষিণাকেই যজ্ঞৰ পত্নীৰূপে উল্লিখিত হৈছে। যজ্ঞ দক্ষিণান্ত হ'লেই পূৰ্ণাঙ্গ হয়। সুদক্ষিণাও সেইদৰে দিলীপৰ অৰ্ধাঙ্গিনী আছিল। সুদক্ষিণা অবিহনে যেন দিলীপ অসম্পূৰ্ণ।

৫.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ ৩১নং শ্লোকৰপৰ ৪৮নং শ্লোকৰ বিষয়বস্তু আভাস পাব। ৰজা দিলীপৰ মগধবংশত জন্মা দাক্ষিণ্যাদি গুণবিশিষ্টা সুদক্ষিণা নামেৰে পত্নী আছিল (৩১নং শ্লোক)। অনেক পত্নী থকা সত্ত্বেও ৰাজলক্ষ্মী আৰু সুদক্ষিণাৰ দ্বাৰাহে ৰজাই নিজকে প্ৰকৃত ভাৰ্য্যাৱান্ বুলি গণ্য কৰিছিল (৩২নং শ্লোক)। পুত্ৰ সন্তান প্ৰাপ্তিত বিফল মনোৰথ তেওঁ দিন নিয়াইছিল। (৩৩নং শ্লোক)। বিধি অনুযায়ী কৰ্মানুষ্ঠানৰ বাবে তেওঁ (ৰজা দিলীপে) ৰাজ্যসভাৰ মন্ত্ৰীসকলৰ ওপৰত ন্যস্ত কৰিলে (৩৪নং শ্লোক)। তাৰ পিছত ৰজা দিলীপ আৰু সুদক্ষিণাই কুলগুৰু বশিষ্ঠৰ আশ্ৰমলৈ যাত্ৰা কৰিলে। (৩৫নং শ্লোক)। দুয়ো একেখন ৰথত উঠি বৰ্ষাকালীন বিদ্যুৎ আৰু মেঘৰ দৰে শোভাপ্ৰাপ্ত হৈ যাবলৈ ধৰিলে (৩৬নং শ্লোক)। আশ্ৰমৰ শান্তিভঙ্গ নহওক বুলিয়েই অত্যন্ত সীমিত অনুচৰেৰে সৈতে তেওঁলোকে গমন কৰিলে (৩৭নং শ্লোক)। সুবাসিত, মৃদু আৰু সুখস্পৰ্শী বায়ুয়ে যাত্ৰা প্ৰীতিদায়ক কৰিলে (৩৮নং শ্লোক)। যাত্ৰাপথত ময়ূৰৰ ষড়জস্বৰৰ অনুৰূপ কেকাৰব শুনিবলৈ পালে (৩৯নং শ্লোক)। পথৰ কামত ৰৈ ৰথৰফালে চাই থকা হৰিণযুগলত ৰজা-ৰাণীয়ে নিজৰ চকুৰ সাদৃশ্য দেখিবলৈ পালে (৪০নং শ্লোক)। মধুৰ কলৰৱ কৰি আকাশেৰে শাৰীপাতি উৰি যোৱা সাৰস পক্ষীৰ জাকক দুয়ো মূৰ তুলি চালে (৪১নং শ্লোক)। অনুকূল বায়ু প্ৰৱাহিত হোৱা সত্ত্বেও ৰজা-ৰাণীৰ কুন্তল আৰু বেষ্টন ধূলিয়ে স্পৰ্শ কৰিব নোৱাৰিলে (৪২নং শ্লোক)। সৰোবৰসমূহৰ তৰঙ্গস্পৰ্শত শীতল হোৱা পদ্মগন্ধীবায়ু তেওঁলোক দুয়োৰেই আঘ্ৰাণ কৰিলে (৪৩নং শ্লোক)। নিজেই দান কৰা যূপচিহ্নৰে চিহ্নিত কৰা গাঁওবোৰত যাজকসকলে অৰ্ঘ্যগ্ৰহণৰ পিছতে প্ৰদান কৰা অব্যৰ্থ আশীৰ্বাদ গ্ৰহণ কৰিলে (৪৪নং শ্লোক)।

সদ্য প্ৰস্তুত ঘিউ লৈ উপস্থিত হোৱা গোপবৃদ্ধসকলক পথৰ কাষৰ বৃক্ষসমূহৰ নামবোৰ সুধি আগবাঢ়িব ধৰিলে (৪৫নং শ্লোক)। হিমমুক্ত চন্দ্ৰ আৰু চিত্ৰাৰ দৰেই শুদ্ধবেশে গমন কৰা দুয়োয়ে এক অপূৰ্ব শোভাধীৰণ কৰিছিল (৪৬নং শ্লোক)। বুধসদৃশ ৰজা দিলীপে সুদক্ষিণাক ইটো সিটো দেখুৱাওতে কিমান পথ অতিক্ৰম কৰিলে গমেই নাপালে (৪৭নং শ্লোক)। যশস্বী ৰজা দিলীপে ক্লান্ত ঘোঁৰা আৰু মহিষীৰে সৈতে সন্ধ্যাসময়ত মহৰ্ষি বশিষ্ঠৰ আশ্ৰমত উপস্থিত হ'ল (৪৮নং শ্লোক)।



৫.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰি—

- 'ৰঘুবংশম' মহাকাব্যৰ প্ৰথমসৰ্গৰ বিষয়বস্তুৰ একাংশ জানিব পাৰিলোঁ।
- ৰজা দিলীপৰ বশিষ্ঠাশ্ৰম যাত্ৰাৰ বিষয়ে গম পালোঁ।
- নিৰ্দিষ্ট অংশৰ সংস্কৃত পাঠৰ লগতে শব্দাৰ্থ আৰু অসমীয়া অনুবাদো জানিলোঁ।
- কঠিন শব্দসমূহৰ ব্যাকৰণগত টোকাও অৱগত হ'লোঁ।



৫.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস (সৰ্গ ১-৫)*; দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড।

২) নন্দৰ্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২) (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস;* দিল্লী ঃ মতিলাল বানাৰসীদাস।



৫.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সুদক্ষিণা মগধবংশত জন্মিছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'কলত্ৰম্' শব্দৰ প্ৰতিশব্দ 'ভাৰ্য্যা'।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'ঐৰাবত' মানে মেঘ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ 'যূপ' মানে যজ্ঞৰ পশুবন্ধনৰ মন্ত্ৰঃ পুত কাষ্ঠবিশেষ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ৰজা দিলীপৰ লগত সুদক্ষিণা আশ্ৰমলৈ গৈছিল।



৫.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'প্ৰাবৃট' শব্দৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ 'মেনে' ক্ৰিয়াৰ ব্যুৎপত্তি দেখুৱাওক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক।

শালনির্য্যাসগন্ধিভিঃ, পৰস্পৰাক্ষিসাদৃশ্যম্, প্ৰাৰ্থণাসিদ্ধিশংসিনঃ, মহিষীমখঃ, পুষ্পবেনূৎকিৰৈঃ।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ দিলীপ আৰু সুদক্ষিণাৰ বশিষ্ঠ মুনিৰ আশ্ৰমযাত্ৰাৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৬ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৪৯-৭৪)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ প্রথমসর্গৰ শ্লোক (৪৯-৭৪)সমূহৰ সংস্কৃত পাঠ

৬.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

৬.৩.২ শ্লোকসমূহৰ শব্দার্থ

৬.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৬.৪ ব্যাকৰণগত টোকা

৬.৫ প্রথমসর্গৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

৬.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- প্রথমসর্গৰ শ্লোক (৪৯-৭৪)সমূহৰ সংস্কৃত পাঠৰ লগত গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণৰ লগতো অৱগত হ’ব
- মুনি বশিষ্ঠৰ আশ্রমৰ বর্ণনাও পঢ়িবলৈ পাব
- ৰজা দিলীপে মুনি বশিষ্ঠক সোধা সন্তানহীনতাৰ প্রশ্নৰ বিষয়ে জানিবলৈ পাব।

৬.২ পৰিচয়

আপুনি ইতিমধ্যে ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ শ্লোক (১-৪৮)সমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত ইতিমধ্যে কবি কালিদাসৰ শিৱ-পার্বতীৰ বন্দনা, কবিৰ বিনম্রতা, ৰঘুবংশীয় ৰজাসকলৰ বৈশিষ্ট্য, ৰজা দিলীপৰ চৰিত্র আৰু দিলীপ আৰু সুদক্ষিণাৰ বশিষ্ঠ মুনিৰ আশ্রমলৈ কৰা যাত্রাৰ বিষয়ে পঢ়িলে। এই অধ্যায়ত আপুনি পৰৱর্তী শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগত প্রতিটো শব্দৰঅর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। শ্লোকসমূহৰ কঠিন শব্দসমূহৰ

ব্যাকৰণগত টোকাও জানিব পাৰিব। ইয়াৰ উপৰিও ঋষি বশিষ্ঠৰ আশ্রমৰ বৰ্ণনা আৰু ঋষি বশিষ্ঠৰ সাক্ষাতত দিলীপৰ কথোপকথনৰ বিষয়েও অবগত হ'ব।

৬.৩ প্ৰথমসৰ্গৰ শ্লোক (৪৯-৭৪)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথম সৰ্গৰ শ্লোক (৪৯-৭৪)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল।

বনান্তৰাদুপাবৃত্তৈঃ সমিৎকশফলাহৰৈঃ।
পূৰ্য্যমাণমদৃশ্যাগ্নি প্ৰত্যুদ্‌যাতৈস্তপস্বিভিঃ।।
আকীৰ্ণমৃষিপত্নীনামুটজদ্বাৰৰোধিভিঃ।
অপত্যৈৰিব নীবাৰভাগধেয়োচিতৈমৃগৈঃ।। ৫০।।

আলবাল = বৃক্ষমূলত কৰিদিয়া জলধাৰ

সেতান্তে মুনিকন্যাভিস্তৎক্ষণোজ্ঝিতবৃক্ষকম্।
বিশ্বাসায় বিহঙ্গানামালবালাম্বুপায়িনাম্।। ৫১।।

ৰোমন্থঃ = চৰ্বিচৰ্বণ

আতপাত্যয়সংক্ষিপ্তনীবাৰাসু নিষাদিভিঃ।
মৃগৈৰ্বৰ্তিতৰোমন্থমুটজাঙ্গনভূমিষু ।। ৫২।।
অভ্যুত্থিতাগ্নিপিশুনৈৰতিথীনাশ্রমোন্মুখান্।
পূনানং পবনোদ্ধুতৈ ধূমৈৰাহুতিৎন্ধিভিঃ।। ৫৩।।
অথ যন্তাৰমাদিশ্য ধুৰ্য্যান্ বিশ্রাময়েতি সঃ।
তামবাৰোহয়ৎ পত্নীং ৰথাদবততাৰ চ।। ৫৪।।
অৰ্হনামৰ্হতে চক্রুর্মুনয়ো নয়চক্ষুষে।। ৫৫।।

স্বাহা = বহ্নি পত্নী

বিধে সায়ন্তনাস্যান্তে স দদৰ্শ তপোনিধিম্।
অন্বাসিতমৰুন্ধত্যা স্বাহয়েব হবিভূৰ্জম্।। ৫৬।।
তয়োৰ্জগৃহতুঃ পাদান্ ৰাজা ৰাজ্ঞী চ মাগধী।
তৌ গুৰুৰ্গুৰুপত্নী চ প্রীত্যা প্রতিননন্দতুঃ।। ৫৭।।
তমাতিথ্যক্রিয়াশান্তৰথক্ষোভপৰিশ্রমম্।
পপ্রচ্ছ কুশলং ৰাজ্যে ৰাজ্যাশ্রমমুনিং মুনিঃ ।। ৫৮।।
অথাথর্বনিধেস্তস্য বিজিতাৰিপুৰঃ পুৰঃ।
অৰ্থ্যামর্থপতির্বাচমাদদে বদতাং ৱৰঃ ।। ৫৯।।
উপপন্নং ননু শিবং সপ্তস্বঙ্গেষু যস্য মে।
দৈবীনাং মানুষীনাঞ্চ প্রতিহর্তা ত্বমাপদাম্ ।। ৬০।।
তব মন্ত্রকৃতো মন্ত্রৈদূৰাত্ প্রশমিতাৰিভিঃ
প্রত্যাদিশ্যন্ত ইব মে দৃষ্টলক্ষ্যভিদঃ শৰাঃ ।। ৬১।।
হৰিৰাবর্জিতং হোতস্ত্বয়া বিধিবদগ্নিষু।
বৃষ্টির্ভৱতি শস্যানামবগ্রহবিশোষিণাম্ ।। ৬২।।

পুৰুষায়ুষজীবিন্যো নিৰাতঙ্কা নিৰীতয়ঃ।
যন্মদীয়াঃ প্রজাস্তস্য হেতুস্ত্বদ্ব্রহ্মবর্চসম্ ।।৬৩।।
ত্বয়ৈবং চিন্ত্যমানস্য গুৰুণা ব্রহ্মযোনিনা।
সানুবন্ধাঃ কথং ন স্যুঃ সম্পদো মে নিৰাপদাঃ ।। ৬৪।।

মেদিনী = পৃথিৱী

কিন্তু বধবাং তবৈতস্যামদৃষ্টসদৃশপ্রজম্।
ন মামবতি সদ্বীপা ৰত্নসূৰপি মেদিনী ।। ৬৫।।
নূনং মত্তঃ পৰং বংশ্যাঃ পিণ্ডবিচ্ছেদদর্শিনঃ।
ন প্রকামভুজঃ শ্রাদ্ধে স্বধাসংগ্রহতৎপৰাঃ ।। ৬৬।।
মৎপৰং দুর্লভং মত্বা নূনমাবর্জিতং ময়া।
পয়ঃ পূর্বৈঃ স্বনিঃশ্বাসৈঃ কবোষ্ণমুপভুজ্যতে ।। ৬৭।।

ইজ্যা = মার্গ

সোঽহমিজ্যাবিশুদ্ধাত্মা প্রজালোপনিমীলিতঃ।
প্রকাশশ্চাপ্রকাশশ্চ লোকালোকঃ ইবাচলা।। ৬৮।।
লোকান্তৰসুখং পুণ্যং তপোদানসমুদ্ভৱম্।
সন্ততিঃ শুদ্ধবংশ্যা হি পৰত্রেহ চ শর্মনে।। ৬৯।।
তয়া হীনং বিধাতর্মাং কথং পশ্যন্ন দূয়সে।
সিক্তং স্বয়মিব স্নেহাদ্ বন্ধ্যম শ্রমবৃক্ষকম্।। ৭০।।

আলান = হাতীৰ
বন্ধনস্তম্ভ

অসহ্যপীড়ং ভগবন্নণমন্ত্যমবেহি মে।
অৰুন্তুদমিবালানমনির্বাণস্য দন্তিনঃ ।। ৭১।।

নির্বাণ = স্নান

তস্মান্মুচ্যে যথা তাত সংবিধাতুং তথার্হসি।
ইক্ষ্বাকূনাং দূৰাপেঽর্থে ত্বদধীনা হি সিদ্ধয়ঃ ।। ৭২।।
ইতি বিজ্ঞাপিতো ৰাজ্ঞা ধ্যানস্তিমিতলোচনঃ।
ক্ষণমাত্রমৃষিস্তস্থৌ সুপ্তমীন ইব হ্রদঃ।। ৭৩।।
সোঽপশ্যৎ প্রণিধানেন সন্ততেঃ স্তম্ভকাৰণম্।
ভাবিতাত্মা ভুবো ভর্তুৰথৈনং প্রত্যবোধয়ত্।। ৭৪।।

৬.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (৪৯-৭৪)সমূহৰ গঠ্যপাঠ পঢ়িবলৈ পাব।

৪৯) বনান্তৰাত্ উপাবৃত্তৈঃ সমিৎকুশফলাহৰৈঃ অদৃশ্যাগ্নিপ্রত্যুদ্যাতৈঃ তপস্বিভিঃ পূর্য্যমানম্ (আশ্মং প্রাপত্)।

৫০) নীবাৰভাগধেয়োচিতৈঃ উটজদ্বাৰৱেধিভিঃ ঋষিপত্নীনাম্ অপত্যৈৰিব মৃগৈঃ আকীর্ণম্ (আশ্রমং প্রাপত্)

অপত্যৈৰিব = অপত্যৈঃ + ইব

৫১) আলবালাম্বুপায়িনাম্ বিহঙ্গানাম্ বিশ্বাসায় মুনিকন্যাভিঃ সেকান্তে তৎক্ষণোদ্ভিত্তবৃক্ষকম্ (আশ্রমংপ্রাপত্)।

৫২) আতপাত্যয়সংক্ষিপ্তনীবাৰাসু উটজাঙ্গনাভূমিষু নিষাদিভিঃ মৃগৈঃ বর্তিতৰোমন্থম্ (আশ্রমং প্রাপত্)।

৫৩) অভ্যুত্থিতাগ্নিপিশুনৈঃ আহুতিগন্ধিভিঃ পবনোদ্ধূতৈঃ ধূমৈঃ আশ্রমোন্মুখান্ অতিথীন্ পূনানম্ (আশ্রমংপ্রাপত)।

৫৪) অথ সঃ যন্তাৰম্ 'ধুর্য্যাণ্ বিশ্রাময়'— ইতি আদিশ্য তাং পত্নীং ৰথাৎ অবাৰোহয়ত্ (স্বয়মপি) অবততাৰ চ।

৫৫) সভ্যাঃ গুপ্ততমেন্দ্রিয়াঃ মুনয়ঃ গোপ্তে অর্হতে নয়চক্ষুষে সভার্য্যায় তস্মৈ অর্হণাং চক্রুঃ।

অর্হণামর্হতে = অর্হণাম্ + অর্হতে

৫৬) সায়ন্তনস্য বিধেঃ অন্তে সঃ স্বাহয়া হবির্ভুজম্ ইব অৰুন্ধত্যা অন্বাসিতং তপোনিধিং দদর্শ।

স্বাহয়েব = স্বাহয়া + ইব

৫৭) ৰাজা মাগধী ৰাজ্ঞী চ তয়োঃ পাদান্ জগৃহতুঃ, গুৰুঃ গুৰুপত্নী চ প্রীত্যা তৌ প্রতিননন্দতুঃ।

গুৰুর্গুৰুপত্নী = গুৰুঃ + গুৰুপত্নী

৫৮) মুনিঃ আতিথ্যক্রিয়াশান্তৰথবিক্ষোভপৰিশ্রমং ৰাজ্যাশ্রমমুনিং তং কুশলং পপ্রচ্ছ।

৫৯) অথ বিজিতৰিপুৰঃ বদতাং ৰৰঃ অর্থপতিঃ অথর্ৰণিধেঃ তস্য পুৰঃ অর্থ্যাম্ বাচম্ আদদে।

অর্থ্যামর্থপতির্ৰাচমাদদে = অর্থ্যাম্ + অর্থপতিঃ + বাচম্ + আদদে।

৬০) মম ৰাজ্যস্য সপ্তসু অংগেষু শিৰম্ উপপন্নং ননু, যস্য মে ত্বম্ দৈবীনাং মানুষীণাং চ আপদাং প্রতির্হতা।

সপ্তস্বঙ্গেষু = সপ্তসু + অঙ্গেষু

৬১) মন্ত্রকৃতঃ তব দূৰাৎ প্রশমিতাৰিভিঃ মন্ত্রৈঃ মে দৃষ্টলক্ষ্যভিদঃ শৰাঃ প্রত্যাদিশ্যন্তে ইব।

৬২) (হে) হোতঃ! ত্বয়া অগ্নিষু বিধিবৎ আবর্জিতং হবিঃ অবগ্রহবিশোষিনাং শস্যানাং বৃষ্টিঃ ভবতি।

হোতস্ত্বয়া = হোতঃ + ত্বয়া

৬৩) মদীয়াঃ প্রজাঃ পুৰুষায়ুষজীবিন্যঃ নিৰাতঙ্কাঃ নিৰীতয়ঃ যৎতস্য ত্বদব্রহ্মৰর্চসম্।

৬৪) ব্রহ্মযোনিনা গুৰুণা ত্বয়া এবং চিন্ত্যমানস্য নিৰাপদঃ মে সম্পদঃ সানুবন্ধাঃ কথং ন স্যুঃ।

ত্বয়ৈবং = ত্বয়া + এবম্

৬৫) কিন্তু তব এতস্যাম্ বধ্বাম্ অদৃষ্টসদৃশপ্রজম্ মাং সদ্বীপা ৰত্নসূঃ অপি মেদিনী ন অবতি।

তবৈতস্যামদৃষ্টসদৃশপ্রজম্ = তব + এতস্যাম্ + অদৃষ্ট + সদৃশপ্রজম্

৬৬) মত্তঃ পৰং পিণ্ডবিচ্ছেদদর্শিনঃ বংশ্যাঃ স্বধাসংগ্রহতৎপৰাঃ শ্রাদ্ধে ন প্রকামভুজঃ (ভৱন্তি) নূনম্।

৬৭) মৎপৰং দুর্লভং মত্বা ময়া আৱর্জিতং পয়ঃ পূর্বৈঃ স্বনিঃশ্বাসৈ কবোষ্ণম্ উপভুজ্যতে নূনম্।

৬৮) ইজ্যাবিশুদ্ধাত্মা প্রজানোপনিমীলিতঃ সং অহম্ লোকালোকঃ অচলঃ ইব প্রকাশঃ অপ্রকাশঃ চ (ভৱামি)।

সোঽহমিজ্যাবিশুদ্ধাত্মা = সঃ + অহম্ + ইজ্যাবিশুদ্ধাত্মা

প্রকাশ্চাপ্রকাশ্চ = প্রকাশঃ + চ + অপ্রকাশঃ + চ

৬৯) তপোদানসমুদ্ভৱং পুণ্যং লোকান্তৰসুখম্, শুদ্ধবংশ্যা সন্ততিঃ হি পৰত্র ইহ চ শর্মণে (ভবতি)।

পৰত্রেহ = পৰত্র + ইহ

৭০) বিধাতঃ। তয়া হীনং মাং স্নেহাৎ স্বয়ং সিক্তং বন্ধ্যং আশ্রমবৃক্ষকম্ ইব পশ্যন্ কথং ন দূয়সে।

৭১) ভগবন্। অনির্বাণস্য দন্তিনঃ অৰুন্তুদম্ আলানম্ ইব মে অন্ত্যম্ ঋণম্ অসহ্যপীড়ম্ অবেহি।

ভগবন্নৃণমন্ত্যমবেহি = ভগবন্ + ঋণম্ + অন্ত্যম্ + অবেহি

অৰুন্তুদমিবালানমনির্বাণস্য = অৰুন্তুদম্ + ইব + আলানম্ + অনির্বাণস্য

৭২) তাত! তস্মাৎ যথা (অহং) মুচ্যে তথা সংবিধাতুম্ অর্হসি। ইহ ইক্ষ্বাকূনাং দূৰাপে অর্থে সিদ্ধয়ঃ ত্বদধীনাঃ (ভবন্তি)

তস্মান্মুচ্যে = তস্মাৎ + মুচ্যে।

৭৩) ৰাজ্ঞা ইতি বিজ্ঞাপিতঃ ঋষিঃ ধ্যানস্তিমিতলোচনঃ ক্ষণমাত্রং সুপ্তমীনঃ হ্রদঃ ইব তস্থৌ।

ক্ষণমাত্রমৃষিস্তস্থৌ = ক্ষণমাত্রম্ + ঋষিঃ + তস্থৌ

৭৪) ভাবিতাত্মা সঃ প্রণিধানেন ভুবঃ ভর্তুং সন্ততেঃ স্তম্ভকাৰণম্ অপশ্যত্। অথ এনং প্রত্যবোধয়ৎ।

৬.৩.২ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (৪৯-৭৪)সমূহৰ শব্দৰ অর্থ পঢ়িবলৈ পাব।

৪৯নং শ্লোক ঃ

বনান্তৰাত্ = অন্যস্মাৎ বনাত্ (অন্য বনৰ পৰা) উপাবৃত্তৈঃ = প্রত্যাগতৈঃ (প্রত্যাগমন কৰা) সমিৎকুশফলাহৰৈঃ = যজ্ঞীয়কাষ্ঠানি দর্ভাশ্চ আম্রাদিফলানি আহৰৈঃ (সমিধ, কুশ ফলাদি আহৰণ কৰি অদৃশ্যাগ্নিপ্রত্যুদ্যাতৈঃ = ন দৃশ্যমানৈঃ অগ্নৈঃ প্রতুদ্গতৈঃ (যজ্ঞীয অগ্নি অদৃশ্যভাৱে থাকি প্রত্যুদ্গমন কৰিলে) তপস্বিভিঃ = মুনিভিঃ (তপস্বীসকলৰ দ্বাৰা) পূর্য্যমানম্ = ব্যাপ্তম্ (পৰিপূর্ণ হৈ উঠিল)।

৫০নং শ্লোক ঃ

নীবাৰভাগধেয়োচিতৈঃ = তৃণধান্যানাং অংশগ্ৰহণে অভ্যস্তাঃ (নীবাৰধানৰ অংশগ্ৰহণত অভ্যস্ত) উটজদ্বাৰবোধিভিঃ = পৰ্ণ-শালানাং দ্বাৰবোধকৈঃ (পৰ্ণকূটীৰৰ দ্বাৰ বোধ কৰি) ঋষি-পত্নীনাং = মুনীনাং ভাৰ্য্যানাং (ঋষিপত্নীসকলৰ) অপত্যৈঃ ইব = পুত্ৰৈঃ ইব (সন্তানতুল্য) মৃগৈঃ = হৰিণৈঃ (মৃগসমুহেৰে) আকীৰ্ণম্ = ব্যাপ্তম্।

৫১নং শ্লোক ঃ

আলবালাম্বুপায়িনাম্ = জলাধাৰপ্ৰদেশস্য জলপায়িনাম্ (গছৰ গুৰিৰ জলাধাৰৰ জলপান কৰা) বিহঙ্গানাম্ = পক্ষিণাং (চৰাইবিলাকৰ) বিশ্বাসায় = বিশ্বাস জনয়িতুং (বিশ্বাস জন্মাবলৈ) মুনিকন্যাভিঃ = তাপসসুতাভিঃ (ঋষিকন্যাসকলে) সেকান্তে = তৰুমূলসেচনস্য অৱসানে (গছৰ গুৰিত পানী ঢলাৰ পিছত) তৎক্ষণোজ্ঝিতবৃক্ষকম্ = তস্মিন্নেববাসৰে হ্ৰস্ববৃক্ষাঃ ত্যক্তা (তৎক্ষাণাৎ বৃক্ষ ত্যাগ কৰা)।

৫২নং শ্লোক ঃ

আতপাত্যয়সংক্ষিপ্তনীবাৰাসু = আতপস্য অপগমে ৰাশীকৃতাঃ তৃণধান্যেষু (ৰ'দৰ অৱসানত দমাই যোৱা নীবাৰধানসমূহত) উটজাঙ্গানভূমিষু = পৰ্ণশালানাং অঙ্গনভূমিষু (পৰ্ণকূটিৰৰ প্ৰাঙ্গনভূমিত) নিষাদিভিঃ = উপবিষ্টৈঃ (আসীন হৈ) মৃগৈঃ = হৰিণৈঃ (হৰিণবিলাকে) বৰ্তিতৰোমন্থম্ = চৰ্বিতচৰ্বনং নিষ্পাদিতম্ (ৰোমন্থ অৰ্থাৎ পাগুলিছিল) (আশ্ৰমং প্ৰাপত্)।

৫৩নং শ্লোক ঃ

অভ্যুত্থিতাগ্নিপিশুনৈঃ = প্ৰজ্বলিতাহোমাগ্নিজ্ঞাপকৈঃ (প্ৰজ্বলিত হোমাগ্নিজ্ঞাপক) আহুতিগন্ধিভিঃ = আহুতেঃ গন্ধযুক্তেন (আহুতি-গোন্ধযুক্ত) পবনোদ্ধূতৈঃ = বায়ুকম্পিতৈঃ (বায়ুচালিত) ধূমৈঃ = ধূমৰাশিণা (ধোৱাৰে) আশ্ৰমোন্মুখান্ = আশ্ৰমসমাগতান্ (আশ্ৰমলৈ অহা) অতিথীন্ = অভ্যাগতান্ (অতিথিসকলক) পুনানম্ = পবিত্ৰীকুৰ্বানম্ (পৰিত্ৰ কৰা) (আশ্ৰমং প্ৰাপত্)।

৫৪নং শ্লোক ঃ

অথ = আশ্ৰমপ্ৰাপ্যানন্তৰম্ (ইয়াৰ পিছত, আশ্ৰম পোৱাৰ পিছত) সঃ দিলীপঃ (তেওঁ) যন্তাৰম্ = সাৰথিং (সাৰথিক) ধুৰ্যান্ বিশ্ৰাময় = ৰথাশ্বান্ বিনীতশ্ৰমান্ কুৰু (ঘোঁৰাবিলাকক বিশ্ৰাম কৰোৱা), ইতি আদিশ্য = ইত্থম্ আজ্ঞাপ্য (এইদৰে আদেশ দি) তাম্ = পূৰ্বোক্তাং (সেই) পত্নীং = ভাৰ্য্যাম্ (পত্নীক) ৰথাৎ = স্যন্দনাত্ (ৰথৰ পৰা) অবাৰোহয়ত্ = অবতাৰিতবান্ (নমালে) স্বয়ংচ অবততাৰ = স্বয়মপি অবাৰুৰোহ (নিজেও অৱতৰণ কৰিলে)।

৫৫নং শ্লোক ঃ

সভ্যাঃ = সভায়াং সাধবঃ (সভ্য, সজ্জন) গুপ্ততমেন্দ্রিয়াঃ = অত্যন্ত-নিয়মিতেন্দ্রিয়া (সংযতেন্দ্রিয়) মুনয়ঃ = ঋষয়ঃ (ঋষিসকলে) গোপ্তে = ৰক্ষকায় (ৰক্ষক) অৰ্হতে =

পূজ্যায় (পূজনীয়) নয়চক্ষুষে = নীতিচক্ষুসম্পন্নে (নীতিচক্ষুসম্পন্ন, নয়দৃষ্টিসম্পন্ন) সভার্য্যায় = সপত্নৈ, সুদক্ষিণাসহিতায় (পত্নীৰে সৈতে) তস্মৈ = দিলীপায় (ৰজা দিলীপ) অর্হনাং = পূজাম্ অভ্যর্থনা) চক্রুঃ = অকুর্বন্ (কৰিলে)।

৫৬নং শ্লোক ঃ

সায়ন্তনস্য = সায়ংকালিনস্য (গধূলিৰ) বিধেঃ = অনুষ্ঠানস্য (অনুষ্ঠানৰ) অন্তে = অৱসানে (অন্তত) সঃ = দিলীপঃ (তেওঁ) স্বাহয়া = স্বাহাদেব্যা (স্বাহাযুক্ত) হবির্ভুজম্ = বহ্নিঃ (বহ্নিৰ নিচিনা) ইব = যথা (নিচিনা) অৰুন্ধত্যা = তন্নামা স্বপত্ন্যা (অৰুন্ধতীৰ সৈতে) অন্বাসিতং = উপাসিতম্ (উপবিষ্ট) তপোনিধিং = তপসাং আকৰম্ অর্থাৎ বশিষ্ঠং (তপোধন বশিষ্ঠক) দদর্শ = অপশ্যত্ (দেখিলে)।

৫৭নং শ্লোক ঃ

ৰাজা = নৃপঃ (ৰজা) মাগধী = মগধৰাজপুত্রী (মগধৰাজনন্দিনী) ৰাজ্ঞী = মহিষী সুদক্ষিণা (সুদক্ষিণা) চ = (আৰু) তয়োঃ = অৰুন্ধতীবশিষ্ঠয়োঃ (দুয়োৰে) পাদান্ = চৰণান্ (চৰণ) জগৃহতুঃ = পস্পৃশতুঃ (স্পর্শ কৰিলে), গুৰুঃ = বশিষ্ঠঃ (গুৰু বশিষ্ঠ) গুৰুপত্নী = বশিষ্ঠস্য ভার্য্যা অৰুন্ধতী (গুৰুপত্নীয়ে) চ = আৰু প্রীত্যা = হর্ষেণ (আনন্দেৰে) তৌ = সুদক্ষিণাদিলীপৌ (দুয়োকে) প্রতিননন্দতুঃ = আশীর্বচনাদিভিঃ সম্ভাবয়াঞ্চতুঃ।

৫৮নং শ্লোক ঃ

মুনিঃ = বসিষ্ঠঃ (মুনিয়ে) আতিথ্যক্রিয়াশান্তৰথক্ষোভপৰিশ্রমম্ = অভ্যাগতসৎকাৰকর্মণা ৰথসঞ্চলনস্য খেদঃ দূৰীকৃতম্ (অতিথিসৎকাৰৰদ্বাৰা ৰথসঞ্চৰণৰ পৰিশ্রম দূৰ হোৱাত) ৰাজ্যাশ্রমমুনিং = মুনিতুল্যং (মুনিতুল্য) তম্ = ৰাজানম্ (ৰজাক) কুশলং = ক্ষেমম্ (কুশলবার্তা) পপ্রচ্ছ = অপৃচ্ছত্ (সুধিলে)।

৫৯নং শ্লোক ঃ

অথ = কুশলপ্রশ্নানন্তৰম্ (ইয়াৰ পিছত) বিজিতাৰিপুৰঃ = বিজিতশত্রুনগৰঃ (শত্রুনগৰ বিজয়ী) বদতাং = বক্তৃনাং (বাগ্মীসকলৰ ভিতৰত) বৰঃ = শ্রেষ্ঠঃ (শ্রেষ্ঠ) অর্থপতিঃ = ৰাজা (ৰজাই) অথর্বনিধেঃ = অথর্ববেদস্য আকৰস্য (অথর্ববেদত পাৰদর্শী) তস্য = বসিষ্ঠস্য (বশিষ্ঠৰ) পুৰেঃ = অগ্রে (সমুখত) অর্থ্যাম্ = অর্থযুক্তাম্ (অর্থপূর্ণ) বাচম্ = বাণীম্ (কথা) আদদে = বক্তুম্ উপক্রান্তবান্ (কবলৈ আৰম্ভ কৰিলে)।

৬০নং শ্লোক ঃ

(মম ৰাজ্যস্য = মোৰ ৰাজ্যৰ) সপ্তসু = সপ্তসংখ্যকেষু (সাতপ্রকাৰ) অঙ্গেষু = স্বাম্যমাত্যাদিষু ৰাজ্যাঙ্গেষু (অঙ্গসমূহত) শিবম্ = কুশলম্ (কল্যাণ) উপপন্নম্ = যুক্তম্ (যুক্ত) ননু = নিশ্চিতম্ (নিশ্চিতভাৰে), যস্য মে = মম দিলীপস্য (মোৰ অর্থাৎ দিলীপৰ) দৈবীনাম্ = দেবেভ্যঃ আগতানাং দুর্ভিক্ষাদীনাং (দৈবী) মানুষীণাংচ = মনুষ্যেভ্যঃ আগতানাং চৌর্য্যাদীনাং (মানুষী অর্থাৎ আধিভৌতিক) আপদাম্ = আপত্তীনাং (বিপদসমূহৰ) ত্বম্ = বসিষ্ঠঃ (তুমিয়েই) প্রতিহর্তা = বাৰয়িতা, নিবাৰকঃ (নিবাৰণকর্তা)।

৬১নং শ্লোক ঃ

মন্ত্রকৃতঃ = মন্ত্রাণাং দ্রষ্টুঃ প্রয়োক্তুঃ বা (মন্ত্রকর্তা বা মন্ত্রস্রষ্টা) তব = বশিষ্ঠস্য (আপোনাৰ) দূৰাৎ = পৰোক্ষ এব (দূৰৰপৰাই, পৰোক্ষভাৱে) প্রশমিতাৰিভিঃ = প্রকর্ষেণশমিতৈঃ অৰিভিঃ (শত্রুবিনাশক) মন্ত্রৈঃ = জপ্যৈঃ (মন্ত্রসমূহেৰে) মে = মম দিলীপস্য (মোৰ) শৰাঃ = বাণাঃ (শৰসমূহ) প্রত্যাদিশ্যন্তে ইব = নিৰাক্রিয়ন্তে (নিৰাকৃত হৈছে যেন)।

৬২নং শ্লোক ঃ

হে হোতঃ = হে অগ্নিহোত্রিন্ (হে হোতা) ত্বয়া = বসিষ্ঠেন্ (বশিষ্ঠৰ দ্বাৰা) বিধিবদ্ = যথাশাস্ত্রম্ (যথাবিধি) অগ্নিষু = বহ্নিষু (জুইত) আবর্জিতং = প্রক্ষিপ্তং (আহুতি দিয়া) হবিঃ = হবনীয়ং দ্রব্যং (ঘৃতাহুতি) অৱগ্রহবিশোষিণাম্ = বৃষ্টিবিঘাতেন বিশুষ্যতাং (খৰত শুকাই যোৱা) শস্যানাং = ধান্যানাং (শস্যৰ) বৃষ্টিঃ = বর্ষণম্ (বৃষ্টিস্বৰূপ) ভৱতি = জায়তে (হয়)।

৬৩নং শ্লোক ঃ

মদীয়াঃ = দিলীপস্য (আমাৰ) প্রজাঃ = জনাঃ (প্রজা) পুৰুষায়ুষজীবিন্যঃ = বর্ষশতং (এশবছৰ অর্থাৎ দীর্ঘায়ু) নিৰাতঙ্কাঃ = নির্ভয়াঃ (নির্ভয়ে) নিৰীতয়ঃ = অতিবৃষ্ট্যাদি ঈতিৰহিতাঃ (অতিবৃষ্টি আদি ছয়প্রকাৰ উপদ্রৱশূণ্য) 'যত্সন্তি'। তস্য = সর্বস্য (সকলোবোৰৰ) ত্বদব্রহ্মার্বচসং = ব্রতাধ্যয়ন-সম্পত্তিৰেব (ব্রহ্মতেজ) হেতুঃ = কাৰণম্ (কাৰণ) অস্তি।

৬৪নং শ্লোক ঃ

ব্রহ্মযোনিনা = ব্রহ্মপুত্রেন (ব্রহ্মাৰপুত্র) গুৰুনা = আচার্য্যেন = (গুৰু) ত্বয়া = বশিষ্ঠেন (বশিষ্ঠই) এবম্ = ইত্থম্ (এইদৰে) চিন্ত্যমানস্য = অনুধ্যায়মানস্য (চিন্তা কৰা) নিৰাপদেঃ = বিপত্তিৰহিতঃ (নিৰাপদ) মে = মম (মোৰ) সম্পদঃ = সম্পত্তয়ঃ (সম্পদ) সানুবন্ধাঃ = অবিচ্ছন্নাঃ (অব্যাহত) কথং = কেন প্রকাৰেণ (কিয়) নস্যুঃ = নৈব ভবেয়ুঃ (নহ'ব)।

৬৫নং শ্লোক ঃ

কিন্তু = তথাত্বেঽপি (কিন্তু) তব = বসিষ্ঠস্য (আপোনাৰ) এতস্যাম্ = অমুষ্যাম্ (এই) বধ্বাম্ = স্নুষায়াম্ (বধূৰ পৰা) অদৃষ্টসদৃশ প্রজম্ = আত্মানুৰূপংসন্তানং ন দৃষ্টত্বাদ (স্বসদৃশ পুত্র নাপাই) মাং = দিলীপং (মোক) সদ্বীপা = দ্বীপসমন্বিতা (দ্বীপবতী) ৰত্নসূঃ = ৰত্নপ্রদায়িনী (ৰত্নপ্রসূ) মেদিনী = পৃথিবী (পৃথিৰীয়েও) ন অবতি = নৈব প্রীণাতি (তৃপ্ত কৰিব পৰা নাই)।

৬৬নং শ্লোক ঃ

মত্তঃ পৰং = মদনন্তৰং (মোৰ পিছত) পিণ্ডবিচ্ছেদদর্শিনঃ = পিণ্ডদানবিচ্ছেদমুৎপ্রেক্ষমানাঃ (পিণ্ডলোপৰ আশঙ্কা দেখি) বংশ্যাঃ = বংশোদ্ভবা পিতৰঃ (পিতৃপুৰুষসকলে) স্বধাসংগ্রহতৎপৰাঃ = পিতৃভোজ্যসংগ্রহনে আসক্তাঃ (পিণ্ডৰ অংশ সঞ্চয় কৰাত তৎপৰ) শ্রাদ্ধে = পিতৃকর্মণি (শ্রাদ্ধত) প্রকামভুজঃ = পর্য্যাভোজিনো (পর্য্যাপ্ত আহাৰ গ্রহণ) ন ভবন্তি) নূনম্ সত্যম্ (সঁচাকৈয়ে)।

৬৭নং শ্লোক ঃ

মৎপৰং = মদনন্তৰং (মোৰ পিছত) দুর্লভং = দুষ্প্রাপ্যম্ (দুর্লভ) মত্বা = জ্ঞাত্বা (জানি) ময়া = দিলীপেন (মই) আৱর্জিতং = দত্তং (দিয়া) পয়ঃ = জলম্ (পানী) পূর্বেঃ = পূর্বজৈঃ (পিতৃপুৰুষসকলে) স্বনিশ্বাসৈঃ = আত্মনঃ নিশ্বাসৈঃ (নিজৰ) (হুমুনিয়াহেৰে) কবোষ্ণম্ = ইষদুষ্ণম্ (কিঞ্চিতগৰম) উপভুজ্যতে = পীয়তে (পান কৰে) নুনম্ = নিশ্চয়েন (নিশ্চয়)।

৬৮নং শ্লোক ঃ

ইজ্যাবিশুদ্ধাত্মা = যাগেন বিশুদ্ধচেতনঃ (যজ্ঞ সম্পাদনৰ দ্বাৰা বিশুদ্ধাত্মা) প্রজালোপনিমীলিতঃ = সন্ততাভাবেন অপ্রকাশিতঃ অর্থাৎ বিষন্নঃ (সন্তানহীনতাৰ বাবে বিষন্ন) সঃ অহম্ = দিলীপঃ (মই অর্থাৎ দিলীপে) লোকালোকঃ অচলঃ = লোকালোকঃ পর্বতঃ (লোকালোক পর্বতৰ) ইব = যথা (দৰে) প্রকাশঃ চ = পিতৃঋণবিমোচনা - ভাবাত্ অপ্রকাশঃ (অপ্রকাশিত) চ = তথা (ভবামি)।

৬৯নং শ্লোক ঃ

তপোদানসমুদ্ভবং = তপস্যাদানাদিতঃ উদ্ভূতং (তপস্যা আৰু দানৰ পৰা আর্জিত) পুণ্যং = সুকৃতম্ (পুণ্য) লোকান্তৰসুখম্ = পৰলোকে সুখকৰম্ (পৰলোকত সুখৰ কাৰণ), শুদ্ধবংশ্যা = পবিত্রকুলজন্মা (শুদ্ধবংশত জন্মা) সন্ততিঃ = প্রজাঃ (সন্তান) হি = যতঃ, পৰত্র = পৰলোকে (পৰলোকত) ইহ চ অস্মিন্ লোকে (আৰু এই লোকত) শর্মনে = সুখায় (সুখৰ কাৰণ) (ভবতি)।

৭০নং শ্লোক ঃ

বিধাতঃ = হে স্রষ্টা (হে বিধাতা) তয়া = সন্তত্যা (সন্ততি) হীনং = ৰহিতম্ (ৰহিত) মাং = দিলীপং (মোক) স্নেহাৎ = প্রেম্না (স্নেহবশতঃ) স্বয়ং = আত্মনা (নিজেই) সিক্তং = জলসেকেন বর্দ্ধিতং (পানী দি বর্দ্ধন কৰা) বন্ধ্যম্ = নিস্ফলম্ (নিস্ফল) আশ্রমবৃক্ষকং = আশ্রমস্য বৃক্ষকং (আশ্রমৰ বৃক্ষ) ইব = যথা (নিচিনা) পশ্যন্ = অৱলোকয়ন্ (দেখি) কথং = কেন প্রকাৰেণ (কেনেকৈ) ন = নহি দূয়সে = পৰিতপ্যসে (সন্তপ্ত হোৱা নাই)।

৭১নং শ্লোক ঃ

ভগবন্ = হে ঈশ্বৰঃ (হে ভগৱান্) অনির্বাণস্য = মজ্জনৰহিতস্য (স্নানৰহিত) দন্তিনঃ = গজস্য (হাতীৰ) অৰুন্তুদম্ = মর্মস্পর্শিনং (পীড়াদায়ক) আলানম্ = গজবন্ধনস্তম্ভম্ (বন্ধনস্তম্ভ) ইব = যথা (নিচিনা) মে = মম (মোৰ) অন্ত্যমৃণং = পৈতৃকঋণং (পিতৃঋণ) অসহ্যপীড়ম্ = দুঃসহদুঃখজনকং (দুঃসহ) অবেহি = বিদ্ধি (জানিবা)।

৭২নং শ্লোক ঃ

তাতঃ = হে পিতঃ (হে গুৰু) তস্মাৎ = পৈতৃকঋণাৎ (সেই পিতৃ-ঋণৰ পৰা) যথা = যেন প্রকাৰেণ (যি প্রকাৰৰ) মুচ্যে = মুক্তো ভবামি (মুক্ত হ'ব পাৰোঁ) তথা = তেন প্রকাৰেণ (তেনেকৈ) সংবিধাতুম্ = কর্তুম্ (কৰিবলৈ) অর্হমি = যোগ্যো ভবসি (যোগ্য) হি = যতঃ (যিহেতু) ইক্ষ্বাকূণাম্ = ইক্ষ্বাকু কুলোৎপন্নানাং নৃপানাম্ (ইক্ষ্বাকুকুলৰ) দূৰাপে

= দুষ্প্ৰাপে (দুৰ্লভ) অৰ্থে = প্ৰয়োজন (বিষয়ত) সিদ্ধয়ঃ = কাৰ্য্যসাফল্যানি (সিদ্ধিলাভ) ত্বদধীনাঃ = বসিষ্ঠস্য অধীনাঃ (আপোনাৰ অধীন)।

৭৩ নং শ্লোক ঃ

ৰাজ্ঞা = নৃপেন (ৰজাই) ইতি = এবম্ (এইদৰে) বিজ্ঞাপিতঃ = নিবেদিতঃ (জনোৱাত) ঋষিঃ = মুনিৰ্বসিষ্ঠ (মুনিয়ে) ধ্যানস্তিমিতলোচনঃ = ধ্যানেন নিশ্চলাক্ষঃ মন্ (চকুমুদি ধ্যান কৰি নিশ্চল হৈ) ক্ষণমাত্ৰং = ক্ষণৰূপাকালবিশেষপৰ্য্যন্তম্ (ক্ষণকাল বা খন্তেক সময়) সুপ্তমীনঃ নিদ্রিত মৎস্যযুক্তঃ (শুই পৰা মাছযুক্ত) হ্রদঃ = সৰঃ (হ্রদৰ) ইব = যথা (নিচিনাকৈ) তস্থৌ = স্থিতবান্ (অৱস্থান কৰিলে)।

৭৪নং শ্লোক ঃ

ভাবিতাত্মা = শুদ্ধান্তঃকৰণঃ (শুদ্ধান্তকৰণৰ) সঃ = মহৰ্ষিৰ্বসিষ্ঠঃ প্ৰণিধানেন = সমাধিনা (চিত্তৰ একাগ্ৰতাৰে বা সমাধিৰে) ভুবঃ = ভূমেঃ (পৃথিৱীৰ) ভর্তুঃ = স্বামিনঃ (স্বামীৰ অৰ্থা ৰজাৰ) সন্ততেঃ = সন্তানস্য (সন্তানৰ) স্তম্ভকাৰণম্ = প্ৰতিবন্ধকাৰণম্ (প্ৰতিৰোধৰ কাৰণ) অপশ্যত্ = অবালোকয়ত (দেখিছিল বা প্ৰত্যক্ষ কৰিছিল), অথ = অনন্তৰম্ (তাৰ পিছত) এনং = অমুম্ (তেওঁক, ৰজাক) প্ৰত্যবোধয়ত্ = জ্ঞাপিতবান্ (জনালে)।



জানি থোৱা ভাল

৪৯নং শ্লোকৰ পৰা ৫৩নং শ্লোকলৈ কুলক। এই বিষয়ে প্ৰথম অধ্যায়ত স্পষ্টভাৱে ব্যাখ্যা কৰা হৈছে।

৫৩নং শ্লোক ঃ

অতিথি = ধৰ্মশাস্ত্ৰকাৰ মনুৱে অতিথিৰ লক্ষণ এনেদৰে নিৰ্দেশ কৰিছে—

"একৰাত্ৰং তু নিবসন্নতিথিৰ্ব্ৰাহ্মণঃ স্মৃতঃ।
অনিত্যা হি স্থিতিমস্মাৎ তস্মাদতিথিৰুচ্যতে।।" (৩/১০২)

৫৬নং শ্লোক ঃ

স্বাহা = বহ্নিপত্নীৰ নাম স্বাহা। অগ্নিত আহুতি প্ৰদান কৰাৰ সময়ত 'স্বাহা' শব্দৰ উচ্চাৰণ কৰা হয়।

৬০নং শ্লোক ঃ

সপ্তাঙ্গ = ৰাজ্যৰ সাতটা অঙ্গ। ধৰ্মশাস্ত্ৰকাৰ মনুৰ মতে ৰাজ্যৰ সাতটা অঙ্গ হ'ল— স্বামী বা ৰাজা, অমাত্য, পুৰ বা দুৰ্গ ৰাষ্ট্ৰ, ৰাজকোষ দণ্ড আৰু মিত্ৰ।

স্বাম্যমাত্যপুৰং ৰাষ্ট্ৰং কোশদণ্ডৌ তথা সুহৃৎ।
সপ্তৈতানি সমপ্তানি লোকেৎস্মিন্ ৰাজ্যমুচ্যতে।।

আপদ্ বিপদ। বিপদসমূহ দুই প্রকাৰৰ দৈবী আৰু মানুষী। অগ্নি, জল, ব্যাধি, দুর্ভিক্ষ আৰু মৰনৰ নিমিত্তে যি বিপদ সেয়া দৈবী আৰু মন্ত্রী, চোৰ, শত্রু, ৰাজপ্রিয় আৰু ৰজাৰ লোভৰ নিমিত্তে হোৱা বিপদক মানুষী বিপদ বুলি জনা যায়। কামন্দক নীতিশাস্ত্রত কৈছে—

হুতাশনো জলং ব্যাধিদুর্ভিক্ষং মৰণং তথা।
ইতি পঞ্চবিধং দৈবং মানুষং ব্যসনং ততঃ।।
আয়ুক্তকেভ্যশ্চৌৰেভ্যঃ পৰেভ্যঃ ৰাজবল্লভাত্।
পৃথিবীপতিলোভাচ্চ নৰাণাং পঞ্চধা মতম্।।

৬৩নং শ্লোক ঃ

নিৰীতয়ঃ = ঈতি অর্থাৎ বিঘিনি হীন। ঈতি ছয়প্রকাৰৰ অতিবৃষ্টি, অনাবৃষ্টি, মুষিক, শলভ, শুক আৰু সমীপস্থ ৰজা। এই ছয়প্রকাৰৰ দ্বাৰা শস্যৰ ক্ষতিসাধন হয়। কামন্দকীয় নীতিসাৰত কৈছে—

অতিবৃষ্টিৰণাবৃষ্টির্মূষিকাঃ শলভাঃ শুকাঃ।
অত্যাসন্নাশ্চ ৰাজানঃ যতেতে ঈতয়ঃ স্মৃতঃ।

৬৫নং শ্লোক ঃ

সদ্বীপা = দ্বীপযুক্তা, পুৰাণত অষ্টাদশ দ্বীপৰ উল্লেখ আছে। পৃথিৱীক সপ্তদ্বীপা বুলিও জনা যায়। এই সাতটি দ্বীপ হ'ল— জম্বু, শ্লক্ষ, শাল্মল, কুশ, ক্রৌঞ্চ, শাক আৰু পুষ্কৰ। মেদিনী = মধু আৰু কৈভেৰ মেদৰ পৰা পৃথিৱী নির্মাণ হৈছিল। সেয়েহে পৃথিৱীৰ নাম মেদিনী।

৬৬নং শ্লোক ঃ

স্বধা = পিতৃভোজ্যক 'স্বধা' বুলি কোৱা হয়।

৬৮নং শ্লোক ঃ

লোকালোক = এখন পৌৰাণিক পর্বত। এই পর্বতখনে দৃশ্যমান জগতক অন্ধকাৰৰ পৰা পৃথক কৰিছে। লোকালোক, যাক চক্রবাল বুলিও জনা যায়। আচলতে আমাৰ চাৰিওফালে দিগন্তব্যাপী আগুৰি থকা মেঘৰ প্রাচীৰ। পুৰাণৰ মতে লোকালোক পর্বত সপ্তদ্বীপা ধৰিত্রীৰ প্রাকাৰস্বৰূপ। পুষ্কৰদ্বীপক আগুৰি যি স্বাদুদ্রক সাগৰ আছে। তাকো আগুৰি এই পর্বত দণ্ডায়মান।

৭১নং শ্লোক ঃ

অন্ত্যম্ ঋণম্ = মানুহে তিনিটি ঋণ লৈ জন্মগ্রহণ কৰে— দেৱঋণ, ঋষিঋণ আৰু পিতৃঋণ। যজ্ঞ সম্পাদনৰ দ্বাৰা প্রথম ঋণ, বিদ্যাভ্যাসৰ দ্বাৰা দ্বিতীয় ঋণ আৰু পুত্রজন্মৰ দ্বাৰা অন্তিম ঋণ অর্থাৎ পিতৃ ঋণ পৰিশোধ কৰা যায়। সেয়েহে বিষ্ণুধর্মোত্তৰপুৰাণত কৈছে—

শ্রাদ্ধেন প্রজয়া চৈব পিতৃনামনৃণো ভবেৎ।
ঋষীণাং ব্রহ্মচর্য্যেণ শ্রুতেন তপসা তথা।।

৬.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি শ্লোকসমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

৪৯) সমিধ, কুশবন আৰু ফলমূল সংগ্ৰহ কৰি অন্যবনৰ পৰা ঘূৰি অহা আৰু অদৃশ্যভাৱে আশ্ৰমৰ যজ্ঞীয় অগ্নিয়ে স্বাগত কৰা তপস্বীসকলে পৰিপূৰ্ণ কৰি তোলা আশ্ৰমত তেওঁলোক গৈ উপস্থিত হ'লগৈ।

৫০) পৰ্ণকুটীৰৰ প্ৰৱেশ পথত বাধা দি নীবাৰ ধানৰ অংশগ্ৰহণত অভ্যস্ত আৰু ঋষি পত্নীসকলৰ সন্তানতুল্য মৃগবিলাকে পূৰ্ণ কৰি তোলা আশ্ৰমত তেওঁলোক উপস্থিত হ'ল।

৫১) আলবালত জলপান কৰা চৰাইবিলাকৰ বিশ্বাস জন্মাবলৈ মুনিকন্যাসকলে গছপুলিবিলাকত পানী দি তৎক্ষণাৎ আঁতৰি গৈছিল।

৫২) ৰ'দ নোহোৱাৰ বাবে সীবাৰ ধানবোৰ দমাই থোৱা পৰ্ণকুটীৰৰ চোতালবোৰত বহি হৰিণবোৰে ঘাঁহ পাগুলি আছিল।

৫৩) প্ৰজ্জ্বলিত হোমাগ্নিৰ জ্ঞাপক, আহুতিগন্ধমিশ্ৰিত বায়ুচালিত সেই ধোৱেই আশ্ৰমৰ অতিথিসকলক পৱিত্ৰ কৰিছিল।

৫৪) ইয়াৰ পিছত 'ঘোঁৰাকেইটাক জিৰণি দিয়া' —এইবুলি সাৰথিত আদেশ তেওঁ পত্নীক ৰথৰ পৰা নমালে আৰু নিজেও নামিল।

৫৫) সজ্জন আৰু জিতেন্দ্ৰিয় মুনিসকলে লোকপালক, পূজনীয় আৰু নয়দৃষ্টিসম্পন্ন ৰজাক পত্নীৰে সৈতে অভ্যৰ্থনা জনালে।

৫৬) সান্ধ্যাবিধি সমাপ্তিৰ পিছত তেওঁ (দিলীপে) স্বাহাৰ সৈতে থকা অগ্নিৰ দৰে অৰুন্ধতীৰ সৈতে বহি থকা বশিষ্ঠক দেখিবলৈ পালে।

৫৭) ৰজা আৰু মগধৰাজপুত্ৰী ৰাজ্ঞীয়ে (সুদক্ষিনাই) দুয়োৰে চৰন স্পৰ্শ কৰিলে আৰু গুৰু আৰু গুৰুপত্নীয়ে আনন্দেৰে তেওঁলোক দুয়োকে অভিনন্দন জনালে।

৫৮) অতিথিসৎকাৰৰ দ্বাৰা তেওঁলোকৰ ৰথযাত্ৰাৰ ভাগৰ দূৰ হোৱাত সেই ৰাজৰ্ষিক (দিলীপক) ৰাজ্যৰ কুশলবাৰ্তা সুধিলে।

৫৯) তাৰ পিছত শত্ৰুৰাজ্যবিজেতা, বাগ্মিশ্ৰেষ্ঠ ৰজাই অথৰ্ববেদত পাৰদৰ্শী সেই ঋষিৰ সমুখত অৰ্থপূৰ্ণ কথা ক'বলৈ ধৰিলে।

৬০) আপুনি যিহেতু মোৰ দৈৱিক আৰু মানুষিক আপদসমূহৰ নিবাৰণ কৰোঁতা, (মোৰ ৰাজ্যৰ) সাঁতোটা অঙ্গতেই কল্যাণ বিৰাজমান।

৬১) মন্ত্ৰকৰ্তা আপোনাৰ শত্ৰুবিনাশক মন্ত্ৰসমূহৰ দ্বাৰা দূৰৰ পৰাই মোৰ প্ৰত্যক্ষ লক্ষ্যভেদী শৰসমূহ যেন নিৰাকৃত হৈছে।

৬২) হে হোতা,আপুনি যথাবিধি অগ্নিত যি আহুতি প্ৰদান কৰে সেয়াই অনাবৃষ্টিত শুকাই যোৱা শস্যৰ বাবে বৃষ্টিস্বৰূপ হয়।

৬৩) মোৰ প্ৰজাবৃন্দই শতবৰ্ষ পৰিমিত মনুষ্যজীৱন লাভ কৰি নিৰাতঙ্ক আৰু উপদ্ৰবহীন হৈ বাস কৰিছে, আপোনাৰ ব্ৰহ্মতেজেই তাৰ কাৰণ।

৬৪) ব্ৰহ্মাৰ পুত্ৰ আপোনাৰ দৰে গুৰুৱে এনেদৰে যাৰ মঙ্গল চিন্তা কৰে সেই মোৰ সম্পদ নিৰাপদ আৰু অবিচ্ছিন্ন নহ'ব কিয়?

৬৫) কিন্তু আপোনাৰ এই বধূৰ পৰা অনুৰূপ পুত্ৰসন্তান লাভ নকৰাত দ্বীপযুক্তা ৰত্নপ্ৰসূতা পৃথিৱীয়েও মোক তৃপ্ত কৰিব পৰা নাই।

৬৬) মোৰ (মৃত্যুৰ) পিছত পিণ্ডলোপৰ আশঙ্কা দেখি নিশ্চয় পিতৃ পুৰুষসকলে পিতৃভোজ্য সঞ্চয় কৰাত তৎপৰ হৈ মই অৰ্পণ কৰা শ্ৰাদ্ধত পৰ্য্যাপ্ত আহাৰ গ্ৰহণ কৰা নাই।

৬৭) মোৰ পিছত দুৰ্লভ হ'ব বুলি ভাবি মই দিয়া তৰ্পণোদক পূৰ্বপুৰুষসকলে নিজৰেই দীৰ্ঘশ্বাসেৰে কিঞ্চিদ্ উষ্ণ কৰি যেন পান কৰিছে।

৬৮) যজ্ঞাদি সম্পাদনৰ দ্বাৰা পৰিত্ৰাত্মা অথচ বংশলোপৰ আশঙ্কাত বিষণ্ণ মই লোকালোক পৰ্বতৰ নিচিনাকৈ কেতিয়াবা প্ৰকাশবান আৰু কেতিয়াবা অপ্ৰকাশবান হৈ ৰৈছোঁ।

৬৯) তপস্যা, দান আদিৰ পৰা আৰ্জিত পুণ্য কেৱল পৰলোকত সুখৰ কাৰণ হয়। কিন্তু পৰিত্ৰ বংশোদ্ভূত সন্তান ইহলোক আৰু পৰলোক উভয়ৰে সুখৰ কাৰণ হয়।

৭০) হে বিধাতা, স্নেহৱশতঃ নিজেই পানী দি বৰ্দ্ধন কৰা ফলহীন আশ্ৰমৰ গছৰ নিচিনা মোক সন্তানহীন দেখি আপোনাৰ বাৰু দুখ নহয়নে?

৭১) হে ভগৱান। স্নান নকৰা হাতীৰ বন্ধনস্তম্ভ যিদৰে পীড়াদায়ক, মোৰ বাবে পিতৃঋণো দুঃসহ হৈছে বুলি আপুনি জানিব।

৭২) হে তাত, যাতে মই তাৰ পৰা (পিতৃঋণৰ পৰা) মুক্ত হ'ব পাৰোঁ, তেনে কৰাৰ বাবে আপুনিয়ে যোগ্য ব্যক্তি। কাৰণ ইক্ষ্বাকুবংশীয়সকলৰ দুষ্প্ৰাপ্যবিষয়ত সিদ্ধিলাভ আপোনাৰেই অধীন।

৭৩) ৰজাই এইদৰে সকলো কথা জনোৱাত ক্ষন্তেকসময় ঋষিয়ে চকুমুদি ধ্যান কৰি শুই পৰা মাছযুক্ত হ্ৰদৰ নিচিনাকৈ অৱস্থান কৰিলে।

৭৪) বিশুদ্ধাত্মা সেই ঋষিয়ে চিত্তৰ একগ্ৰতাৰে পৃথিৱীপতিৰ সন্তানহীনতাৰ কাৰণ প্ৰত্যক্ষ কৰিলে। তাৰ পিছত তেওঁক (দিলীপক) জনালে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'নয়চক্ষু' বুলিলে কাক বুজা যায়।

.....

প্ৰশ্ন নং ২ ঃ অৰুন্ধতীৰ লগত কাৰ তুলনা কৰা হৈছে?

.....

প্রশ্ন নং ৩ ঃ হবির্ভুজ মানে কি?

.....

প্রশ্ন নং ৪ ঃ অথর্বনিধি কোন?

.....

প্রশ্ন নং ৫ ঃ 'মেদিনী' শব্দই কাক বুজায়?

.....

৬.৪ ব্যাকৰণগত টোকা

৪৯নং শ্লোক ঃ

ব্যুৎপত্তি—

উপাবৃত্তৈঃ - উপ আ বৃৎ + ক্ত। তৃতীয়া বহুবচন

পূর্য্যমানম্ ঃ - পূৰ্ + শানচ্ (কর্মণি)

তপস্বিভিঃ - তপস্ + বিন। তৃতীয়া বহুবচন

বিভক্তি নির্ণয়—

বনান্তৰাত্ - অপাদানে পঞ্চমী

তপস্বিভিঃ - অনুক্তে কর্তৰি তৃতীয়া

সমাস—

বনান্তৰাত্ - অন্যত্ বনম্ (নিত্য সমাস)

সমিৎকুশফলাহৰৈঃ - সমিধশ্চ কুশাশ্চ ফলানি চ (দ্বন্দ্ব), তানি আহৰন্তি যে উতঃ (উপপদ তৎপুৰুষ)

অদৃশ্যাগ্নিপ্রত্যুদ্যাতৈঃ - ন দৃশ্যাঃ ইতি অদৃশ্যাঃ (নঞ্ তৎপুৰুষ), অদৃশ্যাঃ অগ্নয়ঃ (কর্মধাৰয়), তৈঃ প্রতুদ্যাতাঃ (তৃতীয়া তৎপুৰুষ) তৈঃ

৫০নং শ্লোক ঃ

ব্যুৎপত্তি—

আকীর্নম্ - আ - কৃ + ক্ত

বিভক্তি নির্ণয়—

ঋষিপত্নীনাম্ - শেষে ষষ্ঠী

মৃগৈঃ - অনুক্তে কর্তৰি তৃতীয়া।

সমাস—

ঋষিপত্নীনম্ - ঋষীনাং পত্ন্যঃ (ষষ্ঠী তৎপুৰুষ) তাসাম্

উটজদ্বাৰৰোধিভিঃ - উটজানাং দ্বাৰানি (ষষ্ঠী তৎপুৰুষ) তানি ৰোদ্ধুং শীলং মেষাং তৈঃ (বহুব্রীহি)

৫১নং শ্লোক ঃ

ব্যুৎপত্তি—

বিহঙ্গনাম্ - বিহায়সা গচ্ছতি ইতি বিহ - গম্ + খচ্, ষষ্ঠী

বিশ্বাময় - বি - শ্বস্ + ঘঞ্ চতুর্থী বিভক্তি

বিভক্তি নির্ণয়—

সেকান্তে - ভাবে সপ্তমী

মুনিকন্যাভিঃ - অনুক্তে কর্তৰি তৃতীয়া

বিহঙ্গানাম্ - শেষে ষষ্ঠী

সমাস—

সেকান্তে - সেকস্য অন্তঃ (ষষ্ঠী তৎপুৰুষ), তস্মিন্

মুনিকন্যাভিঃ - মুনীনাং কন্যাঃ (ষষ্ঠী তৎপুৰুষ) তাভিঃ।

তৎক্ষনোজ্মিতবৃক্ষকম্ - সঃ ক্ষণঃ (কর্মধাৰয়), তৎক্ষণে উজ্মিতাঃ বৃক্ষকাঃ যস্মিন্ (বহুব্রীহি) তম্।

আলবালাম্বুপায়িনাম্ - আলবালস্য অম্বু (ষষ্ঠী তৎপুৰুষ), তৎ পিবন্তি যে তেষাম্ (উপপদ তৎপুৰুষ), আলবালাম্বু + পা + নিনি = আলবালাম্বু - পায়িন্, ষষ্ঠী বহুবচন।

৫২নং শ্লোক ঃ

ব্যুৎপত্তি—

নিষাদিভিঃ - নিষীদন্তি ইতি নি - সদ্ + ণিনি, তৃতীয়া বহুবচন

বিভক্তি নির্ণয়—

মৃগৈঃ - অনুক্তে কর্তৰি তৃতীয়া

উটজাঙ্গনাভূমিষু - অধিকৰণে সপ্তমী

সমাস—

আতপাত্যয়মংক্ষিপ্তনীবাৰামু - আতপস্য অত্যয়ঃ (ষষ্ঠী তৎপুৰুষ)

আতপাত্যয়ে সংক্ষিপ্তাঃ (সপ্তমী তৎপুৰুষ) তাদৃশাঃ নীবাৰাঃ যাসু (বহুব্রীহি), তাসু

বর্তিতৰোমন্থাম্ - বর্তিতঃ ৰোমন্থঃ যস্মিন্ তম্ (বহুব্রীহি)

উটজাঙ্গনাভূমিষু - উটজানাম্ অঙ্গনানি (ষষ্ঠী ত্যপুৰুষ), তেষাং ভূময়ঃ (ষষ্ঠী তৎপুৰুষ) তাসু

৫৩নং শ্লোক ঃ

ব্যুৎপত্তি—

অভ্যুত্থিতঃ = অভি - উৎ - স্থা + ক্ত

পূনানম্ = পূ + শানচ্ দ্বিতীয়া একবচন।

বিভক্তি নির্ণয়—

অতিথীন্ = কর্মণি দ্বিতীয়া

ধূমৈঃ = কৰণে তৃতীয়া

সমাস—

অভ্যুত্থিতাগ্নিপিশুনৈঃ = অভ্যুত্থিতাঃ অগ্নয়ঃ (কর্মধাৰয়), তেষাং পিশুনাঃ (ষষ্ঠী তৎপুৰুষ), তৈঃ।

অতিথীন্ = অবিদ্যমানঃ তিথিঃ যেষাং তান্ (বহুব্রীহি)

আশ্রমোন্মুখান্ - উদ্‌গতং মুখং যস্য স উন্মুখঃ (বহুব্রীহি), আশ্রমস্য উন্মুখাঃ (ষষ্ঠী তৎপুৰুষ) তান্।

পৰনোদ্ধূতৈঃ = পবনেন উদ্ধূতাঃ (তৃতীয়া তৎপুৰুষ)

আহুতিগন্ধিভিঃ = আহুতীনাং গন্ধঃ (ষষ্ঠী তৎপুৰুষ), আহুতিগন্ধঃ বিদ্যতে যেষাং তৈঃ (উপপদ তৎপুৰুষ)

৫৪নং শ্লোক ঃ

ব্যুৎপত্তি—

যন্তাৰম্ = যম্ + তৃচ্, দ্বিতীয়া একবচন

আদিশ্য = আ - দিশ্ + ল্যপ্

ধুর্য্যাণ্ = ধুৰ্ + যত্

বিশ্রাময় = বি - শ্রম্ + ণিচ্ + লোট হি

অবাৰোহয়ৎ = অব্ - ৰুহ্ + ণিচ্ + লঙ্‌দ

অবততাৰ = অব্ - তৃ + লিট্ ণল্।

বিভক্তি নির্ণয়—

যন্তাৰম্ = কর্মণি দ্বিতীয়া

ধুর্য্যাণ্ = কর্মণি দ্বিতীয়া

ৰথাৎ = অপাদানে পঞ্চমী

৫৫নং শ্লোক ঃ

ব্যুৎপত্তি—

গোপ্তে = গুপ্ + তৃণ্, চতুর্থী

অর্হনাম্ = অর্হ + যুচ্

অর্হতে = অর্হ + শতৃ, চতুর্থী একবচন

চক্রুঃ = কৃ + লিট্ উস্, সভ্যাঃ = সভায়াঃ - সাধুৰিতি সভা + য।

বিভক্তি নির্ণয়—

তস্মৈ = ক্রিয়াযোগে চতুর্থী

অর্হনাম্ = কর্মণি দ্বিতীয়া

সমাস—

সভার্য্যায় = ভার্য্যয়া সহ বর্তমানঃ (বহুব্রীহি) তস্মৈ।

গুপ্ততমেন্দ্রিয়াঃ = অতিশয়েন গুপ্তানি ইতি গুপ্ততমানি (সহসুপা), গুপ্ততমানি ইন্দ্রিয়ানি যেষাং তে (বহুব্রীহি)

নয়চক্ষুষে = নয়ঃ নীতিশাস্ত্রম্ চক্ষুঃ যস্য তস্মৈ (বহুব্রীহি)

৫৬নং শ্লোক ঃ

ব্যুৎপত্তি—

বিধেঃ = বি - ধা + কি, ষষ্ঠী একবচন

সায়ন্তনস্য = সায়ং ভবঃ ইতি + ট্যুল্, তুট চ 'সায়ং চিৰং প্রাহ্নে প্রগেব্যয়েভ্যষ্ট্যুট্যুলৌ তুট্ চ' সূত্র অনুসৰি

দদর্শ = দৃশ্ + লিউ - ণল্

নিধিঃ = নি - ধা + কি

অন্বাসিতম্ - অনু - আস্ + ক্ত কর্মণি

হবিভুর্জম্ = হবিঃ ভুঙ্‌ক্তে ইতি হবিস্ - ভুজ্ + ক্বিপ্, দ্বিতীয়া একবচন।

বিভক্তি নির্ণয়—

বিধেঃ = শেষে ষষ্ঠী

অন্তে = ভাবে সপ্তমী

তপোনিধিম্ = কর্মণি দ্বিতীয়া

অৰুন্ধত্যা = অনুক্তে কর্তৰি তৃতীয়া

সমাস—

তপোনিধিং = তপসাং নিধিঃ (ষষ্ঠী তৎপুৰুষ), তম্

হবির্ভুজম্ = হবির্ভুঙক্তে যঃ সঃ (উপপদ তৎপুৰুষ)

৫৭নং শ্লোক ঃ

ব্যুৎপত্তি—

জগৃহতুঃ = গ্রহ্ + লিট্ অতুস্

মাগধী = মগধস্য অপত্যং স্ত্রী ইতি মগধ্ + অন্ + ঙীপ্ (স্ত্রিয়াম্)

প্রতিনন্দতুঃ = প্রতি - নন্দ + লিট্ অতুস্।

বিভক্তি নির্ণয়—

তয়োঃ = শেষে ষষ্ঠী

তৌ = কর্মণি দ্বিতীয়া

প্রীত্যা = প্রকৃত্যাদিত্বাৎ তৃতীয়া

সমাস—

তৌ = সা চ স চ (একশেষ দ্বন্দ্ব)

গুৰুপত্নী = গুৰোঃ পত্নী (ষষ্ঠী তৎপুৰুষ)

৫৮নং শ্লোক ঃ

ব্যুৎপত্তি—

পপ্রচ্ছ = প্রচ্ছ্ + লিট্ ণল্

বিভক্তি নির্ণয়—

ৰাজ্যে = অধিকৰণে সপ্তমী

সমাস—

আতিথ্যক্রিয়াশান্তৰথক্ষোভপৰিশ্রমম্ = ৰথস্য ক্ষোভঃ (ষষ্ঠী তৎপুৰুষ), তেন পৰিশ্রমঃ (তৃতীয়া তৎপুৰুষ), আতিথ্যস্য ক্রিয়া (ষষ্ঠী তৎপুৰুষ), তয়া শান্তঃ (তৃতীয়া তৎপুৰুষ), আতিথ্যক্রিয়াশান্তঃ ৰথক্ষোভপৰিশ্রমঃ যস্য সঃ (বহুব্রীহি), তম্

ৰাজ্যাশ্রমমুনিম্ = ৰাজ্যমেব আশ্রমঃ (ৰূপক কর্মধাৰয়), তত্র মুনিঃ (সপ্তমী তৎপুৰুষ) তম্।

৫৯নং শ্লোক ঃ

ব্যুৎপত্তি—

অর্থ্যাম্ = অর্থাৎ অনপেতা ইতি অর্থ + যত্ + টাপ্ (স্ত্রিয়াম্) দ্বিতীয়া একবচন।

আদদে = আ - দা + লিট্ এ

বদতাম্ = বদ্ + শতৃ, ষষ্ঠী বহুবচন

বিভক্তি নির্ণয়—

তস্য = শেষে ষষ্ঠী

বাচম্ = কর্মণি দ্বিতীয়া

বদতাম্ = নির্ধাৰণে ষষ্ঠী

সমাস—

অথর্বনিধেঃ = অথর্বণঃ নিধিঃ (ষষ্ঠী তৎপুৰুষ) তস্য।

বিজিতাৰিপুৰঃ = অৰীণাং পুৰাণি (ষষ্ঠী তৎপুৰুষ), বিজিতানি অৰিপুৰাণি যেন সঃ (বহুব্রীহি)

অর্থপতিঃ = অর্থস্য পতিঃ (ষষ্ঠী তৎপুৰুষ)

৬০নং শ্লোক ঃ

ব্যুৎপত্তি—

উপপন্নম্ = উপপদ্ + ক্ত কর্তৰি

দৈবীনাম্ = দেবেভ্য আগতাঃ ইতি দেব + অণ্ + ঙীপ্, তাসাম্

মানুষীণাম্ = মনুষ্যেভ্যঃ আগতা - ইতি মনুষ্য + অণ্ + ঙীপ্, তাসাম্

প্রতিহর্তা = প্রতি + হৃ + তৃচ্

আপদাম্ = আ - পদ্ + ক্বিপ্, তাসাম্

বিভক্তি নির্ণয়—

সপ্তষু - অংঘেষু = অধিকৰণে সপ্তমী

আপাদাম্ = কৃদ্‌যোগে কর্মণি ষষ্ঠী।

৬১নং শ্লোক ঃ

ব্যুৎপত্তি—

মন্ত্রকৃতঃ = মন্ত্রান্ কৰোতীতি মন্ত্র - কৃ + ক্বিপ্ = মন্ত্রকৃত্, ষষ্ঠী একবচনত মন্ত্রকৃতঃ

প্রত্যাদিশ্যন্তে = প্রতি আ দিশ্ + লট্ অন্তে (কর্মণি)

বিভক্তি নির্ণয় —

মন্ত্রকৃতঃ = শেষে ষষ্ঠী

মন্ত্রৈঃ = অনুক্তে কর্তৰি তৃতীয়া

দূৰাৎ = ল্যবলোপে পঞ্চমী

শৰাঃ = উক্তে কর্মণি প্রথমা

সমাস—

প্রশমিতাৰিভিঃ = প্রশমিতা অৰয়ো যৈস্তৈঃ (বহুব্রীহি)

দৃষ্টলক্ষ্যভিদঃ = দৃষ্টানি লক্ষ্যাণি (কর্মধাৰয়), তানি ভিন্দন্তি যে তে (উপপদ তৎপুৰুষ) দৃষ্টলক্ষ্য - ভিদ্ ক্বিপ্।

৬২নং শ্লোক ঃ

ব্যুৎপত্তি—

আবর্জিতং = আ - বৃজ্ + ণিচ্ ক্ত (কর্মণি)

শস্যানাম্ = শস্ + যৎ, ষষ্ঠী বহুবচন

বিভক্তি নির্ণয় —

হোতঃ = সম্বোধনে প্রথমা

ত্বয়া = অনুক্তে কর্তৰি তৃতীয়া

বিধিবৎ = বিধিমর্হতি ইতি বিধি + বৎ (অর্হার্থে), ক্রিয়াবিশেষণে দ্বিতীয়া।

অগ্নিষু = অধিকৰণে সপ্তমী

শস্যানাম্ = শেষে ষষ্ঠী

সমাস—

অৱগ্রহবিশোষিনাম্ = অব - গ্রহ্ + অপ্, অৱগ্রহেণ বিশুষ্যন্তি যে তে (উপপদ তৎপুৰুষ), তেষাম্ অবগ্রহ - বি-শুষ্ + ণিন্ ষষ্ঠী বহুবচন

৬৩নং শ্লোক ঃ

ব্যুৎপত্তি—

মদীয়াঃ = মম ইদম্ ইতি অস্মদ্ + ছ। 'প্রত্যয়োত্তৰপদয়োশ্চ' সূত্রানুসৰি অস্মৎ শব্দৰ ঠাইত মদাদেশ।

প্রজাঃ = প্র - জন্ + ড। প্রথমা বহুবচন

বিভক্তি নির্ণয়—

তস্য = শেষে ষষ্ঠী

সমাস—

পুৰুষায়ুষজীবিন্যঃ = পুৰুষস্য আয়ুঃ (ষষ্ঠী তৎপুৰুষ)। পুৰুষায়ুষং জীবন্তি যাঃ তাঃ (উপপদ তৎপুৰুষ), পুৰুষায়ুষ-জীৱ + ণিনি = পুৰুষায়ুষজীবিন্

নিৰাতঙ্কাঃ = নিৰস্তঃ আতঙ্কঃ যাসাম্ তাঃ (বহুব্রীহি)

নিৰীতয়ঃ = নিৰস্তাঃ ঈতয়ঃ যাভ্যঃ তাঃ (বহুব্রীহি)

ত্বদব্রহ্মবর্চসম্ = ব্রহ্মণঃ বর্চঃ (ষষ্ঠী তৎপুৰুষ), তব ব্রহ্মণবর্চসম্ (ষষ্ঠী তৎপুৰুষ)

৬৪নং শ্লোক ঃ

ব্যুৎপত্তি—

চিন্ত্যমানস্য = চিন্ত্ + শানচ্ (কর্মণি) তস্য

বমং = কিম্ + থমু

স্যুঃ = অস্ + লিঙ্ উস্

সম্পদঃ = সম্ - পদ + ক্বিপ্ প্রথমা বহুবচন

বিভক্তি নির্ণয়—

ত্বয়া - অনুক্তে কর্তৰি তৃতীয়া

সমাস—

ব্রহ্মযোনিনা = ব্রহ্মা যোনিঃ যস্য সঃ (বহুব্রীহি)। তেন

সানুবন্ধাঃ = অনুবন্ধেন সহ বর্তমানাঃ যাঃ তাঃ (বহুব্রীহি)

নিৰাপদ = নির্গতা আপদঃ যাভ্যঃ তাঃ (বহুব্রীহি)

৬৫নং শ্লোক ঃ

ব্যুৎপত্তি—

অবতি = অব্ + লট্ তি

এতস্যাম্ = এতদ্ + সপ্তমী একবচন

বিভক্তি নির্ণয়—

বধ্বাম্ = অধিকৰণে সপ্তমী

সমাস—

অদৃষ্টসদৃশভ্রজম্ = ন দৃষ্টা অদৃষ্টা (নঞ্ তৎপুৰুষ) অদৃষ্টাসদৃশী প্রজা যেন সঃ (বহুব্রীহি) তম্

সদ্বীপা = দ্বির্গতা আপঃ যস্য সঃ দ্বীপঃ (বহুব্রীহি), দ্বীপৈঃ সহ বর্তমানা যা সা (বহুব্রীহি)

ৰত্নসূঃ = ৰত্নানি সূতে যা সা (উপপদ তৎপুৰুষ), ৰত্ন + সূ ক্বিপ্

মেদিনী = মেদঃ অস্যা অস্তীতি মেদ + ইণ্ + ঙীপ্ (স্ত্রিয়াম্)

৬৬নং শ্লোক ঃ

ব্যুৎপত্তি—

মত্তঃ = অস্মৎ + তসিল্। পঞ্চমী বিভক্তি অর্থত তসিল্ প্রত্যয়।

'অন্যাৰাদিতৰর্তেদিক্শব্দাঞ্চুত্তৰপদাজাহিযুক্তে' সূত্র অনুসৰি 'পৰম্' শব্দৰ যোগত পঞ্চমী।

বংশ্যাঃ - বংশে ভবাঃ ইতি বংশ + যৎ

বিভক্তি নির্ণয়—

শ্রাদ্ধে - কালাধিকৰণে সপ্তমী

সমাস—

পিণ্ডবিচ্ছেদদর্শিণঃ = পিণ্ডস্য বিচ্ছেদঃ (ষষ্ঠী তৎপুৰুষ), তং পশ্যন্তি যে তে (উপপদ তৎপুৰুষ)। পিণ্ডবিচ্ছেদ-দৃশ্ + ণিনি। প্রথমা বহুবচন।

প্রকামভুজঃ = প্রকামং ভুঞ্জন্তে যে তে (উপপদ তৎপুৰুষ) প্রকামভুজ্ + ক্বিপ্ প্রথমা বহুবচন।

স্বধাসংগ্রহতৎপৰাঃ = স্বধায়াঃ সংগ্রহঃ (ষষ্ঠী তৎপুৰুষ), তস্মিন্ তৎপৰাঃ (সপ্তমী তৎপুৰুষ)

৬৭নং শ্লোক ঃ

ব্যুৎপত্তি—

দুর্লভম্ = দুঃখেন লভ্যতে ইতি দুৰ্ - লভ্ + খল্

মত্বা = মন্ + ক্ত্বাচ্

আবর্জিতম্ = আ - বৃজ্ + ণিচ্ + ক্ত (কর্মণি)

উপভুজ্যতে = উপ - ভুজ্ + লট্ তে (কর্মণি)

বিভক্তি নির্ণয়—

মৎ = 'অন্যাৰদিতৰর্তেদিক্শব্দাঞ্চুত্তৰ পদাজাহিযুক্তে' সূত্রৰ দ্বাৰা পঞ্চমী বিভক্তি

পয়ঃ = উক্তে কর্মণি প্রথমা

পূর্বৈঃ = অনুক্তে কর্তৰি তৃতীয়া

স্বনিশ্বাসৈঃ = কৰণে তৃতীয়া

সমাস—

দুর্লভম্ = দুঃখেন লভ্যতে যৎ তৎ (বহুব্রীহি)

স্বনিশ্বাসৈঃ = স্বস্য নিঃশ্বাসঃ (ষষ্ঠী তৎপুৰুষ) তৈঃ

কৰোষ্ণম্ = ঈষৎ উষ্ণম্ (কর্মধাৰয়)

৬৮নং শ্লোক ঃ

ব্যুৎপত্তি—

ইজ্যা = যজ্ ভাবে ক্যপ্ + টাপ্ স্ত্রিয়াম্

নিমীলিতঃ = নি - মীল্ + ক্ত

প্রকাশঃ = প্র - কাশ্ + ঘঞ্

লোকঃ = লোক + ঘঞ্

সমাস—

ইজ্যাবিশুদ্ধাত্মা = বিশুদ্ধঃ আত্মা যস্য সঃ (বহুব্রীহি), ইজ্যয়া বিশুদ্ধাত্মা (তৃতীয়া তৎপুরুষ)

প্রজালোপনিমীলিতঃ = প্রজায়াঃ লোপঃ (ষষ্ঠী তৎপুরুষ) তেন নিমীলিতঃ (তৃতীয়া তৎপুরুষ)

অপ্রকাশঃ = ন প্রকাশ ঃ (নঞ্ তৎপুরুষ)

লোকালোকঃ = ন লোকঃ (নঞ্ তৎপুরুষ) অলোকঃ, লোকশ্চাসৌ অলোকশ্চেতি (কর্মধারয়)

অচলঃ = ন চলতি যঃ সঃ (উপপদ তৎপুরুষ)

৬৯নং শ্লোক ঃ

ব্যুৎপত্তি—

সন্ততিঃ = সন্তন্যতে ইতি সম্ - তন্ + ক্তিন্

শর্মনে = শৃনাতি অশুভম্ ইতি শৃ + মনিন্ শর্মন, চতুর্থী একবচন

সমাস—

লোকান্তরসুখম্ = অন্যঃ লোকঃ (নিত্য সমাস) তস্মিন্ সুখম্ (সপ্তমী তৎপুরুষ)

তপোদানসমুদ্ভরম্ = সম্ উৎ ভৃ + অপ্ = সমুদ্ভরঃ, তপশ্চ দানঞ্চ তপোদানে (দ্বন্দ্ব), তাভ্যাং সমুদ্ভরঃ যস্য তৎ (বহুব্রীহি)

শুদ্ধবংশ্যাঃ = শুদ্ধঃ বংশঃ (কর্মধারয়) শুদ্ধবংশে ভবা ইতি শুদ্ধবংশ + য্য + আপ্

৭০নং শ্লোক ঃ

ব্যুৎপত্তি—

হীনম্ - হা + ক্ত, দ্বিতীয়া একবচন

বিধাতঃ = বি - ধা + তৃচ্ সম্বোধনত

পশ্যন্ = দৃশ্ + শতৃ। পুং প্রথমা একবচন

দূয়সে = দূ + লট্ সে

সিক্তম্ = সিঞ্চ্ + ক্ত

বন্ধ্যম্ = বন্ধ্ + যৎ

বিভক্তি নির্ণয়—

তয়া - করণে তৃতীয়া

স্নেহাৎ = হেতৌ পঞ্চমী

সমাস—

আশ্রমবৃক্ষকম্ = আশ্রমস্য বৃক্ষকঃ (ষষ্ঠী তৎপুৰুষ) তম্

বৃক্ষ + ক = বৃক্ষক (সৰু গছ)

৭১নং শ্লোক ঃ

ব্যুৎপত্তি—

ঋণম্ = ঋ + ক্ত 'ঋণমাধমর্ণ্যে' সূত্র অনুসৰি ণত্ব।

অন্ত্যম্ = অন্তে ভব ইতি অন্ত + যৎ

অবেহি = অব্ - ই + লোট্ হি

অৰুন্তুদম্ = অৰ্দংষি তুদতি ইতি অৰু + তুদ্ + খচ্।

আলানম্ = আ - লী + ল্যুট্ অধিকৰণে

দন্তিনঃ = দন্তৌ অস্য অস্তীতি দন্ত + ইনি ষষ্ঠী একবচন।

বিভক্তি নির্ণয়—

ভগবন্ = সম্বোধনে প্রথমা

দন্তিনঃ = শেষে ষষ্ঠী

সমাস—

অসহ্যপীড়ম্ = ন সহ্যা (নঞ্ তৎপুৰুষ)। অসহ্যা পীড়া যস্মিন্ তৎ (বহুব্রীহি)

অনির্বানস্য = ন নির্বানম্ (নঞ্ তৎপুৰুষ) তস্য

৭২নং শ্লোক ঃ

ব্যুৎপত্তি—

মুচ্যে = মুচ্ + লট্ তে (কর্ম কর্তৰি)

সংবিধাতুম্ = সম - বি - ধা + তুমুন্

অর্হসি = অর্হ + লট্ সি

দুৰাপে = দুঃখেন আপ্যতে ইতি দুৰ্ - আপ্ + খল্ তস্মিন্

সিদ্ধয়ঃ = সিধ্ + ক্তিন্। প্রথমা বহুবচন

বিভক্তি নির্ণয়—

তস্মাৎ = অপাদানে পঞ্চমী

ইক্ষ্বাকূনাম্ = শেষে ষষ্ঠী। 'ন লোকাব্যয়নিষ্ঠাখলর্থতৃণাম্' সূত্রৰ দ্বাৰা ইয়াত কৃদ্যোগে ষষ্ঠী নিষিদ্ধ হৈছে।

অর্থে = অধিকৰণে সপ্তমী

সিদ্ধয়ঃ = প্রাতিপদিকার্থে প্রথমা

সমাস—

ত্বদধীনাঃ = তব অধীনাঃ (ষষ্ঠী তৎপুৰুষ)।

৭৩নং শ্লোক ঃ

ব্যুৎপত্তি—

বিজ্ঞাপিতঃ = বি - জ্ঞা + ণিচ্ + ক্ত

তস্থৌ = স্থা + লিট্ ণল্।

বিভক্তি নির্ণয়—

ক্ষণমাত্রম্ = ব্যাপ্তার্থে দ্বিতীয়া

সমাস—

ধ্যানস্তিমিতলোচনঃ = ধ্যানেন স্তিমিতে (তৃতীয়া তৎপুৰুষ),

ধ্যানস্তিমিতলোচনে যস্য সঃ (বহুব্রীহি)

ক্ষণমাত্রম্ = ক্ষণম্ এব (নিত্য সমাস)

সুপ্তমীনঃ = সুপ্তাঃ মীনাঃ যস্মিন্ সঃ (বহুব্রীহি)

৭৪নং শ্লোক ঃ

ব্যুৎপত্তি—

অপশ্যাৎ = দৃশ্ + লঙ্দ

প্রণিধানেন = প্র - নি - ধা + ল্যুট্, তেন

সন্ততেঃ = সম্-তন্ + ক্তিন্ ষষ্ঠী একবচন।

ভর্তুঃ = ভৃ + তৃচ্, ষষ্ঠী একবচন

প্রত্যবোধয়ৎ = প্রতি - বুধ্ + ণিচ্ + লঙ্ দ

বিভক্তি নির্ণয়—

প্রণিধানেন = কৰণে তৃতীয়া

সন্ততেঃ = শেষে ষষ্ঠী

ভুবঃ = শেষে ষষ্ঠী

ভর্তুঃ = শেষে ষষ্ঠী

এনম্ = 'গতিবুদ্ধিপ্রত্যবসানার্থশব্দকর্মাকর্মকাণামণিকর্তা স নৌ' সূত্র অনুসৰি অণিজন্ত অৰস্থাৰ কর্তা ইয়াত ণিজন্ত অবস্থাৰ কর্ম হোৱাৰ বাবে দ্বিতীয়া বিভক্তি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ব্যুৎপত্তি ভাগি দেখুৱাওঁক—

ঋণম্, অর্হসি, তস্থৌ, মত্বা

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ সমাস ভাগি দেখুৱাওঁক—

অনির্বানস্য, ক্ষণমাত্রম্, দুর্লভম্, নিৰীতয়ঃ

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ বিভক্তি নির্ণয় কৰক—

প্রণিধানেন, তস্মাৎ, ভগবন্, অগ্নিষু

.....

.....

.....

.....

৬.৫ প্রথমসর্গৰ (৪৯-৭৪) কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

এতিয়া আপোনালোকে ৰঘুবংশম্ মহাকাব্যৰ প্রথমসর্গৰ (৪৯-৭৪) শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা পঢ়িবলৈ পাব।

১) প্রকাশ্চাপ্রকাশ্চ লোকালোক ইবাচলঃ

মহাৰাজ দিলীপ যজ্ঞানুষ্ঠানৰ দ্বাৰা চিত্তশুদ্ধ কৰি পৱিত্রাত্মা হৈছিল। কিন্তু পুত্রহীনতাৰ বাবে বংশলোপৰ আশঙ্কাত সর্বদা শঙ্কিত হৈ আছিল। গতিকে এফালে যিদৰে বিদ্যা আৰু কর্মৰ জ্যোতিৰে আলোকিত। আনহাতে, পুত্রহীনতাৰ অন্ধকাৰেৰে দিলীপৰ মানসিকজগত তমসাচ্ছন্ন আছিল। দিলীপৰ এই অৱস্থাক কবিয়ে লোকালোক পর্বতৰ লগত তুলনা কৰিছে। পু�ৰাণত প্রাপ্ত বর্ণনামতে এই পর্বতে সপ্তদ্বীপা পৃথিৱীক আৱৰি আছে আৰু ইয়াৰ মধ্যভাগ জ্যোতিষ্কৰ জ্যোতিৰে আলোকিত আৰু বহিভাগ তমসাচ্ছন্ন। এই পর্বতৰ দৰেই দিলীপৰ জ্ঞানেৰে অন্তৰ উদ্ভাসিত কিন্তু অনপত্যতা হেতুকে বিষাদতাৰ অন্ধকাৰ।

২) ক্ষণমাত্রমৃষিস্তস্থৌ সুপ্তমীন ইব হ্রদঃ

'সুপ্তমীন' শব্দটোৰে হ্রদৰ জলভাগৰ স্থিৰতা বা নিষ্কম্পতা বুজাইছে। ৰজা দিলীপে অতি আকুলভাৱে মুনি বশিষ্ঠক অনপত্যতাৰ বাবে হোৱা দুখৰ কথা জনাইছিল। দিলীপৰ কথা শুনাৰ পিছত মহর্ষি বশিষ্ঠ কিছুক্ষণৰ বাবে ধ্যানগম্ভীৰ হৈ ৰ'ল। এইদৰে চিত্তপ্রণিধানেৰে ৰজাৰ অনপত্যতাৰ কাৰণ জানিবলৈ চেষ্টা কৰিছিল। বশিষ্ঠৰ সেই ধ্যানমগ্ন। স্তিমিতলোচন আৰু নিষ্পন্দ শৰীৰৰ এই অৱস্থাটোক কবিয়ে সুপ্তমীন হ্রদৰ লগত তুলনা কৰিছে। জলাশয়ৰ পানী মৎসকুল নিদ্রিত হৈ থাকিলে যিদৰে নিশ্চল হৈ থাকে সেইদৰে ঋষি বশিষ্ঠও ধ্যানমগ্ন অৱস্থাত নিশ্চল হ্রদৰ দৰে সমাহিত দেখা গৈছিল।

৩) বিধেঃ সায়ন্তনস্যান্তে ম দদর্শ তপোনিধিম্।
অন্বাসিতমৰুন্ধ্যত্যা স্বাহয়েব হবির্ভূর্জম্।।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাসবিৰচিত 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ পৰা উদ্ধৃত। শ্লোকফাঁকিত ঋষি বশিষ্ঠ আৰু তেখেতৰ পত্নী অৰুন্ধতীৰ কথা বৰ্ণনা কৰিছে। ৰজা দিলীপ বশিষ্ঠমুনিৰ আশ্ৰম উপস্থিত হয়গৈ মানে সন্ধ্যাকাল হৈছিল। সন্ধ্যাকালীন অৰ্চনাৰ পাছত বশিষ্ঠই ৰজাক দৰ্শন দিছিল। বশিষ্ঠৰ সৈতে পত্নী অৰুন্ধতীও উপবিষ্ট আছিল। বশিষ্ঠৰ সৈতে অৰুন্ধতীৰএই উপৰেশনক কবিয়ে স্বাহাযুক্ত অগ্নিৰ লগত তুলনা কৰিছে। অগ্নিত আহুতিপ্ৰদান কৰা সময়ত কৰা উচ্চাৰণক স্বাহা বোলা হয়। এই স্বাহা অগ্নিৰ পত্নীৰূপে প্ৰসিদ্ধা। বশিষ্ঠক অগ্নিৰ লগত তুলনা কৰাত বশিষ্ঠৰ তেজস্বিতা আৰু পৱিত্ৰতা প্ৰকাশিত হৈছে আৰু অৰুন্ধতীৰ লগত স্বাহাৰ তুলনা কৰাত পাতিব্ৰত্য আৰু নিত্যসহচাৰিত্ব দ্যোতিত হৈছে।

৬.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

যাত্ৰাৰ অন্তত ৰজা দিলীপ আৰু সুদক্ষিণা সন্ধ্যা কালত বশিষ্ঠ মুনিৰ আশ্ৰমত উপস্থিত হ'ল (৪৯নং শ্লোক)। কুটীৰৰ দ্বাৰ ৰোধ কৰি নীবাৰ ধান খোৱাত অভ্যস্ত ঋষিপত্নীসকৰ সন্তানতুল্য হৰিণবিলাকেৰে আশ্ৰম পৱিপূৰ্ণ হৈ আছিল (৫০নং শ্লোক)। গছৰ গুৱিৰ জলাধাৰত পানী খাবলৈ অহা চৰাইবোৰৰ ভয় আঁতৰাবলৈ মুনিকন্যাসকলে গছপুলিবোৰত পানী দি লৰালৱিকৈ আঁতৰি হৈছিল (৫১নং শ্লোক)। ৰ'দ আঁতৰাৰ পাছত নীবাৰ ধান থূপ খুৱাই যোৱা কুটীৰৰ চোতালত হৰিণবিলাকে ঘাঁহ পাগুলি আছিল (৫২নং শ্লোক)। আশ্ৰমৰ ধোঁৱা দেখি হোমাগ্নিৰ উমান পোৱা গৈছিল আৰু সেই ধোঁৱাৰে আশ্ৰমৰ অতিথিসকলক পৱিত্ৰ কৰিছিল (৫৩নং শ্লোক)। তাৰ পিছত 'ঘোঁৱাকেইটাক জিৰণি দিয়া' এইদৰে সাৰথিক আদেশ দি ৰজাই পত্নীক ৰথৰ পৰা অৱতৰণ কৰাই নিজেও নামিলে (৫৪নং শ্লোক) আশ্ৰমবাসী জিতেন্দ্ৰিয় মুনিসকলে নয়দৃষ্টিসম্পন্ন, ৰক্ষক আৰু পূজনীয় ৰজাক পত্নীৰে সৈতে অভ্যৰ্থনা জনালে (৫৫নং শ্লোক)। সান্ধ্যবিধি সমাপ্তিৰ পিছত অগ্নিৰ লগত অৱস্থান কৰা স্বাহাৰ দৰে, সেই তপস্বী বশিষ্ঠক পত্নী অৰুন্ধতীৰ লগত একেলগে দৰ্শন কৰিলে (৫৬নং শ্লোক)। ৰজা আৰু মগধৰাজকন্যা সুদক্ষিণাই তেওঁলোকৰ চৰণস্পৰ্শ কৰাত তেওঁলোকেও ৰজা আৰু ৰাণীক অভিনন্দিত কৰিছিল (৫৭নং শ্লোক) ৰথযাত্ৰাৰ ভাগৰ আতিথ্যৰ ফলত দূৰ হোৱাত মুনিয়ে ৰাজ্যৰূপ আশ্ৰমৰ ঋষি দিলীপক ৰাজ্যৰ কুশলবার্তা সুধিলে (৫৮নং শ্লোক) তাৰ পিছত বক্তাৰ ভিতৰত শ্ৰেষ্ঠ, শত্ৰুৰাজ্য বিজয়ী। সম্পদশালী দিলীপে অথর্ববেদবিদ্ বশিষ্ঠক ক'বলৈ ধৰিলে (৫৯নং শ্লোক)। মোৰ দৈৱিক আৰু মানুষিক বিপদসমূহৰ নিবাৰণ কর্তা আপোনাৰ বাবেই ৰাজ্যৰ সাতোটা অঙ্গতেই কল্যাণ বিৰাজমান (৬০নং শ্লোক)। মন্ত্ৰকর্তা আপোনাৰ মন্ত্ৰেৰে আঁতৰৰ পৰাই শত্ৰু বিনাশ কৰি মোৰ প্ৰত্যক্ষ লক্ষ্যভেদী শৰসমূহ নিৰাকৃত কৰিছে (৬১নং শ্লোক)। হে হোতা। আপুনি বিধিসঙ্গতভাৱে জুইত দিয়া আহুতিয়েই বৰষুণৰ ৰূপত শস্যবিলাকক অনাবৃষ্টিৰ পৰা ৰক্ষা কৰিছে (৬২নং শ্লোক)। আপোনাৰ ব্ৰহ্মতেজৰ ফলতেই মোৰ প্ৰজাসকলে

নিৰাতঙ্ক আৰু উপদ্ৰৱহীন হৈ দীৰ্ঘায়ু লাভ কৰিছে (৬৩নং শ্লোক) ব্ৰহ্মাপুত্ৰ আপোনাৰ নিচিনা গুৰুৰে মোৰ শুভচিন্তা কৰিছে বাবেই মই নিৰাপদ আৰু অবিচ্ছিন্ন সম্পদৰ অধিকাৰী (৬৪নং শ্লোক)। কিন্তু আপোনাৰ বধু সুদক্ষিণাৰ পৰা আত্মানুৰূপ সন্তানলাভ নোহোৱাৰ বাবেই সদ্বীপা ৰত্নপ্ৰসবিনী পৃথিৱীয়েও পৰিতৃপ্ত কৰিব পৰা নাই (৬৫নং শ্লোক)। মোৰ মৃত্যুৰ পিছত পিণ্ডলোপৰ আশঙ্কাত পিতৃপুৰুষসকলে নিশ্চয় শ্ৰাদ্ধত দিয়া দ্ৰব্যৰ কিছু অংশ সংগ্ৰহত তৎপৰ হৈ শ্ৰাদ্ধকালত পৰ্য্যাপ্ত আহাৰ গ্ৰহণ কৰা নাই (৬৬নং শ্লোক)। মোৰ পিছত দুৰ্লভ হ'ব বুলি ভাবি মই অৰ্পণ কৰা তৰ্পণজল হুমুনিয়াহ কাঢ়ি গ্ৰহণ কৰা বাবে নিশ্চয় কিছু উষ্ণ হৈ পৰে (৬৭নং শ্লোক)। যজ্ঞাদি সম্পাদনৰ দ্বাৰা বিশুদ্ধাত্মা আৰু সন্তানহীনতাৰ বাবে বিষাদগ্ৰস্ত মই লোকালোক পৰ্বতৰ দৰেই প্ৰকাশ্য আৰু অপ্ৰকাশ্য (৬৮নং শ্লোক), তপস্যা আৰু দানে পাৰত্ৰিক সুখ দিয়ে কিন্তু সদ্বংশজাত পুত্ৰই ঐহিক আৰু পাৰত্ৰিক দুয়োটা সুখেই দিয়ে (৬৯নং শ্লোক)। হে বিধাতা, আপুনি নিজহাতে পানী দি ডাঙৰ কৰা অপুষ্পকবৃক্ষৰ দৰে মোক সন্তানহীন দেখি আপোনাৰ দুখ নহয়নে (৭০নং শ্লোক)। হে ভগৱান। মোৰ এই পিতৃঋণ স্নান নকৰা হাতীৰ বন্ধনৰ দৰেই অত্যন্ত পীড়াদায়ক (৭১নং শ্লোক)। হে গুৰুদেৱ, মোক এই ঋণৰ পৰা মুক্ত কৰাৰ উপায়বিধান আৰু কৰক কাৰণ ইক্ষ্বাকুকুলৰ দুষ্প্ৰাপ্য সিদ্ধি আপোনাৰেই অধীন (৭২নং শ্লোক)। ৰজাই এইদৰে জনোৱাত মহৰ্ষিয়ে চকু মুদি ধ্যানেৰে সকলো মাছ শুই পৰা হ্ৰদৰ দৰে অৱস্থান কৰিলে (৭৩নং শ্লোক)। তপস্যাৰ প্ৰভাৱত শুদ্ধাত্মা ঋষিয়ে ৰজাৰ সন্তানহীনতাৰ কাৰণ জানিব পাৰি তেওঁক জনালে (৭৪নং শ্লোক)।



৬.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰি—

- 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ বিষয়বস্তুৰ একাংশ জানিব পাৰিলোঁ।
- মহৰ্ষি বশিষ্ঠৰ আশ্ৰমৰ বৰ্ণনাও পঢ়িবলৈ পালোঁ।
- বশিষ্ঠৰ প্ৰতি ৰজা দিলীপৰ বক্তব্যও জানিলোঁ।
- নিৰ্দিষ্ট শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগত শব্দাৰ্থ আৰু অসমীয়া অনুবাদো জানিলোঁ।
- শ্লোকসমূহৰ সাধাৰণ আলোচনাও পঢ়িব পাৰিলোঁ।
- পাঠ্যাংশত থকা কঠিন সংস্কৃত পদসমূহৰ ব্যাকৰণগত টোকাও অৱগত হ'লোঁ।



৬.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.)ঃ *ৰঘুবংশম্ অব্ কালিদাস (সৰ্গ ১-৫)*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড।

২) নন্দৰ্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২) (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস;* দিল্লী ঃ মতিলাল বানাৰসীদাস।

৩) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol IX) (১৯৮১) ঃ নৱপত্ৰ প্ৰকাশন।



৬.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰজাক।

২নং প্ৰশ্নৰ উত্তৰ ঃ সুদক্ষিণাৰ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ জুই।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ঋষি বশিষ্ঠ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীক।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ঋণম্ = ঋ + ক্ত 'ঋণমাধমর্ণ্যে' সূত্ৰ অনুসৰি ণত্ব।

অৰ্হসি = অৰ্হ + লট্ সি।

তস্থৌ = স্থা + লিট্ ণল্।

মত্বা = মন্ + ক্ত্বাচ্

৭নং প্ৰশ্নৰ উত্তৰ ঃ অনিৰ্বানস্য = ন নিৰ্বানম্ (নঞ তৎপুৰুষ) তস্য।

ক্ষণমাত্ৰম্ = ব্যাপ্তাৰ্থে দ্বিতীয়া

দুৰ্লভম্ = দুঃখেন লভ্যতে ইতি দুৰ্ - লভ্ + খল্

নিৰীতয়ঃ = নিৰস্তাঃ ঈতয়ঃ যাভ্যঃ তাঃ (বহুব্ৰীহি)

৮নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰণিধানেন = কৰণে তৃতীয়া

তস্মাৎ = অপাদানে পঞ্চমী

ভগবন্ = সম্বোধনে প্ৰথমা

অগ্নিষু = অধিকৰণে সপ্তমী



৬.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সপ্তাঙ্গৰাজ্য বুলিলে কি বুজা যায়?

প্ৰশ্ন ২ ঃ 'মেদিনী' শব্দটিৰ তাৎপৰ্য্য লিখক?

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক।

আকীৰ্ণম্, পূনানম্, অবাৰোহয়ত্, নয়চক্ষুষে, ত্বদব্ৰহ্মবৰ্চসম্, কবোষ্ণম্, সুপ্তমীনঃ

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ মহৰ্ষি বশিষ্ঠৰ আশ্ৰমৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৭ ঃ ৰঘুবংশম্— প্রথমসর্গ (শ্লোক ৭৫-৯৫)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ প্রথমসর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ সংস্কৃত পাঠ

৭.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

৭.৩.২ শ্লোকসমূহৰ শব্দার্থ

৭.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৭.৪ ব্যাকৰণগত টোকা

৭.৫ প্রথমসর্গৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

৭.৬ সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- প্রথমসর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ সংস্কৃত পাঠৰ লগত গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণৰ লগতো অবগত হ’ব
- ৰজা দিলীপ আৰু মুনি বশিষ্ঠৰ মাজত হোৱা কথোপকথনৰ বিষয়ে অৱগত হ’ব
- কামধেনু নন্দিনীৰ বর্ণনাও পঢ়িবলৈ পাব।

৭.২ পৰিচয়

আপুনি ইতিমধ্যে ‘ৰঘুবংশম্’ মহাকাব্যৰ প্রথমসর্গৰ শ্লোক (১-৭৪)সমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত আপুনি শিৱ-পার্বতীৰ বন্দনাৰে মঙ্গলাচৰণ, কবি কালিদাসৰ বিনম্রতা, ৰঘুবংশীয় ৰজাসকলৰ গুণাৱলী, ৰজা দিলীপৰ বর্ণনা, দিলীপৰ ঋষি বশিষ্ঠৰ আশ্রমগমন আৰু আশ্রমৰ বর্ণনাও পঢ়িবলৈ পালে। এই অধ্যায়ত আপুনি পৰৱর্তী শ্লোক (৭৫-৯৫)সমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। শ্লোকসমূহৰ কঠিন শব্দসমূহৰ

ব্যাকৰণগত টোকাও জানিবলৈ পাব। ইয়াৰ উপৰিও ঋষি বশিষ্ঠ আৰু মহাৰাজ দিলীপৰ মাজত হোৱা কথোপকথন,দিলীপৰ অপুত্রকতাৰ কাৰণ আৰু কামধেনু নন্দিনীৰ বিষয়েও অৱগত হ'ব।

৭.৩ প্রথমসর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল।

পুৰা শক্রমুপস্থায় তবোর্বীং প্রতিযাস্যতঃ।
আসীৎ কল্পতৰুচ্ছায়ামাশ্রিতা সুৰভিঃ পথি ।। ৭৫।।
ধর্মলোপভয়াদ্ ৰাজ্ঞীমৃতুস্নাতামিমাং স্মৰণ্।
প্রদক্ষিণক্রিয়ার্হায়াং তস্যাং ত্বং সাধু নাচৰঃ ।। ৭৬।।
অৱজানাসি মাং যস্মাদতস্তে ন ভবিষ্যতি।
মৎপ্রসূতিমনাৰাধ্য প্রজেতি ত্বাং শশাপ সা ।। ৭৭।।
স শাপো ন ত্বয়া ৰাজন্ ন চ সাৰথিনা শ্রুতঃ।
নদত্যাকাশগঙ্গায়াঃ স্রোতস্যুদ্দামদিগ্গজে ।। ৭৮।।
ঈপ্সিতং তদবজ্ঞানাদ্ বিদ্ধি সার্গলমাত্মনঃ।
প্রতিবধ্নাতি হি শ্রেয়ঃ পূজ্য পূজাব্যতিক্রমঃ ।। ৭৯।।
হবিষে দীর্ঘসত্রস্য সা চেদানীং প্রচেতসঃ। — প্রচেতস = বৰুণ
ভুজঙ্গপিহিতদ্বাৰং পাতালমধিতিষ্ঠতি।। ৮০।।
সুতাং তদীয়াং সুৰভেঃ কৃত্বা প্রতিনিধিং শুচিঃ।
আৰাধয় সপত্নীকঃ প্রীতা কামদুঘা হি সা।। ৮১।।
ইতি বাদিন এবাস্য হোতুৰাহুতিসাধনম্।
অনিন্দ্যা নন্দিনী নাম ধেনুৰাববৃতে বনাৎ ।। ৮২।।
ললাটোদয়মাভুগ্নং পল্লবস্নিগ্ধপাটলা।
বিভ্রতী শ্বেতৰোমাঙ্ক সন্ধ্যেব শশিনং নবম্।। ৮৩।।
ভুবং কোষ্ণেণ কুণ্ডোধ্নী মেধ্যেনাবভৃথাদপি।
প্রস্নবেনাভিবর্ষন্তী বৎসালোকপ্রবর্তিনা ।। ৮৪।।
ৰজঃকনৈঃ খুৰোদ্ধূতৈঃ স্পৃশদ্ভির্গাত্রমন্তিকাত্।
তীর্থাভিষেকজাং শুদ্ধিমাদধানা মহীক্ষিতঃ ।। ৮৫।।
তাং পুণ্যদর্শনাং দৃষ্ট্বা নিমিত্তজ্ঞস্তপোনিধিঃ।
যাজ্যমাশংসিতাবন্ধ্যপ্রার্থনং পুনৰব্রৰীৎ ।। ৮৬।।
অদূৰবর্তিনীং সিদ্ধিং ৰাজন্ বিগনয়াত্মনঃ।
উপস্থিতেয়ং কল্যাণী নাম্নি কীর্তিত এব যত্ ।। ৮৭।।

বন্যাবৃত্তিৰিমাং শশ্বদাত্মানুগমনেন গাম্।
বিদ্যামভ্যসনেনেব প্রসাদয়িতুমর্হসি ।। ৮৮।।
প্রস্থিতায়াং প্রতিষ্ঠেথাঃ স্থিতায়াং স্তিতিমাচৰেঃ।
নিষন্নায়াং নিষীদাস্যাং পীতাম্ভসি পিৰেৰপঃ ।। ৮৯।।
বধূর্ভক্তিমতী চৈনামর্চিতামা তপোবনাৎ।
প্রযতা প্রাতৰন্বেতু সায়ং প্রত্যুদ্ব্রজেদপি ।। ৯০।।
ইত্যাপ্রসাদাদস্যাস্ত্বং পৰিচর্য্যাপৰো ভব।
অবিঘ্নমস্তু তে স্থেয়াঃ পিতেব ধুৰি পুত্রিনাম্ ।। ৯১।।
তথেতি প্রতিজগ্রাহ প্রীতিমান্ সপৰিগ্রহঃ।
আদেশং দেশকালজ্ঞঃ শিষ্যঃ শাসিতুৰাণতঃ ।। ৯২।।

প্রদোষ = সন্ধাকাল
দোষজ্ঞ = বিদ্বান
বিশাম্পতি = ৰজা
সূনু = পুত্র

অথ প্রদোষে দোষজ্ঞঃ সংবেশায় বিশাম্পতিম্।
সূনুঃ সূনৃতবাক্ স্রষ্টুর্বিসসর্জোজিতশ্রিয়ম।। ৯৩।।
সত্যামপি তপঃসিদ্ধৌ নিয়মাপেক্ষয়া মুনিঃ।
কল্পবিৎ কল্পয়ামাস বন্যামেবাস্য সংবিধাম্।। ৯৪।।
নির্দিষ্টাং কুলপতিনা স পর্ণশালা
মধ্যাস্য প্রযতপৰিগ্রহদ্বিতীয়ঃ।
তচ্ছিষ্যাধ্যয়ননিবেদিতাবসানাং
সংবিষ্টঃ কুশশয়নে নিশাং নিনায়।। ৯৫।।

৭.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ গঠ্যপাঠ পঢ়িবলৈ পাব।

৭৫) পুৰা শক্রম্ উপস্থায় উর্বীং প্রতি যাস্যতঃ তব পথি
কল্পতৰুচ্ছায়ায়ামাশ্রিতা সুৰভিঃ আসীত্

কল্পতৰুচ্ছায়য়ামাশ্রিতা = কল্পতৰুঃ + ছায়ায়াম্ + আশ্রিতা

৭৬) ঋতুস্নাতামিমাং ৰাজ্ঞীং ধর্মলোপভয়াৎ স্মৰণ্ ত্বম্ প্রদক্ষিনক্রিয়ার্হায়ং তস্যাং সাধু ন আচৰঃ।

ঋতুস্নাতামিমাম্ = ঋতুস্নাতাম্ + ইমাম্।

৭৭) যস্মাৎ (ত্বম্) মামবজানাসি অতঃ মৎপ্রসূমিনাৰাধ্য তে প্রজা ন ভৰিষ্যতি ইতি সা ত্বাং শশাপ।

মামবজানাসি = মাম্ = অৱজানাসি

মৎপ্রসূতিমনাৰাধ্য = মৎপ্রসূতিম্ + অনাৰাধ্য

৭৮) ৰাজন্। উদ্দামদিগ্‌গজে আকাশগঙ্গায়াঃ স্রোতসি নদতি (সতি) স শাপঃ ত্বয়া সাৰথিনা চ ন শ্রুতঃ

৭৯) তদবজ্ঞানাৎ আত্মনঃ ঈপ্সিতং সার্গলং বিদ্ধি, হি পূজ্যপূজাব্যতিক্রমঃ শ্রেয়ঃ প্রতিৰধ্নাতি।

৮০) সা চ ইদানীং দীর্ঘসত্রস্য প্রচেতসঃ হবিষে ভূজঙ্গপিহিত দ্বাৰং পাতালম্ অধিতিষ্ঠতি।

৮১) (ত্বম্) শুচিঃ সপত্নীকঃ সুৰভেঃ প্রতিনিধিং কৃত্বা তদীয়াং সুতাং আৰাধয়। হি সা প্রীতা কামদুঘা (ভবতি)।

৮২) ইতি বাদিন এব অস্য হোতুঃ আহুতিসাধনম্ নন্দিনী নাম অনিন্দ্যা ধেনুঃ বনাৎ আববৃতে।

৮৩) পল্লবস্নিগ্ধপাটলা ললাটোদয়ম্ আভুগ্নম্ শ্বেতৰোমাঙ্ক বিভ্রতী (সা) নবং শশিনং সন্ধ্যা ইব (শোভিতা)।

৮৪) কুণ্ডোধ্নী (সা) ব্যৎসালোকপ্রবর্ত্তিনা কোষেন অবভৃথাদপি মেধ্যেন প্রস্নবেন ভুবম্ অভিবর্ষন্তী।

৮৫) খুৰোদ্ধূতৈঃ অন্তিকাৎ গাত্রং স্পৃশদ্‌ভিঃ ৰজঃকণৈঃ মহীক্ষিতঃ তীর্থাভিষেকজাং শুদ্ধিম্ আদধানা।

৮৬) নিমিত্তজ্ঞ তপোনিধিঃ পুণ্যদর্শনাং তাং দৃষ্ট্বা আশংসিতা বন্ধ্যপ্রার্থণং যাজ্যং পুনঃ অব্রবীৎ।

৮৭) ৰাজন্। আত্মনঃ সিদ্ধিম্ অদূৰবর্তিনীং বিগণয় যৎ নাম্নি কীর্তিতে এব ইয়ং কল্যাণী উপস্থিতা।

৮৮) বন্যবৃত্তিঃ (সন্) শশ্বৎ আত্মানুগমনেন ইমাং গাম্ অভ্যসনেন বিদ্যাম্ ইব প্রসাদয়িতুম্ অর্হসি।

৮৯) অস্যাং প্রস্থিতায়াং প্রতিষ্ঠেথাঃ, স্থিতায়াং স্থিতিম্ আচৰেঃ। নিষন্নায়াং নিষীদ, পীতাম্ভসি অপঃ পিবেঃ।

৯০) বধূঃ ভক্তিমতী প্রযতা চ অর্বিতাম্ এনাম্ আতপোবনাৎ প্রাতঃ অন্বেতু সায়ম্ অপি প্রত্যুদ্‌ব্রজেৎ।

৯১) অস্যাঃ আ প্রসাদাত্ ত্বম্ ইতি পৰিচর্য্যাপৰঃ ভব, তে অবিঘ্নম্ অস্তু, পিতেব পুত্রিনাং ধুৰি স্থেয়াঃ।

৯২) সপৰিগ্রহঃ দেশকালজ্ঞঃ শিষ্যঃ প্রীতিমান্ আনতঃ (সন্) শাসিতুঃ আদেশম্ তথা ইতি প্রতিজগ্রাহ।

৯৩) অথ প্রদোষে দোষজ্ঞঃ সুনৃতবাক্ স্রষ্টুঃ সূনুঃ উর্জিতশ্রিয়ং বিশাম্পতিং সংবেশায় বিসসর্জ।

৯৪) তপঃসিদ্ধৌ সত্যামপি কল্পবিত্ মুনিঃ নিয়মাপেক্ষয়া অস্য বন্যাম্ সংবিধাম্ এব কল্পয়ামাস।

৯৫) প্রযতপৰিগ্রহদ্বিতীয়ঃ মঃ কুলপতিনা নির্দিষ্টাং পর্ণশালাম্ অধ্যাস্য কুশশয়নে সংবিষ্টঃ তচ্ছিষ্যাধ্যয়ননিবেদিতাবসানাং নিশাং নিনায়।

৭.৩.২ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ শব্দাৰ অর্থ পঢ়িবলৈ পাব।

৭৫নং শ্লোক ঃ

পুৰা = পূর্বম (পূর্বেই) শক্রম্ = ইন্দ্রম্ (ইন্দ্রক) উপস্থায় = সংসেব্য (উপাসনা কৰি) ঊর্বীম্ = ভূবম্ (পৃথিৰীৰ) প্রতি - উদ্দিশ্য (উদ্যেশ্যি) যাস্যতঃ = গমিষ্যতঃ (প্রত্যাগমন) তব = (তোমাৰ) পথি = মার্গে (পথত) কল্পতৰুচ্ছায়মশ্রিতা = কল্পতৰু নামকাঃ দেবতৰোঃ ছায়ায়ম্ উপবিষ্টা (কল্পতৰুৰছায়াক আশ্রয় কৰি) সুৰভিঃ = কামধেনুঃ (সুৰভি নামৰ কামধেনু) আসীত্ = অভূত্ (আছিল)।

৭৬নং শ্লোক ঃ

ঋতুস্নাতাং = ঋতুনা নিমিত্তেন স্নাতাং (ঋতুস্নাতা) ইমাং = পুৰোবর্তিণীম্ (এই) ৰাজ্ঞীং = মহিষীং সুদক্ষিণাং (মহিষী সুদক্ষিণাক) ধর্মলোপভয়াৎ = সুকৃতস্য নাশভয়াৎ (ধর্মলোপৰ আশঙ্কাত) স্মৰণ্ = অনুধ্যায়ন্ (স্মৰণ কৰি) প্রদক্ষিণক্রিয়ার্হায়াম্ = প্রদক্ষিণকৰণযোগ্যায়াং (প্রদক্ষিণাদি সৎকাৰযোগ্য) তস্যাং = কামধেন্বাং (তেওঁৰ অর্থাৎ সুৰভিৰ প্রতি) সাধু = প্রদক্ষিদিসৎকাৰম্ (যথোচিত সৎকাৰ) নাচৰঃ = নকৃতবান্ (কৰা নাই)।

৭৭নং শ্লোক ঃ

যস্মাৎ = যতঃ, কাৰণাত্ (যিহেতু) মাম্ = কামধেনুং (মোক অর্থাৎ সুৰভিক) অবজানাসি = তিৰস্কৰোষি (অৱজ্ঞা কৰিছা) অতঃ = অস্মাৎ কাৰণাত্ (সেই কাৰণে) মৎপ্রসূতিম্ = মম সন্ততিং (মোৰ সন্তানক) অনাৰাধ্য = অসেবয়িত্বা (আৰাধনা নকৰাকৈ) তে = তব, দিলীপস্য (তোমাৰ) প্রজা = সন্ততিঃ (সন্তান) ন = নহি, ভবিষ্যতি = সংপৎস্যতে (হব) ইতি = ইত্থম্ (এইদৰে) সা = কামধেনুঃ (তাই) ত্বাম্ = দিলীপং (তোমাক) শশাপ = শাপং দদৌ (শাপ দিলে)।

৭৮নং শ্লোক ঃ

ৰাজন্ = (হে মহাৰাজ !) উদ্দামদিগ্গজে = উদ্যাম দিক্কৰিনাং নৃত্যন্তে (দিগ্গজবিলাকৰ উদ্যাম নৃত্যত) আকাশগঙ্গায়াঃ = আকাশস্থিতায়াঃ গঙ্গায়াঃ অর্থাৎ মন্দাকিন্যাঃ (মন্দাকিনীৰ) স্রোতসি = প্রবাহে (জলপ্রৱাহত) নদতি = শব্দায়মানে (শব্দত) 'সতি' স = অসৌ পূর্বোক্তঃ (সেই) শাপঃ = আক্রোশঃ (শাপ) ন = নহি, ত্বয়া = দিলীপেন (তুমি অর্থাৎ দিলীপে) চ = তথা (আৰু) সাৰথিনা = সূতেন (সাৰথিয়ে) শ্রুতঃ = আকর্নিতঃ (শুনিলে)।

৭৯নং শ্লোক ঃ

তদবজ্ঞানাদ্ = তস্যাঃ কামধেনোঃ অপমানাত্ (তেওঁক অর্থাৎ সুৰভিক অৱজ্ঞা কৰা বাবে) আত্মনঃ = স্বস্য (নিজৰ) ঈপ্সিতং = মনোৰথং (মনোৰথ) সার্গলং = প্রতিবন্ধযুক্তম্ (প্রতিবন্ধকযুক্ত) বিদ্ধি = জানীহি (জানিবা), হি = যতঃ (যিহেতু) পূজ্যপূজাব্যতিক্রমঃ

= অর্চিতুং যোগ্যানাম্ পূজায়াঃ উল্লংঘনম্ (পূজ্যব্যক্তিৰ উপযুক্ত সন্মানৰ ব্যতিক্রমে) শ্রেয়ঃ = কল্যাণম্ (কল্যাণ) প্রতিবধ্না = ৰূণদ্ধি (অন্তৰায় হয়)।

৮০নং শ্লোক ঃ

সা = কামধেনুঃ (সুৰভি) চ = তথা (আৰু) ইদানীম্ = অধুনা (এতিয়া) দীর্ঘসত্রস্য = দীর্ঘকালসাধ্য যাগবিশেষস্য (দীর্ঘকালব্যাপি যজ্ঞৰ) প্রচেতসঃ = বৰুণস্য (বৰুণৰ) হবিষে = দধ্যাদিহবিৰর্থম্ (হবনীয় - দ্রব্যৰ বাবে) ভুজঙ্গপিহিতদ্বাৰম্ = সর্পৈঃ অবৰুদ্ধম্ প্রবেশদ্বাৰম্ (সর্পেৰে অবৰুদ্ধ দ্বাৰ) পাতালম্ = অধোভুবনম্ (পাতালত) অধিতিষ্ঠতি = অধ্যাস্তে (অৱস্থান কৰিছে)।

৮১নং শ্লোক ঃ

শুচিঃ = শুদ্ধঃ (পৱিত্র) সপত্নীকঃ = পত্ন্যাসহ (পত্নীৰ সৈতে) সুৰভেঃ = কামধেনোঃ (সুৰভিৰ) প্রতিনিধিং = প্রতিচ্ছায়ম্ (প্রতিনিধি) কৃত্বা = বিধায় (কৰি) তদীয়াং = তস্যাঃ সুৰভেঃ (তাইৰ) সুতাম্ = দুহিতৰম্ (কন্যাক) আৰাধয় = সেৱস্ব (আৰাধনা কৰা), হি = যতঃ (যিহেতু) সা = নন্দিনী (তেওঁ অর্থাৎ নন্দিনী) প্রীতা = প্রসন্না (প্রসন্ন) কামদুঘা = অভীষ্টদায়িনী (তাভিলাষ পূর্ণকাৰিণী) (ভবতি = হ'ব)।

৮২নং শ্লোক ঃ

ইতি = ইত্থম্ (এইদৰে) বাদিনঃ = বদতঃ (কৈ) এব, অস্য = মুনেঃ (মুনিৰ) হোতুঃ = হবনশীলস্য (হবনশীল) আহুতিসাধনম্ = হবনসামগ্রীনাম্ কাৰণম্ (আহতিৰ সাধন) নন্দিনী নাম = নন্দিনী ইতি প্রসিদ্ধৌ (নন্দিনী নামে) অনিন্দ্যা = অগর্হ্যা (প্রশস্তা অর্থাৎ সুলক্ষনা) ধেনুঃ = নবপ্রসূতা গৌঃ (গাই) বনাৎ = কাননাত্ (বনৰ পৰা) আববৃতে = প্রত্যাগতা (প্রত্যাৱর্তন কৰিলে)।

৮৩নং শ্লোক ঃ

পল্লবস্নিগ্ধপাটলা = পল্লববত্ মসৃনা শ্বেতৰক্তাচ (নতুন কিশলয়ৰ নিচিনা স্নিগ্ধ আৰু ৰক্তবর্ণ) ললাটোদয়ম্ =ললাটদেশে জাতম্ (কপালত) আভুগ্নম্ = ঈষদ্বক্রম্ (ঈষদ্বক্র) শ্বেতৰোমাঙ্কং = শ্বেত বর্ণৰোমৰাজিৰূপং চিহ্নম্ (শ্বেতবর্ণৰ ৰোমৰাজিৰূপ চিহ্ন) বিভ্রতী = ধাৰয়ন্তীং (ধাৰণ কৰি) নৱম্ = নূতনম্ (নতুন) শশিনং = চন্দ্রমসম্ (চন্দ্রৰ) সন্ধ্যা = সায়ংকালং (সন্ধ্যাকাল) ইব = যথা (নিচিনাকৈ) (শোভিতা = শোভা পালে)।

৮৪নং শ্লোক ঃ

কুণ্ডোধ্নী = কুণ্ডমিব স্তনশালিনী (কুণ্ডসদৃশ - স্তনযুক্ত) বৎসালোক প্রবর্তিনা = বৎসস্য দর্শনেন প্রবহতা (বৎসদর্শনত ক্ষৰিত হোৱা) কোষেণ = কিষিঞ্চদুষেণ (ঈষদুষ্ণ) অবভৃথাদপি = যজ্ঞাঙ্গভূতস্নানবিশেষাদ্ অপি (যজ্ঞান্ত স্নানজলতকৈও) মেধ্যেন = পবিত্রেন (পৱিত্র) প্রস্নবেন = অভিষ্যন্দনেন (দুগ্ধধাৰাৰে) ভুবম্ = ভুমিম্ (পৃথিৱীক) অভিবর্ষন্তী = সিঞ্চন্তী (অভিৱর্ষণ কৰি)।

৮৫নং শ্লোক ঃ

খুৰোদ্ধূতৈঃ = শফৈঃ উত্থাপিতৈঃ (খুৰাঘাতত উত্থিত) অন্তিকাৎ = সমীপাত্ (ওচৰৰ পৰা) গাত্রং = শৰীৰম্ (শৰীৰ) স্পৃশদ্ভিঃ = স্পর্শং কুর্বদ্ভিঃ (স্পর্শ কৰি) ৰজঃ কণৈঃ = ৰজসাং কণৈঃ (ধূলিকনাৰে) মহীক্ষিতঃ = ৰাজ্ঞঃ (মহাৰাজ দিলীপৰ) তীর্থাভিষেকজাং = তীর্থাভিষেকেন জাতাং (তীর্যস্নানসম্ভূত) শুদ্ধিম্ = পবিত্রতাম্ (পৱিত্রতা) আদধানা = কুর্বানা (সম্পদন কৰি)।

৮৬নং শ্লোক ঃ

নিমিত্তজ্ঞঃ = শকুনজ্ঞঃ শুভাশুভলক্ষণজ্ঞঃ বা (শুভাশুভলক্ষণৰ জ্ঞাতা) তপোনিধিঃ = তপশ্চর্য্যানাম্ আকৰঃ (তপোধন) পুণ্যদর্শনাং = পুণ্যজনক সাক্ষাৎকাৰং যস্যাঃ তাম্ (পুণ্যদর্শণা) তাং = নন্দিনীম্ (নন্দিনীক) দৃষ্টা = অবলোক্য (দেখি) আশঙ্কাসিতাবন্ধ্যপ্রার্থনং = মনোৰথং অবিফলং জ্ঞাত্বা (সফল মনোৰথ) যাজ্যং = যজমানং (যজমান অর্থাৎ দিলীপক) পুনঃ - ভূয়ঃ (আকৌ) অব্রবীৎ = উবাচ (ক'লৈ)।

৮৭নং শ্লোক ঃ

ৰাজন্ = হে নৃপঃ (হে মহাৰাজ !) আত্মনঃ = স্বস্য (নিজৰ) সিদ্ধিম্ = মনোৰথনিষ্পত্তিম্ (অভীষ্টসিদ্ধি) অদূৰবর্তিনীং = শীঘ্রভাবিনীং (নিকটৱর্তী) বিগনয় = জানীহি (জানিবা) যৎ = যস্মাত্ (যিহেতু) নাম্নি = অভিধানে (নাম) কীর্তিতেঃ এব = কথিতে (কোৱামাত্রেই), কল্যাণী = মঙ্গলমূর্তিঃ (কল্যাণমূর্তি) উপস্থিতা = প্রাপ্তা (উপস্থিত হৈছে)।

৮৮নং শ্লোক ঃ

বন্যবৃত্তি = অৰণ্যজাতফলাদি গ্রহণকাৰী (বনজাত ফলমূলাদি আহাৰ কৰি) শশ্বৎ = সদা (সদায়) আত্মানুগমনেন = স্বস্য অনুসৰণেন (নিজৰ অনুগমনৰ দ্বাৰা) ইমাং = পুৰোবর্তিনীং (এই) গাম্ = ধনুং নন্দিনীম্ (এই নন্দিনীক) অভ্যসনেন = অভ্যাসেন (অভ্যাসৰদ্বাৰা) বিদ্যাম্ = শাস্ত্রম্ (বিদ্যাৰ) ইব = যথা (নিচিনা) প্রসাদয়িতুম্র্হসি = প্রসন্নং কর্তুমর্হসি (প্রসন্ন কৰা উচিত)।

৮৯নং শ্লোক ঃ

অস্যাম্ = এতস্যাম্ নন্দিন্যাম্ (এই নন্দিনীৰ) প্রস্থিতায়াং = প্রচলিতায়াম্ (প্রস্থান কৰিলে) প্রতিষ্ঠেথা = প্রস্থানংকুরু (প্রস্থান কৰিবা) স্থিতায়াম্ = গমনাত্ নিবৃত্তায়াম্ (স্থিতিত) স্থিতিং = গমন-নিবৃত্তিম্ (স্থিতি) আচৰেঃ - কুর্য্যাঃ (আচৰণ কৰিবা), নিষণ্ণায়াং = উপবিষ্টায়াম্ (উপৱেশণ কৰিলে) নিষীদ = উপবিশ (উপৱেশণ কৰিবা), পীতাম্বসি = জলপানং কৃতে (জল পান কৰিলে) অপঃ = জলানি (পানী) পিব = পানং কুরু (পান কৰিবা)।

৯০নং শ্লোক ঃ

বধুঃ = স্নুষা (বধু সুদক্ষিণা) ভক্তিমতী = শ্রদ্ধাশীলা (ভক্তিমতী) প্রযতা = পবিত্রা (পৱিত্র) চ = অপি (আৰু) অর্চিতাম্ = পূজিতাম্ (অর্চিতা) এনাম্ = নন্দিনীং (এই নন্দিনীক)

আতপোবনাত্ = তপোবন পর্য্যন্তম্ (তপোবন পর্য্যন্ত) প্রাতঃ = প্রাতঃকালে (ৰাতিপুৱা) অন্বেতু = অনুগচ্ছতু (অনুগমন কৰা) সায়ম্ = সন্ধ্যা সময়ে (সন্ধাকালত) অপি = তথা প্রত্যুদ্ব্রজেত্ = প্রত্যুদগচ্ছেদ্ প্রত্যুদ্গমন কৰিবা)।

৯১নং শ্লোক ঃ

অস্যাঃ = এতস্যাঃ ধেনোঃ (এই ধেনুৰ) আপ্রসাদাৎ = প্রসন্নতাপর্য্যন্তম্ (অনুগ্রহ লাভ পর্য্যন্ত) ত্বম্ = দিলীপঃ (তুমি অর্থাৎ দিলীপ) ইতি = ইত্থম্ (এইদৰে) পৰিচর্য্যাপৰঃ = শুশ্রূষাপৰঃ (শুশ্রূষাপৰায়ণ) ভব = ভৱেঃ (হোৱা) তে = তব (তোমাৰ) অবিঘ্নম্ = বিঘ্নসাগবঃ (বিঘিনিৰ অভাব) অস্তু = ভবতু (হওক), পিতেব = জনক ইব (পিতাৰ নিচিনা) পুত্রিনাং = সৎপুত্রবতাম্ (সৎপুত্রশালীসকলৰ) ধুৰি = অগ্রে (সমুখত) স্থেয়াঃ = তিষ্ঠেঃ (অৱস্থান কৰিবা)।

৯২নং শ্লোক ঃ

সপৰিগ্রহঃ সপত্নীকঃ (পত্নীৰে সৈতে) দেশকালজ্ঞঃ = দেশকালবিদ্ (দেশ আৰু কালৰ বিষয়ে অভিজ্ঞ) শিষ্যঃ অন্তেবাসী (শিষ্য) প্রীতিমান্ = হর্ষচিত্তঃ (প্রসন্ন হৈ) আনতঃ = বিনয়নম্রঃ (নম্রতাপূর্বক) শাসিতুঃ = গুৰোঃ (গুৰুৰ) আদেশম্ = আজ্ঞাম্ (আদেশ) তথা ইতি = তেনৈব প্রকাৰেণ (সেই হওক বুলি) প্রতিজগ্রাহ = স্বীচকাৰ (গ্রহণ কৰিলে)।

৯৩নং শ্লোক ঃ

অর্থ = অনন্তৰম্ (ইয়াৰ পিছত) প্রদোষে = ৰাত্রৌ (ৰাতি) দোষজ্ঞ = বিদ্বান্ (বিদ্বান) সুনৃতবাক্ = সত্যপ্রিয়বাক্ (সত্য আৰু প্রিয়বাদী) স্রষ্টুঃ = ব্রহ্মায়োঃ (সৃষ্টিকর্তা ব্রহ্মাৰ) সুনুঃ = পুত্রঃ (পুত্র) উর্জিতশ্রিয়ং = দীপ্তিমতী শ্রীযুক্ত (সমুজ্জ্বলশ্রীসম্পন্ন) বিশাম্পতিং = মনুজেশ্বৰম্ (ৰজাক) সংবেশায় = নিদ্রায়ৈ (নিদ্রাৰ বাবে) বিসসর্জ - আজ্ঞাপয়ামাস (অনুমতি প্রদান কৰিলে)।

৯৪নং শ্লোক ঃ

তপঃসিদ্ধৌ = তপস্যায়া বলে অপি (তপঃ সিদ্ধি) সত্যাম্ অপি = বিদ্যমানায়ামপি (থকা সত্ত্বেও) কল্পবিত্ = ব্রত প্রয়োগাভিজ্ঞঃ (ব্রতনিয়মত অভিজ্ঞ) মুনিঃ = বশিষ্ঠঃ (বশিষ্ঠ) নিয়মাপেক্ষয়া = নিয়মপালনায় (নিয়ম পালনৰ বাবে) অস্য = ৰাজ্ঞঃ (ৰজাৰ) বন্যাম্ = অৰন্যেভবাম্ (অৰন্যোচিত) সংবিধাম্ = কুশাদি-শয়নসামগ্রীম্ (ফলমূল, কুশাদি উপকৰন) এব কল্পয়ামাস = ৰচয়ামাস (যোগাৰ কৰিলে)।

৯৫নং শ্লোক ঃ

প্রযতপৰিগ্রহদ্বিতীয়ঃ = পবিত্রয়া ভার্য্যয়া সহ (পৰিত্রচাৰিণী পত্নীৰ সৈতে) সঃ - দিলীপঃ (দিলীপে) কুলপতিনা = মুনিকুলেশ্বৰেন (কুলপতিয়ে) নির্দিষ্টাং = বিজ্ঞাপিতাং (দেখুৱাই দিয়া) পর্ণশালাম্ = কুটীৰং (পর্ণশালাত) অধ্যাস্য = অধিষ্ঠায় (অধিষ্ঠান কৰি) কুশশয়নে = কুশানাং শয়নে (কুশৰ শয্যাত) সংবিষ্টঃ = সুপ্তঃ শয়ন কৰি) তচ্ছিষ্যাধ্যয়ননিবেদিতা-বসানাং = বশিষ্ঠস্য ছাত্রানাং বেদপঠনেন সূচিতং ৰাত্রেঃ সমাপ্তিং (তেওঁৰ অর্থাৎ বশিষ্ঠৰ

শিষ্যসকলৰ অধ্যয়ন শুনি যাৰ সমাপ্তি জানিব পাৰিছিল) নিশাং = ৰাত্রিম্ (ৰাতি) নিনায় = গময়ামাস (যাপন কৰিলে)।



জানি থোৱা ভাল

৭৮নং শ্লোক ঃ

আকাশগঙ্গা = আকাশতথকা গঙ্গা। আকাশৰ গঙ্গাৰ অন্য নাম মন্দাকিনী। গঙ্গা স্বর্গমর্ত্ত্য আৰু পাতালত প্রৱাহিত। সেয়েহে গঙ্গাক ত্রিপথগা বোলা হয়। স্বর্গত গঙ্গাৰ নাম মন্দাকিনী, মর্ত্ত্যত অলকানন্দা আৰু পাতালত ভোগৱতী।

দিগ্গাজ = অষ্টদিশৰ পালনকর্তা অষ্ট দিগ্গাজ— ১) পূব দিশৰ ইন্দ্রৰ ঐৰাৱত, ২) দক্ষিণ-পূব দিশৰ অগ্নিৰ পুণ্ডৰীক, ৩) দক্ষিণ দিশৰ যমৰ বাহন, ৪) দক্ষিণ-পশ্চিম দিশত সূর্য্যৰ কুমুদ, ৫) পশ্চিমত বৰুণৰ অঞ্জন, ৬) উত্তৰ-পশ্চিমত বায়ুৰ পুষ্পদন্ত, ৭) উত্তৰ দিশত কুবেৰৰ সার্বভৌম, ৮) উত্তৰ-পূব দিশত সোমৰ সুপ্রতীক।

৮০নং শ্লোক ঃ

সত্র = বাৰ বা তাতোকৈ বেছিদিন ব্যাপী চলা যজ্ঞক সত্র বোলে। এই সত্র সহস্র বছৰ ধৰিও চলি থাকে।

৭.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ প্রথম সর্গৰ শ্লোক (৭৫-৯৫)সমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

৭৫) পূর্বতে এদিন দেৱৰাজ ইন্দ্র কার্য্যসম্পন্ন কৰি তুমি পৃথিৱীলৈ প্রত্যাৱর্তন কৰোঁতে কামধেনু সুৰভি পথৰ কাষত কল্পতৰুৰ ছায়াত জিৰণি লৈ আছিল।

৭৬) ঋতুস্নাতা এই ৰাজমহিষীক ধর্মলোপৰ আশঙ্কাত স্মৰণ কৰি তুমি প্রদক্ষিণ আদি সৎকাৰযোগ্য সেই ধেনুৰ প্রতি উচিত আচৰণ নেদেখুৱালা।

৭৭) 'মোক অসম্মান কৰা হেতুকেই মোৰ সন্তানক সেৱা নকৰাকৈ তোমাৰ সন্তান নহ'ব।' —এইদৰে তেওঁ তোমাক অভিশাপ দিছিল।

৭৮) হে ৰাজন্, আকাশগঙ্গাৰ প্রৱাহ আৰু উদ্দাম দিগ্গজৰ গর্জনত সেই শাপ তুমি নুশুনিল আৰু আপোনাৰ সাৰথিয়েও নুশুনিলে।

৭৯) তেওঁক অৱজ্ঞা কৰাৰ বাবেই তোমাৰ অভীষ্টসিদ্ধিৰ পথ বাধাগ্রস্ত হৈছে। কাৰণ, পূজ্যজনৰ প্রতি যথোচিত সন্মান ব্যতিক্রমে মঙ্গলত সদায় বিঘিনি ঘটায়।

৮০) সেই সুৰভি এতিয়া বৰুণৰ দীর্ঘকালীন যজ্ঞৰ হবনীয় দ্রব্যৰ বাবে সাপে দ্বাৰ ৰুদ্ধ কৰি ৰখা পাতালত বাস কৰিছেগৈ।

৮১) সুৰভিৰ কন্যাক প্ৰতিনিধি ৰূপে জ্ঞান কৰি শুদ্ধভাৱেৰে পত্নীৰে সৈতে আৰাধনা কৰা। কাৰণ প্ৰসন্ন হৈ তেৱেঁই তোমাৰ অভীষ্টপূৰণ কৰিব।

৮২) এইদৰে কৈ থাকোঁতেই সেই হোতাৰ (বশিষ্ঠৰ) যজ্ঞাহুতিৰ সাধনস্বৰূপ নন্দিনী নামৰ অনিন্দনীয় ধেনু বনৰ পৰা প্ৰত্যাৱৰ্তন কৰিলে।

৮৩) সন্ধ্যাই যিদৰে নবোদিত চন্দ্ৰকলা ধাৰণ কৰে তেনেদৰে কুঁহিপাতৰ দৰে স্নিগ্ধপাটলবৰ্ণ বিশিষ্টা সেই ধেনুৰ কপালত ঈষদ্‌বক্ৰ শ্বেতবৰ্ণৰ ৰোমৰাজিয়ে শোভা পাইছিল।

৮৪) কুম্ভৰদৰে পীনস্তনযুক্তা নন্দিনীয়ে ব্যসদৰ্শনত নিঃসৃত যজ্ঞৰ অৱভৃথ স্নানতকৈয়ো পবিত্ৰ, ঈষদুষ্ণ দুগ্ধ প্ৰৱাহেৰে ধৰাতল অভিষিক্ত কৰিছিল।

৮৫) (নন্দিনীৰ) খুৰাৰ আঘাতত উঠা ধূলিকনাই ৰজাৰ শৰীৰ স্পৰ্শ কৰি তেওঁক তীৰ্থত স্নানকৰাৰ নিচিনা পৱিত্ৰতা সম্পাদন কৰিছিল।

৮৬) পুণ্যদৰ্শনা তাইক (নন্দিনীক) দেখি নিমিত্তজ্ঞ তপোনিধিয়ে মনোৰথসিদ্ধি অৱধাৰিত বুলি জানি যজমান দিলীপক পুনৰ ক'বলৈ ধৰিলে।

৮৭) হে ৰাজন্। তোমাৰ অভীষ্টসিদ্ধি অদূৰৱৰ্তী বুলি জানিবা, কাৰণ এই মঙ্গলমূৰ্তি নন্দিনী নামলোৱামাত্ৰেই উপস্থিত হৈছেহি।

৮৮) অভ্যাসৰ দ্বাৰা যিদৰে বিদ্যাক প্ৰসন্ন কৰা হয়, তুমিও সেইদৰে বন্যবৃত্তি অৱলম্বন কৰি এই ধেনুক নিৰন্তৰ অনুসৰণ কৰি সন্তুষ্ট কৰা উচিত।

৮৯) তাই প্ৰস্থান কৰিলে তুমিও প্ৰস্থান কৰিবা আৰু অৱস্থান কৰিলে তুমিও অৱস্থান কৰিবা। তাই বহিলে তুমিও বহিবা আৰু তাই পানী খালে তুমিও পানী খাবা।

৯০) বধূসুদক্ষিণায়ো ভক্তিমতী আৰু পৱিত্ৰ হৈ এই ধেনুৰ পূজা অৰ্চনা কৰি প্ৰাতঃকালত তপোবনৰ সীমালৈ এই ধেনুক অনুসৰণ কৰিব আৰু সন্ধ্যা তাইক আদৰি আনিব।

৯১) যিমান দিনলৈ নন্দিনী প্ৰসন্ন নহয় সিমান দিনলৈ সেৱা কৰিবা। তোমাৰ বিঘিনি দূৰ হওঁক। তুমি তোমাৰ পিতাৰ দৰে সৎপুত্ৰসকলৰ ভিতৰ অগ্ৰণী হোৱা।

৯২) দেশ আৰু কালৰ বিষয়ে অভিজ্ঞ শিষ্যই পত্নীৰে সৈতে আনন্দ মনেৰে বিনয়নম্ৰ হৈ 'সেয়াই হ'ব' বুলি গুৰুৰ আদেশ গ্ৰহণ কৰিলে।

৯৩) ইয়াৰ পিছত ৰাতি বিদ্বান, সত্যপ্ৰিয়ভাষী ব্ৰহ্মাৰ পুত্ৰই (বশিষ্ঠই) ঐশ্বৰ্য্যশালী ৰজাক শুবলৈ আদেশ দিলে।

৯৪) তপস্যাৰ প্ৰভাৱ থকা সত্ত্বেও ব্ৰতনিয়মত অভিজ্ঞ মুনিয়ে নিয়ম পৱিপালনৰ বাবে অৰণ্যোচিত সামগ্ৰীৰ যোগাৰ ধৰিলে।

৯৫) পৱিত্ৰচাৰিণী পত্নীৰ সৈতে তেওঁ (দিলীপে) কুলপতিয়ে দেখুৱাই দিয়া পৰ্ণশালাত প্ৰৱেশ কৰি কুশশয্যাত শয়ন কৰিলে আৰু শিষ্যসকলৰ অধ্যয়নৰ শব্দত ৰাতিৰ অৱসান হ'ল বুলি জানিব পাৰিলে— এইদৰেই তেওঁ ৰাতিটো কটালে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'শক্র' বুলিলে কাক বুজায়?

.....

প্রশ্ন নং ২ ঃ সুৰভি কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ প্রচেতসৰ অন্য এটি নাম লিখা।

.....

প্রশ্ন নং ৪ ঃ 'বিশাম্পতি' শব্দটিৰ অর্থ কি?

.....

প্রশ্ন নং ৫ ঃ সত্র মানে কি?

.....

৭.৪ ব্যাকৰণগত টোকা

৭৫নং শ্লোক ঃ

ব্যুৎপত্তি—

উপস্থায় - উপ - স্থা + ল্যপ্

যাস্যতঃ = যা + লৃট্ৰ ঠাইত শতৃ হৈ যাস্যৎ (ষষ্ঠীৰ একবচন)

আসীৎ = অস্ + লঙ্দ্

আশ্রিতা = আ - শ্রি + ক্ত (কর্তৰি) + টাপ (স্ত্রিয়াম্)

বিভক্তি নির্ণয়—

উর্বীম্ = প্রতি যোগে দ্বিতীয়া

যাস্যতঃ - ষষ্ঠী একবচন

পথি = অধিকৰণে সপ্তমী

সমাস—

কল্পতৰুছায়াম্ = কল্পপ্রদঃ তৰুঃ (শাকপার্থিবাদিব্য কর্মধাৰয়), তস্য ছায়া (ষষ্ঠী তৎপুৰুষ) তাম্

৫০নং শ্লোক ঃ

ব্যুৎপত্তি—

স্মৰণ্ = স্মৃ + শতৃ প্রথমা একবচন

আচৰঃ = আ - চৰ্ + লঙ্স

বিভক্তি নির্ণয়—

ধর্মলোপভয়াৎ = হেতৌ পঞ্চমী

ৰাজ্ঞীম্ = কর্মণি দ্বিতীয়া

তস্যাম্ = অধিকৰণে সপ্তমী

সমাস—

ধর্মলোপভয়াৎ = ধর্মস্য লোপঃ (ষষ্ঠী তৎপুৰুষ) তস্মাৎ ভয়ম্ (পঞ্চমী তৎপুৰুষ)

ঋতুস্নাতাম্ = ঋতুনাং নিমিত্তেন স্নাতা (তৃতীয়া তৎপুৰুষ)

প্রদক্ষিণক্রিয়ার্হায়াম্ = প্রগতাদক্ষিণম্ ইতি প্রদক্ষিণম্ (অব্যয়ী ভাব) তস্য ক্রিয়া (ষষ্ঠী তৎপুৰুষ), তস্যাঃ তর্হাঃ (ষষ্ঠী তৎপুৰুষ), তস্যাম্

৭৭নং শ্লোক ঃ

ব্যুৎপত্তি—

অবজানামি = অব - জ্ঞ + লট্সি

ভৰিষ্যতি = ভূ + লৃট্ স্যতি

শশাপ = শপ্ + লিট্ ণল্।

বিভক্তি নির্ণয়—

যস্মাৎ = হেতৌ পঞ্চমী

সমাস—

মৎপ্রসূতিম্ = মম প্রসূতিঃ (ষষ্ঠী তৎপুৰুষ) তাম্

৭৮নং শ্লোক ঃ

ব্যুৎপত্তি—

শাপঃ = শপ্ + ঘঞ্

শ্রুতঃ = শ্রু + ক্ত (কর্মণি)

নদতি = নদ্ + শতৃ সপ্তমী একবচন

বিভক্তি নির্ণয়—

সাৰথিনা = অনুক্তে কর্তৰি তৃতীয়া

স্রোতসি = ভাবে সপ্তমী

আকাশ গঙ্গায়াঃ - শেষে ষষ্ঠী

সমাস—

উদ্দামদিগ্গজে = উদ্গতানি দামানি যেষাংতে (বহুব্রীহি), উদ্দামানঃ দিগ্গজাঃ যস্মিন্ (বহুব্রীহি) তস্মিন্।

৭৯নং শ্লোক ঃ

ব্যুৎপত্তি—

ঈপ্সিতম্ = আপ্ + সন্ + ক্ত

বিদ্ধি = বিদ্ + লোট্ হি

প্রতিবধ্নাতি = প্রতি - বন্ধ + লট্ তি

বিভক্তি নির্ণয়—

অবজ্ঞানাত্ = হেতৌ পঞ্চমী

সমাস—

তদবজ্ঞানাৎ = তস্যাঃ অবজ্ঞানম্ (ষষ্ঠী তৎপুৰুষ) তস্মাৎ

সার্গলম্ = অর্গলেন সহ বর্তমানম্ (বহুব্রীহি)

পূজ্যপূজাব্যতিক্রমঃ = পূজ্যানাং পূজা (ষষ্ঠী তৎপুৰুষ), তস্যাঃ ব্যতিক্রম (ষষ্ঠী তৎপুৰুষ)

৮০নং শ্লোক ঃ

ব্যুৎপত্তি—

অধিতিষ্ঠতি = অধি - স্থা + লট্ তি

বিভক্তি নির্ণয়—

হবিষে = তাদ্যর্থে চতুর্থী

প্রচেতসঃ - সম্বন্ধে ষষ্ঠী

পাতালম্ = 'অধিশীঙ্স্থাসাং কর্ম' সূত্রৰ দ্বাৰা অধিকৰণে দ্বিতীয়া

সমাস—

দীর্ঘসত্রস্য = দীর্ঘংসত্রং যস্য তস্য (বহুব্রীহি)

ভুজঙ্গপিহিতদ্বাৰম্ = ভুজঙ্গৈঃ পিহিতম্ (তৃতীয়া তৎপুৰুষ) ভুজঙ্গপিহিতং দ্বাৰং যস্য তৎ (বহুব্রীহি)

৮১নং শ্লোক ঃ

ব্যুৎপত্তি—

কৃত্বা = কৃ + ক্ত্বচ্

প্রতিনিধিং = প্রতি - নি ধা + কি দ্বিতীয়া একবচন

আৰাধয় = আ - ৰাধ্ + লোট্ হি

প্রীতা = প্রী + ক্ত + আপ্ (স্ত্রিয়াম্)

কামদুঘা = কাম + দুহ্ + কপ্, দুহেঃ কব্ ঘশ্চ সূত্রানুসাৰে কপ্ প্রত্যয় আৰু 'ঘ'ৰ অন্তাদেশ, স্ত্রিয়াম্ টাপ্।

বিভক্তি নির্ণয়—

সুৰভেঃ = 'প্রতিনিধিঃ প্রতিদানে চ যস্মাৎ' সূত্রৰ দ্বাৰা ষষ্ঠ্যর্থে পঞ্চমী।

সমাস—

সপত্নীকঃ = পত্ন্যা সহ বর্তমানঃ (বহুব্রীহি)

কামদুঘা = কামান্ দোগ্ধি যা সা (উপপদ তৎপুৰুষ)

৮২নং শ্লোক ঃ

ব্যুৎপত্তি—

বাদিনঃ = বদ্ + ণিচ্ + ইন্, ষষ্ঠী একবচন

হোতুঃ = হু + তৃণ, তস্য

আববৃতে = আ - বৃৎ + লিট্ এ

বিভক্তি নির্ণয়—

বনাৎ = অপাদানে পঞ্চমী

সমাস—

আহুতিসাধনম্ = আহুতীনাং সাধনম্ (ষষ্ঠী তৎপুরুষ)

অনিন্দ্যা = ন নিন্দ্যা (নঞ্ তৎপুরুষ)

৮৩নং শ্লোক ঃ

ব্যুৎপত্তি—

বিভ্রতী = ভৃ + শতৃ + স্ত্রিয়াম্ ঙীপ্

সমাস—

ললাটোদয়ম্ = ললাটে উদয়ঃ যস্য তম্ (ব্যধিকরণ বহুব্রীহি)

আভুগ্নম্ = আ ঈষৎ ভগ্নম্ (সুপসুপা)

পল্লবস্নিগ্ধপাটলা = স্নিগ্ধা চাসৌ পাটলা চ (কর্মধারয়), পল্লব ইব স্নিগ্ধপাটলা (উপমান কর্মধারয়)

শ্বেতরোমাঙ্ক্ = শ্বেতানি রোমানি (কর্মধারয়), তান্যেব অঙ্কঃ (রূপক কর্মধারয়) তম্।

৮৪নং শ্লোক ঃ

ব্যুৎপত্তি—

মেধ্যেন = মেধ্ + ন্যত্, তৃতীয়া একবচন

অভিবর্ষন্তী = অভি - বৃষ + শতৃ + ঙীপ্ (স্ত্রিয়াম্), প্রথমা একবচন

বিভক্তি নির্ণয়—

অবভৃথাৎ = 'পঞ্চমী বিভক্তে' সূত্রানুসারে অপেক্ষার্থে পঞ্চমী

সমাস—

কোষ্ণেন = ঈষৎ উষ্ণঃ (কর্মধারয়) তেন।

কুণ্ডোধ্নী = কুণ্ডমিব ঊধঃ যস্যাঃ সা (বহুব্রীহি)

বৎসালোকপ্রবর্তিনা = বৎসস্য আলোকঃ (ষষ্ঠী তৎপুরুষ), বৎসালোকে প্রবর্ততে যঃ তেন (উপপদ সমাস)

৮৫নং শ্লোক ঃ

ব্যুৎপত্তি—

স্পৃশদ্ভিঃ = স্পৃশ্ + শতৃ। তৃতীয়া একবচন

শুদ্ধিম্ = শুধ্ + ক্তিন্। দ্বিতীয়া একবচন

আদধানা = আ - ধা + শানচ্ + টাপ্ (স্ত্রিয়াম্)

বিভক্তি নির্ণয়—

ৰজঃকণৈঃ = কৰণে তৃতীয়া

অন্তিকাৎ = 'দূৰান্তিকার্থেভ্যো দ্বিতীয়া চ' সূত্রানুসাৰে পঞ্চমী

মহীক্ষিতঃ = শেষে ষষ্ঠী

সমাস—

ৰজঃকণৈ = ৰজসাং কণাঃ (ষষ্ঠী তৎপুৰুষ) তৈঃ

তীর্থভিষেকজাম্ = তীর্থস্য অভিষেকঃ (ষষ্ঠী তৎপুৰুষ), তীর্থভিষেকাৎ জায়তে যা তাম্ (বহুব্রীহি)

৮৬নং শ্লোক ঃ

ব্যুৎপত্তি—

দৃষ্টা = দৃশ্ + ক্ত্বাচ্

যাজ্যম্ = যজ্ + ন্যত্

অব্রবীৎ = ব্রূ + লঙ্ দ

সমাস—

পুণ্যদর্শণাম্ = পুণ্যং দর্শণং যস্যাঃ তাম্ (বহুব্রীহি)

নিমিত্তজ্ঞাঃ = নিমিত্তং জানাতি যঃ সঃ (উপপদ তৎপুৰুষ)

অশংসিতাবন্ধ্যপ্রার্থণম্ = ন বন্ধ্যা অবন্ধ্যা (নঞ্ তৎপুৰুষ), আশংসিতা অবন্ধ্যা প্রার্থনা যস্য তম্ (বহুব্রীহি)

৮৭নং শ্লোক ঃ

ব্যুৎপত্তি—

সিদ্ধিম্ = সিধ্ + ক্তিন্। দ্বিতীয়া একবচন

বিগনয় = বি - গন্ + লোট্ হি

উপস্থিতা = উপ-স্থা + ক্তা + স্ত্রিয়াম্ আপ্

কল্যাণী = কল্যাণমস্যা অস্তীতি কল্যাণ + ইনি + ঙীষ্ (স্ত্রিয়াম্)

কীর্তিতে = কৃ + ক্ত, সপ্তমী একবচন

বিভক্তি নির্ণয়—

সিদ্ধিম্ = কর্মণি দ্বিতীয়া

নাম্নি = 'যস্য চ ভাবেন ভাবলক্ষণম্' সূত্রৰ দ্বাৰা ভাবে সপ্তমী।

সমাস—

অদূৰবর্তিনীম্ = ন দূৰম্ অদূৰম্ (নঞ তৎপুৰুষ), অদূৰে বর্ততে যা তাম্ (উপপদ তৎপুৰুষ)

৮৮নং শ্লোক ঃ

ব্যুৎপত্তি—

অভ্যসনেন = অভি - অস্ + ল্যুট (কৰণে) তৃতীয়া একবচন

প্রসাদয়িতুম্ = প্র - সদ্ + ণিচ্ + তুমুন্

অর্হসি = অর্হ + লট্ সি

বিভক্তি নির্ণয়—

আত্মানুগমনেন = কৰণে তৃতীয়া

অভ্যসনেন = কৰণে তৃতীয়া

সমাস—

বন্যবৃত্তিঃ = বনে ভবং বন্যাঃ। বন্যানাং বৃত্তিঃ (ষষ্ঠী তৎপুৰুষ) বন্যবৃত্তিৰিব বৃত্তির্য্যস্যসঃ (বহুব্রীহি)

৮৯নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রস্থিতায়াম্ = প্র - স্থা + ক্ত (কর্তৰি) + টাপ্ (স্ত্রিয়াম্) সপ্তমী একবচন।

প্রতিষ্ঠেথাঃ = প্র - স্থা + বিধিলিঙ্ ঈথাস্। 'সমবভ্র বিভ্যস্থঃ' সূত্রানুসৰি প্র-পূর্বক স্থা ধাতু আত্মনেপদী হৈছে।

স্থিতায়াম্ = স্থা + ক্ত (কর্তৰি) + টাপ্ (স্ত্রিয়াম্), সপ্তমী একবচন

স্থিতিম্ = স্থা + ক্তিন্। দ্বিতীয়া একবচন।

আচৰেঃ = আ চৰ্ + বিধিলিঙ্ যাস্।

নিষণ্ণায়াম্ = নি সদ্ + ক্ত (কর্তৰি) + টাপ্ (স্ত্রিয়াম্) সপ্তমী একবচন

নিষীদ = নি-সদ্ + লোট্ হি

পিবেঃ = পা + বিধিলিঙ্ যাস্

বিভক্তি নির্ণয়—

স্থিতিম্ = কর্মণি দ্বিতীয়া

অস্যাম্ = 'যস্যচ ভাবেন ভাবলক্ষণম্' সূত্রৰ দ্বাৰা ভাবে সপ্তমী

অপঃ = কর্মণি দ্বিতীয়া

সমাস—

পীতাম্ভসি — পীতম্ অম্ভঃ যয়া (বহুব্রীহি) তস্যাম্।

৯০নং শ্লোক ঃ

ব্যুৎপত্তি—

ভক্তিমতী = ভক্তিৰস্তি অস্যা ইতি ভক্তি + মতুপ্ + ঙীপ্ (স্ত্রিয়াম্)

অর্চিতাম্ = অর্চ্ + ক্ত + টাপ্ (স্ত্রিয়াম্) তাম্

প্রমতা = প্র - যম্ + ক্ত + টাপ্ (স্ত্রিয়াম্)

অন্বেতু = অনু - ই + লোট্ তু।

প্রত্যুদ্ব্রজেত্ = প্রতি-ই ব্রজ্ + লিঙ্ যাৎ

বিভক্তি নির্ণয়—

তপোবনাৎ = 'আ' এই কর্মপ্রবচনীয়ৰ যোগত পঞ্চমী।

৯১নং শ্লোক ঃ

ব্যুৎপত্তি—

ভব = ভূ + লোট্ হি

অস্তু = অস্ + লোট্ তু

স্থেয়াঃ = স্থা + আশীর্লিঙযাস্

পুত্রিনাম্ = পুত্রাঃ সন্তি এষাম্ ইতি পুত্র + ইন্, তেষাম্

বিভক্তি নির্ণয়—

প্রসাদাৎ - কর্মপ্রবচনীয় যোগে পঞ্চমী

ধুৰি - অধিকৰণে সপ্তমী

পুত্রিনাম্ - শেষে ষষ্ঠী

সমাস—

পৰিচর্য্যাপৰঃ - পৰিচর্য্যা পৰং যস্য সঃ (বহুব্রীহি)

৯২নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রতিজগ্রাহ = প্রতি - গ্রহ + লিট্ ণল্

আদেশম্ = আ = দিশ্ + ঘঞ্ তম্

শিষ্যঃ = শাস্ + ক্যপ্

শাসিতুঃ = শাস + তৃচ্। ষষ্ঠী একবচন

আনতঃ = আ নম্ + ক্ত (কর্তৰি)

বিভক্তি নির্ণয়—

আদেশম্ = কর্মণি দ্বিতীয়া

শাসিতুঃ = শেষে ষষ্ঠী

সমাস—

সপৰিগ্রহঃ = পৰিগ্রহেণ সহ বর্তমানঃ যঃ সঃ (বহুব্রীহি)

দেশকালজ্ঞঃ = দেশশ্চ কালশ্চ ইতি দেশকালৌ (দ্বন্দ্ব), তৌ জানাতি যঃ সঃ (উপপদ তৎপুৰুষ)

৯৩নং শ্লোক ঃ

ব্যুৎপত্তি—

সংবেশায় = সম্ + বিশ্ + ঘঞ, তস্মৈ

সূনুঃ = সূয়তে ইতি সূ + নু

বিসসর্জ = বি-সৃজ্ + লিট্ ণল্।

বিভক্তি নির্ণয়—

প্রদোষে = অধিকৰণে সপ্তমী

সংবেশায় = তাদর্থ্যে চতুর্থী

সমাস—

প্রদোষে = প্রাৰম্ভ দোষায়াঃ (ৰাত্র্যাঃ) ইতি প্রদোষঃ (প্রাদি সমাস) তস্মিন্।

বিশাম্পতিম্ = বিশাম্ (নৰানাম্) পতিম্ (অলুক্ সমাস)

সুনৃতবাক্ = সুনৃতা বাক্ যস্য সঃ (বহুব্রীহি)

উর্জিতশ্রিয়ম্ = উর্জিতা শ্রীর্যস্য তম্ (বহুব্রীহি)

৯৪নং শ্লোক ঃ

ব্যুৎপত্তি—

সত্যাম্ = অস্ + শতৃ + ঙীপ্ (স্ত্রিয়াম্) সপ্তমী একবচন।

কল্পয়ামাস = কৃপ্ (চুৰাদি) + লিট্ ণল্।

সংবিধাম্ = সম্ - বি - ধা + ক তাম্

বিভক্তি নির্ণয়—

তপঃ সিদ্ধৌ = 'যস্য চ ভাবেন ভাবলক্ষণম্' সূত্রৰ দ্বাৰা ভাবে সপ্তমী।

নিয়মাপেক্ষয়া = হেতৌ তৃতীয়া

সংবিধাম্ = কর্মণি দ্বিতীয়া

সমাস—

তপঃ সিদ্ধৌ = তপসা সিদ্ধিঃ (তৃতীয়া তৎপুৰুষ), তস্যাম্

নিয়মাপেক্ষয়া = নিয়মস্য অপেক্ষা (ষষ্ঠী তৎপুৰুষ) তয়া।

কল্পবিদ্ = কল্পং বেত্তি যঃ সঃ (উপপদ তৎপুৰুষ)

৯৫নং শ্লোক ঃ

ব্যুৎপত্তি—

নির্দিষ্টাম্ = নিৰং - দিশ্ + ক্ত + টাপ্ (স্ত্রিয়াম্) তাম্

অধ্যাস্য = অধি - আস্ + ল্যপ্

সংবিষ্টঃ = সম্ - বিশ + ক্ত

নিনায় = নী + লিট্ ণল্

বিভক্তি নির্ণয়—

কুলপতিনা = অনুক্তে কর্তৰি তৃতীয়া

কুশশয়নে = অধিকৰণে সপ্তমী

নিশাম্ = কর্মণি দ্বিতীয়া

সমাস—

কুলপতিনা = কুলস্যপতিঃ (ষষ্ঠী তৎপুৰুষ), তেন

পর্ণশালাম্ = পর্ণনির্মিতা শালা (শাকপার্থিবাদিব্য সমাস), তাম্

প্রযতপৰিগ্রহদ্বিতীয়ঃ = প্রযতশ্চাসৌ পৰিগ্রহশ্চ (কর্মধাৰয়), প্রযতপৰিগ্রহঃ দ্বিতীয়ঃ যস্য সঃ (বহুব্রীহি)

তচ্ছিষ্যাধ্যয়ননিবেদিতাবসানাম্ = তস্য শিষ্যাঃ (ষষ্ঠী তৎপুৰুষ), তেষাংঅধ্যয়নং (ষষ্ঠী তৎপুৰুষ), তেন নিবেদিতম্ (তৃতীয়া তৎপুৰুষ) তচ্ছিষ্যাধ্যয়ননিবেদিতম্ অবসানং যস্যাঃ তাম্ (বহুব্রীহি)

কুশশয়নং = কুশনির্মিতং শয়নম (শাকপার্থিবাদিবৎ সমাস) তস্মিন্।

৭.৫ ৰঘুবংশম্ মহাকাব্যৰ প্রথমসর্গৰ (৭৫-৯৫) শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা

এতিয়া আপোনালোকে 'ৰঘুবংশম্' মহাকাব্যৰ প্রথমসর্গৰ (৭৫-৯৫) শ্লোকৰ ভাবার্থ আৰু ব্যাখ্যা পঢ়িবলৈ পাব।

১) প্রতিবধ্নাতি হি শ্রেয়ঃ পূজ্যপূজাব্যতিক্রমঃ

যিসকল সন্মানীয় সেইসকল সকলো সময়ত সকলো স্থানত সন্মানৰ যোগ্য। তাৰ ব্যতিক্রমে কল্যাণৰ পথত বাধা জন্মায়। সকলোৰে আশীর্বাদযুক্ত শত্রুহীন যি পথ সেয়াই প্রকৃত কল্যাণ লাভৰ পথ। জ্ঞাত আৰু অজ্ঞাতসাৰে যিসকলৰ স্খলন ঘটে সেইসকলৰ কল্যাণৰ পথৰুদ্ধ হয়। ৰজা দিলীপেও স্বর্গৰ পৰা প্রত্যাৱর্তণ কৰা কালছোৱাত পথত সুৰভি থকা সত্ত্বেও নিজৰ মহিষীৰ কথা স্মৰণ কৰি সৎকাৰ যোগ্য সুৰভিক যথাযোগ্য সন্মান প্রদর্শন নকৰিলে। সেয়েহে সুৰভিৰ কন্যা নন্দিনীক শুশ্রূষা নকৰাকৈ সন্তান লাভ নকৰিব বুলি সুৰভিৰ দ্বাৰা ৰজা শাপগ্রস্থ হ'ল। সেয়েহে পূজ্য ব্যক্তিক কেতিয়াও অৱমাননা কৰা উচিত নহয়।

২) বিদ্যামভ্যসনেনেব প্রসাদয়িতুমর্হসি।

অপুত্রক অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ বশিষ্ঠই সুৰভিকন্যা নন্দিনীক সেৱা শুশ্রূষা কৰিবলৈ উপদেশ দিছিল। নন্দিনীক প্রসন্ন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিবলৈকে মুনিয়ে দিলীপক কৈছিল। মুনিৰ উপদেশ মতে বন্যফলমূল আদি গ্রহণ কৰি সদায় এই নন্দিনীক সর্বতোভাৱে অনুসৰণ কৰি সেৱা কৰা উচিত। বিদ্যাক যিদৰে অভ্যাসৰ দ্বাৰা প্রসন্ন কৰা হয়, সেইদৰে যথাবিধি দৈনিক শুশ্রূষাৰ দ্বাৰা নন্দিনী সেৱিত হোৱা উচিত। বিদ্যার্থীয়ে যিদৰে সমস্ত বিষয়সুখ পৰিত্যাগ কৰি সদায় অনুশীলনৰ দ্বাৰা বিদ্যাক প্রসন্ন

কৰে, সেইদৰে ৰাজ ঐশ্বৰ্য্যভোগ পৰিত্যাগ কৰি মুনিবৃত্তি অৱলম্বনৰ দ্বাৰাই ৰজা দিলীপে নন্দিনীক সন্তুষ্ট কৰা উচিত।

৩) ললাটোদয়মাভুগ্নং পল্লৱস্নিগ্ধপাটলা।
বিভ্রতী শ্বেতৰোমাঙ্ক সন্ধেব শশিনং নবম্।।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাসবিৰচিত 'ৰঘুবংশম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ পৰা তুলি দিয়া হৈছে।

শ্লোকফাঁকিত কামধেনু নন্দিনীৰ বৰ্ণনা দিয়া হৈছে।

কামধেনু সুৰভিৰ কন্যা নন্দিনী আছিল স্নিগ্ধ আৰু পাটলবৰ্ণৰ ৰক্তবৰ্ণা নন্দিনীৰ ললাটত ঈষৎবক্ৰ শ্বেতবৰ্ণৰ ৰোমৰাজি বিৰাজমান আছিল। ফলত এনে লাগিছিল যেন সন্ধ্যাই চন্দ্ৰকলাহে ধাৰণ কৰিছে। সন্ধ্যাকাল আৰু নন্দিনী উভয়েই আশ্ৰমত উপস্থিত একেলগেই হৈছিল। উভয়েই ৰক্তবৰ্ণা। নন্দিনীৰ কপালত ঈষৎবক্ৰ শ্বেত ৰোমৰাজি আৰু সন্ধ্যাৰ আকাশ ৰূপ কপালত শুভ্ৰবৰ্ণৰ চন্দ্ৰকলা। কবিৰ তুলনা অত্যন্ত মনোহৰ। নন্দিনীৰ কপালৰ ঈষৎবক্ৰ শ্বেত ৰোমৰাজিয়ে অৰ্ধ চন্দ্ৰকলাৰ লগত ৰিজাই দিলীপৰ মনোবাঞ্ছা পুৰণৰ ইঙ্গিত দিছে।

৭.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

তপস্যাৰ প্ৰভাৱত শুদ্ধাত্মা বশিষ্ঠই ৰজা দিলীপৰ সন্তানহীনতাৰ কাৰণ জানিব পাৰি ক'লে যে এবাৰ ইন্দ্ৰৰ কাৰ্য্য সম্পাদন কৰি ৰজাই মৰ্ত্ত্যলৈ প্ৰত্যাগমন কৰোতে সুৰভিয়ে কল্পতৰুৰ ছাঁত জিৰণি লৈ আছিল (৭৫নং শ্লোক)। ধৰ্মহানিৰ ভয়ত ঋতুস্নাতা মহিষীৰ কথা স্মৰণ কৰি সৎকাৰযোগ্যা সেই ধেনুৰ প্ৰতি ৰজাই উচিত আচৰণ প্ৰদৰ্শন নকৰিলে (৭৬নং শ্লোক)। মোক অসন্মান কৰ হেতুকেই মোৰ সন্তানক আৰাধনা নকৰাকৈ তুমি পুত্ৰ সন্তান লাভ নকৰিবা এইবুলি সুৰভিয়ে ৰজাক শাপ দিলে (৭৭নং শ্লোক)। আকাশগঙ্গাৰ প্ৰৱাহ আৰু দিগ্গজৰ গৰ্জনত ৰজা আৰু সাৰথিয়ে কোনেও সেই শাপ নুশুনিলে (৭৮নং শ্লোক)।সুৰভিক অৱজ্ঞা কৰা বাবেই ৰজাৰ অভীষ্টসিদ্ধিত ব্যাখ্যাত হৈছে। কাৰণ পূজ্যসকলৰ সন্মানৰ ব্যতিক্ৰমত মঙ্গলপ্ৰাপ্তিত বিঘিনি ঘটে (৭৯নং শ্লোক)। সেই সুৰভি বৰ্তমান বৰুনৰ সত্ৰৰ হবি প্ৰদানৰ বাবে সৰ্পণিৰুদ্ধ পাতালত অৱস্থান কৰিছে (৮০নং শ্লোক) সুৰভিৰ কন্যাক প্ৰতিনিধি হিচাপে গ্ৰহণ কৰি আৰাধনা কৰি প্ৰসন্ন কৰিলেই ৰজাৰ অভিলাষ পূৰণ হ'ব (৮১নং শ্লোক)। এইদৰে কৈ থাকোতেই আহুতিসাধক নন্দিনী বনৰ পৰা উভটি আহিল (৮২নং শ্লোক)। কুঁহিপাতৰ দৰে ঈষ্যৰক্তিম সেই ধেনুৰে কপালত বগা নোমৰ কিঞ্চিত বক্ৰ ৰেখাৰে নবোদিত চন্দ্ৰৰ দৰে শোভা পাইছিল (৮৩নং শ্লোক) ব্যসদৰ্শনত ক্ষৰিত হোৱা ঈষদুষ্ণ আৰু অৱভৃথ স্নানতকৈও পৰিত্ৰ দুগ্ধেৰে ভূমি আৰ্দ্ৰ কৰি তুলিছিল (৮৪নং শ্লোক) নন্দিনীৰ খোজত খুৰাৰ ধূলিৰে ৰজাৰ শৰীৰ স্পৰ্শ কৰাত তীৰ্থস্নানৰ পুণ্যৰ দৰে পৰিত্ৰ হৈছিল (৮৫নং শ্লোক)। নিমিতজ্ঞ তপোনিধিয়ে নন্দিনীক দেখি ৰজাৰ আশা ফলৱতী হ'ব বুলি ৰজাক কৈছিল (৮৬নং শ্লোক)। মুনিয়ে ৰজাক কৈছিল যে তেওঁৰ অভীষ্টসিদ্ধি, যিহেতু নাম

লোৱা মাত্ৰেই নন্দিনী উপস্থিত হৈছেহি (৮৭নং শ্লোক)। বিদ্যাক অভ্যাসৰদৰেই অনুশীলন কৰাৰ দৰেই বন্যবৃত্তি অৱলম্বন কৰি সেই ধেনুক অনুসৰণ কৰিবলৈ মুনিয়ে উপদেশ দিলে (৮৮নং শ্লোক)। নন্দিনীৰ চলনত ৰজাও অনুসৰণ কৰিব আৰু বহিলে ৰজাও বহিব। তাই পানী খালে ৰজায়ো খাব (৮৯নং শ্লোক) বধূ সুদক্ষিণায়ো ভক্তিপৰায়ণ হৈ আশ্ৰমৰ সীমালৈ অনুসৰণ কৰিব আৰু সন্ধ্যা আগবঢ়াই আনিব। (৯০নং শ্লোক)। নন্দিনী প্ৰসন্ন নোহোৱালৈকে এনেদৰে সেৱা কৰিবলৈ কৈ ৰজাৰ মঙ্গল কামনা কৰি তেওঁৰ পিতৃৰ দৰে পুত্ৰৱানসকলৰ ভিতৰত প্ৰমুখ হ'বলৈ আশীৰ্বাদ দিলে (৯১নং শ্লোক)। সেয়ে হ'ব বুলি হৈ ৰজা আৰু ৰাণীয়ে গুৰুৰ আদেশ নতশিৰে গ্ৰহণ কৰিছিল (৯২নং শ্লোক)। তাৰ পিছত প্ৰজাপতিপুত্ৰ বশিষ্ঠই ঐশ্বৰ্য্যশালী ৰজাক শয়নৰ বাবে অনুমতি প্ৰদান কৰিলে (৯৩নং শ্লোক)। তপস্যাৰ প্ৰভাৱ থকা সত্ত্বেও ব্ৰতৰ নিয়মৰ বাবে বনবাসীৰ উপযোগী সামগ্ৰীহে যোগান ধৰিলে (৯৪নং শ্লোক)। ব্ৰতচাৰিণী পত্নীৰ লগত বশিষ্ঠই দেখুৱাই দিয়া পৰ্ণশালাত ৰজাই কুশশয্যাত শয়ন কৰিলে আৰু শিষ্যৰ অধ্যয়নৰ শব্দত জাগৰিত হ'ল (৯৫নং শ্লোক)।



৭.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ—

- 'ৰঘুবংশম' মহাকাব্যৰ প্ৰথমসৰ্গৰ বিষয়বস্তুৰ একাংশ জানিব পাৰিলোঁ।
- ৰজা দিলীপ আৰু মুনি বশিষ্ঠৰ মাজত হোৱা কথোপকথনৰ বিষয়েও জানিব পাৰিলোঁ।
- কামধেনু নন্দিনীৰ বিষয়েও পঢ়িলোঁ।
- শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগত শব্দাৰ্থ আৰু অসমীয়া অনুবাদো জানিবলৈ পালোঁ।
- শ্লোকসমূহৰ সাধাৰণ আলোচনাও পঢ়িবলৈ পালোঁ।
- পাঠ্যাংশত থকা কঠিন সংস্কৃত শব্দসমূহৰ ব্যাকৰণগত টোকাৰ বিষয়েও অৱগত হ'লোঁ।



৭.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ.(সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস (সৰ্গ ১-৫)*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্ৰাইভেট লিমিটেড।

২) নন্দৰ্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২) (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস;* দিল্লী ঃ মতিলাল বানাৰসীদাস।

৩) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol IX) (১৯৮১) ঃ নৱপত্ৰ প্ৰকাশন।



৭.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ শক্র বুলিলে ইন্দ্রক বুজায়।

২নং প্রশ্নৰ উত্তৰ ঃ সুৰভি মুনি বশিষ্ঠৰ কামধেনু।

৩নং প্রশ্নৰ উত্তৰ ঃ প্রচেতসৰ অন্য এটা বৰুণদেৱ।

৪নং প্রশ্নৰ উত্তৰ ঃ বিশাম্পতি শব্দটিৰ অর্থ নৰপুত।

৫নং প্রশ্নৰ উত্তৰ ঃ সত্র মানে দীর্ঘকালব্যাপি চলা যজ্ঞ।



৭.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ৰজা দিলীপ কিয় শাপগ্রস্ত হৈছিল?

প্রশ্ন ২ ঃ ৰজা দিলীপে কিয় সেই শাপ নুশুনিলে?

প্রশ্ন ৩ ঃ তলত দিয়া শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক।

মার্গলম্, পল্লবস্নিগ্ধপাটলা, বন্যবৃত্তিঃ, অশংসিতাবন্ধ্য-প্রার্থনম্, বৎসালোকপ্রবর্তিণা, ভুজঙ্গপিহিতদ্বাৰম্, উদ্দামদিগ্ধজে।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ব্যাখ্যা লিখক।

(ক) বিদ্যামভ্যসনেনেব প্রসাদয়িতুমর্হসি।

(খ) ললাটোদয়মাভুগ্নং পল্লবস্নিগ্ধপটলা।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কামধেনু নন্দিনীৰ এটি সংক্ষিপ্ত বর্ণনা লিখক।

প্রশ্ন ২ ঃ মহর্ষি বশিষ্ঠই কিদৰে নন্দিনীক সেৱা কৰিবলৈ কৈছিল লিখক।

*** ***** ***